● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন

সময়েই শিক্ষানুষ্ঠান,
য'ত আমি শিক্ষা
লাভ কৰোঁ; সময়েই
জুই, য'ত আমি পুৰি
নিঃশেষ হওঁ।

জন মিল্টন
ইংৰাজ কবি

www.dainikagradoot.in

৫ বৃহৎ কামৰূপ ৰাজ্যৰ পৰা কামৰূপ জিলালৈ
১৫ গুৱাহাটীত আঠখন ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা
৪ বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচী চৰকাৰৰ স্থিতি সবল হৈ থাকিবনে?

RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৭১তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৬ চ'ত ১৪২৮ ভাস্কৰাব্দ ৩১ মাৰ্চ ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Thursday 31 March 2022 মূল্য ঃ ৯.০০ টকা

■ আজি ভাগ্য নিৰ্ণয় পৱিত্ৰ মাৰ্ঘেৰিটা-ৰিপুন বৰা-ৰণগৌৰা নাৰ্জাৰীৰ ■ আমি ২৮টা ভোটৰ গ্যাৰাণ্টি লৈছো-১৫টাৰ গ্যাৰাণ্টি লওক ইউডিএফে ■ কংগ্ৰেছৰ প'লিং এজেণ্টক লৈ চৰ্চা

অন্তিম অনুশীলন শাসক-বিৰোধী জোঁটৰ

কাৰ কপাল ফুলিব? আজি নিৰ্বাচন।

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ শাসক-বিৰোধীৰ বাকযুদ্ধ, বিৰোধীৰ মাজত সৃষ্টি হোৱা সংঘাত আদিৰ মাজেৰে কাইলৈ অনুষ্ঠিত হ'ব অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ নিৰ্বাচন। কাইলৈ পুৱাৰ পৰা অসম বিধানসভা ভৱনত ইয়াৰ বাবে ভোটদান অনুষ্ঠিত হ'ব। সন্ধিয়া ভাগ্য নিৰ্ণয় হ'ব প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী বিজেপিৰ পৱিত্ৰ মাৰ্ঘেৰিটা, কংগ্ৰেছৰ ৰিপুন বৰা আৰু ইউপিপিএলৰ ৰণগৌৰা নাৰ্জাৰীৰ। পৱিত্ৰ মাৰ্ঘেৰিটা হ'ল শাসক পক্ষৰ প্ৰথমখন আসনৰ প্ৰাৰ্থী। দ্বিতীয় আসনখনকলৈহে নিৰ্বাচনৰ আগমুহূৰ্তলৈকে শাসক-বিৰোধীৰ বাকযুদ্ধ, জয়লাভৰ দাবী, বিৰোধী মিত্ৰজোঁটৰ মাজত সংঘাত অব্যাহত আছে। কাইলৈৰ নিৰ্বাচনৰ পূৰ্বে আজি সন্ধিয়া বিজেপি মিত্ৰজোঁটে শেষবাৰৰ বাবে ভোটদানৰ

আঠ পৃষ্ঠাত চাওক

■ আমি একেলগে আছো ঃ শক্তি প্ৰদৰ্শন কংগ্ৰেছৰ ■ স্বচ্ছতা প্ৰদৰ্শন কৰিবলৈ পৃথক ভোটদান বাকচ বিচাৰি ৰিটাৰ্ণিং বিষয়ালৈ পত্ৰ

'ৰিপুনকে ভোট দিম, আজি ভূপেন বৰা হাৰিব আৰু ইউডিএফ জিকিব'

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ আজি দুপৰীয়া কংগ্ৰেছ বিধায়িনী দলৰ নেতা দেৱব্ৰত শইকীয়াই এক সংবাদমেলত কংগ্ৰেছ, চিপিআই (এম) আৰু ৰাইজৰ দলৰ ঐক্যবদ্ধ শক্তি প্ৰদৰ্শন কৰাৰ সমান্তৰালভাৱে সন্ধিয়ালৈ এআইইউডিএফেও বিৰোধী প্ৰাৰ্থীকে ভোটদানৰ পুনৰ নিশ্চিতি দিয়ে। তদুপৰি দলৰ মুৰব্বী বদৰুদ্দিন আজমলে এই ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰা বুলিও এআইইউডিএফে সদৰী কৰে।

আজি বিধানসভা অধিবেশনৰ দুপৰীয়া আহাৰ বিৰতিৰ সময়ত কংগ্ৰেছ বিধায়িনী দলৰ নেতা শইকীয়াই সংবাদমেলত কয়, 'আমি ৪৩জন বিধায়কৰ স্বাক্ষৰ সংগ্ৰহ কৰি মনোনীত প্ৰাৰ্থী আগবঢ়াইছো। আমি সেই স্থিতিত অটল আছো।

১০ পৃষ্ঠাত চাওক

স্বয়ম আঁচনি ধনৰ ব্যাপক অপব্যৱহাৰ

উপায়ুক্তসকলৰ পৰা ধন ব্যয়ৰ তথ্য বিচাৰিছে চৰকাৰে

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ অসমৰ দুই লাখ নিবনুৱাক আত্মসংস্থাপনৰ বাবে অসম চৰকাৰে পুনৰ-স্বয়ম আঁচনিৰ অধীনত আগবঢ়োৱা ধনৰ ব্যাপক অপচয় হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আজি বিধানসভাত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিধানসভা পৰিচালনা বিধি ৪৯ৰ অধীনত এই বিষয়টো উত্থাপন

আঠ পৃষ্ঠাত চাওক

■ শীঘ্ৰে উচ্চতম ন্যায়ালয়ত বিচাৰাধীন গোচৰৰ পক্ষ হ'ব অসম চৰকাৰ ■ সংখ্যালঘু মানেই মুছলমান, এই ধাৰণা সলনিৰ সময় আহিছে ■ বিধানসভাত ঘোষণা কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

অসমত জিলাভিত্তিক চিনাক্ত হ'ব সংখ্যালঘু

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ স'তেও আলোচনা ■ সংখ্যালঘুৰ সংজ্ঞা সলনিৰ পোষকতা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ অসমত সংখ্যালঘু কোন তাৰ প্ৰচলিত সংজ্ঞাৰ সংশোধনৰ সম্ভাৱনা প্ৰকট হৈছে। অসমত সংখ্যালঘু সম্প্ৰদায়ৰ লোক কোন বুলি বিধানসভাত বিজেপিৰ বিধায়ক মৃণাল শইকীয়াই দুদিন পূৰ্বে উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সেই সম্ভাৱনাই ব্যক্ত কৰে। সংখ্যালঘুৰ সংজ্ঞা নিৰ্ধাৰণত অসম চৰকাৰে যি নতুন স্থিতি ল'ব বিচাৰিছে তাক অতি শীঘ্ৰে উচ্চতম ন্যায়ালয়ত বিচাৰাধীন এটা গোচৰৰ অংশীদাৰ হৈ দাখিল কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়।

মুখ্যমন্ত্ৰী শৰ্মাই আজি বিধানসভাত সদৰী কৰে যে উচ্চতম ন্যায়ালয়ৰ বক্তব্যৰ ভিত্তিত অসম চৰকাৰে জিলা ভিত্তিত সংখ্যালঘু কোন তাক চিনাক্ত কৰিব। তেওঁ কয়, 'বৰ্তমান ভাৰতত সংখ্যালঘু বুলি ক'লে ছটা সম্প্ৰদায়ৰ লোকক জনা যায়। সেইকেইটা হ'ল ক্ৰমে মুছলমান, খ্ৰীষ্টান, পাৰ্ছি, জৈন, বৌদ্ধ আৰু শিখ। সময়ৰ লগত এই ধৰাণা সলনিৰ প্ৰয়োজন আছে। বহুতৰ দৃষ্টিত

১০ পৃষ্ঠাত চাওক

অৱস্থান ধৰ্মঘট কাৰ্যসূচী

সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ অৱস্থান ধৰ্মঘট, চচলত বুধবাৰে।

প্ৰতিবন্ধীৰ নিযুক্তিৰ দাবীত পথ অৱৰোধ হয় আমাক নিযুক্তি দিয়ক, নহয় আমাক গুলীয়াই মাৰক

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ প্ৰতিবন্ধীসকলৰ নিযুক্তিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে হেমাহি কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে প্ৰতিবন্ধী সুৰক্ষা সংস্থা, অসমে। ইয়াৰ প্ৰতিবাদত আজি সংগঠনটোৱে প্ৰতিবন্ধীসকলক এপ্ৰিলৰ ভিতৰত নিযুক্তি দিয়াৰ দাবীত মহানগৰীৰ নাৰেংগী-ছয়মাইল

আঠ পৃষ্ঠাত চাওক

■ আমি কৰা স্বাক্ষৰ এক কাৰ্যবাহী সম্পাদন, ইয়াৰ পাছত সংসদে চূড়ান্ত সিদ্ধান্ত ল'ব ঃ শৰ্মা
■ মেঘালয়ৰে চুক্তি স্বাক্ষৰৰ পূৰ্বে গ্ৰহণ কৰা পদক্ষেপৰ বিতং ব্যাখ্যা সদনত দিলে মুখ্যমন্ত্ৰীয়ে

জ্যেষ্ঠ ভগ্নীৰ মনোভাৱ দেখুৱাবই লাগিব

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ অৰ্ধশতিকা জোৰা সীমা বিবাদৰ অন্তত স্বাক্ষৰিত অসম-মেঘালয় চুক্তিয়ে একত্ৰিত উত্তৰ-পূৰৰ নতুন বীজ উত্তৰণ কৰিলে। কালি নতুন দিল্লীত অসম-মেঘালয় সীমা বিবাদ নিষ্পত্তিৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই বুজাবুজি চুক্তিত স্বাক্ষৰ কৰাৰ পাছত আজি বিধানসভাত এইদৰে কয় ড° শৰ্মাই। তেওঁ কয়, 'আমি বাস্তৱৰ মুখামুখি হ'ব লাগিব। কালি স্বাক্ষৰিত চুক্তিয়ে একত্ৰিত উত্তৰ-পূৰৰ নতুন বীজ উত্তৰণ কৰিলে। আমাৰ উমৈহতীয়া আকাংক্ষা আছে, উত্তৰ-পূৰ এক উমৈহতীয়া পৰ্যটন কেন্দ্ৰ হ'ব পাৰে। ড° ভূপেন হাজৰিকাৰ গানত এই

১০ পৃষ্ঠাত চাওক

কি আছে অসম-মেঘালয়ৰ বুজাবুজি চুক্তিত?

■ ১২টা বিবদমান অঞ্চলৰ ছটাৰ নিষ্পত্তি।

■ তাৰাবাৰী অঞ্চলৰ আপাৰ তাৰাবাৰী/ৰালকাম, ৰংখেত, থাংখোলা, চিংগিপা, চিংগিদে, ড'ইনি চাৰাড'নু, ডাপৰ'লপাৰা আৰু ৰালকাম মেঘালয়ত অন্তৰ্ভুক্ত হ'ল। মুঠ ভূমি কালি ৪.৬৯ বৰ্গ কিলোমিটাৰ।

■ তাৰাবাৰীৰ মালং শালবাৰী অসমতে থাকিল। অৱশ্যে মালং শালবাৰীৰ আন এটা অঞ্চল মেঘালয়ৰ ভিতৰত আছে আৰু মেঘালয়ৰ স'তে থাকিব।

■ গিজাং অঞ্চলৰ আমাগাঁও আৰু গ'হানিমাৰা থাকিব মেঘালয়ৰ স'তে। মাটিকালি ২.৯০ বৰ্গ কিলোমিটাৰ।

■ মালছাপাৰা গাঁও, গিজাং সংৰক্ষিত বনাঞ্চল থাকিব অসমৰ স'তে। ১০.৬৩ বৰ্গ কিলোমিটাৰ মাটিকালি।

■ হাহিম অঞ্চলৰ ৰংথালি, ৰাণীঘাট, আঠিয়াবাৰী, থামনাগুৰি/ছোনাকুৰি, মাথাপুটা/উমছিয়াক, মাছপাৰা, মৈপাৰা, মালাপাৰা/নালাপাৰা, ছিমৰাং, (ওমছাইটৰাট) আৰু ছিমৰাং/ছালাপাৰা মেঘালয়ৰ লগত থাকিব। মাটিকালি ৩.২১ বৰ্গ কিলোমিটাৰ।

■ থুটিয়াপাৰা/থুটিয়াবাজাৰ অঞ্চল অসমৰ

আঠ পৃষ্ঠাত চাওক

মৰগীয়া বানচ তিনি শতাংশ বৃদ্ধি কেন্দ্ৰীয় কৰ্মচাৰীৰ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ৩০ মাৰ্চ ঃ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিলে কেন্দ্ৰই। আজি এই সিদ্ধান্তত অনুমোদন দিয়ে

আঠ পৃষ্ঠাত চাওক

গুজৰাটৰ পৰা অসমলৈ শীঘ্ৰে ১৫ হেজাৰ গীৰ গাই

গাখীৰৰ উৎপাদনত অসম স্বাৱলম্বী হোৱাৰ লক্ষ্য

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ বহিঃৰাজ্যৰ পৰা অনা গৰুৰে গাখীৰ উৎপাদনত স্বাৱলম্বী হ'ব বিচাৰিছে অসমে। প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও অসম গাখীৰ উৎপাদনত যথেষ্ট পিছ পৰি আছে। এনে ক্ষেত্ৰত গাখীৰৰ উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে শীঘ্ৰে গুজৰাটৰ পৰা অসমলৈ অনা হ'ব ১৫ হেজাৰ গীৰ গাই। আজি অসম বিধানসভাৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীৰ লগতে ৫৪ বিধিৰ অধীনত কংগ্ৰেছৰ জাকিৰ হুছেইন শিকদাৰে গাখীৰৰ চাহিদা পূৰণ কৰিবলৈ ৰাজ্য

আঠ পৃষ্ঠাত চাওক

বিত্ত আয়োগৰ দ্বাৰা নিৰ্ধাৰিত সৰ্বোচ্চ হাৰ ২৮.৫ শতাংশক অতিক্ৰম
■ ঋণৰ পৰিমাণ বাঢ়িলে মূল্যবৃদ্ধি হ্ৰাস পাব নেকি ঃ প্ৰশ্ন কংগ্ৰেছৰ

৩২.৫ শতাংশলৈ বৃদ্ধি অসমৰ ঋণ, সদন ত্যাগ কৰি প্ৰতিবাদ বিৰোধীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ ঋণৰ বোজাত পোত গৈ থকা অসমে এইবাৰ নিৰ্ধাৰিত হাৰতকৈয়ো চাৰি শতাংশ অধিক ঋণ ল'ব। চৰকাৰৰ এই সিদ্ধান্তৰ আজি বিধানসভাত বিৰোধীয়ে তীব্ৰ প্ৰতিবাদ জনায়। প্ৰতিবাদৰ অংশৰূপে বিৰোধীয়ে এই সম্পৰ্কীয় বিধেয়কখন অনুমোদনৰ সময়ত সদন ত্যাগ কৰে; কিন্তু সংখ্যাৰ জোৰত শাসক পক্ষই বিধেয়কখন গৃহীত কৰিবলৈ সক্ষম হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত চতুৰ্দশ বিত্ত আয়োগে নিৰ্ধাৰণ কৰি দিয়া সৰ্বোচ্চ ২৮.৫ শতাংশৰ পৰিৱৰ্তে অসম চৰকাৰে ৩২.৫ শতাংশ ঋণ গ্ৰহণৰ পথ প্ৰশস্ত হয়। কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন আৰু অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ পৰিমাণ সন্তোষজনকভাৱে বৃদ্ধি হোৱাত ঋণ গ্ৰহণৰ হাৰো বৃদ্ধি কৰিবলৈ অসম

১০ পৃষ্ঠাত চাওক

পাঁচ বছৰ পাছত অসমৰ দুৰৱস্থা শ্ৰীলংকাৰ দৰে হ'ব বুলি আশংকা

আবেগিক সংজ্ঞা নিৰূপণ হৈ আছে ঃ মুখ্যমন্ত্ৰী

অসমীয়াৰ আইনগত সংজ্ঞা নিৰূপণৰ প্ৰক্ৰিয়া চলিছে, বিধানসভাত ঘোষণা শৰ্মাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ অসম চুক্তিৰ ছয় নম্বৰ দফা অনুসৰি, আইনগতভাৱে অসমীয়া কোন তাৰ সংজ্ঞা নিৰূপণৰ প্ৰক্ৰিয়া আগবঢ়াব অসম চৰকাৰে। আজি বিধানসভাত অসম গণ পৰিষদৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই এক পৰিপূৰক প্ৰশ্ন উত্থাপন কৰি মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰে যে প্ৰাক্তন অধ্যক্ষ প্ৰয়াত প্ৰণৱ গগৈয়ে অসমীয়াৰ সংজ্ঞা নিৰূপণৰ যি প্ৰতিবেদন প্ৰস্তুতি কৰিছিল সেইখন পুনৰ বিবেচনাৰ বাবে গ্ৰহণ কৰা হ'ব নেকি? ইয়াৰ উত্তৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আবেগিকভাৱে অসমীয়াৰ সংজ্ঞা নিৰূপণ হৈয়ে আছে; কিন্তু অসম চুক্তিৰ

১০ পৃষ্ঠাত চাওক

গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত মনোনয়ন দাখিল বিজেপি প্ৰাৰ্থীৰ।

এইবাৰ প্ৰাক্তন বিধায়কলৈ বছৰি ৬০ হেজাৰ টকাৰ ভ্ৰমণ বানচ

অধিসূচনা জাৰি

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ অসম বিধানসভাৰ প্ৰাক্তন সদস্য আৰু তেওঁলোকৰ পৰিয়ালৰ ভ্ৰমণ বানচ বছৰি ৬০ হেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। এই সন্দৰ্ভত যোৱা ২৭ মাৰ্চত জাৰি কৰা অসম ৰাজপত্ৰৰ জাননী আজি বিধানসভাত দাখিল কৰা হয়। অসম বিধানসভাৰ প্ৰধান সচিব হেমেন দাস স্বাক্ষৰিত জাননীত উল্লেখ কৰা অনুসৰি, প্ৰতিজন প্ৰাক্তন বিধায়কে ভাৰতৰ ভিতৰত যিকোনো সময়ত স্বামী অথবা পত্নী আৰু অন্যান্যৰ লগত কৰা ভ্ৰমণৰ বাবদ এতিয়াৰে পৰা বছৰি সৰ্বাধিক ৬০ হেজাৰ টকা বানচ লাভ কৰিব। ইয়াৰ বাবে প্ৰামাণ্য ৰছিদ তেওঁলোকে দাখিল কৰিব লাগিব।

Muthoot Finance
2.5 লাখতকৈয়ো
1800 313 1212



তাপমাত্ৰা	সৰ্বোচ্চ	সৰ্বনিম্ন
গুৱাহাটী	২৮°	২২°
ডিব্ৰুগড়	২৬°	২১°
দিল্লী	৩৯°	২২°
কলকাতা	৩৪°	২৭°
মুম্বাই	৩৩°	২৬°
চেন্নাই	৩৫°	২৮°
বাংগালুৰু	৩৪°	২২°
শ্বিলং	২০°	১৫°

৩০ মাৰ্চ, ২০২২

অবৈধ কয়লা খননত বিষাক্ত গেছ নিৰ্গত হৈ দুজনৰ মৃত্যু

সাতজন সংকটজনক অৱস্থাত চিকিৎসাধীন

অগ্ৰদূত বাৰ্তা

শিমলুগুৰি/নাজিৰা, ৩০ মাৰ্চঃ চুবুৰীয়া নগালেণ্ডৰ মন জিলাৰ এটা কয়লাখনিত কালি সংঘটিত দুৰ্ঘটনাত অসমৰ দুজন শ্ৰমিকৰ থিতাতে মৃত্যু হোৱাৰ উপৰি আন সাতজন সংকটজনক অৱস্থাত চিকিৎসাধীন হ'বলগীয়া হয়। নগালেণ্ডৰ নাগিনীমৰাৰ লাইন শ্লিপত

১০ পৃষ্ঠাত চাওক

পুনৰ উত্তেজনাৰ সৃষ্টি ■ উপস্থিত আৰক্ষী

চুক্তিৰ পাছতে লাম্পীৰ সীমান্তত দুৰ্বৃত্তই উভালিলে অসম চৰকাৰৰ খুঁটা

অসমতে থকাত আনন্দ মালাং শালবাৰীত

অগ্ৰদূত বাৰ্তা

বকো, ৩০ মাৰ্চ ঃ অসম-মেঘালয় সীমান্তৰ বিবদমান ১২টা স্থানৰ ছটাৰ বিবাদ মীমাংসাৰ বাবে কালি নতুন দিল্লীত দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মাজত চুক্তি স্বাক্ষৰিত হোৱাৰ পাছ মুহূৰ্তত নিশা বকোৰ সীমান্তত একাংশ দুৰ্বৃত্তই উভালি পেলালে অসমৰ জৰীপৰ খুঁটা। অসম-মেঘালয় সীমান্তৱৰ্তী চিৰসেউজ লাম্পীৰ

১০ পৃষ্ঠাত চাওক

নতুন উগ্ৰপন্থী সংগঠন জন্মৰ ইংগিত

চিৰাঙত হাতে হাতে মাৰণাস্ত্ৰ লৈ দুৰ্বৃত্তৰ দলৰ লুটপাট সীমান্তৰ গাঁৱত

অগ্ৰদূত ব্যুৰ'/অগ্ৰদূত বাৰ্তা

বঙাইগাঁও/কাজলগাঁও, ৩০ মাৰ্চ ঃ চিৰাঙৰ ভুটান সীমান্তৰ যমুনাগুৰি আৰু ইন্দ্ৰপুৰত হাতে হাতে অত্যাধুনিক মাৰণাস্ত্ৰ লৈ দুৰ্বৃত্তৰ দলে লুটপাট চলোৱাৰ ঘটনাই আতংকৰ সৃষ্টি কৰিছে। যোৱা নিশা অস্ত্ৰধাৰী যুৱকে তাণ্ডৱ চলায় ভুটান সীমান্তৰ দুখনকৈ গাঁৱত। চিৰাং জিলাৰ ভাৰত-ভুটান সীমান্তৰ আমগুৰি থানা তথা কয়লা ময়লা উপ-আৰক্ষী

১০ পৃষ্ঠাত চাওক

চেঙা তেল



এইবোৰ চলিয়েই থাকে! যোৱাবাৰ মই এওঁক সেৱা কৰিছিলো, এইবাৰ তেওঁ মোক!

এন আৰ চি প্ৰকাশৰ আঢ়ৈ বছৰ পাছতো সুফল নাপালে অসমীয়াই ■ প্ৰস্তুতি এপিডব্লিউৰ

এনআৰচিৰ পুনৰীক্ষণৰ দাবীৰে ন্যায়ালয়লৈ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ নাগৰিকপঞ্জী (এন আৰ চি)ৰ এশ শতাংশ পুনৰীক্ষণৰ দাবীৰে পুনৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব আছাম পাব্লিক ৱৰ্কছ (এ পি ডব্লিউ)। আজি নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি সংগঠনটোৰ সভাপতি অভিজিৎ শৰ্মাই কয় যে প্ৰকাশৰ প্ৰায় আঢ়ৈ বছৰ পাছতো অমীমাংসিতভাৱে ৰ'ল অসমীয়া জাতিৰ ৰাজহাঁড়স্বৰূপ এনআৰচিখন। প্ৰাক্তন ৰাজ্যিক সমন্বয়ক প্ৰতীক হাজেলাৰ বিয়াগোম কেলেংকাৰি আৰু খামখেয়ালিৰ ফলত এনআৰচিৰ পৰা পাবলগীয়া সুফল আৰু বিদেশীমুক্ত এখন ৰাজ্যৰ সপোনৰ পৰা আজিও আমি বঞ্চিত হৈ ৰ'লো। এন আৰ চিৰ প্ৰকাশৰ নামত সমগ্ৰ প্ৰক্ৰিয়াটোত প্ৰায় ৩৫৫ কোটি টকাৰ বিত্তীয় অনিয়মৰ তথ্য মহাগাণনিকৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে বুলি সদৰী

১০ পৃষ্ঠাত চাওক

মাটি বিক্ৰীক লৈ বিবাদতে হত্যা, ধৃত চিকিৎসকৰ খুলশালিক গ্ৰেপ্তাৰ

বৰপেটাৰ যুৱতী অধিবক্তা হত্যাকাণ্ড ঃ পুনৰ তিনিজনক গ্ৰেপ্তাৰ ঃ অস্ত্ৰ উদ্ধাৰ



বিশেষ সংবাদদাতা

বৰপেটা, ৩০ মাৰ্চ ঃ জিলাৰ সদৰ চহৰ বৰপেটাৰ মাজমজিয়াত যুৱতী অধিবক্তা ৰিণিমা বেগম হত্যাকাণ্ডৰ তদন্তত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে আৰক্ষী। অধিবক্তা ৰিণিমাৰ হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগত মহিবুল হক ওৰফে মণিসহ তিনি মূল

১০ পৃষ্ঠাত চাওক

ACHIEVEMENT

Ms Hemangini Sharma, Ph.D. Research Schotlar from Maharashtra National Law University, Nagpur has been awarded the degree of Doctor of Philosophy (Ph.D) by the Maharashtra National Law University, for her thesis entitled 'NEED FOR MIGRATION LAWS IN INDIA : THE CASE OF ILLEGAL BANGLADESHI IMMEGRANTS IN ASSAM' under the guidance of Prof. (Dr) Himanshu Pandey, Professor of Law, Maharashtra National Law University, Nagpur. It may be recalled that she also secured State's highest marks in Economics in her Higher Secondary Final Examination and after obtaining B.S.LL.B (Hons) degree from the National Law University, Jodhpur, she obtained LL.M. Degree from Aberdeen University,Scotland, U.K, wherefrom she was selected as International Legal Intern in the Special Department of War Crimes Court of Bosnia & Herzegovina, Sarajavo set up to try war criminals and was the only intern from Asia, Where she served for about a year. She is the daughter of Srimati Aneema Sharma and Justice H.N Sarma (Reted) of Guwahati and wife of Col. Dibakar Chandra and daughter-in-law of late Mrs. Kanchanmala Chandra and Shri Bhanu Chandra and mother of Master Sohisnu Chandra.

LOST

Lost my SBSE TAMILNADU ORIGINAL certificate Classes of 10 & 12. Registration No. 1504811 and 094905 around Tamulpur,Assam on 15th March, 2022. If found please Contact 9585148934

Name- KESAVANS
S/O- Chithamparanathan

জ্যোতিষী

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্রশিক্ষণ জ্যোতিষী।

আচাৰ্য ডি শৰ্মা
(M) 8099336044.

ASTROLOGY/ জ্যোতিষী

ত্রিকাল মহাভৈৰৱ তন্ত্র কেন্দ্র ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্র ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্রিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্রিক সম্রাট.... ত্রিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

No, BTC/LR-479/2021/97, *Dated Kokrajhar, the 25th March' 2022.*

NOTICE

It is hereby notified to the owners/ pattadars/ occupants of the land that the District Level Land Purchase Committee (DLLPC) has decided to acquire the land measuring total of 223B-2K-12Ls at the following revenue villages under Sidli/ Bengtol/Bijni Revenue Circles village wise schedule of acquired land are enclosed herewith through the direct purchase by way of negotiated settlement of widening of existing road from Chapaguri to Bhutan Border via Amteka for a length 40.776 KM under Asom Mala as per the procedures notified by the Govt. vide Notification No. DA5R.80/2020/3, dated: - 20/01/2021. They may submit their objections regarding interest and ownership of land, etc. (if any) to the Chairman, District Level Land Purchase Committee, BTC, Kokrajhar at the Office of the Bodoland Territorial council, Land Revenue & Disaster Management Department, Bodoland Secretariat Complex, Bodofa Nwgwr, Kokrajhar-783370 or at email ID: principal.secretary.btc@gmail.com within a period of 1 (one) month from the date of publication of this Notice.

Sl. No.	Village.	Revenue Circle.	Area of Acquired Land.	
			Patta Land	Govt. Land.
1	2 No. Chapaguri.	Sidli	01B-2K-11.49LS	02B-2K-4.25Ls
2	2 No. Kahibari.	Sidli	02B-4K-6.2Ls	04B-3K-12.3Ls
3	2 No. Polashguri.	Sidli	02B-1K-3.5Ls	00B-3K-08Ls
4	1 No. Polashguri.	Sidli	05B-0K-3.5Ls	00B-4K-02Ls
5	Dologaon.	Sidli	00B-3K-07Ls	08B-3K-13Ls
6	Nangalbhanga.	Bijni	00B-0K-00Ls	01B-2K-03Ls
7	Tulshijhora.	Bijni	15B-1K-09Ls	02B-2K-16Ls
8	Polangshaguri.	Sidli	13B-1K-17Ls	00B-1K-10Ls
9	No.2 Sikapara.	Bijni	01B-0K-04Ls	00B-0K-19Ls
10	Paschim Gumurgaon.	Bijni	02B-1K-16.96Ls	00B-1K-16Ls
11	Bhabanipur.	Bijni	01B-3K-03Ls	01B-2K-18Ls
12	Kaliagaon.	Bijni	00B-3K-07Ls	00B-4K-10Ls
13	Lakhipur.	Bijni	06B-0K-03Ls	00B-3K-18Ls
14	Amguri.	Bijni	10B-4K-18Ls	15B-1K-16Ls
15	Rajpara.	Bijni	15B-4K-03Ls	03B-1K-04Ls
16	Kherdanda.	Bijni	17B-0K-10Ls	11B-3K-05Ls
17	Parbatjhora.	Bijni	11B-2K-08Ls	11B-0K-10Ls
18	Koilamoila.	Bijni	07B-3K-05Ls	13B-3K-16Ls
19	Gendabil.	Bijni	19B-2K-12Ls	04B-2K-07Ls

Total: - 223B-2K-12Ls.

Sd/-Chairman,
District Level Land Purchase Committee (DLLPC),
Bodoland Territorial Council, Kokrajhar.

IPR/BTC/-859/2021

No. DME/ PG/87/ 2021/8739, Dated: 30/03/2022

EDUCATIONAL NOTICE

Mop-up Round of Online Counselling for Admission into vacant Post Graduate Seats in Govt. Medical Colleges of Assam under Assam State Quota, session 2021

This is for information of all concerned that the Mop-up Round of online Counselling for Admission into the vacant Post Graduate Seats in Government Medical Colleges of Assam under Assam State Quota for the session 2021, is going to be held under this Directorate. Candidates who appeared in NEET-PG-2021 conducted by the National Board of Examination may participate in the Online counselling provided they fulfil all the eligibility criteria mentioned in the Assam Medical Colleges (Regulation of Admission to Post-Graduate Courses) Rules, 2006 and all subsequent Amendments as well as meet the cut-off scores in NEET PG-2021. Further, the name and NEET PG-2021 Roll No. of the candidate must be present in the list of eligible candidates published by this Directorate earlier. The candidates who have already joined in their allotted seats in Round-1 & 2 under 50% AIQ cannot participate in the Mop-up round of counselling for 50% State Quota seats.

Online Registration for the counselling will be available at the official website of this Directorate, www.dme.assam.gov.in from 05/04/2022 to 06/04/2022 midnight. The candidates who have already registered and participated in Round 1 & 2 state counselling need not register again and shall be able to take part in the Online choice filling of Mop-up Round of Counseling for fresh allotment or change of Subject/College. After completion of Online Registration process, Online Filling of Choices will be available from 08/04/2022 to 09/04/2022, 5 PM. Facility for locking of choice will be available on 09/04/2022 from 10 am to 5 pm, after which the choices will be locked automatically if not locked earlier by the candidate. After processing the data, a college-wise and subject-wise list of selected candidates will be displayed along with modalities of admission on 13/04/2022.

The counseling for State Health Service Quota seats shall be held offline only. The date for offline counseling shall be intimated in due course.

	Schedule	Date
1	Online Registration for Mop-up Round of Counselling	05/04/2022 to 06/04/2022 midnight
2	Online Filling of Choices	08/04/2022 to 09/04/2022 (5 PM)
3	Locking of choices	09/04/2022 (10 am to 5 pm)
3	Expected date of declaration of seat allotment	13/04/2022

Candidates are directed to visit the official website of this Directorate, www.dme.assam.gov.in regularly for updates.

Sd/-
Director of Medical Education, Assam

Janasanyog/D/18461/21

No. TECH. 05/SE(B)/C Tender/2021-22/29, *Dated Kokrajhar the 30/03/2022.*

Tender No. 506 of 2021-22
PRESS NOTICE INVITING TENDER

The Superintending Engineer, PWD Building Circle, Kokrajhar on behalf of Governor of Assam invites bids from approved and eligible Contractors registered with Public Works Department (Building), Assam/Contractors registered with Bodoland Territorial Council in the category of Class-I (A,B&C) and Class-II for 2 (two) nos. of works for bid amounting to Rs.70,12,576.00 (approx) (Rupees seventy lakh twelve thousand five hundred seventy six) only.

Details may be seen at website http://assamtenders.gov.in and also in the office of the undersigned during office hours.

Sd/-
Superintending Engineer,PWD
Kokrajhar Bldg.Circle,Kokrajhar.

IPR(BTC)-857/2021

ADVERTISEMENT
Dated 29.03.2022

Applications are invited from the Indian Citizens as defined under Article 5 & 6 of the Constitution of India for filing up the following vacant post in the establishment of the **Special Judge, CBI, Assam, Chandmari, Guwahati-3.**

Sl. No.	Name of the establishment	Name of the post	No. of post	Category	Pay Scale
1.	Special Judge, CBI, Assam, Chandmari, Guwahati-3	Peon	01(one)	Unreserved (UR)	PB-1: Rs.12,000 – 52,000 + G.P. Rs.3,900

ELIGIBILITY *(as on 30.04.2022)*

- Qualification : Minimum Class-VIII standard and those who have passed HSSLC (*Class XII*) or above shall be ineligible to apply.
- Age limit : Minimum 18 years and maximum 40 years for General Candidates, 43 years for OBC/MOBC candidates and 45 years for ST/SC candidates as on 30.04.2022.

GENERAL CONDITIONS

- The application in standard form shall have to be submitted along with self-attested copies of relevant Academic Testimonials including birth certificate or any other valid legal documents in support of age etc.
- **2 (two) copies of recent passport size colour photographs** should be enclosed with the application.
- Last date of receipt of application: **30.04.2022 (up to 5 pm)**
- Applications shall be received by drop box in court office or by post (*Office of the Special Judge, CBI, Assam, Chandmari, Guwahati – 781003 near Chandmari Police Station*).
- The envelope containing the application should be superscribed – *"Application for Peon in the establishment of the Special Judge, CBI, Assam, Guwahati."*
- No application fee will be necessary

- Mere calling of a candidate to participate in the selection process or issuance of admit card/call letter etc. does not necessarily mean acceptance of candidature of any candidate, which shall be further scrutinized at every stage.
- The list(s) of the candidates found eligible to appear for interview/viva voce after scrutiny of applications will be published in the website of the District Judiciary, Kamrup (M) (**www.kamrupjudiciary.gov.in**) for candidates' reference.
- The eligible candidates shall have to collect their Admit Cards from the Office of the *Special Judge, CBI, Assam, Chandmari, Guwahati* on the day of interview/viva voce by producing their photo identity including one copy of recent passport size photograph. No call letters will be dispatched separately.
- **The selection process will comprise of Interview/Viva-voce** (30 marks).
- *In the event of more than one candidate securing the highest mark in Peon interview, the Selection Board reserves the right to work out a suitable criterion for final selection, including, if necessary, additional round of interview / viva voce of the candidates securing the same highest marks.*
- Place and date of the interview will be notified in due course in the website ***www.kamrupjudiciary.gov.in.*** No TA/DA will be paid for the same.
- Canvassing directly or indirectly will be considered a disqualification.
- **Concealing of educational qualification, age, date of birth etc. will lead to automatic disqualification of the candidature, even if provisionally selected, without intimation.**
- Incomplete/defective applications will be rejected without any intimation.
- Applicants shall have to mention his/her valid **mobile number** in the application.
- This advertisement has also been uploaded on the website - ***www.kamrupjudiciary.gov.in.***

Special Judge, CBI & NIA, Assam
Chandmari, Guwahati-3

Janasanyog/D/18445/21

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

১৬ চ'ত বৃহস্পতিবাৰ ৩১ মার্চ

সূৰ্যোদয় ঃ ঘঃ ৫।২০।২৭, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৩২।৩৯। **তিথি ঃ** কৃষ্ণা চতুদশী, দং ১৬।৪৩।৫ ঘঃ ১২।১।৫১। **নক্ষত্র ঃ** পূৰ্বভাদ্রপদ, দং ১২।৩১।২ ঘঃ ১০।২০।৫২। **যোগ ঃ** শুক্ৰ, দং ১৪।২৮।৪৫ ঘঃ ১১।৭।৫৭। **কৰণ ঃ** শকুনি। **জন্মত ঃ** মীনৰাশি, বিপ্রবৰ্ণ, মনুষ্যগণ, মনুষ্যৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী আৰু বিংশোত্তৰী বৃহস্পতিৰ দশা, ঘঃ ১০।২০।৫২ যোৱাত গৰুৰ অস্থি, অষ্টোত্তৰী শুক্ৰ, বিংশোত্তৰী শনিৰ দশা। **আদ্যঋতু হ'লে ঃ** ১২ দিনীয়া দুৰ্ভগা যোগ। **মৰণত দোষঃ** ত্রিপদ, ঘঃ ১০।২০।৫২। যোৱাত নাই। **যোগিনী ঃ** পশ্চিমত, ঘঃ ১০।২০।৫২ যোৱাত ঈশানত। **যাত্রা ঃ** নাই, প্রাপযোগ দোষ, ঘঃ ১২।১।৫১ যোৱাত সিদ্ধিযোগ, দক্ষিণত নাই। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মাটিমাহ, মাছ-মাংস খোৱা, প্রায়শ্চিত্ত হোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ পৰিয়ালৰ ক্ষেত্রত শুভ। কোনো অশুভ সংবাদে মানসিক অশান্তি দিব। প্রেমত সাৱধান।

বৃষ ঃ ধৈৰ্য সহকাৰে কাম কৰিলে ভাল ফল পাব। আপোনাৰ সুযোগ লৈ কোনোবাই আপোনাৰ ক্ষতি কৰিব পাৰে।

মিথুন ঃ শিক্ষাৰ্থীৰ শুভ। দুৰ্ঘটনাৰ হ'ব পাৰে। ব্যৱসায়ত নতুন পৰিচয় লাভ। কৰ্মত শুভ।

কৰ্কট ঃ ব্যৱসায়ীসকলৰ শুভ। বিদ্যাৰ্থীৰ বাবে শুভ। বিবাহ প্রাৰ্থীৰ বিবাহৰ যোগ।

সিংহ ঃ পৰিয়ালৰ ক্ষেত্রত শুভ হ'লেও সন্তানত কাৰণে চিন্তা থাকিব। আয় বৃদ্ধিৰ সুযোগ। প্রেমত সুখ।

কন্যা ঃ সঞ্চয় কৰিলে ভাল। ব্যৱসায়ী আৰু বিদ্যাৰ্থীৰ বাবে শুভ। সন্তানৰ শুভ।

তুলা ঃ ৰাজনৈতিকসকলৰ বিভিন্ন ধৰণৰ চিন্তা আহি পৰিব। চাকৰিয়ালৰ সু-সংবাদ পাব। প্রেমত অশান্ত।

বৃশ্চিক ঃ চাকৰিয়ালসকলৰ কৰ্তৃপক্ষৰ লগত মতবিৰোধ হ'ব পাৰে। বিদ্যাৰ্থীৰ নতুন সুযোগ আহিব।

ধনু ঃ সাৱধানে চলা-ফিৰা কৰিব। দেহত আঘাতপ্রাপ্ত হোৱাৰ সম্ভৱনা আছে। পুৰণি কোনো ৰোগ উপশম হোৱাৰ যোগ।

মকৰ ঃ আজি সমস্যা দেখা দিব। ব্যৱসায়ীসকলৰ শুভ। প্রেমত সুখ। প্রেমত মাধ্যম।

কুম্ভ ঃ বিদ্যাৰ্থী সকলে শুভ। বন্ধুৰ লগত মতবিৰোধ। ঘৰুৱা শুভ। দূৰ ভ্ৰমণ।

মীন ঃ বন্ধুৰ পৰা উপকৃত। প্রেমত শান্ত। কাম-কাজত উৎসাহ পাব। শাৰীৰিক যত্ন লওক।

শব্দ-বেহু ঃ ৩১ মার্চ ২০২২



পথালিকৈ ঃ [illegible]

থিয়কৈ ঃ [illegible]

৩০ মার্চ ২০২২ সংখ্যাৰ উত্তৰ ঃ

পথালিকৈ ঃ [illegible]

থিয়কৈ ঃ [illegible]

পদ খালী

Delhi Public School, Ahomgaon Guwahati ত কাম কৰিবৰ বাবে আবেদন বিচৰা হৈছে। **Driver-Psv Licence** ১০ জন, **Bus helper-HSLC Pass** ১৫জন, **Part time Bus Attendent-Lady** ১০জনী, **Data entry Operator** ৩জনী, **Phermacist (Homeo)** ১জন।

যোগাযোগ
সমন্বয় ছিকিউৰিটি ছাৰ্ভিচ
ভি আই পি ৰোড
ছয়মাইল, গুৱাহাটী
(M) 9435405846
7099024824

LOST

I have lost my HSLC Marksheet, Admit, High School Leaving Certificate. R/C, bearing Roll-B08-541, No-0070, AHSEC Admit, Marksheet, R/C, Certificates bearing Roll-0762, No-10170, Registration bearing No. 18-A-092666, Degree Marksheets and Certificates Roll code-A13619, Roll No-0271, M.A. Marksheets and Certificates No-055/13. Registration No of Gauhati University is 28370.

NIHARIKA SAIKIA
D/o- Jogeswar Saikia

প্রতীকাত্মক দখলী জাননী

ICICI Bank **শাখা কাৰ্যালয় ঃ আই চি আই চি আই বেংক লিমিটেড, কাৰ্যালয় নং ২০১-বি, ২য় মহলা, পথ নং-১, প্লট নং-বি৩, ৰাইফাই আই টি পাৰ্ক, ৰাগলে ইনদাষ্ট্রিয়েল এছটেট, থানে (পশ্চিম) ৪০০৬০৪**

যিহেতু

নিম্ন স্বাক্ষৰকাৰী আই চি আই চি আই বেংক লিমিটেডৰ বিষয়াই চিকিউৰিটিজেছন অৱ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অৱ চিকিউৰিটি ইণ্টাৰেষ্ট আইন, ২০০২ৰ অধীনৰ আৰু চিকিউৰিটি ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) বিধি ২০০২ৰ অনুচ্ছেদ ১৩ (১২)ৰ লগতে বিধি ৩-এ প্রদান কৰা ক্ষমতা অনুসৰি নিম্ন লিখিত ঋণীসকলক তলত উল্লেখ কৰা পৰিমাণৰ ঋণ আদায়ৰ বাবে দাবী জাননী জাৰি কৰিছিল, যাতে উক্ত ঋণী/সহ ঋণীসকলে সেই জাননী পোৱাৰ ৬০ দিনৰ ভিতৰত সুদসহ সমূদায় ঋণ আদায় কৰে।

যিহেতু নিৰ্দিষ্ট সময়ৰ ভিতৰত নিম্ন লিখিত ঋণী/সহ ঋণীসকলে সমূদায় ধনৰাশি পৰিশোধ কৰাত অপাৰগ হয়, গতিকে নিম্ন স্বাক্ষৰকাৰী কৰ্তৃত্বশীল বিষয়াই তলত উল্লেখ কৰা বিৰৰণৰ সম্পত্তি উক্ত আইনৰ অনুচ্ছেদ ১৩ (৪) আৰু বিধি ৮-এ প্রদান কৰা কৰ্তৃত্ব অনুসৰি নিম্ন উল্লেখিত তাৰিখত প্রতিকাত্মক দখলী কৰিছে বুলি ঋণী/সহ ঋণী লগতে সৰ্বসাধাৰণ ৰাইজক এই জাননী দ্বাৰা জনোৱা হ'ল। ঋণী/সহ ঋণীৰ লগতে সৰ্বসাধাৰণ ৰাইজক সতৰ্ক কৰি দিয়া যায় যে নিম্নোলিখিত সম্পত্তিৰ স'তে লেনদেন নকৰে যেন। অন্যথা আই চি আই চি আই বেংক লিমিটেড অনুসৰি মূল্য আদায় কৰা হ'ব।

ক্র নং	ঋণ লওঁতাৰ নাম/লোণ একাউণ্ট নং (ডি এইছ এফ এল পুৰণি লেন আৰু আইচিআইচিআই নতুন লেন)	সম্পত্তিৰ বিৰৰণ আৰু প্রতীকাত্মক দখলৰ তাৰিখ	ডিমাণ্ড জাননীৰ তাৰিখ আৰু টকাৰ পৰিমাণ	শাখাৰ নাম
১	দিপেন্দ্র সিং আৰু আকাংক্ষ্যা সিং- QZGWA00005042723 (DHFL Old LAN-12100004082 & ICICI New LAN- QZGWA00005042723)	সম্পত্তি পল্ট নং-৭৩, এইছ ব্লক, মুন য়াৰ্ড নং-১৮, গণেশ বিহাৰ কলনি, মৌজা-মহাৰাজাপুৰা গ্রিড, মধ্যপ্রদেশ গোৱালিয়ৰ- ৪৭৪০২০ পথৰ পিছফালে। প্রতীকাত্মক দখলৰ তাৰিখ ২৬-০৩-২০২২।	০৮-০৭-২০২১ ২২,৬৩,৭৫৭/- টকা	গোৱালিয়ৰ

ওপৰত উল্লেখ কৰা ঋণী/জামিনদাৰসকলক এই জাননী প্রকাশ পোৱাৰ ৩০ দিনৰ ভিতৰত ওপৰত উল্লেখ কৰা ধনখিনি আদায় দিবলৈ জনোৱা হ'ল, অন্যথা ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) আইন, ২০০২ৰ বিধি ৮ আৰু বিধি ৯ অনুসৰি বন্ধকত দিয়া উক্ত সম্পত্তি বিক্রী কৰা হ'ব।

তাৰিখ ঃ ৩১ মার্চ, ২০২২
স্থান ঃ অসম

কৰ্তৃত্বশীল বিষয়া
আই চি আই চি আই বেংক লিমিটেড

অগ্রদূত পাব্লিচার্ছ প্রাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্রদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্রিত আৰু প্রকাশিত। **সম্পাদক ঃ প্রাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্রুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com

বিলাসনন্দন চ'ৰা



টোল বাঢ়িব, দেছ কা ভলাই

ঃ হেৰা, আৰু বাঢ়িল নহয়!

ঃ তেলৰ দামনে?

ঃ সেইটো বঢ়া বুলি নকয় ৰ'বা! বাৰিষাত বৰষুণ দিয়া আৰু ভোট নাথাকিলে তেলৰ দাম বঢ়া একেই কথা।

ঃ তেন্তে আৰু কি বাঢ়িলনো?

ঃ কিয়, টোল বাঢ়িল নহয়!

ঃ টোল মানে সেই দাংডাল যে পৰি যায় আৰু খাড়া হৈ যায়।

ঃ অ' সেইডালেই!

ঃ সেইডালৰ দামো বাঢ়িল নেকি?

ঃ বাঢ়িল বোলে!

ঃ কিয় বাঢ়িল? ৰাস্তাবোৰতো আগৰ দৰেই ভাঙি আছে।

ঃ ভঙা ৰাস্তাত গাড়ী চলালে আৰু বেছি নাভাঙিব জানো?

ঃ ভাঙিব।

ঃ গাড়ী চলাই ৰাস্তাবোৰ বেছিকৈ ভাঙি পেলোৱা কাৰণে টোল বঢ়াই দিয়া হৈছে।

ঃ আৰু যে আমাৰ গাড়ীবোৰ ভাঙি-ছিঙি গৈছে!

ঃ ঠিক কৰি ল'লে হ'ল। গাড়ীৰ পাৰ্টছৰ দামতো দৈনিক বাঢ়ি আছে। গতিকে কি চিন্তা?

ঃ ইমানদিনেতো দাংডাল নাছিল।

ঃ নাছিল।

ঃ এতিয়া লগা হ'ল কিয়?



ঃ আগেয়েতো লকডাউন দিয়া নাছিল, এতিয়াহে দিলে।

ঃ লকডাউনৰ লগত দাংডালৰ কি সম্বন্ধহে?

ঃ বৰ গভীৰ সম্বন্ধ!

ঃ কেনেকুৱা?

ঃ দাংডাল কোনে উপহাৰ দিয়া বুলি ভাবিছা?

ঃ কোনে?

ঃ লকডাউনে। লকডাউন চলি থাকোতেই জাগাই জাগাই দাং বহি গ'ল।

ঃ কিন্তু দাংডাল লগা হ'ল কিয়?

ঃ আমি যে ৰাস্তাত গাড়ী চলাওঁ।

ঃ আমি ৰোড টেক্স দেখোন দিয়ে আছো।

ঃ ৰোড টেক্স ভাল ৰাস্তাৰে গাড়ী চলাবলৈ দিওঁ।

ঃ আৰু টোল কিহৰ কাৰণে?

ঃ যিকোনো ৰাস্তাৰে গাড়ী চলোৱা কাৰণে দিওঁ।

ঃ সেই দাংডালৰে আকৌ দাম বঢ়াব লগা হ'ল কিয়?

ঃ ৰজাঘৰৰ খালী ৰাজকোষটো চাগে দাং খাই বতাহত উৰি ফুৰিছে, সেই কাৰণে।

ঃ এই ৰাস্তাবোৰ কোনে বনাইছে?

ঃ ৰজাঘৰে।

ঃ ৰজাঘৰে টকা ক'ত পাইছে?

ঃ আমাৰ পৰা পাইছে।

ঃ তাৰ মানে আমাৰ টকাৰেই ৰাস্তা বনাইছে?

ঃ অ' বনাইছে!

ঃ তেনেহ'লে কথাটো দেখোন গণ্ডগুলীয়া হ'ল।

ঃ কি গণ্ডগুলীয়া হ'ল?

ঃ কথাটো এনেকুৱা নহ'ল জানো?

ঃ কেনেকুৱা?

ঃ আমি আমাৰ গাঁঠিৰ ধন ভাঙি ইটা-চিমেণ্ট আনিলো।

ঃ আনিলা।

ঃ ঘৰ এটা বনালো নিজৰ টকাৰে।

ঃ বনালা।

ঃ সেইটো মোৰ নিজৰ ঘৰ হ'ল।

ঃ হ'ল।

ঃ এতিয়া নিজৰ ঘৰটোত থাকিবলৈ মই ভাড়া দিব লগা হৈছে? কিয় দিমহে ভাড়া?

ঃ তুমি তেনেকৈ নক'বা।

ঃ কিয় নক'ম?

ঃ দেছদ্ৰোহী হৈ যাবা। দেছক অলপ ভাল পাবলৈ শিকা।

ঃ বাদ দিয়াহে!

ঃ তেনেকৈ নক'বা। ৰঙাঘৰ ৰেডি আছে।

ঃ কি ভয় খুৱাব আহাহে! আমাৰ পৰা বেছিকৈ টোল ল'ব, তাৰ পৰা দেছৰ কি ভাল হ'ব?

ঃ হ'ব।

ঃ কেনেকৈ?

ঃ বহু বহু টোল দিব লাগিলে আমি গাড়ী চলাবলৈ এৰি দিম।

ঃ মইতো এৰিমেই।

ঃ গাড়ী নচলালে তেলৰ ডিমাণ্ড কমি যাব, ডিমাণ্ড কমিলে দাম কমি যাব, তেলৰ দাম কমিলে বস্তুৰ দাম কমি যাব, বস্তুৰ দাম কমিলে পাব্লিক খুছ হ'ব, পাব্লিক খুছ হ'লে দেছ কা ভলাই হ'ব।

ঃ ছে! ইমান কথা ভবাই নাছিলোহে।

(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)

দোতমাত চিপ লৈ মহিলাৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

চিথিলা/দোতমা, ৩০ মাৰ্চ ঃ কোকৰাঝাৰ জিলাৰ দোতমা থানাৰ অন্তৰ্গত তেতেলীগুৰী গাঁৱত আজি পুৱাই এগৰাকী *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৩১ মাৰ্চ, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

নকছাৰীত স্বামীৰ হাতত প্ৰাণ গ'ল পত্নীৰ

অগ্ৰদূত বাৰ্তা

মৰিয়নি, ৩০ মাৰ্চ ঃ মৰিয়নিৰ নকছাৰীৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত নাগিনীজান চাহ বাগিচাত যোৱা নিশা এক নৃশংস হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছে। নাগিনীজান চাহ বাগিচাৰ বিলবস্তি নামৰ ঠাইত সংঘটিত হয় এই ঘটনা। বিলবস্তিৰ লক্ষীৰাম কৰ্মকাৰ নামৰ লোকজনে নিশা পত্নী চম্পাৱতী কৰ্মকাৰক অকথ্য শাৰীৰিক নিৰ্যাতন চলাই *ছয় পৃষ্ঠাত চাওক*

স্বাস্থ্য কেন্দ্ৰ, বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰৰ কাষতে স্থাপন হ'ট মিক্সিং প্লাণ্ট

পথ নিৰ্মাণকাৰী সংস্থাৰ ভয়াৱহ প্ৰদূষণ

অগ্ৰদূত বাৰ্তা

চামগুৰি, ৩০ মাৰ্চ ঃ প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডক বুঢ়াআঙুলি দেখুৱাই নগাঁও জিলাৰ চামগুৰিৰ ভেলেউগুৰিত চাৰি শাৰীযুক্ত পথ নিৰ্মাণকাৰী কোম্পানী গংগাসাগৰে চলাইছে ভয়াবহ বায়ু প্ৰদূষণ। পথ নিৰ্মাণকাৰী কোম্পানীটোৰ মইমতালিৰ বাবে এতিয়া ভেলেউগুৰি গাঁৱৰ লোকে বিষাক্ত বায়ু সেৱন কৰিবলগীয়া হোৱাত জনস্বাস্থ্যৰ প্ৰতি ভাবুকি আহিছে বুলি ৰাজহুৱা অভিযোগ উঠিছে। উল্লেখ্য যে লক্ষ্মৌস্থিত মুখ্য কাৰ্যালয়ৰ পৰা পৰিচালনা কৰা পথ নিৰ্মাণকাৰী কোম্পানীটোৰ হ'ট মিক্সিং প্লাণ্টটোৰ পৰা দিনে-নিশাই আলকতৰা গলোৱা ক'লা ধোঁৱাই ভেলেউগুৰি অঞ্চলৰ আকাশ ছানি ধৰা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে গংগাসাগৰ কোম্পানীটোৰ উক্ত প্লাণ্টটোৰ গাতে লাগি আছে ভেলেউগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ভেলেউগুৰি উপ-স্বাস্থ্য কেন্দ্ৰ, অংগনৱাড়ী কেন্দ্ৰ, জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান, পঞ্চায়ত কাৰ্যালয় আৰু চাৰিওফালে আগুৰি আছে মানুহৰ ঘৰ। এনে অৱস্থাত নগাঁৱৰ ক্ষেত্ৰীয় প্ৰদূষণ *ছয় পৃষ্ঠাত চাওক*

নগাঁৱত জলজীৱন মিছনৰ নিম্নমানৰ কাম দেখিও নেদেখাৰ ভাও জুৰিছে কৰ্তৃপক্ষই

বিশেষ সংবাদদাতা

নগাঁও, ৩০ মাৰ্চ ঃ চৰকাৰে জলজীৱন মিচনৰ দ্বাৰা দেশখনৰ প্ৰতিঘৰ লোকলৈ বিশুদ্ধ খোৱা পানীৰ যোগানৰ যি এক অভিলাষী আঁচনি গ্ৰহণ কৰিছে সেই আঁচনিৰ কামত নগাঁও জিলাত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনৰ নগাঁও জনস্বাস্থ্য কাৰিকৰী চক্ৰৰ অধীনস্থ বহুকেইটা সংমণ্ডলতেই জলজীৱন মিচনৰ নামত এই দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে। অতি নিম্ন মানৰ নিৰ্মাণ কাৰ্যই জিলা খনত এই আঁচনি অসফল হোৱাত বিশেষ অৰিহণা যোগাইছে। জিলাখনৰ বিভিন্ন ঠাইত আঁচনিখনৰ কামৰ নমুনা ইমানেই নিম্ন মানৰ যে তাকে দেখি ৰাইজৰ চকু কপালত উঠিছে। নগাঁও জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভিন্ন সংমণ্ডলৰ লগতে ধিং সংমণ্ডলৰ ১২ খন পানী যোগান আঁচনিত জলজীৱন মিছনৰ অধীনত কাম আবন্টন লাভ কৰা একাংশ ঠিকাদাৰৰ কামৰ নমুনা দেখি সংশ্লিষ্ট অঞ্চলৰ ৰাইজ ক্ষুব্ধ হৈছে। অধিকাংশ আঁচনিতে অতি নিম্ন মানৰ কামেৰে সংমণ্ডলটোত এই আঁচনিখন অসফল কৰাবলৈহে যেন চেষ্টা অব্যাহত ৰাখিছে একাংশ ঠিকাদাৰে। এই কামসমূহ নিৰীক্ষণ কৰিবলৈ বিভাগে তৃতীয় পক্ষ নাম দি এক নিৰীক্ষণৰো ব্যৱস্থা কৰিছে। তদুপৰি উপায়ুক্ত পৰ্যায়টো আছে নিৰীক্ষণৰ ব্যৱস্থা। তৎসত্ত্বেও এই নিৰীক্ষকসকলেও এই ঠিকাদাৰজনৰ কামৰ নমুনা দেখিও চকু মুদা কুলিৰ ভাও ধৰা বুলিহে অভিযোগ উত্থাপিত হৈছে। সংমণ্ডলটোৰ বহুকেইখন আঁচনিৰে নিৰ্মাণ কাৰ্য তেনেই নিম্ন মানৰ হোৱাৰ লগতে বহুবোৰ কাম নিৰ্মাণৰ পাছতেই ভাগি উৰলি যোৱা দেখা গৈছে। বিশেষকৈ সংমণ্ডলটোৰ বেছামাৰী, হাঁহচৰা, বৰঠল কছাৰীগাঁও, বৰঠল দলৈগাঁও, গেৰেকনি আৰু *ছয় পৃষ্ঠাত চাওক*

তেজপুৰৰ পাঁচমাইলত গাইডবান্ধ নিৰ্মাণত অনিয়ম ঃ ম্যাদী ভূমিক লৈ অথন্তৰ

ষ্টাফ ৰিপ'ৰ্টাৰ,

তেজপুৰ, ৩০ মাৰ্চ ঃ তেজপুৰৰ গাভৰু উন্নয়ন খণ্ডৰ পাঁচমাইল গাঁও পঞ্চায়তৰ অধীনত ৰূপায়ণ হৈ থকা এক আঁচনিক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইতিমধ্যে এই আঁচনিৰ ৰূপায়ণত অনিয়ম হোৱাৰ অভিযোগ তুলি বিজেপিৰ গাভৰু মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ সভাপতি চাইদুল ইছলামৰ নেতৃত্বত স্থানীয় একাংশ লোকে বিষয়টো শোণিতপুৰৰ *ছয় পৃষ্ঠাত চাওক*

নগাঁৱত জলসম্পদৰ চৰকাৰী ভূমি বেদখল

চৰকাৰী আৱাস আবন্টনত অনিয়ম

বিশেষ সংবাদদাতা

নগাঁও, ৩০ মাৰ্চ ঃ নগাঁৱত জলসম্পদ বিভাগৰ চৰকাৰী আৱাস আবন্টনৰ নামত দীৰ্ঘ দিন ধৰি অনিয়ম সংঘটিত হৈ অহাৰ অভিযোগ উত্থাপিত হৈছে। জলসম্পদ বিভাগত সংঘটিত এই অনিয়ম গাপ দিবলৈ বিভাগটোৰ এজন বিষয়াই বিশেষ তৎপৰতা অৱলম্বন কৰিছে। অভিযোগ অনুসৰি, নগাঁও জলসম্পদৰ এজন সহকাৰী কাৰ্যবাহী অভিযন্তাই ব্যৱহাৰ কৰি আছে কাৰ্যবাহী অভিযন্তাৰ চৰকাৰী আৱাসগৃহটো। চাৰি বছৰ তেওঁ কাৰ্যবাহী অভিযন্তাৰ আৱাসটোকে নিজা চৰকাৰী আৱাসটোকে হিচাপে ব্যৱহাৰ কৰি আছে। একেদৰে ৰহা উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তাজনে ৰহাত থাকিব লাগে যদিও তেওঁ নগাঁৱৰ সদৰৰ শাখা বিষয়াৰ চৰকাৰী আৱাসটোকে ব্যৱহাৰ কৰি আহিছে। স্মৰ্তব্য যে, পূৰ্বে ৰহাৰ সহকাৰী কাৰ্যবাহী *ছয় পৃষ্ঠাত চাওক*

নুমলীগড়ত দুৰ্ঘটনাত বিজেপি নেতা গণেশ ছেত্ৰীৰ বিয়োগ

অগ্ৰদূত বাৰ্তা

নুমলীগড়, ৩০ মাৰ্চ ঃ গোলাঘাট জিলাৰ নুমলীগড় আৰক্ষী চকীৰ অধীনস্থ ৩৯ নম্বৰ ঘাইপথৰ বাইপাছত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত বিজেপি- মৰঙি মণ্ডল সমিতিৰ সম্পাদক গণেশ ছেত্ৰী (৩৫) থিতাতে নিহত হয়। গোলাঘাটৰ *ছয় পৃষ্ঠাত চাওক*

চিৰাঙৰ তুলসীঝোৰাত দুদিনীয়া কাৰ্যসূচীৰে আমছুৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰম্ভ

অগ্ৰদূত বাৰ্তা

কাজলগাঁও, ৩০ মাৰ্চ ঃ সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে চিৰাঙৰ তুলসীঝোৰা আই নৈৰ পাৰত অনুষ্ঠিত হৈছে। প্ৰতিষ্ঠা দিৱসৰ প্ৰথম কাৰ্যসূচী অনুসৰি চিৰাঙৰ চাপাগুৰি চাৰিআলি চ'কত এক সজাগতা দৌৰ আৰম্ভ কৰা হয়। বাল্যবিবাহৰোধ, ড্ৰাগছমুক্ত সমাজ গঢ়াৰ লগতে সকলোৰে বাবে শিক্ষা গঢ়ি তোলাৰ উদ্দেশ্যে চাপাগুৰিৰ পৰা বৰতালোৱা হৈ তুলসীঝোৰা লৈ সামূহিক দৌৰ উলিওৱা হয়। এই সজাগতামূলক সামূহিক দৌৰ মুকলি কৰে চিৰাং জিলাৰ আৰক্ষী অধীক্ষক প্ৰাণজিত বৰাই। আৰক্ষী অধীক্ষক বৰাই 'ঘৰে ঘৰে শিক্ষা তেহে ৰক্ষা' শীৰ্ষক মাৰাথন দৌৰ আৰম্ভ কৰি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ আৰম্ভ কৰে। সাংবাদিক তথা জাফাৰ সভাপতি অভিদীপ চৌধুৰীয়ে উন্মোচন কৰে আমছুৰ শিক্ষা সজাগতামূলক *ছয় পৃষ্ঠাত চাওক*

হৰিণৰ শিং, ভালুকৰ ছাল, হৰিণাৰ ফান্দ উদ্ধাৰ চোৰাংচিকাৰী গ্ৰেপ্তাৰক লৈ উত্তপ্ত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়

গোসাঁইগাঁৱৰ কচুগাঁৱত বন্দুকসহ তিনি চোৰাংচিকাৰী গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ/দোতমা, ৩০ মাৰ্চ ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ কচুগাঁও বন সংমণ্ডলৰ অন্তৰ্গত ৰিপু সংৰক্ষিত বনাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলত যোৱা নিশা বন বিভাগ আৰু এছএছবিয়ে যৌথ অভিযান চলাই তিনিজন চোৰাংচিকাৰী গ্ৰেপ্তাৰৰ লগতে চোৰাং চিকাৰত ব্যৱহৃত সামগ্ৰীৰ লগতে বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। কচুগাঁও থানাৰ অন্তৰ্গত বনগাঁও ভৰত নগৰ গাঁৱত নিশা বিশেষ খবৰৰ ভিত্তিত *ছয় পৃষ্ঠাত চাওক*

বিদ্যুৎ প্ৰবাহিত হৈ ভগামুখত যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ৩০ মাৰ্চ ঃ গৌৰীসাগৰ বিদ্যুৎ উপসংমণ্ডলৰ অধীনৰ ভগামুখত বিদ্যুৎস্পৃষ্ট হৈ ভগামুখ ভিতৰুৱাল গাঁৱৰ ভাস্কৰ বৰা নামৰ এজন বিবাহিত যুৱকে আজি অকাল মৃত্যুক সাৰটি ল'ব লগা হয়। যুৱকজনে নিজ ঘৰৰ পদূলিমুখতে দোকান ঘৰ নিৰ্মাণ কৰি আছিল। আজি যুৱকজনে বিয়লি বনুৱাৰ স'তে কাম কৰি থকা অৱস্থাত ওপৰেদি পাৰ হৈ যোৱা এডাল উচ্চ ক্ষমতাসম্পন্ন বিদ্যুতৰ তাঁৰত এডাল ৰ'ডৰ লগত ঘটনাটো সংঘটিত হয়। যুৱকজনক ততাতৈয়াকৈ উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়ে যদিও আধা বাটতে মৃত্যুক সাৰটি লয়। মৃত্যুৰ সময়ত যুৱকজনে মাতৃসহ নৱ বিবাহিতা *ছয় পৃষ্ঠাত চাওক*

APOLLO HOSPITALS CHENNAI

GENERAL SURGEON

ডাঃ কে জে ৰঘুনাথ [illegible]

কেৱল পৰামৰ্শৰ বাবে পাঠশালাত উপস্থিত থাকিব।

ON 10th April'2022

[illegible]

APOLLO HOSPITALS INFORMATION CENTRE

Pathsala Milanpur Bhutan Road, Barpeta, Assam

Contact : 8939232505, 8939232502

APOLLO HOSPITALS CHENNAI

OBSTETRICIAN & GYNAECOLOGIST

ডাঃ বিনোথা অৰুণাচলম [illegible]

কেৱল পৰামৰ্শৰ বাবে পাঠশালাত উপস্থিত থাকিব।

ON 10th April'2022

[illegible]

APOLLO HOSPITALS INFORMATION CENTRE

Pathsala Milanpur Bhutan Road, Barpeta, Assam

Contact : 8939232505, 8939232502

■ ওদালগুৰিত কেন্দ্ৰীয় এবছুৰ উদ্যোগত বালিৰাম বড়ো স্মৃতি দিৱস পালন

বিটিআৰ চুক্তিখৰ বিৰুদ্ধাচৰণ কৰাটো দুৰ্ভাগ্যজনক ঃ দ্বিপেন বড়ো

বিশেষ সংবাদদাতা

ওদালগুৰি, ৩০ মাৰ্চঃ বড়ো জাতীয় ছহিদ বালিৰাম বড়োৰ ২৬ সংখ্যক স্মৃতি দিৱসটি আজি ওদালগুৰি জিলাৰ হৰিশিঙা আৰক্ষী থানাৰ অন্তৰ্গত দেউলগুৰিত পালন কৰা হয়। এবছুৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু ওদালগুৰি জিলা সমিতিৰ সহযোগত আয়োজন কৰা দিৱসত পুৱা সমূহীয়া প্ৰাৰ্থনাৰ অন্তত এবছুৰ অৰ্দ্ধনমিত পতাকা উত্তোলন কৰে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৱে। ইয়াৰ পাছত ছহিদৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু পুস্পাঞ্জলি অৰ্পণ কৰাৰ অন্তত শান্তিৰ প্ৰতীক পাৰ চৰাই উৰুৱাই দিয়া হয়। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত বিভিন্নজনে ভাষণ প্ৰদান কৰি ছহিদজনৰ ত্যাগ আৰু বড়োলেণ্ড আন্দোলনত তেওঁৰ ভূমিকাৰ বিষয়ে বক্তব্য প্ৰদান কৰে। উক্ত কাৰ্যসূচীত উপস্থিত থাকি এবছুৰ কেন্দ্ৰীয় সভাপতি বড়োৱে কয়— বড়ো আন্দোলনৰ সময়ত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নেতৃত্বত হোৱা গণতান্ত্ৰিক আন্দোলনত জাতি নিৰ্মাণ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত যেনেদৰে *ছয় পৃষ্ঠাত চাওক*

গৌৰীসাগৰ নামদাং শিলসাঁকো নামঘৰত চুৰি

তিনিটাকৈ দান পাত্ৰ ভাঙি লুটি নিলে লক্ষাধিক নগদ ধন

অগ্ৰদূত বাৰ্তা

গৌৰীসাগৰ, ৩০ মাৰ্চ ঃ গৌৰীসাগৰ আৰক্ষী থানাৰ পৰা মাত্ৰ কেইশমিটাৰ মান দূৰত্বৰ ঐতিহাসিক নামদাং শিলসাঁকোৰ গাতে লাগি থকা শতবৰ্ষীয় পুৰণি নামদাং শিলসাঁকো নামঘৰত যোৱা নিশা মুল দুৱাৰৰ তলা ভাঙি চোৰে লুটপাট চলায়। ঘটনা সন্দৰ্ভত জানিব পৰা মনেত, ৩৭নম্বৰ ঘাইপথৰ কাষৰ অঞ্চলটোৰ অতি পুৰণি এই নামঘৰটো *ছয় পৃষ্ঠাত চাওক*

সংৰক্ষিত আঢ়ৈশ বছৰীয়া সিংহাসন

২৭০ বছৰীয়া ইতিহাসৰ পৃষ্ঠভূমিত সংস্থাপিত তেজপুৰৰ মাধৱ মন্দিৰ বহুমুখী প্ৰকল্প

■ **অৰূপ কলিতা**

তেজপুৰ, ৩০ মাৰ্চ ঃ ঐতিহ্যমণ্ডিত তেজপুৰৰ এক ঐতিহাসিক অঞ্চল দপৰ্বতীয়া। মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰৰ এই অঞ্চলত প্ৰকাশ্যে আৰু লুপ্ত অৱস্থাত বৰ্তমানেও আছে বহু ঐতিহাসিক সমল। এই ইতিহাস বিটৌত অঞ্চলটোৰে এক চুবুৰি লেঙা চুবুৰি, ৩২০ টা পৰিয়ালৰ এটা খেল। এই অঞ্চলত থকা ২৭০ বছৰীয়া পুৰণা নামঘৰৰ ভেটি আৰু সেই নামঘৰৰ প্ৰায় ২৫০ বছৰীয়া সিংহাসনখনৰে স'তে সম্প্ৰতি স্থানীয় ৰাইজে ঐতিহ্যক্ষেত্ৰৰূপে সংৰক্ষণ কৰিছে। উল্লেখ্য যে ঐতিহ্য আৰু সংস্কৃতি ৰক্ষাৰ এক সুদীৰ্ঘকালীন যাত্ৰা অব্যাহত থকা এই অঞ্চলত নাট, ভাওনাকে ধৰি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী তথা কাৰুশিল্পৰ চৰ্চা প্ৰজন্মৰ পাছত প্ৰজন্মলৈ সম্প্ৰসাৰিত হৈ আহিছে। সম্প্ৰতি ইয়াত ৰাইজে সংস্থাপন কৰা মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পৰ *ছয় পৃষ্ঠাত চাওক*


LIVER CIRRHOSIS & LIVER CANCER CLINIC

Venue: down town hospital, GS Road, Dispur/Rompmotoria, Guwahati, Assam 781006

Date: 2nd April, 2022 (Saturday)

Time: 10:00 AM to 4:00 PM

Hyderabad's Renowned Liver Specialist in Guwahati

Dr. P. Balachandran Menon

Director Liver Transplant & Hepatobiliary Surgery AIG Hospitals, Hyderabad

down town hospital

FIRST NABH CERTIFIED MOST TRUSTED HOSPITAL

TO FIX AN APPOINTMENT, KINDLY CONTACT :

+91 9854074073 / +91 9864101111

care@downtowngroup.org | www.downtownhospitals.in | Follow Us:

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১৬ চ'ত ১৪২৮ভাস্কৰাব্দ ৩১ মাৰ্চ ২০২২

বিদ্যালয়ত ৰাজ্য ভাষা

যোৱা ২৪ মাৰ্চত মহাৰাষ্ট্ৰ বিধানসভাই ৰাজ্যখনত মাৰাঠী ভাষা বাধ্যতামূলক কৰাৰ বাবে সৰ্বসম্মতিক্ৰমে বিধেয়ক গৃহীত কৰিলে। এই আইন অনুসৰি সকলো চৰকাৰী বিভাগৰ কাম-কাজত মাৰাঠী ভাষা বাধ্যতামূলক হ'ব। সংবাদ মাধ্যমত প্ৰকাশ পোৱা অনুসৰি মহাৰাষ্ট্ৰৰ সংশ্লিষ্ট মন্ত্ৰীয়ে সদৰী কৰিছে যে যিকোনো স্থানীয় কৰ্তৃপক্ষই, সেয়া ৰাজ্য চৰকাৰ নাইবা কেন্দ্ৰীয় চৰকাৰ নাইবা ৰাজ্যৰ নিগম-নিকায়ৰ কাম-কাজ, মানুহৰ স'তে কথা-বতৰাৰ সময়ত আৰু বিভাগীয় আভ্যন্তৰীণ কাম-কাজত মাৰাঠী ভাষাৰ ব্যৱহাৰ কৰিব লাগিব। উল্লেখ্য যে ইয়াৰ আগেয়ে যোৱা ২০২০তেই মহাৰাষ্ট্ৰ বিধানসভাই সকলো ব'ৰ্ডৰ অন্তৰ্ভুক্ত বিদ্যালয়ত মাৰাঠী ভাষা বাধ্যতামূলক কৰিছিল। অন্যথা বিদ্যালয় কৰ্তৃপক্ষই এক লাখ টকা জৰিমনা ভৰিব লাগিব। 'কম্পাল্‌ছৰী টিচিং এণ্ড লাৰ্ণিং অৱ মাৰাঠী লেংগুৱেজ ইন স্কুল্‌ছ বিল ২০২০' নামৰ বিধেয়ক গৃহীত কৰা হৈছিল। মহাৰাষ্ট্ৰ চৰকাৰৰ এই বিধেয়কে ৰাজ্যিক ব'ৰ্ডৰ উপৰি চি বি এছ ই প্ৰমুখ্যে অন্যান্য কেন্দ্ৰীয় শিক্ষা ব'ৰ্ডকো সাঙুৰি লৈছে। প্ৰথমে প্ৰথম শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ মাৰাঠী ভাষা বাধ্যতামূলক কৰাৰ পাছত পৰৱৰ্তী শ্ৰেণীবিলাকতো মাৰাঠী বাধ্যতামূলক কৰা হ'ব। বিদ্যালয়ৰ বাবে ন' অৱজেক্‌ছন চাৰ্টিফিকেট (এন অ' চি) লাভ কৰিবলৈ হ'লে শিক্ষানুষ্ঠানত মাৰাঠী বাধ্যতামূলক হিচাপে দেখুৱাব লাগিব। অৱশ্যে শেহতীয়া আইনৰো পাছত কিছুমান নিৰ্দিষ্ট চৰকাৰী কামত ইংৰাজী বা হিন্দী ব্যৱহাৰ কৰিব পাৰিব বুলি কোৱা হৈছে। স্মৰ্তব্য যে ভাৰতৰ সৰহ সংখ্যক আৰু বৃহৎ বৃহৎ ৰাজ্যই মাতৃভাষা বা ৰাজ্য ভাষা নাইবা আঞ্চলিক ভাষা প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত বাধ্যতামূলক কৰিছে। পঞ্জাৱ, তামিলনাডু, পশ্চিমবংগ, তেলেংগানা, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, ৰাজস্থান আদি ৰাজ্যত প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত আঞ্চলিক বা ৰাজ্য ভাষা বাধ্যতামূলক কৰা হৈছে। পঞ্জাৱ চৰকাৰৰ আইন অনুসৰি প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ পঞ্জাৱী ভাষা বাধ্যতামূলক। এই নিৰ্দেশ অমান্য কৰা বিদ্যালয়ে দুই লাখ টকা জৰিমনা ভৰিব লাগিব। চৰকাৰী কাৰ্যালয়, ব্যৱসায় প্ৰতিষ্ঠানৰ ব'ৰ্ডত পঞ্জাৱী শীৰ্ষ স্থানত থাকিব লাগিব। পঞ্জাৱ, মহাৰাষ্ট্ৰৰ পাছতে তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশতো অনুৰূপ আইন প্ৰৱৰ্তন কৰা হৈছে। ইতিমধ্যে তেলেংগানাত তেলুগু ভাষা বিদ্যালয়ত শিক্ষা আৰু শিকোৱাটো বাধ্যতামূলক কৰা হৈছে। অন্ধ্ৰপ্ৰদেশতো তেলেংগানাৰ পাছতে তেলুগু বাধ্যতামূলক কৰাৰ কথা কৈছে। উল্লেখ্য যে তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশ— দুয়ো ৰাজ্যৰ স্থানীয় তথা ৰাজ্য ভাষা তেলুগু। কৰ্ণাটকতো কানাড়া ৰাজ্য ভাষা বিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে বাধ্যতামূলক কৰা হৈছে। কৰ্ণাটকত ইতিমধ্যে অভিযান্ত্ৰিক পাঠ্যক্ৰমতো কানাড়া ভাষাক শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তন কৰিবলৈ লোৱাটো গুৰুত্বপূৰ্ণ। ৰাজস্থানতো প্ৰাক্ প্ৰাথমিক আৰু প্ৰাথমিক পৰ্যায়ত ৰাজস্থানী আঞ্চলিক ভাষা বাধ্যতামূলক কৰা হৈছে। ছবছৰৰ পূৰ্বেই পশ্চিমবংগ চৰকাৰেও ৰাজ্যখনৰ সকলো ৰাজ্যিক ব'ৰ্ডৰ অন্তৰ্গত বিদ্যালয়ৰ উপৰি চি বি এছ ই, আই চি এছ ই আদি কেন্দ্ৰীয় শিক্ষা ব'ৰ্ডৰ অধীনস্থ বিদ্যালয়তো বাংলা ভাষা শিকোৱাটো বাধ্যতামূলক। পশ্চিমবংগৰ একাংশ বিদ্যালয়ত বাংলা ভাষা শিকোৱা নহয় বা বাংলা বিষয় নথকাত শিক্ষাবিদসকলে ক্ষোভ প্ৰকাশ কৰি আহিছিল। বাংলা ভাষা বিদ্যালয়ত বাধ্যতামূলক কৰাত সকলোৱে সন্তুষ্টি প্ৰকাশ কৰিছে।

উল্লেখ্য যে দেশৰ সকলো ৰাজ্যই কেন্দ্ৰৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (২০২০)ত মাতৃভাষা বা স্থানীয় বা আঞ্চলিক ভাষাক পঞ্চম শ্ৰেণীলৈকে শিকোৱাত বিশেষ গুৰুত্ব দিয়া হৈছে। কেন্দ্ৰৰ নতুন শিক্ষানীতিয়ে মাতৃভাষা বিদ্যালয়ত শিকোৱাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়াত ৰাজ্যসমূহে ৰাজ্য ভাষা বা আঞ্চলিক ভাষা বাধ্যতামূলক কৰি আইন প্ৰণয়ন কৰিবলৈ লৈছে। ইংৰাজী বা হিন্দী ভাষাৰ প্ৰভুত্বৰ বাবে যাতে মাতৃভাষা বা আঞ্চলিক বা ৰাজ্য ভাষা গুৰুত্বহীন হৈ এলাগী হৈ নপৰে সেই কথাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যসমূহে প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ত আঞ্চলিক বা ৰাজ্য ভাষাক বাধ্যতামূলক কৰাত গুৰুত্ব দিছে। এনে পৰিপ্ৰেক্ষিতত শেহতীয়াকৈ মহাৰাষ্ট্ৰ বিধানসভাত গৃহীত হোৱা বিদ্যালয়ৰ ভাষা আইন অত্যন্ত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এই পৰিপ্ৰেক্ষিততে অসমৰ ৰাজ্য ভাষা তথা আঞ্চলিক ভাষা অসমীয়াৰ বৰ্তমান অৱস্থাৰ কথা অসমবাসীৰ মনলৈ আহিব পাৰে। অসমত অসমীয়া ৰাজ্য ভাষা নামতহে বুলি ক'ব পাৰি। চৰকাৰী কাম-কাজত ৰাজ্য ভাষাৰ ব্যৱহাৰ নহয় বুলিয়ে ক'ব পাৰি। ইতিমধ্যে বৰাক উপত্যকাত বাংলা ভাষা আৰু বিটিচিৰ চাৰি জিলা, কাৰ্বি আংলং আদি পাহাৰী জিলাসমূহত ৰাজ্য ভাষা অসমীয়াৰ স্থান দখল কৰিছে সংশ্লিষ্ট জিলা বা অঞ্চলবিলাকৰ জনগোষ্ঠীয় ভাষাই। মাত্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাকেইখনত অসমীয়াই ৰাজ্য ভাষাৰ মৰ্যাদা পাই আহিছে যদিও এই ভাষা সকলো ক্ষেত্ৰতে এলাগী হৈ পৰা দেখা গৈছে। অসমীয়া পঢ়িব আৰু লিখিব নাজানিলেও ৰাজ্য প্ৰশাসন চলোৱা বিষয়াৰ পদত চাকৰি কৰাৰ পথ মুকলি কৰি ৰখা হৈছে। একমাত্ৰ চৰকাৰী অসমীয়া মাধ্যমৰ বিদ্যালয়বিলাকৰ বাহিৰে ইংৰাজী তথা অন্য ভাষা মাধ্যমৰ বিদ্যালয়ত অসমীয়া ৰাজ্য ভাষাক এলাগী কৰা হৈছে। এই বিদ্যালয়বিলাকত অসমীয়া ঐচ্ছিক বিষয় হৈ পৰাত অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীয়ে হিন্দী নাইবা ইংৰাজী বিষয় লোৱা দেখা যায়। প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মাধ্যম হোৱাটো দূৰৰ কথা, বিষয় হিচাপেও অসমীয়াই গুৰুত্ব পোৱা নাই। কেন্দ্ৰৰ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণ ৰাজ্য চৰকাৰে কেনেকৈ কৰিব সেয়া হ'ব লক্ষ্যণীয়।

খোলা মঞ্চ

ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?

কামিনী মোহন শৰ্মা, লেখক

আমাৰ সংসদীয় গণতান্ত্ৰিক শাসন ব্যৱস্থাত বৰ্তমান নীতিগত আদৰ্শ আৰু মূল্যবোধৰ ভেটি যেন ক্ৰমশঃ নাইকিয়া হ'ব ধৰিছে। ৰাজনীতিৰ ক্ষেত্ৰখনত ভ্ৰষ্টাচাৰী আৰু অপৰাধী ৰাজনীতিকৰ দৌৰাত্ম্যই জনসাধাৰণৰ স্বতন্ত্ৰতা বাৰুকৈয়ে খৰ্ব কৰিছে। ৰাজনীতিত বৰ্তমান সৎ আৰু আদৰ্শৱান নেতাৰ অভাৱ ঘটিছে।

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত ৰাজনৈতিক নেতাসকলে বা ভ্ৰষ্টাচাৰী লোকে নিজৰ আত্মস্বাৰ্থ সিদ্ধিৰ আহিলা হিচাপে শাসন যন্ত্ৰটো ব্যৱহাৰ কৰি আহিছে। চৰকাৰ এখন ক্ষমতাৰ ৰাজনীতি বা ধনবলৰ ৰাজনীতিত তিষ্ঠি থাকিব নোৱাৰে। ই কিছুমান নীতি বা আদৰ্শৰে পৰিচালিত হোৱা উচিত। গণতান্ত্ৰিক ৰাষ্ট্ৰৰ শাসন ব্যৱস্থা হ'ব লাগে — জনসাধাৰণৰ সমূহীয়া স্বাৰ্থ আৰু উন্নয়নৰ স'তে জড়িত থকা প্ৰক্ৰিয়া। ই এচাম ধুৰন্ধৰ, অসাধু আৰু ভ্ৰষ্টাচাৰী লোকৰ নীতি হ'ব নোৱাৰে। নীতি-নিষ্ঠ ৰাজনীতিৰ জৰিয়তেহে এখন উন্নত সমাজ গঢ় দিব পাৰি। শাসনৰ দায়িত্বত থকা নেতাসকল সৎ হ'লে, জনসাধাৰণৰ মৌলিক সমস্যাবোৰ সমাধান কৰিব পাৰি আৰু ৰাষ্ট্ৰৰ প্ৰগতিও সুনিশ্চিত কৰিব পাৰি।

এখন গণতান্ত্ৰিক দেশত নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিৰ্বাচন অনুষ্ঠিত হয়। কিছুমান নীতি-নিয়ম আৰু বিধানৰ মাজেৰে নিৰ্বাচনৰ জৰিয়তে ৰাইজে প্ৰতিনিধি নিৰ্বাচন কৰে। উপযুক্ত আৰু সৎ নেতা নিৰ্বাচিত হ'লে, ৰাজনৈতিক ক্ষেত্ৰখন নিশ্চয় উজ্জ্বল হ'ব আৰু প্ৰাৰ্থীসকলে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিসমূহ পালন কৰিবলৈও কুণ্ঠাবোধ নকৰিব। শাসন ব্যৱস্থাত নীতি আৰু আদৰ্শ প্ৰতিফলিত হ'লে শাসক দলৰ বিৰুদ্ধে জনসাধাৰণে প্ৰতিবাদ কৰিব লগা নহয় আৰু জনসাধাৰণৰ স্বাৰ্থও পূৰণ হোৱাৰ আশা থাকে। সেয়েহে অসৎ আৰু ভ্ৰষ্টাচাৰী নেতাক ৰাজনৈতিক ব্যৱস্থাটোৰ পৰা আঁতৰাই ৰাখিব লাগে আৰু এনেকুৱা লোকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলেও ৰাইজে উচিত শিক্ষা দিব লাগে। তেতিয়াহে সৎ ব্যক্তিসকলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়ি আহিব আৰু ৰাজনীতিও এক নিস্বাৰ্থ সেৱালৈ পৰিৱৰ্তন হ'ব। ভাৰতীয় সমাজ ব্যৱস্থা সত্য আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত। 'সত্য আৰু অহিংসা' ভাৰতীয় মূল্যবোধৰ এক অতুলনীয় নিদৰ্শন। মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত সত্য আৰু অহিংসা নীতিৰে সংগ্ৰাম কৰি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিছিল। ১৯৫০ৰ ২৬ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱা আমাৰ সংবিধানে প্ৰত্যেক নাগৰিকৰ স্বাধীনতা, সমতা, ন্যায় আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠা কৰি এক আদৰ্শ মূল্যবোধ থকা ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিছে। সেয়েহে এনেকুৱা গণতান্ত্ৰিক ৰাষ্ট্ৰত সকলো লোকে ঐক্যবদ্ধভাৱে গণতন্ত্ৰক ভূ-লুণ্ঠিত কৰা কু-চক্ৰবোৰ উচ্ছেদ কৰিব লাগিব আৰু ৰাইজৰ স্বাৰ্থত প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব লাগিব।

ফোন : ৮৭৬১০৯৮৫৮৫

বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদী কাৰ্যসূচী
চৰকাৰৰ স্থিতি সবল হৈ থাকিবনে?

সোঁতৰ বিপৰীতে চিন্তা

প্ৰবীণ চৌধুৰী

যোৱা ১৫ মাৰ্চ ২০২২ত আৰম্ভ হোৱা অসম বিধানসভাৰ বাজেট অধিবেশন অহা এক এপ্ৰিলত সমাপ্ত হ'ব। উল্লেখ্য যে বিধানসভাৰ প্ৰতিখন অধিবেশনৰ সমান্তৰালকৈ অসমৰ ৰাজধানীত বিভিন্ন প্ৰতিবাদী কাৰ্যসূচীও গ্ৰহণ কৰা হয় । বিধানসভাৰ ভিতৰত চলি থকা অশোভনীয় বাক্-বিতণ্ডা, প্ৰতিবাদ প্ৰদৰ্শন আদি কাৰ্য চলি থকাৰ দৰে বিধানসভাৰ বাহিৰতো ৰাজ্যৰ বিভিন্ন সংগঠনে আৰক্ষীৰ লগত হোৱা বাক্-বিতণ্ডাৰ লগতে সমাবেশ, শ্লোগান আদিৰে প্ৰতিবাদ প্ৰদৰ্শনো কৰি থাকে। বিভিন্ন সংগঠনে বিভিন্ন দাবীত ইমানবোৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে যে সংবাদ মাধ্যমে তাৰ ওপৰত সম্পূৰ্ণ বাতৰি পৰিবেশন কৰিবই নোৱাৰে। যিবোৰ বাতৰি পৰিৱেশন কৰে সেইবোৰো সাধাৰণতে অসম্পূৰ্ণ। সেইবোৰ পঢ়ি ৰাইজে প্ৰকৃততেনো কি ঘটিছে আৰু কিয় ঘটিছে সেই সম্বন্ধে সম্পূৰ্ণ ধাৰণা ল'ব নোৱাৰে। বৈদ্যুতিন মাধ্যম আৰু এখোপ চৰা। মাধ্যমটোৱে বিভিন্ন ঠাইত ঘটা ঘটনাবোৰৰ বিশেষ একোটা অংশ নিৰ্বাচন কৰি তাকেই বাৰে বাৰে প্ৰদৰ্শন কৰে আৰু তাৰ ওপৰত কোনেও কাৰো কথা নুশুনা আলোচনাৰে বাতৰিটোৰ পৰা শ্ৰোতা দৰ্শকৰ মনোযোগ আঁতৰাই পক্ষপাতী ধাৰণা জাপি দিবলৈ চেষ্টা কৰে।

যি হওক, এইবাৰো বিধানসভাৰ সমান্তৰালকৈ অসমৰ ৰাজধানীত বিভিন্ন ক্ষোভিত সংগঠনে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে । আগতে এনে প্ৰতিবাদী সমাবেশ ঘটিছিল দিশপুৰৰ 'লাষ্ট গেট'ত। এতিয়া তাৰ বাবে গুৱাহাটীৰে চচলত ধৰ্ণাস্থলী নামেৰে ঠাই এডোখৰ আছুতীয়াকৈ ৰখা হৈছে। তদুপৰি খানাপাৰাৰ পশুধন মহাবিদ্যালয়ৰ খেলপথাৰ অথবা প্ৰতিষ্ঠান বিশেষৰ প্ৰাংগণতো মাজে- সময়ে প্ৰতিবাদী বিক্ষোভ প্ৰদৰ্শন কৰা দেখা যায়। ইয়াত অৱশ্যে দুটামান বিক্ষোভৰ কথাহে উল্লেখ কৰা হৈছে।

যোৱা ২৪ মাৰ্চত সদৌ অসম প্ৰাথমিক টে'ট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষক সমাজৰ উদ্যোগত গুৱাহাটীৰ কাহিলিপাৰাত অৱস্থিত সৰ্বশিক্ষা অভিযানৰ মিছন সঞ্চালকৰ কাৰ্যালয় ঘেৰাও কৰি কাৰ্যালয়ৰ সন্মুখত হেজাৰ হেজাৰ শিক্ষকে বিক্ষোভ প্ৰদৰ্শন কৰে। এই প্ৰতিবাদৰ এটা কাৰণ হৈছে মৰগীয়া ব'নাছৰ অনাদায়। ২০১৩ৰ পৰা শিক্ষকসকলে নিয়মীয়াকৈ লাভ কৰি থকা মৰগীয়া ব'নাছ জুলাই ২০১৯ৰ পৰা বন্ধ কৰি দিয়া হৈছিল। ৩০ মাহ ধৰি বন্ধ কৰি ৰখাৰ পাছত চৰকাৰে জানুৱাৰী ২০২২ৰ পৰা মাথোন পাঁচ শতাংশ ব'নাছ বকেয়াবিহীনভাৱে আদায় দিয়াৰ ব্যৱস্থা কৰে; কিন্তু ২০২১ৰ পৰা বৰ্ধিত ১১ শতাংশ আৰু তিনি শতাংশ ব'নাছ অদ্যাপি আদায় দিয়াৰ ব্যৱস্থা কৰা নাই। তদুপৰি ২০২০ৰ কেবিনেট সিদ্ধান্ত মৰ্মে ৰাজ্যপালৰ নিৰ্দেশনা অনুসৰি পাবলগীয়া সা-সুবিধাসমূহো শিক্ষকসকলে পোৱা নাই। শিক্ষক সকলৰ আন এটা অভিযোগ হৈছে, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনা অনুসৰি দ্বৈত কেডাৰ ভংগ কৰি শিক্ষকসকলক প্ৰাথমিক শিক্ষা সঞ্চালকৰ অধীনত নিয়মীয়া কৰা নাই; আৰু ২০১৬ৰ নিৰ্বাচনৰ আগতে প্ৰকাশ কৰা বিজেপিৰ ভিজন ডকুমেণ্টত উল্লেখ কৰা অনুযায়ী বিজেপি চৰকাৰ গঠন হ'লে প্ৰথম কেবিনেটতে ঠিকাভিত্তিক শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ প্ৰতিশ্ৰুতি চৰকাৰে ৰক্ষা কৰা নাই। লগতে শিক্ষক সকলৰ বাবে পেঞ্চন, মৃত্যুকালীন সা-সুবিধা, ছাৰ্ভিচ বুক, গ্ৰেচুইটী, গৃহ-নিৰ্মাণ ঋণ, বদলিকৰণৰ নিয়মৰ সংশোধন, সৰ্বশিক্ষা আৰু ষ্টেটপুল শিক্ষকৰ মাজত বুজাবুজিৰ বদলিকৰণৰ সুবিধা, সপ্তম দৰমহা আয়োগৰ দৰমহা প্ৰদানত বৈ যোৱা আঁসোৱাহ দূৰ কৰা আদিৰ পৰা বঞ্চিত হৈ শিক্ষক সকল ক্ষোভিত হৈ পৰিছে। উল্লেখ্য যে যোৱা ১১ মাৰ্চত উক্ত শিক্ষক সমাজ আৰু শিক্ষামন্ত্ৰীৰ মাজত হোৱা আলোচনাত শিক্ষামন্ত্ৰীয়ে বাজেট অধিবেশনত শিক্ষকৰ বাবে ভাল খবৰ আছে বুলি ঘোষণা কৰাৰ লগতে সংবাদ মাধ্যমকো সেই বিষয়ে অৱগত কৰিছিল; কিন্তু শিক্ষকসকলে একো ভাল খবৰ পোৱা নাই । দীৰ্ঘদিনীয়া বঞ্চনাৰ ক্ষোভ আৰু অনিশ্চিত ভৱিষ্যতৰ শংকাই শিক্ষকসকলক ক্ষুব্ধ কৰি তুলিছে।

প্ৰায় ৪০,০০০ টে'ট উত্তীৰ্ণ প্ৰাথমিক শিক্ষক-শিক্ষয়িত্ৰীৰ বিক্ষোভক বাধা দিয়াৰ লক্ষ্যৰে চৰকাৰে বিশাল আৰক্ষী-অৰ্ধসামৰিক বাহিনী মোতায়েন কৰিছিল। ভিন্ন জিলাৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰীক বিক্ষোভত যোগদান কৰাৰ পৰা বিৰত ৰখাৰ বাবে তেওঁলোকক খানাপাৰা, পল্টন বজাৰ ৰেল ষ্টেছন আদি ঠাইত আবদ্ধ কৰি ৰাখে। অনেক শিক্ষক শিক্ষক-শিক্ষয়িত্ৰীক বৰপেটা, গোলাঘাট আদি ঠাইত গুৱাহাটীলৈ যাত্ৰা আৰম্ভ কৰাৰ আগতে আবদ্ধ কৰি ৰাখে। কাহিলিপাৰাৰ প্ৰতিবাদস্থলীতো সাধাৰণ চোৰ-ডকাইতৰ দৰে ব্যৱহাৰ কৰি আৰক্ষীয়ে টানি-আঁজুৰি শিক্ষকসকলক অপমান আৰু জুলুম কৰে। অনেক শিক্ষকক গ্ৰেপ্তাৰ কৰি বাছেৰে চচলৰ ধৰ্ণাস্থলীলৈ লৈ যায়। চচলতো তেওঁলোকে বিক্ষোভ প্ৰদৰ্শন কৰে। কাহিলিপাৰা আৰু চচল দুয়ো ঠাইতেই শিক্ষকসকলে 'চাকৰি নিয়মীয়া কৰক', 'বকেয়া ব'নাছ আদায় দিয়ক', 'মৃত্যুকালীন সুবিধা প্ৰদান কৰক' আদি শ্ল'গানেৰে আকাশ-বতাহ কঁপাই তোলে। তেওঁলোকে চৰকাৰ-বিৰোধী শ্ল'গানো আওৰায়। উল্লেখ্য যে বৰ্তমানৰ মুখ্যমন্ত্ৰী শিক্ষামন্ত্ৰী হৈ থাকোতেই এই শিক্ষকসকলক নিযুক্তি দিয়া হৈছিল। প্ৰাথমিক শিক্ষা বিভাগৰ বিশেষ আয়ুক্ত সচিব প্ৰীতম শইকীয়াই দাবীসমূহ চৰকাৰৰ লগত আলোচনা কৰি শীঘ্ৰে মীমাংসা কৰাৰ আশ্বাস দিয়াৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকলে সাময়িকভাৱে প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰে। অৱশ্যে ৩১ মাৰ্চৰ ভিতৰত দাবীসমূহ পূৰণ নহ'লে এক এপ্ৰিলৰ পৰা পুনৰ ভয়াৱহ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে। এই কাৰ্যসূচী নতুন চৰকাৰৰ দহমহীয়া কাৰ্যকালৰ বিশাল পৰিসৰৰ প্ৰথমটো বৃহৎ প্ৰতিবাদী কাৰ্যসূচী বুলি চৰ্চিত হৈছে। আনহাতে, মুখ্যমন্ত্ৰীৰ মতে শ্ৰেণী-কোঠা এৰি শিক্ষকে আন্দোলন কৰাটো গ্ৰহণযোগ্য নহয়। লগতে তেওঁ কৈছে যে চৰকাৰে যদি কিবা নিদিয়ে, তেন্তে তাৰ বাবে আদালত আছে, ন্যায়ালয় আছে। অৰ্থাৎ পৰোক্ষভাৱে মুখ্যমন্ত্ৰীয়ে শিক্ষকসকলক ন্যায়ালয়ৰ কাষ চাপিবলৈ পৰামৰ্শ দিছে। আনহাতে, জুলাই ২০২০ৰ চৰকাৰী নিৰ্দেশনা যোগে শিক্ষকসকলৰ চাকৰিৰ ম্যাদ ৬০ বছৰলৈ বৃদ্ধি কৰাৰ পিছত শিক্ষক-সকলে আন্দোলন কৰাৰ কোনো যুক্তি নাই বুলি চৰকাৰে ঘোষণা কৰিছে। তাৰ বিপৰীতে শিক্ষক সমাজে কয় যে ২০২০ৰ এক জুলাইৰ কেবিনেটে গ্ৰহণ কৰা কে'বাটাও সিদ্ধান্তৰ কোনোটোৱেই চৰকাৰে কাৰ্যকৰী কৰা নাই।

বিভিন্ন সেৱাৰ বাবে নিযুক্ত লোকসকলৰ ক্ষোভসমূহ পুঞ্জীভূত হৈ গৈ থাকিবলৈ দিয়াটো ঠিক হোৱা নাই। আনহাতে, জনপ্ৰতিনিধিসকলে সমস্যাবোৰ সদন বা আন এপ্ৰোপ্ৰিয়েট ফ'ৰামত উপস্থাপন কৰিব পৰা নাই; বুদ্ধিজীৱী আৰু সংবাদ মাধ্যমে সমস্যাবোৰ সমাজৰ আগত দাঙি ধৰিব পৰা নাই আৰু জাতীয় সংগঠনসমূহে মূল সমস্যাবোৰৰ পৰা নিজকে নিলগত ৰাখিছে কাৰণেও সমস্যা সমাধানৰ বাবে চৰকাৰ তৎপৰ হোৱা নাই।

যোৱা ২৫ মাৰ্চত সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজন ৰান্ধনি সহায়িকাসকলৰ সহস্ৰাধিকে 'চৰকাৰৰ নিদ্ৰা ভংগ কাৰ্যসূচী' নামৰ এক কাৰ্যসূচী গ্ৰহণ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। বাতৰিত প্ৰকাশ পোৱা অনুযায়ী ধুবুৰী, মৰিয়নি, যোৰহাট, হাইলাকান্দি, শিৱসাগৰ, তিনিচুকীয়া আদি ঠাইৰ পৰা অহা সন্থাৰ কৰ্মীসকলক প্ৰতিবাদস্থলীলৈ অহাত আৰক্ষীয়ে বাধা প্ৰদান কৰে। অতি দুখ লগা কথা যে এই কৰ্মীসকলক মাথোন এক হেজাৰ টকা মাননি দিয়া হয়। যোৱা নৰেন্দ্ৰৰ মাননি ৫০০ টকাকৈ বঢ়াই তিনি মাহৰ পাছত পুনৰ আগৰ ১০০০ টকাৰ নিৰিখলৈ হ্ৰাস কৰা হয়। তেওঁলোকে মাননি ৯,৬০০ টকালৈ বৃদ্ধি কৰা, তেওঁলোকক পেঞ্চন, মেডিকেল আদি সুবিধা প্ৰদান কৰা, মধ্যাহ্ন ভোজন আঁচনিখন যি কোনো কাৰণতে বেচৰকাৰী সংস্থাক নিদিয়া আদি দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰিছে। কিন্তু বিচৰা ধৰণে তেওঁলোকে প্ৰতিবাদ সাব্যস্ত কৰিব নোৱাৰিলে। খানাপাৰাৰ পৰা কাহিলিপাৰা অভিমুখে পদব্ৰজে যাত্ৰা কৰা প্ৰতিবাদীসকলক বেৰিকেড দি আৰক্ষীয়ে বাধা প্ৰদান কৰে। অৱশ্যে সন্থাৰ দাবী সম্বলিত স্মাৰকপত্ৰ সৰ্ব-শিক্ষা মিছন সঞ্চালকৰ হাতত দাখিল কৰা হয় আৰু তাৰ প্ৰতিলিপি মুখ্যমন্ত্ৰীলৈকো প্ৰেৰণ কৰা হয়। সিদিনা সন্ধিয়াই সন্থাটোৰ এটা পাঁচজনীয়া প্ৰতিনিধি দলৰ লগত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আলোচনা অনুষ্ঠিত হয় আৰু মন্ত্ৰীয়ে পূৰ্বে পাবলগীয়া বকেয়া ধন ১৫ দিনৰ ভিতৰত আদায় দিয়াৰ প্ৰতিশ্ৰুতিৰ লগতে মাননি বৃদ্ধিৰ বিষয়টো মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি ব্যৱস্থা কৰাৰ আশ্বাস দিয়ে। লগতে এই ১,১৯,০০০ ৰন্ধন কৰ্মীক তাৎক্ষণিকভাৱে অৰুণোদয় আঁচনিৰ অধীনত সামৰি লোৱাৰ আশ্বাস প্ৰদান কৰে। শিক্ষামন্ত্ৰীয়ে কৰ্মৰত অৱস্থাতে শিক্ষকে মৃত্যু বৰণ কৰিলে দুই লাখ টকা পৰ্যন্ত বীমা প্ৰদান, পেঞ্চন আঁচনিৰ প্ৰৱৰ্তন, চিকিৎসাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ, আঁচনিখন ব্যক্তিগত প্ৰতিষ্ঠানক দিয়াৰ পৰিকল্পনা নাই আদি আশ্বাস দিয়ে। এই আশ্বাসৰ পৰিপ্ৰেক্ষিতত সন্থাটোৱে সাময়িকভাৱে আন্দোলন স্থগিত ৰখাৰ সিদ্ধান্ত লয়।

শিশুৰ ভোজনৰ দায়িত্ব দিয়া মধ্যাহ্ন ভোজন কৰ্মীসকলক উপেক্ষা কৰি তেওঁলোকক অসন্তুষ্ট কৰি ৰাখিলে যি কোনো মুহূৰ্তত যিকোনো ধৰণৰ অঘটন ঘটিব পাৰে; সেই কথা চৰকাৰে উপলব্ধি কৰিব নোৱাৰাটো দুৰ্ভাগ্যৰ কথা।

যোৱা ১৫ মাৰ্চত ৰাজ্যৰ সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগে ঘোষণা কৰা মতে অসমত সৰ্বমুঠ ৬১,৭১৫ টা অংগনবাড়ী কেন্দ্ৰ আছে। তাৰ ভিতৰত ৪২,০৭৩ টা কেন্দ্ৰ চৰকাৰী গৃহত, ৮,৯১৩ টা বিদ্যালয় গৃহত, ৯,৯৯৪টা কেন্দ্ৰ ভাৰাঘৰত আৰু ৭৩৫টা কেন্দ্ৰ আছে অন্যান্য ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত। উক্ত কেন্দ্ৰসমূহত মুঠ ১৭,১২,৫৪০ গৰাকী ছাত্ৰ-ছাত্ৰী আছে। বুজা যায় যোৱা দুবছৰ ধৰি এই কেন্দ্ৰসমূহত বিশেষ একো এক্টিভিটি হৈ নথকাৰ বাবে কেন্দ্ৰসমূহৰ মেৰামতিৰ প্ৰয়োজন হৈছে। মন্ত্ৰীয়ে পৰ্যায়ক্ৰমে কেন্দ্ৰসমূহৰ মেৰামতি আৰু নিৰ্মাণৰ ব্যৱস্থা কৰি থকা বুলিও ঘোষণা কৰিছে। ব্যক্তিগত বিদ্যালয়সমূহত প্ৰাক-প্ৰাথমিক পৰ্যায়ত যি শিক্ষা প্ৰদান কৰা আৰু যতন লোৱাৰ ব্যৱস্থা আছে চৰকাৰী পৰ্যায়ত সেই ব্যৱস্থা এই অংগনবাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে কৰা হয়। অৰ্থাৎ শিশুসকলৰ হাইজিন আৰু আদি-শিক্ষাৰ গুৰুভাৰ দিয়া হৈছে এই কেন্দ্ৰসমূহৰ বাবে নিযুক্ত অংগনবাড়ী কৰ্মী তথা সহায়িকাসকলৰ ওপৰতে। কিন্তু এনে গুৰুদায়িত্ব সুচাৰুৰূপে পালন কৰাৰ বাবে কেন্দ্ৰসমূহত পৰ্যাপ্ত আন্তঃগাঁথনিৰ সৃষ্টি কৰা হৈছেনে আৰু তাৰ বাবে নিযুক্ত অংগনবাড়ী কৰ্মী তথা সহায়িকাসকলে প্ৰয়োজনীয় সা-সুবিধা পাইছেনে? সেই কথা স্পষ্ট নহয়। আন্দোলন কৰাৰ আগতেই চৰকাৰে কেন্দ্ৰসমূহত পৰ্যাপ্ত আন্তঃগাঁথনিৰ সৃষ্টি কৰা আৰু তাৰ বাবে নিযুক্ত অংগনৱাড়ী কৰ্মী তথা সহায়িকাসকললৈ প্ৰয়োজনীয় সা-সুবিধা আগবঢ়োৱাটো জৰুৰী কথা। বিভিন্ন সেৱাৰ বাবে নিযুক্ত লোকসকলৰ ক্ষোভসমূহ পুঞ্জীভূত হৈ গৈ থাকিবলৈ দিয়াটো ঠিক হোৱা নাই। আনহাতে, জনপ্ৰতিনিধিসকলে সমস্যাবোৰ সদন বা আন এপ্ৰোপ্ৰিয়েট ফ'ৰামত উপস্থাপন কৰিব পৰা নাই; বুদ্ধিজীৱী আৰু সংবাদ মাধ্যমে সমস্যাবোৰ সমাজৰ আগত দাঙি ধৰিব পৰা নাই আৰু জাতীয় সংগঠনসমূহে মূল সমস্যাবোৰৰ পৰা নিজকে নিলগত ৰাখিছে কাৰণেও সমস্যা সমাধানৰ বাবে চৰকাৰ তৎপৰ হোৱা নাই।

চৰকাৰে প্ৰতিবাদীৰ প্ৰতি আৰু প্ৰতিবাদীয়ে চৰকাৰৰ প্ৰতি প্ৰকাশ কৰা বিদ্বেষ ৰাজ্যখনত বিৰাজ কৰি থকা অশান্তি-অস্থিৰতাৰ প্ৰতীক আৰু ই জনসাধাৰণৰ সুখ-শান্তিৰ অন্তৰায়ৰ অন্যতম কাৰণ। এই অন্তৰায়সমূহ দূৰ কৰাৰ দায়িত্ব আৰু উপায় আছে মূলতঃ চৰকাৰৰ হাততেই। ৰাজ্যখনত চলি থকা অশান্তি অস্থিৰতাৰ আন কাৰণ হৈছে আন্দোলন। শিক্ষকসকলৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে কৈছিল যে অসমৰ মানুহে এটা আন্দোলন মুক্ত, আন্দোলন বিৱৰ্জিত পৰিৱেশ বিচাৰিছে। আন্দোলনপ্ৰিয় জাতিটোৰ আন্দোলনপ্ৰৱণতা নিৰাময় কৰাৰ দায়িত্বও চৰকাৰৰেই। গতিকে কটু কথাৰে আন্দোলনকাৰীক প্ৰৰোচিত কৰি আন্দোলন তীব্ৰতৰ কৰাৰ পথ মুকলি নকৰি কেনেদৰে বিক্ষোভৰ অগনি নিৰ্বাপিত কৰিব পাৰি তাৰ বিষয়েহে চৰকাৰে চিন্তা কৰা ভাল। তাৰ বাবে যে চৰকাৰে বিক্ষোভকাৰীৰ সকলো দাবী মানি ল'ব লাগিব তাৰ কোনো মানে নাই। চৰকাৰৰ প্ৰয়োজন আৰু সামঞ্জস্য সাপেক্ষে ন্যায্য দাবীসমূহ মানি লৈ বাকীবোৰ কিয় মানি ল'ব নোৱাৰি তাক বুজাই দিয়াটো দৰকাৰী কথা। চৰকাৰে যে সকলোকে সমভাৱেৰে চাই সকলো স্তৰৰে লোকৰ প্ৰতি 'ইকুইটি আৰু জাষ্টিচ' অথবা সমতা আৰু ন্যায্যতা প্ৰদান কৰিছে সেই বিষয়ে ৰাইজক আশ্বস্ত কৰিব পাৰিলে ৰাইজ ক্ষোভিত হোৱাৰ কাৰণ নাথাকে; কিন্তু ৰাজ্যখনক বিক্ষোভ আৰু প্ৰতিবাদ মুক্ত কৰি তোলাৰ বাবে চেলেঞ্জ গ্ৰহণ কৰিবলৈ চৰকাৰ সাজু হৈছে বুলি মোৰ মনে নধৰে।

ফোন : ৮১৩৫৮৪৮৬২৩

পৰিৱৰ্তনৰ ধামখুমীয়াত আমাৰ সম্পৰ্কবোৰ ক'ত হেৰাই গ'ল?

অৱলোকন

চাইৰা ইছলাম বড়া

এখন ঠাইৰ সামাজিক ভেটি সুদৃঢ় কৰাত অৰিহণা যোগায় পৰিয়ালসমূহৰ মাজত নিহিত হৈ থকা পাৰস্পৰিক বুজাবুজিৰ পৱিত্ৰ আৰু সুদৃঢ় বান্ধোনে। প্ৰত্যেকখন আদৰ্শৱান ঘৰৰ সদস্যসকলৰ সুসংস্কাৰৰ পৰাই সামাজিক ভেঁটি মজবুত হোৱাৰ লগতে সমাজত শান্তি-সম্প্ৰীতিৰ বাতাবৰণৰ সুচনা হয়। প্ৰেম-ভালপোৱা, আদৰ, যতন, বিশ্বাস, সন্মান এই আৱেগিক সম্পৰ্কবোৰ য'ত সাঙোৰ খাই থাকে তাতেই এটা সুখী পৰিয়ালৰ সৰগীয় অনুভৱৰ স'তে আমি নিবিড়ভাৱে একাত্ম হৈ থাকো। এই ঘনিষ্ঠ সম্পৰ্কবোৰৰ সম্প্ৰীতিৰ নিদৰ্শনে একো একোটা পৰিয়ালৰ আদৰ্শগত পৰিচয় বহন কৰি আহিছে। ইচ্ছা কৰিলেও সম্পৰ্ক ছেদ কৰিব নোৱাৰা অপত্য স্নেহৰ নিকপকপীয়া বান্ধোনেৰে বান্ধ খাই থকা এখন ঘৰৰ সদস্যসকলৰ একত্ৰিত সমষ্টিয়েই হ'ল পৰিয়াল। পৰিয়ালৰ মাজত থকা ভৰসা আৰু বিশ্বাসৰ অদৃশ্য এনাজৰী এডালে এজনক আনজনৰ স'তে অভিন্ন কৰি ৰাখে। যিকোনো এজন লোকৰ বাবে আপোন ঘৰখনৰ সদস্যসকলৰ মৰম-চেনেহ সকলো সম্পৰ্কৰ উৰ্ধ্বত মান্যতা পায়। নিজৰ পৰিয়ালটোৰ তুলনাত কোনো সম্পৰ্কয়েই গাঢ় হ'ব নোৱাৰে। সংসাৰৰ প্ৰতিজন লোকেই নিজৰ পৰিয়ালটোক ৰক্ষণা-বেক্ষণ দিয়াৰ ক্ষেত্ৰত আগৰণুৱা ভূমিকা পালন কৰে, এয়াই জগতৰ নিয়ম। বিপদৰ সময়ত সকলোৱে অৱজ্ঞা কৰিলেও একেখন ঘৰতে বাস কৰা পৰিয়ালৰ সদস্যসকলেহে নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই দুখৰ দিনৰ সমভাগী হয়। দৰাচলতে পৰিয়ালৰ সদস্যসকল একেলগে বাস কৰাতেই দায়িত্ব শেষ নহয়, প্ৰকৃত অৰ্থত প্ৰতিজন সদস্যই সুখ-দুখৰ সময়ত সমভাগী হোৱাটোৱেহে এটা সুখী পৰিয়ালৰ সম্পৰ্কৰ ভেঁটি মজবুত কৰি ৰাখে। আমি এজনে আনজনক দিয়া সন্মানেই হওক বা অপমানেই হওক এই সকলোবোৰ এদিন ওলোটাই নিজেও ভোগ কৰিবলগীয়া হয়; যিহেতু সময়ে কাকো ক্ষমা নকৰে। আত্মসন্মান থকা লোক এজনেহে আনক উপযুক্ত সন্মান প্ৰদৰ্শন কৰিব পাৰে, পৰিয়ালৰ লোকৰ মাজত কাৰচাজি কৰি ছলাহী কথাৰে ঠগবাজী কৰাসকলে নিজৰেই বিপদ চপাই লয়। আৰ্জিলে ফল ভুঞ্জিব লাগিবই, এয়াই জগতৰ নিয়ম। শুদ্ধ অন্তৰৰ লোকসকলে সকলোকে নিজৰ দৰে বুলি ভবাৰ দিন এতিয়া আৰু উকলিল। সময়ৰ গতিত হোৱা মানুহৰ মনৰ পৰিৱৰ্তনক আমি অনুধাৱন কৰিব নোৱাৰিলে খোজে প্ৰতি উজুটি খোৱাৰ সম্ভাৱনা অধিক। যেনে দেশ তেনে বেশ ৰোলা কথাষাৰৰ প্ৰাসংগিকতা আজিৰ দিনত খুবেই প্ৰযোজ্য, যিহেতু তাহানিৰ ৰামো নাই অযোধ্যাও নাই।

এটি শিশুৰ জন্মৰ আগৰে পৰাই পিতৃ-মাতৃৰ স'তে অদৃশ্য সম্পৰ্ক গঢ়ি উঠে। এগৰাকী মাতৃয়ে গৰ্ভধাৰণ কৰাৰ পৰাই সন্তানৰ চেহেৰা নেদেখাকৈয়েই আবেগিক শক্তিৰে সন্তানৰ প্ৰাণৰ স্পন্দনৰ স'তে জড়িত হৈ পৰে। মাতৃ আৰু সন্তানৰ মাজত থকা এই ঐশ্বৰিক সম্পৰ্ক জগতৰ সকলো সম্পৰ্কতকৈও উৰ্ধত। ঠিক সেইদৰে এটা পৰিয়ালৰ স'তে জড়িত লোকসকলৰ মাজত বিভিন্ন সম্পৰ্কৰে সুকীয়া মৰ্যাদাৰ লগতে সুকীয়া পৰিচয় আছে। যিবোৰ সম্পৰ্কক আমি বিশেষ ধৰণৰ নাম দি বিভিন্ন প্ৰকাৰৰ সম্বোধনেৰে সম্পৰ্কবোৰৰ পৰিচয় দাঙি ধৰা হয়। মানৱীয় সম্পৰ্কবোৰৰ মৰম-চেনেহ এখন বাগিচাত সৌন্দৰ্য বৰ্ধন কৰি ফুলি থকা নানাবিধ ফুলৰ সুগন্ধিৰ দৰে, যি সুগন্ধিৰ পৰশে আমাৰ মন সুশোভিত কৰি ৰাখে। এই পৱিত্ৰ সম্বোধনবোৰৰ জৰিয়তে আমি এজনে আনজনৰ সহায়ক হৈ আপোন ঘৰখন সৰগীয় সুখৰ আকৰ কৰি তোলো। এটি মানৱ শিশু মাত ফুটাৰে পৰাই আমাৰ সমাজত প্ৰচলিত হৈ অহা কেতবোৰ চিৰ প্ৰচলিত মিঠা-মিঠা শব্দৰ সম্বোধনৰ স'তে পৰিচিত হৈ পৰে। সম্পৰ্ক ভেদে প্ৰতিজন লোকৰ স'তে সম্বোধনো ভিন্ন প্ৰকাৰৰ হয়। সেই সুত্ৰে সকলোকে সম্বোধন কৰাৰ প্ৰাথমিক জ্ঞানখিনি জ্যেষ্ঠসকলৰ পৰাই আহৰণ কৰা হয়। প্ৰত্যেকটো পৰিয়ালতে সৰুৰে পৰাই শিশুসকলক এই শিক্ষা দিয়া হয়। দেৰ শিশুসকলৰ বাবে জীৱনৰ প্ৰথম মাতষাৰেই হ'ল 'মা'। শিশুটিৰ মুখত ফুটা মা-দেউতাৰ দৰে সৰগীয় সম্বোধন শুনি অভিভাৱকৰ মন আত্মসন্তুষ্টিৰে ভৰি পৰে। সন্তানৰ মুখৰ এই অমাতৰ মাতষাৰ শুনিবলৈ প্ৰতি গৰাকী পিতৃ-মাতৃৰ এক দীৰ্ঘদিনীয়া হেঁপাহ আৰু সপোন থাকে। আপোন সন্তানৰ মৌ-বৰষা মাতে পৰিয়াল এটাৰ মাজলৈ অনাবিল সুখ-শান্তি কঢ়িয়াই আনে। পিতৃ-মাতৃৰ স'তে সন্তানৰ অপত্য স্নেহৰ বান্ধোন পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ পৱিত্ৰ সম্পৰ্ক। ইয়াৰোপৰি বয়স ভেদে জ্যেষ্ঠজনৰ পৰা কনিষ্ঠজনলৈ বহুতো আপোন সম্বোধনেৰে এজন ব্যক্তি আন এজনৰ স'তে পৱিত্ৰ ডোলেৰে বান্ধ খাই থাকে। আদৰৰ ককা-আইতাৰ পৰা আৰম্ভ কৰি খুড়া-খুড়ী, মামা-মামী, মাহী-পেহী, জেঠাই, দাদা, ভাইটি, বাইদেউ, ভন্টী আদিৰ দৰে কিমান যে আন্তৰিক সম্বোধনেৰে আমাৰ মাজত থকা সম্পৰ্কবোৰ যুগ-যুগান্তৰৰ পৰা বান্ধ খাই আছে। এই সম্পৰ্কবোৰৰ সান্নিধ্যতেই জীৱনে পুৰ্ণতা পায়।

তদুপৰি জীৱন বাটত ঘনিষ্ঠ বন্ধু-বান্ধৱসকলৰ স'তে গঢ়ি উঠা গভীৰ সম্পৰ্কত জীৱনৰ সুখ দুগুণে চৰে। কথাতে কয় বন্ধুত্ববিহীন জীৱন লোণ নথকা আঞ্জাৰ দৰে সেৰেকা হয়। মুঠতে সম্পৰ্ক তেজৰেই হওক বা হৃদয়ৰেই হওক নিকা স্বচ্ছ হোৱা বাঞ্ছনীয়। সম্পৰ্ক গাঢ় হ'লে তেজৰ বা মনৰ কোনো অন্তৰায় থাকিব নোৱাৰে। আজিৰ বস্তুবাদী জগতখনত মৰম আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ থাকিব পৰাটো এজন সৌভাগ্যশালী ব্যক্তিৰ বাবেহে সম্ভৱপৰ। শুভাকাংক্ষীসকলৰ আশীৰ্বাদে জীৱন সুৰক্ষিত কৰি ৰাখে। অন্যথা আজিৰ কৃত্ৰিমতাৰ যুগত এধানি প্ৰকৃত মৰমৰ বাবেও হাবাথুৰি খাবলগীয়া হয়। নিৰ্ভেজাল মৰম বিশ্বাস সন্মান অবিহনে কোনো সম্পৰ্ক বৰ্তি থাকিব নোৱাৰে। মৰম-চেনেহেই একমাত্ৰ শক্তি যিয়েই নেকি মানুহৰ জীৱনত মহৌষধৰ দৰে কাম কৰে। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰাও এজনৰ পৰা আনজনলৈ বিয়পি থকা আদৰ-চেনেহে আমাৰ অনুভূতিপ্ৰৱণ মনত প্ৰেৰণা যোগায়। জীৱনৰ দুৰ্ভেদ্য ভেটা ভাঙি সন্মুখলৈ আগুৱাই যোৱাৰ সাহস দিয়ে। সেইসকল নমস্য শুভাকাংক্ষীৰ আশীৰ্বাদে বিপদসংকুল পথত ফুল চন্দন হৈ ওৰেটো জীৱন ৰক্ষা কৱচৰ দৰে এক ঐশ্বৰিক শক্তিৰ ৰূপত আমাক আৱৰি থাকে। সম্পৰ্কৰ পৰিচয়তকৈও সম্পৰ্কৰ গভীৰতাইহে প্ৰকৃত অৰ্থত মান্যতা ৰাখে। কৃত্ৰিমতাৰে আৱৰি ধৰা বৰ্তমানৰ বস্তুবাদী সমাজ ব্যৱস্থাত মানৱীয় প্ৰমূল্যবোধৰ অৱক্ষয়ে বহু ক্ষেত্ৰত দুখজনকভাৱে ঘনিষ্ঠ সম্পৰ্কবোৰৰ মাজত শিথিলতা অনা পৰিলক্ষিত হয়। সম্পৰ্কৰ মান্যতা দুয়োপক্ষৰ আন্তৰিকতাৰ মাজত অৱধাৰিত ৰূপত স্বতস্ফুৰ্তভাৱে বান্ধ খাই থাকে। জোৰ জবৰদস্তি কোনো সম্পৰ্ক বৰ্তাই ৰাখিব নোৱাৰি। জীৱন নদীৰ আপোন ঘাটত ই নিৰৱধিভাৱে বৈ থাকে বুকুত পাৰাপাৰহীন মৰম-চেনেহ, সন্মান আৰু বিশ্বাসৰ প্ৰতিশ্ৰুতি লৈ। কৃত্ৰিমতা পৰিহাৰ কৰি নিস্বাৰ্থ সম্পৰ্কবোৰৰ মাজেদিহে এখন শক্তিশালী সমাজ গঢ়ি তুলিব পাৰি। তাৰ বিপৰীতে অত্যধিক আধুনিকতাৰ অন্ধ অনুকৰণত পৰি কেৱল মাত্ৰ সম্বোধনতহে যদি সম্পৰ্কবোৰ সীমাবদ্ধ হৈ পৰে তেন্তে হয়তো এদিন সমাজ ব্যৱস্থাৰ গতিশীলতাই স্তব্ধ হৈ পৰিব। ক্ৰমান্বয়ে লুপ্ত হৈ অহা মানৱীয় প্ৰমূল্যবোধৰ পুতৌজনক স্খলন দেখি অনুমান হয় অত্যধিক ব্যস্ততাৰ অজুহাতত সম্পৰ্কৰ পৰিভাষা সলনি হৈ মানুহৰ মাজত আমিৰ পৰা মই হ'বলৈ যেন বেছিপৰ নালাগিব।

সম্বোধনৰ মাজেৰে সম্পৰ্ক বৰ্তাই ৰখা চিৰপ্ৰচলিত প্ৰথা অতীজৰে পৰাই চলি আহিছে। সম্বোধনৰ মাজেৰেই সম্পৰ্কৰ ঘনিষ্ঠতা উপলব্ধি কৰা হয়। সমগ্ৰ মানৱজাতি এটা প্ৰজন্ম আনটো প্ৰজন্মৰ স'তে ধাৰাবাহিকভাৱে সাঙোৰ খাই আছে। কোনো লোকেই অকলে জীৱন নিৰ্বাহ কৰা সম্ভৱ নহয়। মানুহ মাত্ৰেই সমাজ প্ৰিয়, সম্পৰ্ক অবিহনে মানৱ জীৱন আধৰুৱা। মানৱীয় প্ৰেম আৰু বিশ্বাসৰ ওপৰত ভিত্তি কৰি সম্পৰ্কবোৰৰ ভেটি সুদৃঢ় হয়। বয়স ভেদে সম্বোধনৰ মান্যতা দিয়া হয়। নিজতকৈ সৰু এজনক দাদা বাইদেউ বুলি সম্বোধন কৰিব নোৱাৰি। বয়স বৃদ্ধি এক স্বাভাৱিক প্ৰক্ৰিয়া, বৰ্ধিত বয়সৰ স'তে ৰজিতা খুৱাই জীৱনৰ এটা এটা স্তৰৰ মাদকতা অনুভৱ কৰাটোৱেই প্ৰকৃত সুখ। জীৱনৰ প্ৰতিটো দিনেই আমাৰ বাবে নতুন, এই উপলব্ধিৰে মূল্যৱান জীৱনটো নিজৰ কৰ্মৰে উদ্ভাসিত কৰি পৰিয়ালৰ লোকসকলৰ স'তে সহাৱস্থান কৰি আগুৱাই যোৱাত জীৱনৰ এক সুকীয়া মাদকতা আছে। সদিচ্ছা আৰু একাগ্ৰতাই জীৱনৰ লক্ষ্য প্ৰাপ্তিৰ দুৱাৰ মুকলি কৰি দিয়ে। মূল্যৱান সময়বোৰ অনৰ্থক লোকৰ অহিত চিন্তা কৰি দুৰ্বল মানসিকতাৰ পৰিচয় দিয়াতকৈ সৎকৰ্মৰ জৰিয়তে সৃষ্টিশীল কামৰ মাজত ব্যস্ত থাকি নিজৰ লগতে দহৰো উপকাৰত আহিলে জীৱন ধন্য হৈ পৰে।

শিপা হেৰালে জাতীয় অস্তিত্বও দুৰ্বল নিশকতীয়া হৈ নপৰিবনে? এনেদৰে পৰিৱৰ্তনৰ ঢৌত উটি ভাহি যোৱা এচাম লোকৰ আচৰণৰ নমুনা দেখি শংকিত মনবোৰত এনেভাৱ হয়। ভৱিষ্যতৰ দিনত সম্বোধনবোৰ প্ৰত্যেকৰে নামৰ মাজতহে যেন বৰ্তি থাকিব, সেয়া লাগিলে জ্যেষ্ঠ, কনিষ্ঠ, যিয়েই নহওক। ইয়াৰ উপৰি আমাৰ সাতামপুৰুষীয়া সম্পৰ্কবোৰৰ পৰিৱৰ্তে আন্টি-আংকলৰ দৰে চালানী বিজতৰীয়া শব্দবোৰে ক্ৰমান্বয়ে অতীজৰে পৰা প্ৰচলিত হৈ অহা সম্বোধনৰ ঠাই দখল কৰিবলৈ লোৱা অনুভৱ হয়। অন্ধ অনুকৰণকাৰী এচামে আউটডেটেড বুলি গণ্য কৰা পুৰণিকলীয়া সম্বোধনবোৰ পৰিৱৰ্তনকামী সমাজ ব্যৱস্থাৰ কেকোঁৰা চেপাত পৰি কেৱল মাত্ৰ ইতিহাসৰ পাতত লিপিবদ্ধ হৈ পৰাৰ কথাটো নুই কৰিব নোৱাৰি।

ফোন : ৯১০১৫১৭৮৪৭

দৈনিক অগ্ৰদূত

বৃহৎ কামৰূপ ৰাজ্যৰ পৰা কামৰূপ জিলালৈ

দয়ানন্দ পাঠক



কামৰূপ শব্দটো আমাৰ বাবে এটা নামেই নহয়, ই এক দীঘলীয়া ঐতিহ্য। কামৰূপ নামটো ক'ত কেনেকৈ হ'বলৈ পালে, সেয়াও এক ঐতিহাসিক গৱেষণাৰ বিষয়। কামৰূপ নামটোৰ প্ৰাচীনত্ব কিমান, সেয়াও এক গৱেষণাৰ বিষয়। কামৰূপ দৰাচলতে এখন বিশাল দেশৰ নাম। যিখন দেশৰ উল্লেখ ৰামায়ণ, মহাভাৰতৰ দৰে মহাকাব্যসমূহতো পোৱা যায়। কেতিয়াবা আকৌ কামৰূপৰ প্ৰাচীন নাম প্ৰাগজ্যোতিষ বুলিও কোৱা হয়। মহাকবি কালিদাসৰ 'ৰাজতৰংগিণী' গ্ৰন্থত প্ৰাগজ্যোতিষপুৰৰ সুন্দৰ উল্লেখ আছে। পৰৱৰ্তী কালতো অনেক গ্ৰন্থত কামৰূপৰ বৰ্ণনা আছে। অৰ্থশাস্ত্ৰতো কামৰূপৰ সুন্দৰ বৰ্ণনা আছে।

কামৰূপৰ ভৌগোলিক সীমাৰেখাৰ কথা কোনোবাই সঠিকভাৱে ক'ব পাৰিবনে? শুনা যায় বৰ্তমান অসমখনো প্ৰাচীন কামৰূপৰেই এটি অংগহে আছিল। পশ্চিমে কৰতোৱা নদীৰ পৰা নেপাল আৰু ভূটানৰ সীমাৰেখালৈ কামৰূপৰ ভৌগোলিক বিস্তৃতি আছিল।

কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালৰ পৰা, সপ্তম শতিকাৰ পৰা, কামৰূপৰ ইতিহাসে এক নতুন মোৰ ল'বলৈ আৰম্ভ কৰিলে। সেই সময়ত কনৌজৰ ৰজা আছিল হৰ্ষবৰ্ধন। সেই সময়তেই চীনা পৰিব্ৰাজক হিউৱেনচাং কামৰূপলৈ আহিছিল। কামৰূপলৈ আহি তেওঁ অভিভূত হৈছিল। কামৰূপ সম্পৰ্কে তেওঁ লিখা টোকাটো এতিয়াও আমাৰ বাবে এক অমূল্য দস্তাবেজ।

১২২৮ত ছ্যুকাফাই অসমত প্ৰৱেশ কৰে। আহোম ৰাজত্ব অব্যাহত থাকে ১৮২৬লৈ। আহোমৰ ৰাজ কালতেই কামৰূপ নামটোৰ ঠাইত অসম নামটোৰ প্ৰৱেশ ঘটিল বুলি অনুমান কৰিব পাৰি।

১৮২৬ৰ পাছত অসমত আৰম্ভ হ'ল ইংৰাজসকলৰ ঔপনিৱেশিক শাসন। সেই সময়তে তেওঁলোকে অসমক কে'বাখনো জিলালৈ ভাগ ভাগ কৰিলে প্ৰশাসনীয় প্ৰয়োজনত। সেই সময়তো কামৰূপ জিলাখন এখন বৃহৎ জিলাই আছিল। গুৱাহাটী, নলবাৰী, বৰপেটাৰ লগতে আন আন অনেক স্থান কামৰূপ জিলাৰেই অন্তৰ্গত আছিল।

প্ৰশাসনীয় সা-সুবিধাৰ বাবে আমাৰ জিলাবোৰৰ পুনৰ গঠনৰ প্ৰয়োজন আহিল। পূৰ্বৰ কামৰূপ জিলাখনক প্ৰথমে তিনিখন সুকীয়া সুকীয়া জিলালৈ পুনৰ গঠন কৰা হ'ল। সেই জিলা তিনিখন হ'ল— গুৱাহাটী, নলবাৰী আৰু বৰপেটা। সাম্প্ৰতিকভাৱে গুৱাহাটী জিলাখনকো দুখন সুকীয়া সুকীয়া জিলালৈ ৰূপান্তৰিত কৰা হ'ল। দুখন জিলা হ'ল কামৰূপ মেট্ৰো আৰু কামৰূপ। এনে পুনৰ গঠন হ'ল ২০০৩ৰ ৩১ মাৰ্চৰ দিনাখন। অৱশ্যে এই ক্ষেত্ৰত কামৰূপ মেট্ৰোৰ কথাটো সিমান গুৰুত্বপূৰ্ণ নহয়। কাৰণ কামৰূপ জিলাখনৰ গুৱাহাটী সদৰে অধিকাৰ কৰি ৰখা ঠাইখিনিক কামৰূপ মেট্ৰো বুলি নতুনকৈ নামকৰণহে কৰা হ'ল। মুঠৰ ওপৰত প্ৰশাসনিক সুবিধাৰ বাবে প্ৰশাসনৰ সামগ্ৰিকতাক বিকেন্দ্ৰীকৰণ বা Decentralization কৰা হ'ল। এতিয়া প্ৰতিখন জিলাতে উপায়ুক্তৰ কাৰ্যালয় থাকিব। আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ো থাকিব। একেদৰে একোগৰাকী জিলা শিক্ষা বিষয়া বা জিলা স্কুল পৰিদৰ্শক এগৰাকীও থাকিব। এনে হোৱাৰ ফলত জিলা প্ৰশাসনক নাগৰিকৰ ঘৰৰ দুৱাৰমুখত থিয় কৰোৱাৰ ব্যৱস্থা হ'ল।

কামৰূপ (গ্ৰাম্য) জিলাখন স্থাপন হ'ল প্ৰায় ১০৪২ খন গাঁৱৰ সামৰিক। ৰাজহ চক্ৰ বিষয়া থাকিল ১২ গৰাকী। পূৰ্বতে উপায়ুক্তগৰাকীক দেখা কৰাটো বাদেই, চক্ৰ বিষয়াগৰাকীক সাক্ষাৎ কৰাটোৱেই এক জটিল কাম আছিল। এতিয়া বিকেন্দ্ৰীকৃত জিলাবিলাকৰ কাম-কাজৰ খতিয়ান চৰকাৰৰ লগতে ৰাইজেও পাব পৰাৰ ব্যৱস্থা হ'ল।

জিলা প্ৰশাসন বুলি কওঁতে কেৱল উপায়ুক্তগৰাকীকেই বুজোৱা নহয়। উপায়ুক্তগৰাকীয়ে সাধাৰণ প্ৰশাসনৰ কথা-কামবোৰহে চায়; কিন্তু অন্য বহুত কথা-কাম থাকি যায়। যেনে— শিক্ষা, কৃষি, আৰক্ষী বিভাগ, যান-বাহন বিভাগ, খাদ্য ইত্যাদি ইত্যাদি। কামৰূপ জিলাখনত সাধাৰণ জিলা প্ৰশাসনৰ অধীনত সংশ্লিষ্ট বিভাগেই থকাৰ ব্যৱস্থা হ'ল। কামৰূপ জিলা প্ৰশাসনৰ বাবে যিটো অট্টালিকা নিৰ্মাণ হ'ল, সেই অট্টালিকাতেই অনেক জিলা শিক্ষা বিভাগটোৱো থাকিল। আন আন বিভাগো থাকিব নিশ্চয়। প্ৰতিটো বিভাগৰ বাবে নিজস্ব সভাকক্ষ এটাও দেখিলো।

কামৰূপ জিলাখনৰ বৌদ্ধিক, সাংস্কৃতিক অথবা ৰাজনৈতিক কথাবোৰো উল্লেখনীয়। অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ ঘৰ উত্তৰ গুৱাহাটীত। দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰীৰ ঘৰ হাজোত। তেওঁৰ নাম বিষ্ণুৰাম মেধি। অন্যহাতে, প্ৰথম অসমীয়া ৰাজ্যপালগৰাকীও হাজোৰ বিষ্ণুৰাম মেধিয়েই। তেওঁক মাদ্ৰাজ ৰাজ্যৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছিল। এটা সময়ত মহেন্দ্ৰমোহন চৌধুৰীয়ে হাজোৰ পৰাই নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। তেৰোঁ অসমৰ মুখ্যমন্ত্ৰী আৰু দ্বিতীয়গৰাকী ৰাজ্যপাল হিচাপে নিযুক্তি লাভ কৰিছিল। তেওঁ ৰাজ্যপাল হৈছিল পঞ্জাৱ ৰাজ্যৰ। মোৰাৰজী দেশাই যেতিয়া ভাৰতৰ প্ৰধানমন্ত্ৰী হৈছিল, তেতিয়া হাজোৰ দুহিতা ৰেণুকা দেৱী বৰকটকী প্ৰথমগৰাকী অসমীয়া কেন্দ্ৰীয় মন্ত্ৰী হৈছিল।

শিক্ষা আৰু বৌদ্ধিক ক্ষেত্ৰতো কামৰূপ জিলাখনৰ সুসন্তান আনন্দৰাম বৰুৱাক সোঁৱৰণ কৰিবই লাগিব। তেৰেঁই প্ৰথমগৰাকী অসমীয়া আই চি এছ বিষয়া। তেওঁৰ দ্বাৰা প্ৰণীত সংস্কৃত গ্ৰন্থসমূহৰ কথা এই প্ৰবন্ধত আলোচনা কৰাৰ পৰা বিৰত থাকিলো। মঠ-মন্দিৰ বা ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো কামৰূপ জিলাখনৰ ঐতিহ্য মন কৰিবলগীয়া। এই ক্ষেত্ৰত হাজোৰ কথা বিশেষভাৱে বিবৃত হ'ব পাৰে। ধৰ্মীয় সংহতিৰ ক্ষেত্ৰত হাজোৰ তুলনা নাই। এনেবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে একোখন পৰ্যটনথলী হিচাপে প্ৰতিষ্ঠা লাভ কৰি আহিছে।

এতিয়াৰ কামৰূপৰ উপায়ুক্তৰ ভৱনটি আমিনগাঁৱত। আমিনগাঁৱৰ ঐতিহাসিক গুৰুত্ব অপৰিসীম। এটা সময়ত তাতেই শৰাইঘাটৰ যুদ্ধৰ ঐতিহাসিকতা পোৱা যায়।

আজি কামৰূপ (গ্ৰাম্য) জিলাখনৰ প্ৰতিষ্ঠা দিৱসত জিলাখনৰ ঐতিহাসিকতা মনত পৰিছে। শেষত ৰাইজ উপকৃত হোৱা কথাটোহে প্ৰকৃত কথা হ'ব।

ফোন ঃ ৯৮৫৪০-৫০৯৪৭

বিখ্যাত শিল্পীৰ তুলিকাত নাৰীৰ ছবি

মধুৰভাষী, সংস্কৃতিবান ৰাফেলে তেওঁৰ জীৱনৰ দিনকেইটা কটাইছিল ৰাজকীয়ভাৱে, মসৃণভাৱে। ধৰ্মীয় ছবিৰ প্ৰতি তেওঁৰ নিষ্ঠা দেখি জনসাধাৰণে তেওঁক অত্যন্ত সন্মানীয় আসনত বহুৱাইছিল

অনিতা গোস্বামী

(শিল্পকলা শিল্পীৰ জীৱনৰ প্ৰতিফলন। শিল্পীৰ ছবিত তেওঁলোকৰ চিন্তাধাৰা, জীৱনযাত্ৰা আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰতিফলন থাকিবই। বিভিন্ন সময়ৰ বিশ্ববিখ্যাত বিভিন্ন শিল্পীয়ে একান্ত সাধনাৰে তেওঁলোকৰ তুলিকাত ৰূপ দিয়া ছবিবোৰলৈ লক্ষ্য কৰিলে দেখা যায় তেওঁলোকে নাৰীৰ চৰিত্ৰ অংকনত বিশেষ গুৰুত্ব দিছিল। নাৰী সৃষ্টিৰ আধাৰ। নাৰী শস্যৰ দৰে সুন্দৰ, নদীৰ দৰে নিৰ্মল। সেয়েহে হয়তো শিল্পীৰ তুলিকাতো নাৰী মূৰ্ত হৈ উঠিছে বিভিন্ন ৰূপত, বিভিন্ন ভংগিমাত। উদাহৰণস্বৰূপে বিশ্বখ্যাত ৰাফেল ছানজিও বিখ্যাত আছিল মাতৃ মূৰ্তি অংকন কৰাত। আকৌ পল গগাঁই আঁকি থৈ গৈছে ভালেমান নগ্ন নাৰীৰ ছবি। অতীজৰ কেইজনমান বিশ্ববিখ্যাত চিত্তকৰৰ ছবিক লৈ যুগুতোৱা হৈছে এই প্ৰবন্ধ)

ৰাফেল ছানজিও (১৪৮৩-১৫২০)

১৫২৫ খ্ৰীষ্টাব্দৰ গুডফ্ৰাইডে। ৰেনেছাঁ যুগৰ অন্যতম শিল্পী ৰাফেল ছানজিওৰ ৩৭ সংখ্যক জন্মদিন। সমগ্ৰ ৰোমবাসীয়ে তেওঁলোকৰ প্ৰিয় স্বৰ্গীয় শিল্পী ৰাফেলৰ মৃতদেহ চাবলৈ আহিল তেওঁৰ বাসভৱনলৈ। মৃতদেহ দেখি তেওঁলোক কান্দোনত ভাঙি পৰিল।

ৰেনেছাঁ যুগৰ পুনৰ জাগৰণৰ সময়তে ইউৰোপীয় শিল্পীলৈ আকৌ উভতি আহিছিল গ্ৰীক শিল্পৰ সেই স্বৰ্ণযুগ। এই সময়ত প্ৰথম শ্ৰেণীৰ শিল্পীসকলৰ ভিতৰত অন্যতম প্ৰতিভাশালী আছিল ৰাফেল। অলপ সময়ৰ ভিতৰতে খ্যাতি আৰু অৰ্থ দুয়োটাই তেওঁ অৰ্জন কৰি লয়। মধুৰভাষী, সংস্কৃতিবান ৰাফেলে তেওঁৰ জীৱনৰ দিনকেইটা কটাইছিল ৰাজকীয়ভাৱে, মসৃণভাৱে। ধৰ্মীয় ছবিৰ প্ৰতি তেওঁৰ নিষ্ঠা দেখি জনসাধাৰণে তেওঁক অত্যন্ত সন্মানীয় আসনত বহুৱাইছিল। ৰাফেলৰ ছবিত সমসাময়িক অন্য এজন মহান শিল্পী মাইকেল এঞ্জেলোৰ প্ৰভাৱ স্পষ্ট হ'লেও, ছবিৰ বিশেষত্বলৈ লক্ষ্য কৰিলেই বুজিব পাৰি কোনখন ছবি কোনে আঁকা। ৰাফেলৰ দৰে মাদল্লা (মাতৃ মূৰ্তি) অইন কোনোৱে আঁকিব পৰা নাই।

খুব কোমল অন্তৰৰ আছিল ৰাফেল। পোপে যেতিয়া তেওঁক ভেটিকান পেলেচৰ দেৱালত চিত্ৰ আঁকিবলৈ নিমন্ত্ৰণ কৰে, খুবেই আনন্দিত হৈছিল তেওঁ। কিন্তু তালৈ গৈ যেতিয়া দেখিলে তেওঁ আঁকিব বুলি পুৰণি ছবিবোৰ মচি পেলোৱা হৈছে, তেতিয়া দুখতে তেওঁ চকুপানী সম্বৰণ কৰিব পৰা নাছিল। কৈছিল—আস পূৰ্বৱৰ্তী শিল্পীসকলে কিমান যত্ন কৰি যে এই ছবিবোৰ আঁকিছিল।

ৰাফেলৰ ব্যক্তিগত জীৱন সম্বন্ধে বিশেষ একো জনা নাযায়। অৱশ্যে তেওঁৰ ৰূপ, খ্যাতি আৰু যশ দেখি ধাৰণা কৰা হয় বহু সুন্দৰী তেওঁৰ সংগ লাভৰ কাৰণে উদগ্ৰীৱ হৈ থাকিছিল। কিন্তু ৰাফেলে কাৰ্ডিনেল (পোপৰ পৰামৰ্শদাতা) হোৱাৰ সপোন দেখিছিল।

টমাছ গেইনছবৰো ঃ (১৭২৭-১৭৪৪)

ৰাফেলৰ ঠিক বিপৰীত আছিল টমাছ গেইনছবৰো। তেওঁৰ জীৱনীকাৰে লিখিছে—মাজে মাজে তেওঁ সুপথত থকাৰ শপত খায়, আকৌ পিছমুহূৰ্ততে খোজ আগবঢ়ায় কুপথত।

তেৰ বছৰ বয়সত চাফোকৰ পৰা লণ্ডনলৈ আহে গেইনছবৰো ফ্ৰান্সিছ হেমোনৰ ওচৰত ছবি আঁকা শিকিবলৈ। ৰেনেছাঁৰ তেতিয়া প্ৰায় শেষ পৰ্যায়। এই ফ্ৰান্সিছ হেমোনৰ পৰা শিল্প শিক্ষাৰ লগতে গেইনছবৰোৱে নানা ধৰণৰ চাৰিত্ৰিক দোষৰো শিক্ষা পায়। মাদক দ্ৰব্যৰ পৰা নাৰী সংগ সকলো আছিল তেওঁৰ অংগৰ ভূষণ। তেওঁৰ অসাধাৰণ শিল্প প্ৰতিভাৰ কাৰণে সকলোৱে এই চৰিত্ৰ স্খলনকে মানি লৈছিল। অৱশ্যে গেইনছবৰো উচ্ছৃংখল স্বভাৱৰ নাছিল। বিপৰীতে তেওঁ আছিল লাজুক আৰু অল্পভাষী।

ৰয়েল একাডেমীৰ প্ৰতিষ্ঠাতা সদস্যসকলৰ এজন আছিল গেইনছবৰো। প্ৰভূত খ্যাতি, যশ, অৰ্থ পাই, পিছৰপিনে তেওঁৰ বেছ অহংকাৰো হৈছিল। সেই সময়ৰ সকলোতকৈ বিখ্যাত আৰু সন্মানিত শিল্পী আছিল ছাৰ জোচুয়া ৰেনণ্ডছ। এবাৰ ৰেনণ্ডছে গেইনছবৰোৰ ষ্টুডিঅ' চাবলৈ আহে। ষ্টুডিঅ' চাই যোৱাৰ সময়ত নিজৰ ষ্টুডিঅ' চাবলৈ গেইনছবৰোক আমন্ত্ৰণ জনায়। গেইনছবৰোৱে কিন্তু সেই সন্মানজনক আমন্ত্ৰণ উপেক্ষা কৰে। অৱশ্যে ভালেমান বছৰ পাছত তেওঁ ছাৰ জোচুয়াৰ ষ্টুডিঅ'লৈ যায় আৰু তেওঁক মডেল হ'বলৈ অনুৰোধ জনায়। ৰেনণ্ডছ তৎক্ষণাত সন্মত হৈ যায়। কিছুদিন কাম চলাৰ পাছত হঠাতে এদিন ৰেনণ্ডছ অসুস্থ হৈ পৰে। স্বাস্থ্যৰ উন্নতিৰ কাৰণে তেওঁ লণ্ডনৰ বাহিৰলৈ যাবলগীয়া হ'ল। উভতি আহিয়েই কিন্তু তেওঁ গেইনছবৰোৰ খবৰ কৰে। অহংকাৰী গেইনছবৰোৱে কিন্তু তেওঁক কোনো উত্তৰেই নিদিলে। অৱশ্যে ছবি আঁকাৰ ক্ষেত্ৰত তেওঁ জোচুয়াৰ পদ্ধতিকে অনুসৰণ কৰিছিল।

উচ্ছৃংখল, অনিয়ন্ত্ৰিত জীৱন যাপন কৰা সত্বেও গেইনছবৰো ৬১ বছৰ বয়সলৈ জীয়াই আছিল। জনছিংগলটন কোপলে (১৭৩৮-১৮১৫)।

ইউৰোপীয় শিল্প প্ৰতিভাৰ মাজত স্থান কৰি লোৱা এজন আমেৰিকান হ'ল জন ছিংগলটন কোপলে। তেওঁৰ প্ৰথাগত কোনো শিল্প শিক্ষা নাছিল, কোনো ভাল ছবিও চকুৰে দেখা নাছিল। তেওঁৰ বসতি আছিল ঔপনিৱেশিক অৰ্ধসভ্য চহৰ বোষ্টনত, য'ত ৰুচিবোধৰ কোনো কথাই নাছিল। ২৮ বছৰ বয়সতে নিজৰ দক্ষতা দেখুৱাবলৈ জাহাজেৰে এজন কেপ্টেইনৰ হাতত এখন ছবি দিয়ে 'ছ'চাইটি অৱ আৰ্টিষ্টছ অৱ গ্ৰেট ব্ৰিটেইন'ৰ বসন্তকালীন প্ৰদৰ্শনীৰ বাবে। ছবিখন দেখি ছাৰ জোচুয়া ৰেনণ্ডছে বিশ্বাসেই কৰা নাছিল যে ইমান সুন্দৰ ছবি এনে এজন শিল্পীয়ে আঁকিছে, যিজনে ইউৰোপীয় শিল্পৰ স'তে মুঠেই পৰিচিত নহয়। যাৰ প্ৰথাগত কোনো শিল্প শিক্ষা নাই, থাকেও বোষ্টনৰ দৰে অনুন্নত ঠাইত। তেওঁ কোপলেলৈ লিখিলে— 'আপুনি যদি কেৱল নিজৰ প্ৰতিভাৰ জোৰত এনেহেন ছবি আঁকিব পাৰিছে, তেনেহ'লে গুচি আহক ইউৰোপলৈ। বোষ্টনত পৰি আছে কিয়? ইউৰোপত সুযোগ আৰু শিক্ষা পালে নিশ্চয় আপুনি এদিন শিল্প জগতৰ এক উজ্জ্বল জ্যোতিষ্ক হ'ব আৰু দেৰি নকৰিব। এতিয়াই গুচি আহক।

ছাৰ জোচুয়াৰ ভৱিষ্যৎ বাণী মিছা হোৱা নাছিল। কিন্তু ইউৰোপলৈ আহোতে কোপলেৰ লাগিছিল আঠ বছৰ সময়। পত্নী আৰু সন্তানসকলক লৈ যিখন জাহাজত কোপলে আহিছিল, সেইখনেই আছিল শেষ জাহাজ। ইয়াৰ পাছতেই আমেৰিকাত গৃহযুদ্ধ আৰম্ভ হয়। লণ্ডনলৈ আহিয়েই এক চেলেঞ্জৰ সন্মুখীন হ'বলগীয়া হয় কোপলে। লণ্ডনৰ এজন তৰুণ ব্যৱসায়ী কিউবাৰ সাগৰত পৰি গৈছিল আৰু চাৰ্কৰ আক্ৰমণত সেই তৰুণ ব্যৱসায়ীজনে এখন ভৰি হেৰুৱাবলগীয়া হয়। সেই দৃশ্যটো আঁকাৰ দায়িত্ব জোচুয়াৰে কোপলেক দিলে। এনে ধৰণৰ সংঘাতময় জীৱনৰ ছবি তেওঁ জীৱনত কাহানিও আঁকা নাই। তথাপিতো তেওঁ চেলেঞ্জ গ্ৰহণ কৰিলে। অসাধাৰণ সেই পৰিশ্ৰমৰ অন্তত যিখন ছবি তেওঁ আঁকি উলিয়ালে সেই ছবিখন আজি বিশ্ব শিল্পৰ এক অমূল্য সম্পদ। এনে উত্তেজনাময় সংঘাতপূৰ্ণ দৃশ্যৰ ছবি ইয়াৰ আগতে বিশেষ হোৱা নাই। হয়তো পাছতো নহ'ব।

এই ছবিখন ৰয়েল একাডেমীত প্ৰদৰ্শিত হোৱাৰ পাছৰে পৰা কোপলেৰ জীৱনলৈ আহে অৰ্থ, যশ, প্ৰতিপত্তি। কোনো অভাৱেই তেওঁৰ জীৱনত নাথাকিল। কেৱল মাত্ৰ এটা দুখেই গোটেই জীৱন মনৰ মাজত থাকি গ'ল— বোষ্টনলৈ, নিজৰ জন্মস্থানলৈ উভতি যোৱা তেওঁৰ আৰু নহ'ল। সময়ে সেইখিনি সুবিধা তেওঁক নিদিলে।



ৰাফেল ছানজিও

ইউজিন পল গগাঁ

আমেদিও মদিগ্‌নানি

ইউজিন পল গগাঁ

ইউজিন পল গগাঁৰ মৃত্যু হৈছিল মাৰকোয়েমাছ দ্বীপত। তেওঁৰ দেনা পৰিশোধ কৰাৰ বাবে নিজে আঁকা ছবি নিলাম হৈছিল। নিলামদাৰে প্ৰথমতে ছবিবোৰ চাই হোঁ হোঁকৈ হাঁহি কৈছিল— এইবোৰ জঞ্জাল ছবি কোনে কিনিব? এখন ছবি বিক্ৰী হৈছিল আঢ়ৈ ডলাৰৰ সামান্য অধিক দামত। আৰু আন সাতখন মাত্ৰ এক এক ডলাৰত। এখন ছবিতো মাত্ৰ পইত্ৰিছ চেণ্টত। এয়াই আছিল সেই সময়ত গগাঁৰ ছবিৰ মূল্য। এজন ল'ৰাই তেওঁৰ জীৰ্ণ কোঠাত সোমাই এবাকচ ছবি দেখিবলৈ পালে। সেইবোৰক আৱৰ্জনা বুলি ধাৰণা কৰি ল'ৰাজনে সাগৰত পেলাই দিলে। গোটেই জীৱন গগাঁই ছবি বিক্ৰী কৰিছিল মাত্ৰ ১৫ হেজাৰ ডলাৰত আৰু ১৯০৯ খ্ৰীষ্টাব্দত এজনে তেওঁৰ এখন ছবি কিনে ৩,৬৯,০০০ হেজাৰ ডলাৰত।

কম বয়সৰ পৰাই গগাঁ আছিল খামখেয়ালি স্বভাৱৰ। ১৭ বছৰ বয়সতে স্কুল এৰি পোনে পোনে ভৰি দিছিল সাগৰত। ছবছৰ কাল তেওঁ নাবিকৰ জীৱন কটায়। তাৰ পাছত উভতি আহে পেৰিছলৈ। পেৰিছলৈ আহিয়েই সোমাই পৰিল শ্বেয়াৰ মাৰ্কেটত। দোপতদোপে উন্নতি কৰিব ধৰিলে। সেই সময়ত তেওঁৰ বাৰ্ষিক আয় যিমানখিনি আছিল, বৰ্তমান সময়ত তাৰ মূল্য লাখ ডলাৰতকৈয়ো অধিক। সেই সময়তে তেওঁ বিয়া কৰায় এগৰাকী ডেনিছ মহিলাক। পাঁচটা সন্তানো হয় তেওঁলোকৰ। সুখতেই অতিবাহিত হৈছিল দুয়োৰে বৈবাহিক জীৱন। কিন্তু ৩৪ বছৰ বয়সত হঠাতে মূৰত সোমাল শিল্প সাধনাৰ তীব্ৰ হাবিয়াস। তেওঁ আঁকা এখন ছবি নুড ষ্টাডী শিল্পী মহলত উচ্চ প্ৰশংসিত হোৱাৰ লগে লগেই এৰি দিলে ব্যৱসায়। মন-প্ৰাণ সপি দিলে শিল্প সাধনাত। সোমাই পৰিল তোষামোদকাৰীৰ কবলত। ফলস্বৰূপে এবছৰৰ ভিতৰতে অৰ্থশূন্য হৈ পৰে। অৰ্থ কষ্ট সহ্য কৰিব নোৱাৰি সন্তানসকলক লগত লৈ পত্নী গুচি গ'ল ডেনমাৰ্কলৈ। গঁগা অকলে পৰি ৰ'ল শিল্প সাধনাৰ মাজত। ক্ষুধাৰ জ্বালা সহ্য কৰিব নোৱাৰি ধৰিলে ভয়ংকৰ নিচাত। ইয়াৰ পাছত আহি গ'ল তেওঁৰ জীৱনৰ চূড়ান্ত সময়। মাত্ৰ কেইটামান ফ্ৰাংকৰ কাৰণে যিকোনো কাম কৰিবলৈও তেওঁ সন্মত হৈছিল। তাৰ পাছতো নিশা কেতিয়াবাহে খাদ্য ভাগ্যত মিলে, কেতিয়াবা নিমিলে। কেতিয়াবা নিশাটো কটাই দিয়ে কোনোবা বন্ধুৰ ষ্টুডিঅ'ত। আকৌ কেতিয়াবা কোনোবা বেশ্যালয়ত, অথবা ফুটপাথত। সুস্থ স্বাস্থ্যৰ অধিকাৰী আছিল বুলিয়েই ইমানখিনি কষ্টৰ পাছতো গগাঁৰ মৃত্যু হোৱা নাছিল।

কিছুদিন শিল্পী বন্ধু ভানগগৰ ওচৰত আছিল গগাঁ। কিন্তু তাতো বেছিদিন থাকিব নোৱাৰিলে। দুই বিশাল ব্যক্তিত্বৰ নিতৌ মতানৈক্য হ'বলৈ ধৰিলে। শেষত এনে পৰিৱেশ সহ্য কৰিব নোৱাৰি ভানগগ উন্মাদ হৈ পৰিল। গগাঁ আকৌ উভতি আহিল পেৰিছলৈ। চাওঁতে চাওঁতে বয়সো আগবাঢ়ি গৈ হ'লগৈ ৪২ বছৰ। গগাঁ তেতিয়াও নিঃস্ব। সমালোচকসকলে আৰু বন্ধুমহলে তেওঁৰ ছবিক স্বীকৃতি দিলেও সাধাৰণ লোকৰ ধাৰণা কিন্তু আছিল গগাঁৰ ছবি নিকৃষ্ট মানৰ।

অৱশেষত সভ্য জগতৰ ওপৰত বিতৃষ্ণা জাগি গগাঁ গুচি গ'ল টাইটিলৈ। তাতেই সমুদ্ৰৰ পাৰত এটা জুপুৰি ভাড়াত ল'লে। সংগী বুলিবলৈ এজনী যুৱতী ছোৱালী, সি বাৰে বাৰে তেওঁৰ ছবিত ধৰা দিছে। ইয়াৰ মানুহবোৰ আদিম, সৰল। তেওঁলোকৰ মাজত নাই চহৰৰ শিক্ষাৰ ঢং। নাই পোছাকত আড়ম্বৰ। নাই কৃত্ৰিমতা। তেওঁলোকৰ সৌন্দৰ্য বিশেষকৈ নিৰাবৰণ প্ৰকৃতিপ্ৰদত্ত সৌন্দৰ্যৰ মাজত। টাইটিলৈ অহাৰ পাছত গগাঁৰ ছবিয়ে প্ৰকৃত ৰূপ পালে। সৰল অনাড়ম্বৰ প্ৰায় দ্বিমাত্ৰিক এই ছবিবোৰে পেৰিছত হুলস্থূল লগাই দিলে। প্ৰায় আঢ়ৈ বছৰ পাছত গগাঁ উভতি আহিল পেৰিছলৈ। লগত লৈ আহিল ৪৭খন নিজে আঁকা ছবি। বেছি ভাগ ছবিয়ে টাইটিৰ নাৰীসকলৰ বিভিন্ন ভংগিমাৰ ছবি। কিছুমান আছিল নিসৰ্গ চিত্ৰ। শিল্পীসকলৰ মাজত এই ছবিবোৰে আলোড়ন তুলিলেও সৰ্বসাধাৰণৰ ওচৰত এইবোৰ কিন্তু প্ৰত্যাখিতহে হ'ল। এক ভগ্ন হৃদয় লৈ শেষবাৰৰ বাবে সভ্য জগতৰ পৰা গগাঁই বিদায় ল'লে। টাইটিৰ পৰা কিছু নিলগত মাৰকেয়েচাছ দ্বীপ। গগাঁ তালৈ গ'ল আৰু সেই দ্বীপতে ঘৰ সাজিলে। কিন্তু মনৰ কষ্ট আৰু অনিয়ন্ত্ৰিত যৌন জীৱন (টাইটি দ্বীপমালাৰ নাৰীসকলৰ যৌন জীৱন আছিল অবাধ)ৰ ফলস্বৰূপে গগাঁ আক্ৰান্ত হ'ল দুৰাৰোগ্য ছিফিলিছ ৰোগত। ভয়াৱহ বেমাৰৰ যন্ত্ৰণাৰ সময়তো টাইটিৰ সংগিনীসকলে তেওঁক এৰি যোৱা নাছিল। সকলো সময়তে তেওঁলোকে গগাঁক সান্নিধ্য দিছিল। অসীম ৰোগ যন্ত্ৰণা ভোগ কৰিও ছবি আঁকা কাম কিন্তু বন্ধ কৰা নাছিল গগাঁই।

১৯০৩ খ্ৰীষ্টাব্দত চলন শক্তিহীন গগাঁই মাত্ৰ ৫০ বছৰ বসয়তে শেষ নিশ্বাস ত্যাগ কৰে। গগাঁ হেৰাই গ'ল। তেওঁ মৃত্যুবৰণ কৰিলেও কিন্তু সভ্য জগতৰ পৰা বহু দূৰত। আত্মীয়-স্বজন, পত্নী, সন্তান সকলোৰে পৰা বহু আঁতৰত।

হেনৰি মাটিছ (১৮৬৯-১৯৫৪)

হেনৰি মাটিছ বিখ্যাত হৈছিল অসুন্দৰ নাৰীৰ ছবি আঁকি। তেওঁ নিজেই কৈছিল— 'মই আঁকা ছবিবোৰৰ দৰে নাৰী যদি কেতিয়াবা ৰাস্তাই-ঘাটে লগ পাই যাওঁ, নিৰ্ঘাত মই নিজেই ভয় খাই যাম।' সুন্দৰ নাৰীৰ ছবি মাটিছে যে আঁকিব নোৱাৰিছিল, তেনে নহয়। প্ৰথম ১৫ বছৰ তেওঁ মিঠা লগা সুন্দৰ ছবিয়েই আঁকিছিল। কিন্তু সেই সময়ত ৰঙৰ প্ৰাধান্য আছিল অধিক। সেই প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰিলে মাটিছেও। ক্ৰমশঃ তেওঁৰ ছবিতো আকৃতিতকৈ ৰঙেহে অধিক প্ৰাধান্য পাবলৈ ধৰিলে। ৰঙৰ বিভিন্ন আকাৰেৰে মনুষ্য মূৰ্তিৰ বিভিন্ন ভাৱ-ভংগী তেওঁ ফুটাই তুলিব ধৰিলে। প্ৰচুৰ নাৰীৰ ছবি আঁকিছিল মাটিছে। অধিকাংশই আছিল নগ্ন অথবা অৰ্ধনগ্ন। তাৰ মাজতে কোনোবাজনীয়ে নাচি আছে, কোনোজনীয়ে গান গাই আছে, কোনোবাজনী বেশ্যা, আকৌ কোনোবাজনী বোৱাৰী। এনেকৈ সেই সময়ৰ চুলতানৰ হেৰেমৰ ৰমণীয়েও আহি দিনৰ পাছত দিন ধৰি নিজৰ উন্মুক্ত দেহ লৈ উপস্থিত হৈছিল মাটিছৰ ওচৰত। মাটিছে তেওঁলোকৰ ছবি আঁকিছিল অতি যত্নৰে। কেৱল আঁকাই নহয়, প্ৰধানতঃ হেৰেমৰ ৰমণীসকলৰ ছবিবোৰেই তেওঁৰ প্ৰথম খ্যাতি আনি দিছিল। খ্যাতি, অৰ্থ পায়ো মাটিছে কিন্তু তেওঁৰ অনাড়ম্বৰ জীৱন ধাৰাৰ কোনো পৰিৱৰ্তন ঘটোৱা নাছিল। সেয়া তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য। শেষ বয়সত যেতিয়া তেওঁ অসুস্থ হৈ পৰে, সেই সময়তো ছবি আঁকা কাম অব্যাহত ৰাখিছিল। জীৱনৰ শেষ ১৪ বছৰ হাস্পতালত কটাবলগীয়া হৈছিল মাটিছ। সেই সময়তো আধা শোৱাকৈ ছবি আঁকি গৈছিল মাটিছে। যেতিয়ালৈকে মৃত্যুৱে আহি তেওঁক কোলাত তুলি চিৰদিনৰ কাৰণে লৈ যোৱা নাছিল।

আমেদিও মদিগ্‌নানি (১৮৮৪-১৯২০)

আমেদিও মদিগ্‌নানিয়ে নিজেই জানিছিল যে বেছিদিন তেওঁ জীয়াই নাথাকিব। গতিকে তেওঁ জীৱনটো কটাইছিল বেপৰোৱাভাৱে গান, মদ আৰু প্ৰভূত নাৰী সংগ। তেওঁৰ জীৱনৰ প্ৰতিটো স্পন্দন তেওঁৰ ছবিবোৰত প্ৰতিফলিত। তেওঁৰ এখন ছবিয়েই যেন একোটা কবিতা। ১৪ বছৰ বয়সত আমেদিও মদিগ্‌নানিয়ে যেতিয়া শিল্প শিক্ষা আৰম্ভ কৰে তেতিয়াই তেওঁ ক্ষয় ৰোগত আক্ৰান্ত হয়। ২২ বছৰ বয়সত তেওঁ আহিল শিল্পীসকলৰ তীৰ্থক্ষেত্ৰ পেৰিচলৈ। তালৈ আহি তেওঁ বিভিন্ন শিল্পীৰ ছবি দেখিবলৈ পালে। সেই সকলোবোৰ ছবিয়েই তেওঁৰ ছবিত চাপ পেলাইছে। তিনি বছৰৰ ভিতৰতে পেৰিছবাসীয়ে আৱিষ্কাৰ কৰিলে এক সহৃদয় সম্পন্ন বেপৰোৱা স্বভাৱৰ শিল্প প্ৰতিভাক। ক্ষয় ৰোগ ইতিমধ্যে তেওঁৰ শৰীৰৰ বহু ভিতৰলৈ সোমাই গৈছে। অপৰিমিত খৰচ কৰিছিল বাবে মদিগ্‌নানি প্ৰায় সকলো সময়তে নিঃস্ব অৱস্থাত থাকিবলগীয়া হৈছিল। অভাৱী হ'লেও অত্যন্ত আত্মসমানবোধ আছিল তেওঁৰ। কোনো সময়তে কাৰো ওচৰতে নতশিৰ নহৈছিল। এগিলাচ হুইস্কিৰ কাৰণে এখন ছবি বিলাই দিছে— এনে ঘটনা তেওঁৰ জীৱনত অজস্ৰ। এবাৰ এজন শিল্প ব্যৱসায়ীয়ে তেওঁৰ ছবি লৈ দাম দৰ কৰাত ক্ষুণ্ণ হৈ মদিগ্‌নানিয়ে ছবিবোৰ তেওঁক বিনামূল্যই দি দিয়ে। কেৱল দিয়াৰ আগতে ছবিবোৰৰ মাজ অংশত ফুটা কৰি সূতা সুমুৱাই টয়লেট পেপাৰৰ দৰে পায়খানাৰ দেৱালত এবাৰ ওলমাই দিয়ে।

৩৬ বছৰ বয়সত মাত্ৰ দুদিনৰ বাবে হাস্পতালত ভৰ্তি হৈছিল তেওঁ। কিন্তু বিশেষ কোনো চিকিৎসাই তেওঁৰ নহ'ল। দুদিনৰ পাছতেই পৃথিৱীৰ পৰা বিদায় ল'লে এই শিল্প প্ৰতিভাই।

ফোন ঃ ৯৮৬৪২৯৫০২৪

ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

ডিব্ৰুগড়! ডিব্ৰুগড়!

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ

বিশ্বজিৎ বৰুৱা

অসম চৰকাৰে ডাঃ বিধান চন্দ্ৰ ৰয়ৰ নেতৃত্বাধীন সমিতিৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ১৯৪৭ৰ জানুৱাৰীত এই সিদ্ধান্ত চৰকাৰীভাৱে ১৯৪৮ৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত নিখিল ভাৰত চিকিৎসক সন্থাৰ অধিবেশনত অসমৰ তদানীন্তন প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে উদ্বোধনী ভাষণত প্ৰকাশ কৰে। ইয়াৰ পাছতে অসম চৰকাৰে বৰবাৰীত থকা মিলিটেৰী হাস্পতালখনৰ ঘৰ-দুৱাৰ, সা-সৰঞ্জাম আদি চৰকাৰীভাৱে ক্ৰয় কৰি লোৱা হয়, কিন্তু ইয়াৰ আগেয়ে যথেষ্টখিনি সা-সৰঞ্জাম, তুলি-কম্বল আদি শিলচৰলৈ লৈ যোৱাৰ বাবে ইয়াত নিচেই সামান্য পৰিমাণৰ সা-সৰঞ্জামহে থাকি যোৱাত পাৰ্থিৱ সম্পদসমূহৰ বাদে অন্যান্য সা-সৰঞ্জাম চমজি লোৱা সম্ভৱ নহ'ল। উল্লেখ্য যে অসম চৰকাৰে সেই সময়ত মিলিটেৰী হাস্পতালৰ সা-সম্পত্তিখিনি মুঠ ৪,০৪,০০০ টকাত ক্ৰয় কৰিছিল আৰু এই সম্পত্তিখিনি অসম চৰকাৰৰ হৈ জিলাখনৰ চিভিল ছাৰ্জন আৰু ডাঃ বেৰী হোৱাইট মেডিকেল স্কুলৰ অধীক্ষকে চমজি লৈছিল।

ডাঃ বিধান চন্দ্ৰ ৰয়ৰ নেতৃত্বাধীন সমিতিৰ সিদ্ধান্ত মৰ্মেই ডিব্ৰুগড়ত স্থাপন হ'ব লগা মেডিকেল কলেজখন 'আসাম মেডিকেল কলেজ এণ্ড হাস্পতাল' হিচাপে নামকৰণ কৰা হয়। সামৰিক বাহিনীৰ এই হাস্পতালখনৰ পৰিৱৰ্তন যুদ্ধকালীন ক্ষিপ্ৰতাৰে কৰা হয় আৰু ১৯৪৭ৰ তিনি নৱেম্বৰত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈয়ে আড়ম্বৰপূৰ্ণভাৱে অসম চিকিৎসা মহাবিদ্যালয়ৰ আৰম্ভ কৰে। অসম চিকিৎসা মহাবিদ্যালয় স্থাপন হোৱা এই অঞ্চলটো বৰদলৈ এভিনিউ নামেৰে নামকৰণ কৰা হয়। আজি ডিব্ৰুগড়ৰ প্ৰতিজন নাগৰিক ডাঃ বেৰী হোৱাইটৰ প্ৰতি এইবাবেই কৃতজ্ঞ হোৱা উচিত যে এই মহান ব্যক্তিজনাৰ সুদক্ষ পৰিচালন শক্তি, চিন্তা শক্তি আৰু দূৰদৰ্শিতাৰ বাবেই কেৱল অসমৰে নহয়, সমগ্ৰ অঞ্চলটোৰ প্ৰথমখন মেডিকেল কলেজ আৰু হাস্পতাল ডিব্ৰুগড়ত স্থাপন হোৱাটো সম্ভৱ হৈছিল। বেৰী হোৱাইট চাহাবৰ মেডিকেল স্কুল আৰু অসম চিকিৎসা মহাবিদ্যালয়ে অসমক ভাৰতৰ স্বাস্থ্য, শিক্ষা আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত এক সন্মানজনক স্থানত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। এই মহাবিদ্যালয়েই সৰ্বভাৰতীয় তথা আন্তৰ্জাতিক ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা বহুসংখ্যক চিকিৎসক-গৱেষকক জন্ম দিয়াৰ গৌৰৱ অৰ্জন কৰিছিল। ডিব্ৰুগড়ৰ চিকিৎসা মহাবিদ্যালয়খনে কেৱল অসমৰে নহয়, বৰঞ্চ কাষৰীয়া অৰুণাচল, নগালেণ্ডৰ জনসাধাৰণক উপকৃত কৰাৰ উপৰি এই প্ৰতিৰক্ষাৰ দিশৰ পৰা স্পৰ্শকাতৰ অঞ্চলটোত থকা স্থল আৰু বায়ুসেনাসকলৰো যথেষ্টখিনি অভাৱ পূৰণ কৰে আৰু সেয়ে ডিব্ৰুগড়খনক অসমৰ মূল স্বাস্থ্যকেন্দ্ৰ বুলিয়েই স্বাস্থ্য মানচিত্ৰত চিহ্নিত হৈছে। আন্তৰ্জাতিক জাৰ্ণেলসমূহতো ডিব্ৰুগড়ক আজিও 'মেডিকেল টাউন' বুলিয়ে উল্লেখ কৰে। এইখিনিতে ডিব্ৰুগড়ৰ চাহ খেতিয়ক মুৰুলীধৰ জালান আৰু মহাদেউ জালানৰ নামো আমি কৃতজ্ঞতাৰে স্মৰণ কৰা উচিত। ব্ৰিটিছে ডিব্ৰুগড় চহৰক নাভিকেন্দ্ৰ হিচাপে অসম চিকিৎসা মহাবিদ্যালয় স্থাপনৰ বাবে প্ৰয়োজন হোৱা বিস্তীৰ্ণ অঞ্চলৰ ভূমিৰ অধিকাৰ জালান পৰিয়ালে ত্যাগ কৰি সামাজিক স্বাৰ্থত আগবঢ়াই দিছিল।

কিন্তু অসমৰ ৰাজধানী শ্বিলঙৰ পৰা গুৱাহাটীলৈ নমাই অনাৰ পাছত গুৱাহাটীখন অসমৰ নাভিকেন্দ্ৰ হৈ পৰিল আৰু চৰকাৰৰ মনোযোগ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিল এই গুৱাহাটীখন। ইয়াত অৱশ্যে কাৰো আপত্তি থাকিব নোৱাৰে। কিন্তু দুখৰ কথা, ডিব্ৰুগড়ৰ নাগৰিকসকলে আজি অনুভৱ কৰে যে এই অনুষ্ঠানৰ যিদৰে উত্তৰোত্তৰ অগ্ৰগতি হ'ব লাগিছিল, সেয়া যেন কিছু পৰিমাণে স্থবিৰ হৈ ৰৈছে। অসমৰ বাহিৰৰ চিকিৎসক আৰু বিশেষজ্ঞৰ সহায় নোলোৱাকৈ অসম চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসক আৰু টেকনিচিয়ানক লৈয়েই পাছৰ পৰ্যায়ত গুৱাহাটী আৰু শিলচৰত দুখনকৈ অতিৰিক্ত মহাবিদ্যালয় আৰম্ভ কৰিবলৈ সক্ষম হোৱাত ডিব্ৰুগড়বাসী সুখী আৰু গৌৰৱান্বিত। কিন্তু তাৰ বাবে এইখন মহাবিদ্যালয় আৰু চিকিৎসালয়ে ক্ষতি বহন কৰিবলগীয়াটো সমৰ্থনযোগ্য নহয়।

সামৰিক বিভাগৰ এজন বিষয়াই এই লেখকক কয়— ডিব্ৰুগড়ৰ এই চিকিৎসা মহাবিদ্যালয়খনে যে কেৱল উজনি অসমৰ ৰাইজৰে উপকাৰ সাধিছে বা সাধিব পাৰে এনে নহয়, বৰঞ্চ কাষৰীয়া অৰুণাচল, নগালেণ্ডৰ জনসাধাৰণৰ উপৰি আমাৰ প্ৰতিৰক্ষা তথা উৰণ সেনাসকলেও সাহায্য গ্ৰহণ কৰে। প্ৰতিৰক্ষাৰ দিশৰ পৰা স্পৰ্শকাতৰ এই অঞ্চলটোৰ মিলিটাৰী আৰু উৰণ সেনাসকলৰ যথেষ্ট স্বাৰ্থপূৰণ হয়। সেয়েহে প্ৰতিৰক্ষাৰ দিশৰ পৰাও এই চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়খনৰ উন্নতি সাধন কৰা প্ৰয়োজনীয় কথা। অসম চিকিৎসা মহাবিদ্যালয়ক বিশ্ববিদ্যালয়ে অথবা উচ্চ পৰ্যায়ৰ প'ষ্ট গ্ৰেজুৱেট ইনষ্টিটিউটলৈ উন্নীত কৰাৰ দাবী সময়ে সময়ে উত্থাপন হৈ আহিছে। ডিব্ৰুগড়ৰ প্ৰখ্যাত চিকিৎসক প্ৰয়াত ডাঃ বংশীধৰ বৰুৱা, কুণ্ডন সিং চাহী, অধিবক্তা গণেশ গোহাঁই ফুকন আদিয়ে অসম চিকিৎসা মহাবিদ্যালয়ৰ উন্নতিকল্পে দীৰ্ঘদিনৰ পৰা প্ৰচেষ্টা হাতত লৈ অহাৰ তথ্য লাভ কৰিলো। ডিব্ৰুগড় নাগৰিক সংঘৰো এক অন্যতম দাবী অসম চিকিৎসা মহাবিদ্যালয়ক এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয়লৈ উন্নীত কৰা।

ডিব্ৰুগড়বাসীৰ এই দীৰ্ঘদিনীয়া দাবীৰ যুক্তিযুক্ততা আছে; কিন্তু ইয়াৰ বিপৰীতমুখী বাৰ্তাইহে ডিব্ৰুগড়বাসীক মৰ্মাহত কৰে। ৰাজ্য চৰকাৰে বিষয়টো যেনে ধৰণে গুৰুত্ব দিব লাগিছিল, সেই ধৰণে গুৰুত্ব প্ৰদান নকৰে বুলিও অভিযোগ উত্থাপন হয়। এই মহাবিদ্যালয় প্ৰতিষ্ঠাকালীন সময়ত যি ক্ষিপ্ৰতাৰে চৰকাৰী কাম-কাজ আগবাঢ়িলি, সেয়া আজিৰ যুগত যেন সুদূৰ পৰাহত। ডিব্ৰুগড়বাসীৰ এই দাবী উত্থাপন হৈ থকাৰ সময়তো ভাৰত চৰকাৰৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ চিঠি নম্বৰ U12012/14/90 ME(P) যোগে জানিব পৰা গৈছিল যে— 'As regards the upgradation of Dibrugarh Medical College into a Post Graduate Institution, the matter be taken up with the Assam Government who may put up necessary and detailed proposals to the committee appointed by th Govt. of India for selection one institution in five zones of the country for such upgradation.' মন কৰিব লগা কথা যে কেন্দ্ৰীয় চৰকাৰে দেশৰ পাঁচ ঠাইত পাঁচখন প'ষ্ট গ্ৰেজুৱেট ইনষ্টিটিউট স্থাপন কৰাৰ কথা চিন্তা কৰিছিল আৰু ইয়াৰে দুখন উত্তৰ-পূব অঞ্চলৰ বাবে। নাগৰিকৰ দীৰ্ঘদিনৰ দাবী সত্বেও এই বিষয়ক লৈ ক্ষমতাসীনসকলে কাণ কৰা নাই। কিন্তু এই অঞ্চলক কেনেকৈ বঞ্চিত কৰা হৈছে তাৰ এক উদাহৰণ দিলো। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত বিশ্ববিখ্যাত চাহ কোম্পানী ষ্টুৱাৰ্ড হ'লে এক কোটি টকাৰ উপহাৰ দিবলৈ সাজু থাকিও লওঁতা বিচাৰি নাপালে। সেয়া ১৯৯২ৰ কথা। সচেতন নাগৰিক কুণ্ডন সিং চাহীৰ মুখে এই কথা শুনি মই নিজাববীয়াকৈ অনুসন্ধান চলাওঁ আৰু দেখিবলৈ পাওঁ যে অসম চৰকাৰৰ সংশ্লিষ্ট দপ্তৰৰ বিষয়াকেইজনমানৰ মইমতালিৰ বাবেই এই ভয়ংকৰ ঘটনা ঘটিছে। ১৯৯০ত এক কোটি টকাৰ মূল্য যথেষ্ট বেছি আছিল। ষ্টুৱাৰ্ড হ'ল নামৰ কোম্পানীটোৱে নিউৰ'চাৰ্জাৰী বিভাগ এটা আৰম্ভ কৰাৰ উদ্দেশ্যেৰে এক কোটি টকাৰ অনুদান আগবঢ়াব খুজিছিল আৰু প্ৰয়োজন সাপেক্ষে অধিক সাহায্য আগবঢ়োৱাৰো প্ৰতিশ্ৰুতি দিছিল; কিন্তু উপহাৰ গ্ৰহণ কৰিবলৈ চৰকাৰৰ অনুমতি নাছিল। ১৯৯২ৰ ২৯ মাৰ্চ সংখ্যাৰ 'অগ্ৰদূত' কাকতত মোৰ অনুসন্ধানৰ প্ৰতিবেদন প্ৰকাশ হোৱাৰ পাছতে চৌদিশে হৈ-চৈ আৰু কঁপনিৰ সৃষ্টি হয়। এই বাতৰি প্ৰকাশ হোৱাৰ পাছতে দীৰ্ঘদিনে অলৰ-অচৰ হৈ ৰোৱা ফাইলৰ ৰঙাফিটা খোল খায় আৰু কেইদিনমানৰ ভিতৰতে মহাবিদ্যালয়ৰ অধ্যক্ষক এই উপহাৰ গ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰে।

এই চিকিৎসালয়খন উন্নীতকৰণৰ বাবে ডিব্ৰুগড়ৰ সচেতন নাগৰিকৰ এটা দলে নিৰৱচ্ছিন্নভাৱে লাগি থকা কথাটোৱে কিছু আশাৰ সঞ্চাৰ কৰিছে।



টেইলপিচ ঃ গুৱাহাটী বৰঝাৰৰ পৰা অভিযন্তা ৰমেন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে ডিব্ৰুগড়ত পাৰ কৰা তেওঁৰ বাল্যকালৰ অভিজ্ঞতা সোঁৱৰণ কৰি কয় যে তাহানিকালৰ পৰাই ডিব্ৰুগড়ত শিক্ষাৰ মান উন্নত কৰাৰ বাবে যথেষ্ট প্ৰচেষ্টা গ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছিল। তেওঁ অতি ব্যক্তিত্বসম্পন্ন তিনিজন শিক্ষক চাইফুদ্দিন আহমেদ, ভৱেশ মুখাৰ্জী আৰু গোবিন চন্দ্ৰ শৰ্মাৰ নাম শ্ৰদ্ধা সহকাৰে স্মৰণ কৰে। গোবিন চন্দ্ৰ শৰ্মাই প্ৰধান শিক্ষক হিচাপে জৰ্জ ইনষ্টিটিউচন নকৈ গঢ়ি তোলাৰ প্ৰচেষ্টাৰ বিষয়ে তেওঁ উল্লেখ কৰে। প্ৰব্ৰজিত হৈ অহা বেংগলী আৰু মাৰোৱাৰীসকলৰ মাজৰ পৰা যিসকল লোকে অসমৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি একাত্ম হৈ পৰিলে তেওঁলোককো অসমীয়া সমাজে আঁকোৱালি লোৱা উচিত বুলি মন্তব্য প্ৰদান কৰে। আমাৰ কাকতৰ এজন আগ্ৰহী পাঠক পোনাকণ দত্তইয়ো পূৰ্বানুৱৰ্তী লেখাৰ আঁত ধৰি কয় যে ব্ৰিটিছ উপায়ুক্ত মেক মিলন চাহাবে অধিবক্তা সমাজক লাইব্ৰেৰী স্থাপনৰ বাবে নিজৰ চৰকাৰী আৱাস ত্যাগ কৰি এটি অধিগ্ৰহণ কৰা বাংলোলৈ যোৱা কথাটোৱে তাহানি অতি অনুপ্ৰেৰণামূলক কৰ্মৰ নিদৰ্শন দাঙি ধৰিছিল। জেনকিন্স চাহাবেও ডিব্ৰুগড় পঢ়াশালি স্থাপন কৰি গৈছিলহি। পিছৰ পৰ্যায়ত মফিজুদ্দিন আহমদ হাজৰিকা, যতীন্দ্ৰ নাথ দুৱৰা, মহেশ্বৰ বৰুৱা, কেদাৰনাথ গোস্বামী, জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বহুজন বিদ্যানুৰাগী লোকৰ সমাৱেশে ডিব্ৰুগড়ৰ সামাজিক পৰিৱেশ-পৰিস্থিতি অতি উন্নত কৰি তুলিছিও। কোকৰাঝাৰৰ পৰা শিক্ষক আবু তাহেৰ মোল্লাই জনায় যে তেওঁ 'দৈনিক অগ্ৰদূত' কাকতৰ নিয়মীয়া পাঠক আৰু লেখালানি পঢ়ি তেওঁ তথা বহুজন অতি আপ্লুত হৈছে। তেওঁ কোকৰাঝাৰ আৰু গোসাঁইগাঁৱৰ চৰকাৰী পুথিভঁৰালত দুয়োখন অগ্ৰদূত কাকত নিয়মীয়া প্ৰাপ্তিৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনায়। ষ্টিলৱেল ৰোড প্ৰসংগতো যথেষ্ট সংখ্যক ব্যক্তিৰ মন্তব্য লাভ কৰা হৈছে। পৰ্যায়ক্ৰমে পৰৱৰ্তী সংখ্যাত কৃতজ্ঞতা সহকাৰে তেওঁলোকৰ বিষয়ে উল্লেখ কৰা হ'ব। (আগলৈ)

ফোন ঃ ৯৪৩৫০২৮০০৮

অসম দাপোণ

বিটিআৰ চুক্তিখৰ বিৰুদ্ধাচৰণ কৰাটো

তিনি পৃষ্ঠাৰ পৰা আগভাগ লৈছিল, সেই কথা আমি সদায় স্মৰণ কৰিব লাগিব। আজিৰ দিনটোত তেওঁৰ আত্মাৰ সদগতি কামনা কৰিছো। তেওঁ বড়ো জনগোষ্ঠীৰ বাবে কৰা ত্যাগ যাতে নৱপ্ৰজন্মই জানিব পাৰে সেই বিষয়ে আমি এই কাৰ্যসূচী হাতত লৈছো। তেওঁ কয়— 'আমি বিভিন্ন মাধ্যমযোগে বিটিআৰ অঞ্চলত আন এটি ছাত্ৰ সংগঠন জন্ম হোৱা খবৰ লাভ কৰিছো। কিন্তু ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতাত জন্ম হোৱা ছাত্ৰ সংগঠন কেতিয়াও চিৰস্থায়ী হোৱা আমি দেখিবলৈ পোৱা নাই। বিগত সময়ত বিএছইউৰ পাছত এইবাৰ বনছুৰ জন্ম দিয়া হ'ল। তেওঁলোক কোন বা সংগঠনটোৰ নেতৃত্ব কোনে লৈছে সেয়া ৰাইজে ভালকৈ চালে বুজি পাব। ৰাজনীতিৰ চোলা খুলি ৰাইজৰ মাজত যোৱাৰ বাবে তেওঁলোকে ডাঙৰ ডাঙৰ কথা কৈছে। আমি তেওঁলোকক কওঁ যে প্ৰথমে হাতেকামে কৰি দেখুৱাওক। তাৰ পাছত ডাঙৰ ডাঙৰ কথা ক'ব।' লগতে তেওঁ বিটিচি অঞ্চলৰ ৰাজনৈতিক দিশ সম্পৰ্কে উল্লেখ কৰি কয় যে এবছুৱে জাতীয় সংগঠন হিচাপে দেখিছো যে বিগত দিনবোৰত বিভিন্ন সংগঠন কেনেদৰে দুফাল হৈ বিটিচি অঞ্চলত অশান্তিৰ বাতাবৰণ সৃষ্টি হৈছিল। আমি এবছুৱে বিপিএফ আৰু ইউপিপিএলক একলগ হৈ বড়ো জাতিৰ উন্নয়নৰ বাবে কাম কৰাৰ আহ্বান জনাই আহিছো। বৰ্তমান সময়ছোৱাত ৰাজ্যসভা নিৰ্বাচনক লৈ দুয়োটা দল একলগ হোৱাটো আমি দেখিছো। এয়া দুয়োটা ৰাজনৈতিক দল একলগ হোৱাৰ এক আৰম্ভণি বা প্ৰয়াস বুলি আমি ক'ব বিচাৰো। বিটিআৰতো সকলোৰে একলগ হৈ উন্নয়নৰ হকে কাম কৰাটো আমি বিচাৰিছো। যদি এইক্ষেত্ৰত এবছুৱে কিবা ভূমিকা ল'ব লাগে তাৰ বাবে এবছু সদায় সাজু আছো। কিন্তু এই দুয়োটা ৰাজনৈতিক দল একগোট হোৱা বিষয়টো অসম্ভৱ নহয় বুলিও তেওঁ ভাষণত উল্লেখ কৰে। বিটিআৰ চুক্তিৰ বিৰুদ্ধাচৰণ কৰি একাংশ নেতাই ন্যায়ালয়ৰ কাষ চপা বিষয়টো সন্দৰ্ভত এবছুৰ সভাপতিজনে মন্তব্য কৰি কয়, 'এই চুক্তি সেইসকল নেতাই কিয় মানি ল'ব পৰা নাই সেয়া তেওঁলোকৰ বিষয়। কিন্তু ৩৪ বছৰীয়া দীঘলীয়া সংগ্ৰামৰ অন্তত এনডিএফবিৰ চাৰিওঁটা গোটৰ লগতে এবছু, ইউবিপিঅ'ই একেলগে ২০২০ৰ ২৭ জানুৱাৰীত বিটিআৰ শান্তি চুক্তি স্বাক্ষৰ কৰিলে। এই চুক্তি ৰূপায়ণৰ কাম ইতিমধ্যে চলি আছে। সম্পূৰ্ণ ৰূপায়ণ হ'বলৈ কিছু সময়ৰ প্ৰয়োজন হ'ব। দেশৰ গৃহমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিয়া ধৰণে ২০২৪ৰ ভিতৰত চুক্তিখনৰ দফাসমূহ সম্পূৰ্ণ ৰূপায়ণ হ'ব লাগিব। অন্যথা ৰাইজে ইয়াৰ বিকল্প পন্থা হাতত ল'ব। কিন্তু তাৰ পূৰ্বে চুক্তিখন নস্যাৎ কৰি সেইসকল নেতাই চুক্তিখনৰ বিৰুদ্ধে আদালতৰ মজিয়ালৈ যোৱাটো দুৰ্ভাগ্যজনক। তেওঁলোকে নিজৰ স্থিতি স্পষ্ট কৰক যে পূৰ্বৰ চুক্তিসমূহৰ বিৰুদ্ধে যিহেতু কোনেও ন্যায়ালয়ৰ ওচৰ চপা নাছিল। প্ৰতিখন চুক্তিতে আমি এশ শতাংশ অধিকাৰ অন্তৰ্ভুক্ত হ'ব লাগিব বুলি ক'ব নোৱাৰো। পৰ্যায়ক্ৰমে চুক্তসমূহত নতুন নতুন কথা সন্নিৱিষ্ট হৈ থাকে।' এই সমগ্ৰ বিষয়সমূহ আলাপ আলোচনাৰ মাজেৰে সমাধান হয় বুলি তেওঁ উল্লেখ কৰে। উক্ত দিৱসত মন্ত্ৰী ইউজি ব্ৰহ্ম, এবছুৰ কেন্দ্ৰীয় নেতা, বড়ো সাহিত্য সভা, ইউপিপিএলৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতৃত্ব উপস্থিত থাকে।

তেজপুৰৰ পাঁচমাইলত গাইডবান্ধ

তিনি পৃষ্ঠাৰ পৰা উপায়ুক্তৰ দৃষ্টি গোচৰ কৰিছে। উল্লেখ্য যে এমজিএনৰেগা আঁচনিৰ অধীনত শোণিতপুৰ মহাবিদ্যালয়ৰ পৰা স্থানীয় আঞ্চলিক কবৰস্থানলৈকে অনুমোদন হোৱা কৃষি বান্ধটোৰ নিৰ্মাণৰ কাম আনুষ্ঠানিকভাৱে ২০২০ৰ ১১ মাৰ্চত আৰম্ভ কৰা হৈছিল বুলি প্ৰকাশ কৰা হৈছে। মুঠ আঠ লাখ ৮৪ হেজাৰ ৪৮৮ টকা ধাৰ্য কৰা এই বান্ধৰ শ্ৰমিকৰ মজুৰীৰ শিতানত আঠ লাখ ৭৪ হেজাৰ ৪০৪ টকা আৰু সামগ্ৰীৰ বিপৰীতে ১৭ হেজাৰ দুশ টকা অনুমোদন কৰা হৈছিল। কিন্তু বিগত দুবছৰে উক্ত আচনি ৰূপায়নৰ নামত চাৰি লাখ ৮৪ হেজাৰ ৪৮৮ টকা মোকলাই নিয়া হয় যদিও সেই পৰিমাণৰ কামৰ অগ্ৰগতি নোহোৱা বুলি অভিযোগ উঠে। তদুপৰি শোণিতপুৰ মহাবিদ্যালয়ৰ সন্মুখৰ পৰা এই কৃষিবান্ধটোৰ নিৰ্মাণৰ কাম আৰম্ভ হ'ব লাগিছিল যদিও বাস্তৱত সেয়া নহ'ল আৰু সমীপৰ ম্যাদীপট্টাৰ এটা মাত্ৰ চাৰিফুট বহল পথৰ পৰাহে এই কাম আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। কিন্তু কৃষি বান্ধোৰ প্ৰস্তুতাৰ প্ৰাককলন অনুসৰি বিভিন্ন স্থানত বিসংগতি থকাৰ অভিযোগ কৰি আৰম্ভণিৰ অংশৰ মাটিৰ গৰাকীয়ে তেওঁৰ ম্যাদী মাটি এই বান্ধ নিৰ্মাণৰ বাবে এৰি দিবলৈ অমান্তি হোৱাৰ লগতে কয় যে তেওঁ এটা পৰিয়ালৰ সুবিধা হোৱাকৈহে এই পথটো দিছিল যদিও এতিয়া ইয়াত কৃষি বান্ধ নিৰ্মাণ কৰিবলৈ দিয়া নহ'ব। ইপিনে স্থানীয় একাংশ লোকে মহাবিদ্যালয়ৰ সন্মুখৰ পৰাই কৃষিবান্ধটোৰ নিৰ্মাণ কিয় কৰা নহ'ল বুলি কৰা প্ৰশ্নৰ বিপৰীতে পঞ্চায়তৰ সভাপতি আমিনুল ইছলামে সেই ভূমিও ম্যাদী পট্টাৰ ভূমি বুলি প্ৰকাশ কৰি ইয়াতো নিৰ্মাণ কৰিবলৈ নিদিয়া বুলি উল্লেখ কৰে। আনহাতে, অভিযোগ কাৰীলোকসকলে কয় যে, তেওঁলোকে নিজৰ ভিতৰতে ধন সংগ্ৰহ কৰি কৃষিবান্ধটোৰ নিৰ্মাণৰ সুবিধা কৰিছে য'দিও কৃষি বান্ধটো সেই স্থানৰপৰা নিৰ্মাণ হোৱা নাই। উল্লেখ্য যে, কৰ'নাকালীন পৰিস্থিতিৰ বাবেই নিৰ্মাণ কাৰ্য লেহেমীয়া হোৱা আৰু জৱকাৰ্ডৰ নামতে অধিক ধন আবন্টনৰ বাবেই সমস্যাৰ উদ্ভৱ হোৱাৰ বিষয়ে পঞ্চায়ত সভাপতিয়ে প্ৰকাশ কৰাৰ বিপৰীতে অভিযোগকাৰী সকলে কয় যে এই নিৰ্মাণকাৰ্যৰ অনিয়মৰ বিৰুদ্ধে সংশ্লিষ্ট চৰকাৰী কৰ্তৃপক্ষৰ লগতে সংবাদমাধ্যমৰ দৃষ্টি গোচৰ কৰাৰ পাছতহে এই কাম আৰম্ভণি অংশত নকৰি মাজত কৰা হৈছে য'ত কিছু অংশৰ প্ৰস্থ তিনিফুটমানহে হ'ব। ইফালে আজি এই নিৰ্মাণস্থলিত গাভৰু উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা সহ এটা দল উপস্থিত হৈ জোখ মাফ কৰাৰ সময়তো স্থানীয় একাংশ লোকে এই পথছোৱা প্ৰাককলন অনুসৰি শোণিতপুৰ মহাবিদ্যালয়ৰ পৰা আৰম্ভ কৰি আগন্তুক বাৰিষাৰ পৰা পৰিত্ৰাণ দিয়াৰ ব্যৱস্থা কৰি দিবলৈ আহ্বান জনাই। সেই সময়ত ঘটনাস্থলীত উপস্থিত থকা বিজেপি দলৰ গাভৰু মণ্ডলৰ সংখ্যালঘু মৰ্চাৰ সভাপতি চাইদুল ইছলামে কেৱল এইখন আঁচনিয়েই নহয় পাঁচমাইল পঞ্চায়তৰ আন একাধিক আঁচনিৰ ৰূপায়ণত অনিয়ম হোৱাৰ অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে আঁচনিখন ৰূপায়ণৰ আৰম্ভণিতেই প্ৰাককলন অনুসৰি আৰম্ভণিৰ স্থানৰ নিৰূপন উন্নয়ন খণ্ডৰ দায়িত্বশীল লোকসকলে সঠিকৰূপে নকৰাৰ পৰিণতিতে এই সমস্যাৰ উদ্ভৱ হোৱাৰো অভিযোগ উঠাৰ বিপৰীতে পাঁচমাইল পঞ্চায়তৰ সভাপতিজনে এই সমগ্ৰ ঘটনাই ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি মন্তব্য কৰি আঁচনি ৰূপায়ণৰ কাম সমাপ্ত নোহোৱাকৈয়ে ধন আত্মসাতৰ অভিযোগ ভিত্তিহীন বুলি কোৱাৰ লগতে অভিযোগকাৰীসকলে কোৱাৰ দৰে তেওঁলোকে ম্যাদী পট্টাৰ ভূমিত আঁচনি ৰূপায়ণৰ অনুমতি আদায় কৰিব পাৰিলে তেওঁলোকে বিচৰা অনুসৰিয়েই আঁচনিখন ৰূপায়ণ হ'ব বুলিও কয়। ইয়াৰ বিপৰীতে অভিযোগকাৰীসকলক নেতৃত্ব দিয়া চাইদুল ইছলামে এই কামত অনিয়ম হোৱাটো স্পষ্ট বুলি প্ৰকাশ কৰি এইক্ষেত্ৰত তদন্তৰ দাবীজনাই বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলিও কয়।

২৭০ বছৰীয়া ইতিহাসৰ পৃষ্ঠভূমিত

তিনি পৃষ্ঠাৰ পৰা নৱনিৰ্মিত তোৰণ আৰু পৰাপাটৰ কাম সম্পূৰ্ণ হৈছে। অঞ্চলটোৰ নিৱাসী তথা ৰাজ্যখনৰ এগৰাকী বিশিষ্ট কাৰুশিল্পী হৰিনাৰায়ণ দাসে প্ৰস্তুত কৰা আৰ্হি তথা পৰিকল্পনাৰে স্থানীয় শিল্পী উমাকান্ত বৰাই নিৰ্মাণ কৰি উলিয়াইছে ২৪ ফুট প্ৰস্থৰ আৰু ১৮ ফুট উচ্চতাৰ এই তোৰণ তথা ইয়াৰে সংলগ্ন পৰাপাট। ওপৰত গঞ্জুৰ, মাজত ভাগৱতৰ শৰাই, দুইকাষে গ্ৰাহ আৰু উৰণীয়া সিংহৰে বৈকুণ্ঠত সংস্থাপিত ভাগৱতৰ ভাৱাৰ্থৰে নিৰ্মিত এই আটকধুনীয়া তোৰণখন অহা দুই এপ্ৰিলত উন্মোচিত হ'ব। প্ৰণিধানযোগ্য যে তেজপুৰৰ ঐতিহ্যমণ্ডিত দ-পৰ্বতীয়াত সংৰক্ষিত হৈ থকা শৈলদ্বাৰৰ নিচেই সমীপতে অৱস্থিত দ-পৰ্বতীয়া মাধৱ মন্দিৰ বহুমুখী প্ৰকল্প এক ৰাজহুৱা তথা জন কল্যাণমুখী সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান। অষ্টম শতিকাৰ মাজৰ সময়ছোৱাত ঐতিহাসিক দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী বনমালীদেৱ ব্ৰহ্মপুত্ৰৰে নাৱত ভটিয়াই আহি গুপ্ত যুগৰ ষষ্ঠ শতিকাৰ ভাস্কৰ্যৰ নিদৰ্শন গংগা-যমুনাৰ মূৰ্তি খোদিত শৈলদ্বাৰৰ সমীপতে প্ৰতিষ্ঠা কৰিছিল এক ৰাজহুৱা নামঘৰ। কালৰ গতিত এই নামঘৰত ১৮৯৬ মানৰ পৰা পৰিৱৰ্তিত ৰূপত সত্ৰীয়া কলাকৃষ্টি আৰু ভাওনা আদিৰ চৰ্চা আৰম্ভ হয় আৰু এই অঞ্চলত বহু কেইগৰাকী সত্ৰীয়া শিল্পী, নাট্য শিল্পী তথা সাহিত্যিক আৰু নাট্যকাৰক জন্ম দিলে। পৌৰাণিক নাটকসমূহৰ চৰ্চা এই অঞ্চলত তেতিয়াৰ পৰাই অস্থায়ী ৰংগমঞ্চ তৈয়াৰ কৰি আৰম্ভ কৰিলে। এইসমূহৰ উপৰি ৰাস-ভাওনা তেতিয়াৰ পৰাই নিয়মীয়াকৈ চলিবলৈ ল'লে। অসমৰ আধ্যাত্মিক আৰু লোক-সংস্কৃতিৰ অংগৰূপে পালনাম, বৰসবাহ, পানী তোলা সবাহ, থিয় নাম, দিহানাম, হুঁচৰি, জন্মাষ্টমী, গুৰু দুজনাৰ তিথি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম মহোৎসৱ, ৰাস, ভাওনা আৰু আটাইকেইটি বিহু আদি পৰম্পৰাগতভাৱে আজিও সগৌৰৱে চলি আছে। পৰৱৰ্তী সময়ত অঞ্চলটোৰ এজন গুণী সন্তান নাট্য সম্ৰাটৰূপে খ্যাত প্ৰয়াত প্ৰফুল্ল বৰাই ১৯৪৩- ৪৪ ৰ পৰাই এই অঞ্চলত নাটকৰ এক প্ৰবল ধাৰা আৰম্ভ কৰে। পুৰণা নামঘৰৰ মজিয়াৰ পৰাই সৃষ্টি হয় মাধৱ মন্দিৰ বহুমুখী প্ৰকল্প। এই প্ৰকল্পৰ অধীনত বৰ্তমান নামঘৰ, নাট্য প্ৰকল্প, সত্ৰীয়া পৰম্পৰাগত কৃষ্টি বিকাশ আৰু প্ৰশিক্ষণ কেন্দ্ৰ, ৰাজহুৱা পুথিভঁৰাল, মীন পালন ক্ষেত্ৰ, সোঁৱৰণী অৰণ্য নামকৰণেৰে সামাজিক বনানী কৰণ, সংগীত আৰু চিত্ৰ-ভাস্কৰ্য কলা প্ৰশিক্ষণ কেন্দ্ৰ আদিৰ উপৰি অস্থায়ী ৰংগমঞ্চ তৈয়াৰ কৰি প্ৰত্যেক বছৰে নাট সমাৰোহ আৰু সদৌ অসম ভিত্তিত একাংকিকা নাটক প্ৰতিযোগিতা নিয়মীয়াকৈ অনুষ্ঠিত কৰা হয়। পুৰণা নামঘৰৰ পৰা প্ৰায় তিনি-চাৰিশ মিটাৰ দূৰত্বত সংস্থাপিত বৰ্তমানৰ মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পৰ নামত থকা ভৈৰৱপদ মৌজাৰ দ-আটি গাঁৱৰ ৯২৯ নম্বৰ আৰু ৯৩১ নম্বৰ দাগৰ তিনি নম্বৰ আৰু ৫১২ নম্বৰ ম্যাদী পট্টাৰ প্ৰায় তিনি বিঘা খালী হৈ থকা ৰাজহুৱা মাটিত এটা নাট্য প্ৰকল্পৰ লগতে সাম্প্ৰতিক কালৰ আধুনিক শৈলীৰ লগত খাপ খুৱাব পৰাকৈ ৰংগমঞ্চ আৰু প্ৰেক্ষাগৃহ স্থাপন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰি নৱ প্ৰজন্মৰ যুৱক-যুৱতী তথা ঐতিহ্যমণ্ডিত তেজপুৰ নগৰৰ বৃহত্তৰ পশ্চিম অঞ্চল সামৰি লোৱা থলুৱা লোকৰ একচেতিয়া বসতিপ্ৰধান অঞ্চল হজৰাপাৰ-পৰ্বতীয়া-বেছেৰীয়া অঞ্চলৰ যুৱক-যুৱতী আৰু জাতীয় সংস্কৃতিৰ প্ৰতি দায়বদ্ধ লোকসকলৰ সাংস্কৃতিক, বৌদ্ধিক আৰু আৰ্থসামাজিক বিকাশ তথা উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালনৰ পবিত্ৰ মানসেৰে ৰাইজে আগবাঢ়িছে যদিও ইয়াৰ বাবে প্ৰয়োজনীয় অৰ্থৰ অভাৱৰ সন্মুখীন হৈছে ৰাইজ। ইমান দিনে ৰাইজে নিজা বৰঙণি আৰু বিনামূলীয়া শ্ৰমদানৰেই প্ৰকল্পৰ বহু কাম আগবঢ়াই নিছে। উল্লেখ্য যে ১৯৮২ ত এই প্ৰকল্প নিৰ্মাণৰ সিদ্ধান্ত লোৱাৰ পাছত ১৯৮৮ ৰ পৰা ৰাইজৰ আশাশুধীয়া প্ৰচেষ্টাত ইয়াৰ নিৰ্মাণ কাৰ্য আৰম্ভ হয়। অঞ্চলটোৰ প্ৰথিতযশা ভাস্কৰ, প্ৰবীণ শিল্পী মোহিনী হাজৰিকাই এই প্ৰকল্পৰ নামঘৰৰ সন্মুখৰ জয় বিজয় আৰু গঞ্জুৰ মূৰ্ত্তি নিৰ্মাণ কৰাৰ বিপৰীতে শিল্পী হৰিনাৰায়ণ দাসৰ তত্ত্বাৱধানত স্থানীয় যুৱ শিল্পী দিলীপ নাথ, ৰামনাৰায়ণ দাস, তপন তামুলী, বাদল দাস, যোগেশ দাস, জাব্বু কৰ্মকাৰৰ সহযোগত নামঘৰৰ ১০ বৰ্গফুট বহল আৰু ৯.৫০ ফুট উচ্চতাৰ সিংহাসন নিৰ্মাণ কৰা হয়। মন্দিৰৰ মূল গম্বুজৰ আৰ্হি অভিযন্তা কমল তামুলীয়ে প্ৰস্তুত কৰাৰ বিপৰীতে শিল্পী উমাকান্ত বৰাই নিৰ্মাণ কৰে। তদুপৰি দেৱালয়ৰ গায়ন বায়নৰ ভাস্কৰ্যৰ লগতে বিভিন্ন কাৰুকাৰ্যৰে সজাই তোলে প্ৰবীণ কাৰুশিল্পী হৰিনাৰায়ণ দাসে। ১২০ ফুট দীঘল আৰু ৬২ ফুট বহল মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰয়াত প্ৰফুল্ল বৰা, কমল চন্দ্ৰ বৰা, খনীন্দ্ৰ নাথ গোস্বামী, তুৰাৰাম তামুলী, সুৰেন বৰা আদি সকলকে ধৰি বিভিন্নজনৰ লগতে ৰাইজৰ অৱদান চিৰস্মৰণীয়। উল্লেখ্য যে বৰ্তমান এই বিশেষ প্ৰকল্পৰ সভাপতিৰ দায়িত্বত আছে গুণাধৰ বৰা আৰু সম্পাদকৰ দায়িত্বত আছে বিমান তামুলী। পৰ্যটকৰ বাবে দ-পৰ্বতীয়া শৈলদ্বাৰৰ লগতে মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পক এটা আধুনিক পৰ্যটন প্ৰকল্প হিচাপে গঢ়ি তোলাৰ প্ৰস্তাৱো ৰাইজে গ্ৰহণ কৰি থৈছে। ইক'ট্যুৰিজিম আঁচনিৰ সহায়ত ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত গাঁওখনৰ সোঁৱৰণী অৰণ্য প্ৰকল্পক সামৰি মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পক সজাই পৰাই দেশৰ সাৰ্বজনীন প্ৰেক্ষাপটত চিনাকি কৰোৱাৰ প্ৰবল হেঁপাহেৰে স্থানীয় ৰাইজে প্ৰস্তাৱ গ্ৰহণ কৰিছে। বৰ্তমান এই বহুমুখী প্ৰকল্পত নিয়মীয়াকৈ অস্থায়ী ৰংগমঞ্চ বা ৰভা তৈয়াৰ কৰি শিশু আৰু যুৱক-যুৱতীসকলক বিভিন্ন কৰ্মশালা অনুষ্ঠিত কৰি নাটক, সংগীত, চিত্ৰকলা, বিহু আদিৰ প্ৰশিক্ষণ দি থকা হৈছে। এইসমূহৰ জৰিয়তে নৱ প্ৰজন্মক দেশৰ সচেতন আৰু সুস্থ নাগৰিক হিচাপে গঢ়ি তোলাৰ অংগীকাৰেৰে মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পই গুৰুত্ব সহকাৰে দায়িত্ব পালন কৰি আহিছে। উল্লেখ্য যে লোকশিল্প, ভাওনা, কাৰুশিল্প চৰ্চাৰ এক উৰ্বৰ অঞ্চল তথা ক্ষেত্ৰ ইয়াত জগদীশ বৰা, শুভ তামুলী, সৰ্বা গোস্বামী আৰু মাধৱ বৰা আদিসকলৰ প্ৰচেষ্টাত নৱপ্ৰজন্মক এই কলা শিল্পৰ স'তে জড়িত কৰি অহাৰ লগতে বিশিষ্ট বায়ন দিলীপ বৰা (মইনা), নৰেন শইকীয়া আৰু ইন্দ্ৰেশ্বৰ পাঠক আদি সকলে এইক্ষেত্ৰত দীৰ্ঘকালৰ পৰা বিশেষ ভূমিকা পালন কৰি আহিছে। উল্লেখ্য যে ২০২১ৰ ২০ নৱেম্বৰত মাধৱ মন্দিৰ বহুমুখী প্ৰকল্পৰ উদ্যোগত আৰু অসম সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত পূৰ্বৰ দৰে অনুষ্ঠিত নাট্যসম্ৰাট প্ৰফুল্ল বৰা দিৱসত নাট্যসম্ৰাট প্ৰফুল্ল বৰা সোঁৱৰণী বঁটা প্ৰথমবাৰৰ বাবে তেজপুৰৰ সন্তান তথা প্ৰথিতযশা নাট্যকাৰ-পৰিচালক ঐশ্বৰ্য কাকতিলৈ আগবঢ়োৱা হয় আৰু এই বঁটা নিয়মীয়াকৈ অসমৰ বৰেণ্য নাট্যকাৰ, পৰিচালক তথা অভিনেতালৈ প্ৰদান কৰাৰ এক দীৰ্ঘম্যাদী সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে, কলা-সংস্কৃতি আৰু ঐতিহ্যৰ এই পীঠ স্থানতে অহা দুই এপ্ৰিলৰ পৰা ভাগৱত পাঠক কেন্দ্ৰ কৰি আয়োজন কৰা হৈছে এক বৰ্ণাঢ্য অনুষ্ঠানৰ। অঞ্চলটোৰ বহুকেইখন চুবুৰিৰ ৰাইজৰ তৎপৰতাত দুই এপ্ৰিলৰ পুৱা ১১ বজাত বহুমুখী প্ৰকল্পৰ দৃষ্টিনন্দন মূল তোৰণ আৰু পৰাপাটৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰিব তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই। আনহাতে এই অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকিব শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাস। বিয়লি তিনি বজাত ভাগৱত আদৰণি অনুষ্ঠানৰ পাছত সন্ধিয়া পাঁচ বজাত অনুষ্ঠিত হ'ব 'সপ্ত বৈকুণ্ঠ' নিৰ্মাণ কাৰ্যসূচী। স্থানীয় লোকশিল্পী উপাকান্ত বৰাৰ পৰিচালনাত এই সপ্ত বৈকুণ্ঠ নিৰ্মাণত অংশগ্ৰহণ কৰিব স্থানীয় শিল্পী ৰামনায়াৰণ দাস, বাদল দাস, চন্দন বৰা, সৰ্বানন্দ গোস্বামী, শুভ তামুলী, জগদ্বীশ বৰা, নৰজ্যোতি বৰা, বিশ্বজিৎ দাস আৰু বিজিত বৰাই। ইয়াৰ মাজতে 'নৈমিষা অৰণ্য' নিৰ্মাণৰ পৰিচালনা কৰিব শিল্পী তথা দ-পৰ্বতীয়া আঞ্চলিক ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক যজ্ঞেশ্বৰ বেজবৰাই। সেইদৰে তিনি এপ্ৰিল পুৱা পাঁচ বজাত প্ৰাতঃপ্ৰসংগ, ছয় বজাত জলাৰোহণ অনুষ্ঠানৰ পাছত পুৱা সাত বজাত ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভাৰ মূল পতাকা উত্তোলন কৰিব দ-পৰ্বতীয়া আঞ্চলিক পাঠ আৰু ধৰ্মালোচনী সভাৰ সভাপতি শিল্পী হৰিনায়াৰণ দাসে। স্মৃতি তৰ্পণ মুকলি কৰিব বিশিষ্ট সমাজকৰ্মী লীলাধৰ বৰাই আৰু মাধৱ মন্দিৰ বহুমুখী প্ৰকল্প প্ৰাংগণত দ-পৰ্বতীয়া অঞ্চলৰ প্ৰত্যেক চুবুৰিৰ নিজা নিজা পতাকা উত্তোলন সম্পন্ন হ'ব। ইয়াৰ পাছতে বৃক্ষৰোপণ আৰম্ভ কৰিব বহুমুখী প্ৰকল্পৰ সভাপতি গুণাধৰ বৰাই। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বহুমুখী প্ৰকল্পৰ প্ৰাক্তন সভাপতি সুৰেণ বৰাই। আনহাতে, নাম প্ৰসংগত নামাচাৰ্য হিচাপে উপস্থিত থাকিব শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ ডেকা সত্ৰাধিকাৰ দীপক গোস্বামী। তেওঁ উক্ত দিনা ভাগৱত শাস্ত্ৰ পাঠৰ আৰম্ভ কৰিব আৰু মুখ্য পাঠ পৰিচালনা কৰিব সত্ৰীয়া শিল্পী দিলীপ বৰা, নৰেন বৰাই। ভাগৱত পাঠৰ ব্যাখ্যা কৰিব নাৰায়নপুৰৰ বিশিষ্ট সত্ৰীয়া শিল্পী কিশোৰ পাঠক আৰু বিশ্বনাথ চাৰিআলিৰ ৰণ্টু শইকীয়াই। এই কাৰ্যসূচীৰ অন্তিম দিনটোত পুৱা ১০ বজাত আঞ্চলিক ভিত্তিত গোপিনীৰ নাম প্ৰসংগৰ লগতে সন্ধিয়া দ-পৰ্বতীয়া আঞ্চলিক ভিত্তিত অনুষ্ঠিত হ'ব 'কুমাৰ হৰণ' ভাওনা। বিশিষ্ট ভাওনা শিল্পী বসন্ত কুমাৰ দাসে উদ্বোধন কৰিব।

দোতমাত চিপ লৈ মহিলাৰ

তিনি পৃষ্ঠাৰ পৰা মহিলাৰ চিপ লোৱা মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য অনুসৰি পুৱাই তেতেলীগুৰী গাঁৱৰ নিবাসী সমিৰুল হকৰ পত্নী ৰেক্সোনা বেগমৰ মৃতদেহ ঘৰৰ ভিতৰতে চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয়। প্ৰায় দুবছৰ পূৰ্বে সাপটগ্ৰামৰ সমীপৰ বাহাদুৰপাৰা গাঁওৰ নিবাসী আনোৱাৰ আলীৰ জীয়ৰী ৰেক্সোনাৰ তেতেলীগুৰীৰ সমিৰুলে বিবাহ কৰায়। কিন্তু পাৰিবাৰিক গৃহ কন্দলৰ বাবে ৰেক্সোনাই আত্মহত্যা কৰিছে বুলি ৰেক্সোনাৰ পিতৃয়ে অভিযোগ কৰিছে। ঘটনা সন্দৰ্ভত গাঁৱৰ বাসিন্দাসকলে সদৰী কৰা মতে ৰেক্সোনাই পূৰ্বতেও কে'বাবাৰো আত্মহত্যাৰ চেষ্টা কৰিছিল যদিও সমিৰুলৰ পৰিয়াল আৰু স্থানীয় ৰাইজৰ প্ৰচেষ্টাত ৰক্ষা পৰিছিল। তেওঁলোকে সদৰী কৰা মতে ৰেক্সোনাই মানসিক অসুস্থতাত ভুগিছিল। উক্ত ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজে প্ৰশাসনক সমগ্ৰ ঘটনা তদন্ত কৰিবলৈ আহ্বান জনাইছে।

নুমলীগড়ত দুৰ্ঘটনাত বিজেপি

তিনি পৃষ্ঠাৰ পৰা পৰা নিজৰ গৃহাভিমুখে নিশা ন বজাত 'টিভিএছ ৰাইডাৰ' মটৰ চাইকেলেৰে আহি থকা অৱস্থাত গণেশে 'ৰিট্ৰিট গেষ্ট হাউছ'ৰ সন্মুখত ৰখাই থোৱা পাঞ্জাব ইঞ্জিনীয়াৰিং কোম্পানীৰ এখন গাড়ীত পাছ ফালৰ পৰা প্ৰচণ্ড জোৰে খুন্দিওৱাৰ ফলত ঘটনাস্থলীতে মটৰ চাইকেল আৰোহী গণেশৰ মৃত্যু হয়। ইয়াৰ পাছতে স্থানীয় ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। এই সময়ছোৱাত বাইপাছ পথটো সম্পূৰ্ণ ৰূপে বন্ধ হৈ পৰে। আৰক্ষী প্ৰশাসনৰ বহু প্ৰচেষ্টাৰ অন্তত নিশা ১২ বজাতহে পৰিস্থিতি শান্ত হয়। ইপিনে, মৃত গণেশৰ শৱদেহ নিশাটো ভিকে-এন আৰ এল হাস্পতালৰ মৰ্গত ৰখাৰ পাছত আজি আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাৰে গোলাঘাটৰ ছহিদ কুশল কোঁৱৰ অসামৰিক হাস্পতাললৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ পৰিয়ালৰ লোকক গতাই দিয়ে। আজি গণেশৰ আকস্মিক বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে লগেই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। ৰঙাজানত দলীয় নেতা-কৰ্মীয়ে শ্ৰদ্ধাঞ্জলি জনায়। তেওঁৰ মৃত্যুত বিধায়ক বিশ্বজিৎ ফুকন, মৰঙি মণ্ডল বিজেপি, মৰঙি প্ৰেছ ক্লাৱ, মৰঙি আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থা, গোলাঘাট জিলা গোৰ্খা সন্মিলন, গোলাঘাট জিলা আগছু, গোলাঘাট জিলা নেপালী সাহিত্য সভাকে আদি কৰি দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

চৰকাৰী আৱাস আবন্টনত

তিনি পৃষ্ঠাৰ পৰা অভিযন্তাজনে এই আবাসগৃটো ব্যৱহাৰ কৰিছিল। উল্লেখ্য যে, নগাঁও জলসম্পদৰ দুটি সঞ্জহানত চৰকাৰী আৱাসিক অঞ্চল। এটা ভূএঁাপট্টি এলেকাত আছে আৰু আনটো আছে ইটাচালিত। ভূএঁাপট্টি অঞ্চলত থকা আৱাস চৌহদত থকা গেষ্ট হাউছত কে'বাজনো কনিষ্ঠ অভিযন্তাই বাস কৰি আছে। উত্থাপিত অভিযোগ মতে, দুটাকৈ চৰকাৰী আৱাস নগাঁও চহৰতে সাত কিলোমিটাৰৰ ভিতৰতে বাসগৃহ থকা কৰ্মচাৰীক অবৈধভাৱে আবন্টন দিয়া হৈছে। চহৰতে নিজা ঘৰ থকাৰ পাছত চৰকাৰী আৱাস দুজনকৈ কৰ্মচাৰীক আবন্টন দিয়াৰ বাবে কাৰ্যালয়টোত চাকৰি কৰা নগাঁও জিলাৰ বাহিৰৰ কৰ্মচাৰীয়ে ঘৰ ভাড়া কৰি থাকি চাকৰি কৰি থাকিবলগীয়া হৈছে। একেদৰে হোজাই জিলাত কৰ্মস্থলী হোৱা এজন কৰ্মচাৰীক নগাঁও চহৰত চৰকাৰী আৱাসত থাকিবলৈ দিয়াটো ৰহস্যজনক। ইফালে ইটাচালীত এটা চৰকাৰী আবাস দীৰ্ঘ দিন ধৰি খালী হৈ আছে। আনহাতে সাধাৰন কৰ্মচাৰীৰ থকা চৰকাৰী আৱাস সমূহ দীৰ্ঘ দিনে মেৰামতিৰ ব্যৱস্থা কৰা হোৱা নাই। বিষয়াসকল থকা আৱাস সমূহ বিগত সময়ত বছৰে বছৰে মেৰামতি কৰা হয় যদিও সাধাৰণ কৰ্মচাৰীসকল থকা কৰ্মচাৰীসকলৰ আৱাসগৃহসমূহ মেৰামতি কৰা নহয়। সাধাৰণ কৰ্মচাৰীসকলে গাঠিৰ ধন ভাঙি চৰকাৰী আৱাস মেৰামতি কৰে যদিও বিভাগটোয়ে সেই ধন আদায় নিদিয়ে। বিস্ময়কৰ বিষয় এই যে ভূএঁাপট্টি আৰু ইটাচালি অঞ্চলত থকা জলসম্পদৰ ভূমি ব্যাপক বেদখল হৈছে। নগাঁও জলসম্পদত কাৰ্যবাহী অভিযন্তা হিচাপে ভাস্কৰ জ্যোতি দাসে কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাত ভূমি বেদখলৰ বিষয়টো পোহৰলৈ আহিছিল যদিও বিষয়াজনে সেই ভূমি উদ্ধাৰ বাবে বিশেষ কোনো পদক্ষেপ গ্ৰহণ নকৰিলে বুলি অভিযোগ উঠিছে।

গোসাঁইগাঁৱৰ কচুগাঁৱত বন্দুকসহ

তিনি পৃষ্ঠাৰ পৰা বন বিভাগ আৰু এছএছবিৰ এটা দলে যুটীয়াভাৱে অভিযান চলায়। অভিযানৰ সময়ত গাঁওখনৰ পৰা চোৰাংচিকাৰীয়ে ব্যৱহাৰ কৰা বৃহৎ পৰিমাণৰ সামগ্ৰী উদ্ধাৰ কৰে। অভিযান কালত হস্তনিৰ্মিত তিনিটা বন্দুক, হৰিণাৰ শিং, কাঁড়, ভালুকৰ নোম-ছাল, চৰাইৰ পাখি, হৰিণ মৰাৰ ফান্দ আদি কৰি বিভিন্ন সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। তদুপৰি তিনি চোৰাংচিকাৰী ক্ৰমে ইলুছ হাছদা (৪০), আগষ্টিন হাছদা (৩৫) আৰু লুথৰু মুৰ্মু (৫০)ক গ্ৰেপ্তাৰ কৰে। বন বিভাগে অভিযোগ কৰা মতে, চোৰাং চিকাৰীকেইজনে ৰিপু সংৰক্ষিত বনাঞ্চলৰ ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানত বাহৰ পাতি হৰিণ, চৰাই, ভালুক আদি কৰি বনৰীয়া জীৱ-জন্তু হত্যা কৰি আহিছে। ইফালে, চোৰাংচিকাৰী কেইজনক গ্ৰেপ্তাৰ কৰাক কেন্দ্ৰ কৰি আজি পুৱাৰ পৰা গাঁৱৰ ৰাইজ ক্ষুব্ধ হৈ পৰে। উত্তেজিত ৰাইজে কচুগাঁও বন সংমণ্ডলৰ মধ্য বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ পৰিস্থিতি উত্তপ্ত কৰি তোলে। ৰাইজে অভিযোগ কৰা মতে, বন বিভাগে নিজৰ কাম-কাজ সঠিকভাৱে পালন নকৰি সহজ-সৰল লোকক চোৰাংচিকাৰী সজাই হাৰাশাস্তি কৰি আহিছে। আদিবাসী লোকসকলে বনাঞ্চলৰ দাঁতিকাষৰীয়া অঞ্চলত বসবাস কৰে আৰু বিভিন্ন সময়ত ৰোগ ব্যাধিৰ বাবে চৰাই-চিৰিকটি আৰু জীৱ-জন্তুৰ ছাল, চুলি আদি ঔষধ হিচাপে ব্যৱহাৰ কৰি আহিছে। বন বিভাগ আৰু এছএছবিয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰা লোককেইজন চোৰাং চিকাৰী নহয় বুলি ৰাইজে দাবী কৰিছে। লোক তিনিজনক নিশা শোৱাপাটীৰ পৰা উঠাই আনি হাতত বন্দুক তুলি দি চোৰাংচিকাৰী সজাই আটক কৰিছে বুলি সদৌ চাওতাল ছাত্ৰ সন্থাৰ স্থানীয় নেতৃত্বই অভিযোগ কৰিছে। নিৰীহ আদিবাসীসকলক বৈষম্যমূলকভাৱে ৰাষ্ট্ৰীয় উদ্যানৰ পৰা উৎখাত কৰাৰ ষড়যন্ত্ৰ চলিছে বুলিও আদিবাসী লোকসকলে অভিযোগ কৰিছে। চোৰাংচিকাৰী সজাই আটক কৰা তিনিওজন লোকক মুকলি কৰি নিদিলে ছাত্ৰ সংগঠনটোৱে ব্যাপক আন্দোলন গ্ৰহণ কৰিব বুলিও হুংকাৰ দিয়ে।

নগাঁৱত জলজীৱন মিছনৰ

তিনি পৃষ্ঠাৰ পৰা মৈৰাবাৰী পানী যোগান আঁচনিকেইখনৰ পানীৰ ঘৰুৱা সংযোগৰ নলী আৰু টেপসমূহ ভাঙি উৰলি গৈছে। মাত্ৰ এক বৰ্গ ফুটৰ ভিতৰত বহুকেইটা স্থানত চাৰিঘৰৰ চাৰিটাকৈ পানীৰ টেপ স্থাপন কৰি এক প্ৰকাৰ চৰকাৰৰ এই আঁচনিখনকে ভেঙুচালি কৰিছে এজন প্ৰভাৱশালী ঠিকাদাৰে। হাঁহচৰা আৰু বেছামাৰী পানী যোগান আঁচনি দুখনৰ মেৰামতি কৰা পানী জমা ৰখা ৰিজাৰ্ভাৰ আৰু পানী সংশোধন কৰা ব্যৱস্থাৰ নিৰ্মাণ অতি দুখলগা বিধৰ। অভিযোগ অনুসৰি, প্ৰাকলনত থকাৰ দৰে নিৰ্মাণৰ কামত দিয়া হোৱা নাই প্ৰয়োজনীয় ৰড আৰু শিলগুটি। হাতেৰে চুলেই খহি যায় পানী জমা ৰখা ৰিজাৰ্ভাৰৰ দেৱাল। বেছামাৰী আৰু গেৰেকনি আঁচ দুখনত স্থাপন কৰা আভাৰ হেড্ টেংকিৰ খুঁটাসমূহ উলম্বভাৱে নথকাৰ লগতে খুঁটা আৰু কংক্ৰিটৰ মাজত ফাঁক থকাৰ উপৰি টেংকি নিৰ্দিষ্ট স্থানত স্থাপন কৰা হোৱা নাই। ফলত পানী ভৰোৱাৰ পাছত যিকোনো সময়তে এই অভাৰ হেড টেংকি খহি পৰি সাংঘাতিক দুৰ্ঘটনা সংঘটিত হোৱাৰ অশংকা প্ৰকট হৈ হৈছে। ৰাইজে এই বিষয়ে বিভাগক অভিযোগ দিছে যদিও বিভাগে এই ক্ষেত্ৰত লোৱা নাই কোনো ব্যৱস্থা। তদুপৰি এই ঠিকাদাৰ জনে হাঁহচৰা আৰু বৰঠল দলৈগাঁও পানী যোগান আঁচনিত দুটাকৈ গভীৰ নলীনাদ বহুৱাৰ ঠিকা লাভ কৰিছিল। এই নলীনাদ ৩০০ ফুট গভীৰতালৈ বহুৱাব লাগে যদিও ঠিকাদাৰজনে মাত্ৰ ১৩০ ফুট গভীৰতালৈহে বহুৱাইছে বুলিও অভিযোগ উঠিছে। প্ৰতিখন আঁচনিতে পানীৰ ঘৰুৱা সংযোগৰ বাবে বহুৱাব লগীয়া পানী সৰবৰাহৰ পাইপ চ ৰ পৰা তিনি কিলোমিটাৰকৈ কম বহুৱাইছে বুলিও ৰাইজে অভিযোগ আনিছে। প্ৰতিখন আঁচনিতে প্ৰাক্কলনত ৯০ হেজাৰ লিটাৰ অভাৰ হেড্ টেংকি আৰু পানী সৰবৰাহৰ পাইপ লাইন ৩২ কিলোমিটাৰৰ পৰা ২৫ কিলোমিটাৰ পৰ্যন্ত দেখুওৱা হৈছে। জনস্বাস্থ্য বিভাগৰ সূত্ৰ মতে ৯০ হেজাৰ লিটাৰ অভাৰ হেড্ টেংকি আৰু ২০ কিলোমিটাৰৰ অধিক পাইপ লাইনৰ বাবে সেই অঞ্চলটোত ৫০ হেজাৰৰো অধিক জনবসতি থাকিব লাগিব। কিন্তু এই পানী যোগান আঁচনিকেইখন থকা অঞ্চলকেইটাত জনবসতি ১২ হেজাৰৰ অধিক নহয়। তেনে স্থলত একোটাকৈ পানী যোগান আঁচনি থকাৰ পাছত কি ভিত্তিত আন আন অঞ্চলক উপেক্ষা কৰি বিভাগে ঠিকাদাৰৰ স্বাৰ্থত একে ঠাইতে আন এক আঁচনি নিৰ্মাণ কৰিবলৈ ওলাইছে বুলিও অভিযোগ উঠিছে। ধিং সংমণ্ডলৰ অধীনৰ আৰু মৰিগাঁও জিলাৰ অন্তৰ্গত হাঁহচৰা আৰু বৰঠল দলৈগাঁও পানী যোগান আঁচনিত স্থাপন কৰা গভীৰ নলীনাদকেইটা ১৩০ ফুটৰ পৰিবৰ্তে পুনৰ ৩০০ ফুটলৈ আৰু পানী জমা ৰখা ৰিজাৰ্ভাৰত ১২ এম এম ৰডৰ পৰিবৰ্তে ব্যৱহাৰ কৰা আঠ এমএম ৰড সলনি কৰি ১২ এমএম ৰড লগাবৰ বাবে লগতে পানীৰ ঘৰুৱা সংযোগসমূহ পুনৰ প্ৰাক্কলনত উল্লেখ থকাৰ দৰে নিৰ্মাণ কৰিবলৈ পিএইছ ই/এইই/ডিএইছজি/২০২১-২২/এচি-১৬৭/৪৭০, তাং- ৮/৩/২২ জাননীৰ দ্বাৰা ধিং উপ-সংমণ্ডলৰ উপ-কাৰ্যবাহী অভিযন্তা গৰাকীয়ে ঠিকাদাৰজনক জাননী জাৰী কৰিছিল। কিন্তু এই জাননীক কোনো গুৰুত্ব আৰোপ নকৰিলে ঠিকাদাৰজনে। ইয়াৰ পাছত এই সংক্ৰান্তত মৰিগাঁও জিলাৰ উপায়ুক্তই ঠিকাদাৰজনৰ নিৰ্মাণ কাৰ্যৰ তদন্ত কৰিবৰ বাবে আৰু তাৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে ধিং সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাজনলৈ এমডিপি (জেজেএম) - ১৪ /২০২১/২৩৯, তাং- ১৭/৩/২০২২ জাননীৰ দ্বাৰা জাননী জাৰি কৰে যদিও সংমণ্ডলটোৰ কাৰ্যবাহী অভিযন্তাজনে এই ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল। ইপিনে, জিলা খনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নগাঁও আৰু কলিয়াবৰ সংমণ্ডলতো জলজীৱন আঁচনিৰ নামত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উঠিছে।

বৰপেটাৰ ২৩৬ বিদ্যালয়ক শ্ৰেষ্ঠতাৰ বঁটা প্ৰদান

বিশেষ সংবাদদাতা

বৰপেটা, ৩০ মাৰ্চ ঃ বৰপেটা জিলাৰ প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়সমূহৰ মণ্ডল ভিত্তিক নিৰ্বাচিত শ্ৰেষ্ঠ পৰিচালনা সমিতি আৰু মাতৃগোটক আজি পুৰস্কৃত কৰা হয়। জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত অবিভক্ত বৰপেটা জিলাৰ মুঠ ২৩৬ টা শৈক্ষিক মণ্ডলৰ পৰা নিৰ্বাচিত ২২৬ খন বিদ্যালয়ৰ পৰিচালনা সমিতি আৰু ১০ খন বিদ্যালয়ৰ মাতৃগোটক পুৰস্কৃত কৰা হয়। উপায়ুক্ত তেজ প্ৰসাদ ভূচালে পুৰস্কাৰ প্ৰদান কাৰ্যসূচীৰ আৰম্ভ কৰে। তেওঁ কয় যে নিজৰ বিদ্যালয়খনক আৰু ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলক অতি আপোন ভাবত গ্ৰহণ কৰিলে দুখ-কষ্টৰ অনুভৱ নোহোৱা হয়। কাৰণ সকলো ধৰণৰ দুখ ভাগৰ বহু পৰিমাণে মানসিক অৱস্থাৰ ওপৰতে নিৰ্ভৰ কৰে। তেওঁ শিক্ষক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলক বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ বিকাশৰ বাবে আত্মোৎসৰ্গাৰ মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনায়। সভাত অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই কয় যে আজি আমি ঘড়ী চাই কাম কৰি, অৰ্থাৎ কেৱল নিৰ্দ্দিষ্ট সময় সীমাৰ ভিতৰত কাম কৰি বিদ্যালয়ৰ উন্নয়ন সাধন কৰিব নোৱাৰিম। ইয়াৰ পূৰ্বে সভাৰ আৰম্ভণীতে পুৰস্কাৰৰ বাবে নিৰ্বাচিত বিদ্যালয়সমূহৰ কে'বাগৰাকী প্ৰতিনিধি তথা প্ৰধান শিক্ষকে চমু ভাষণৰ জৰিয়তে নিজৰ অনুভৱৰ ব্যক্ত কৰে।

অভয়াপুৰীত পুনৰ সোণালী বান্দৰৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ৩০ মাৰ্চ ঃ বনাঞ্চলৰ পৰা জনাঞ্চললৈ খাদ্যৰ সন্ধানত নামি অহা সোণালী বান্দৰ এটিয়ে আজি অভয়াপুৰীত কৰুণ মৃত্যুক সাৰটি লয়। আজি বিয়লি চাৰি মান বজাত খাদ্যৰ সন্ধানত অভয়াপুৰীৰ নিকটৱৰ্তী বামুণগাঁও দ্বিতীয় খণ্ডত বিদ্যুৎস্পৃষ্ট হয় মাইকী সোণালী বান্দৰটো। ফলত কৰুণ মৃত্যুক সাৰটি লয়। পাছত বন বিভাগে মৃত বান্দৰটো মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে।

বিদ্যুৎ প্ৰবাহিত হৈ ভগামুখত

তিনি পৃষ্ঠাৰ পৰা পত্নীক এৰি যায়। আনহাতে যুৱকজনৰ মৃত্যুৰ বাবে গাঁওবাসীয়ে গৌৰীসাগৰ বিদ্যুৎ উপসংমণ্ডলৰ ভুলৰ বাবে এনে দুৰ্ঘটনা সংঘটিত হোৱা বুলি দোষাৰোপ কৰিছে। তদুপৰি উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ তাঁৰসমূহ তাৰ পৰা স্থানান্তৰিত কৰাৰ লগতে জিলা প্ৰশাসনক এক ন্যায়িক তদন্ত কৰাৰ বাবেও দাবী জনাইছে।

অৱশেষত নিলম্বিত হ'ল দুৰ্নীতিগ্ৰস্ত কনিষ্ঠ সহায়ক চন্দনা দাস

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৩০ মাৰ্চ ঃ 'দৈনিক অগ্ৰদূত'ৰ বাতৰিৰ প্ৰভাৱৰ বাবেই অৱশেষত গোৱালপাৰা জিলা উপায়ুক্তই নিলম্বিত কৰিলে খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ দুৰ্নীতিগ্ৰস্ত কনিষ্ঠ সহায়ক চন্দনা দাসক। উল্লেখ্য যে গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ কনিষ্ঠ সহায়ক দাসে প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনাৰ প্ৰায় দুই লাখ ৬০ হেজাৰ টকা জালিয়াতিৰে আত্মসাৎ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী গৰিব কল্যাণ অন্ন যোজনাৰ অধীনত যোগান ধৰা চাউলৰ ২০২০ৰ এপ্ৰিলৰ পৰা নৱেম্বৰলৈকে গোৱালপাৰা জিলাৰ সমবায় সমিতিৰ সুলভ মূল্যৰ দোকানীসকলে পাবলগীয়া কমিছনৰ ধন বিগত ২০২১ৰ আগষ্টত মোকলাই দিয়ে। সেইমতে বিল প্ৰস্তুত কৰি দোকানীসকলৰ বেংক একাউন্টত জমা কৰা হয়। কিন্তু কনিষ্ঠ সহায়ক দাসে জিলাখনৰ ছখন সমবায় সমিতিৰ অধীনস্থ দোকানীসকলে পাবলগীয়া বিলৰ ধন কৰ্তন কৰি অইন দোকানীৰ বেংক একাউণ্টত বেছিকৈ জমা কৰা দেখুৱাই প্ৰায় দুইলাখ ৬০ হেজাৰ টকা আত্মসাৎ কৰে। এই দুৰ্নীতিৰ তথ্য পোহৰলৈ অহাত জিলা উপায়ুক্তৰ নিৰ্দেশমৰ্মে গোৱালপাৰা খাদ্য অসামৰিক যোগান গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীক্ষক বীৰেন চন্দ্ৰ দাসে যোৱা ১৯ ফেব্ৰুৱাৰীত কনিষ্ঠ সহায়ক দাসৰ বিৰুদ্ধে গোৱালপাৰা সদৰ থানাত এজাহাৰ দাখিল কৰে। সেই মৰ্মে আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি) ৪০৯/৪২০/৪৭৭(এ) ধাৰাত ৪৩/২০২২ নম্বৰত গোচৰ পঞ্জীয়ন কৰে। এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'ত সবিস্তাৰে কে'বাটাও বাতৰি প্ৰকাশ পাইছে। অৱশেষত বাতৰিৰ প্ৰভাৱৰ বাবেই গোৱালপাৰা জিলা উপায়ুক্তই জিপিই. ৪৮/২০৮/৮৮ নম্বৰ যোগে দুৰ্নীতিগ্ৰস্ত কনিষ্ঠ সহায়কগৰাকীক চাকৰিৰ পৰা নিলম্বিত কৰে। উক্ত নিৰ্দেশনাটোত উল্লেখ কৰা মতে কৰ্তৃপক্ষৰ আগতীয়া অনুমতি অবিহনে দাসে নিলম্বনৰ সময়ছোৱাত হেড কোৱাৰ্টাৰ এৰিব নোৱাৰিব। লগতে নিলম্বন থকা সময়ছোৱাত অইন জীৱিকা অথবা ব্যৱসায় কৰাৰ পৰা বিৰত থাকিব লাগিব। উল্লেখ্য যে কনিষ্ঠ সহায়ক গৰাকীক চাকৰিৰ পৰা নিলম্বিত কৰাত আভ্যন্তৰীণ মহলত চেপা উত্তেজনা বিৰাজ কৰিছে। ইপিনে উপযুক্ত তদন্ত কৰিলে ৰৌ বৰালি জালত পৰাৰ সম্ভাৱনা থকা বুলি নাম প্ৰকাশত অনিচ্ছুক আভ্যন্তৰীণ সূত্ৰ এটিয়ে দাবী কৰিছে।

চ'ক বজাৰত মুকলি শ্ৰী শংকৰদেৱ নেত্ৰালয়ৰ বিনামূলীয়া চকু চিকিৎসা কেন্দ্ৰ

অগ্ৰদূত বাৰ্তা

বৰভাগ, ৩০ মাৰ্চ ঃ শ্ৰী শংকৰদেৱ নেত্ৰালয়ৰ গুৱাহাটীৰ অধীনস্থ চকু চিকিৎসা কেন্দ্ৰ এটি আজি নলবাৰী চহৰৰ সমীপৰ চ'ক বজাৰত মুকলি কৰা হয়। শংকৰদেৱ নেত্ৰালয়ৰ উক্ত ১৪ নম্বৰ নলবাৰী চকু চিকিৎসা কেন্দ্ৰ দুপৰীয়া ১২ বজাত মুকলি কৰে নলবাৰী জিলা অন্ধতা নিয়ন্ত্ৰণ সমিতি আঁচনি বিষয়া তথা জ্যেষ্ঠ চকুৰোগ বিশেষজ্ঞ ডাঃ অৰুণ বৰ্মনে। কগ্নিজেণ্ট ফাউণ্ডেছন, শংকৰদেৱ নেত্ৰালয় আৰু মিছন ফৰ ভিজনৰ অৰ্থ সাহায্যত স্থাপিত কেন্দ্ৰটোত দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকলক বিনামূলীয়াকৈ চকুৰ চিকিৎসা প্ৰদান কৰা হ'ব। সামূহিক চকু চিকিৎসা বিভাগ শ্ৰী শংকৰদেৱ নেত্ৰালয়ৰ অধীনত উক্ত চেণ্টাৰৰ জৰিয়তে প্ৰথম পৰ্যায়ত জিলাখনৰ এশখন গাঁও সামৰি লোৱা হ'ব বুলি শ্ৰী শংকৰদেৱ নেত্ৰালয়ৰ সামূহিক বিষয়া দ্বীপজ্যোতি মেধিয়ে উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানত শংকৰদেৱ নেত্ৰালয়ৰ সমন্বয়ক উপম সন্দিকৈ, সমন্বয়ক নিপু মহন্ত, নলবাৰী ভিজন চেণ্টাৰৰ বাবে নিয়োজিত চকু বিশেষজ্ঞ ছয়নিকা ডেকা, বিশিষ্ট সমাজসেৱিকা তথা শিক্ষয়িত্ৰী মঞ্জু বৈশ্য আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। প্ৰাক্তন ছাত্ৰ নেতা তথা শিক্ষক ৰঞ্জিত দাসে আঁত ধৰা অনুষ্ঠানত উদ্বোধক ডাঃ অৰুণ বৰ্মনে এই কেন্দ্ৰটোৰ জৰিয়তে জিলাখনৰ অন্ধতা নিবাৰণ হ'ব বুলি উল্লেখ কৰে।

নকছাৰীত স্বামীৰ হাতত প্ৰাণ গ'ল পত্নীৰ

তিনি পৃষ্ঠাৰ পৰা হত্যা কৰে। হত্যাকাৰী লক্ষীৰামে পত্নী চম্পাৰীক ফলা খৰি, বাঁহ আদিৰে শৰীৰৰ বিভিন্ন ঠাইত আঘাত কৰে। বাঁহেৰে মহিলাগৰাকীৰ দেহৰ একাধিক স্থানত খুঁচিয়ায়। আনকি মহিলাগৰাকীৰ দেহত দাৰে আঘাত কৰাৰ লগতে গুপ্তাংগত বাঁহেৰে আঘাত কৰি নৃশংসভাৱে হত্যা কৰে। হত্যাকাৰী স্বামীয়ে নিশাই পত্নীক হত্যা কৰি আজি পুৱা মৃতদেহটো পুতি থোৱাৰ বাবে যো-জা কৰোতে লক্ষীৰামৰ আচৰণ আৰু মৃতদেহটোৰ শৰীৰত গুৰুতৰ আঘাতৰ চিন প্ৰত্যক্ষ কৰি চুবুৰীয়া লোকে দেবেৰাপাৰ আৰক্ষীক খবৰ দিয়ে। উল্লেখ্য যে হত্যাকাৰী লক্ষীৰামে সুৰাপান কৰি দীৰ্ঘদিন ধৰি পত্নী চম্পাৰীৰ লগত কাজিয়াত লিপ্ত হৈ নিৰ্মমভাৱে শাৰীৰিক নিৰ্যাতন চলাই আহিছিল বুলি পৰিয়ালৰ লোকে অভিযোগ কৰিছে। যোৱা নিশা কাজিয়াই চূড়ান্ত ৰূপ লয় আৰু হত্যাৰ বলি হয় দুৰ্ভগীয়া চম্পাৰী। স্থানীয় ৰাইজে সদৰী কৰা মতে, লক্ষীৰামে ঘৰত আনি লুকুৱাই থোৱা মদৰ বটল বিচাৰি পত্নী চম্পাৰীক অমানুষিক মাৰপিট কৰে আৰু অকথ্য নিৰ্যাতন চলাই হত্যা কৰে। পাছত দেবেৰাপাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে হত্যাকাৰী স্বামী লক্ষীৰামক আটক কৰে। দেবেৰাপাৰ আৰক্ষীয়ে হত্যাকাৰী লক্ষীৰামক গ্ৰেপ্তাৰ কৰি মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে।

পথ নিৰ্মাণকাৰী সংস্থাৰ ভয়াৱহ

তিনি পৃষ্ঠাৰ পৰা নিয়ন্ত্ৰণ ব'ৰ্ড আৰু জিলা প্ৰশাসনে কিদৰে প্ৰদূষণ সৃষ্টিকাৰী আলকতৰা গলাই শিল মিহলি কৰা প্লাণ্টটো স্থাপন কৰিবলৈ অনুমতি দিলে এই লৈ এতিয়া ৰহস্যৰ সৃষ্টি হৈছে। দিনে-নিশাই আলকতৰা গলোৱা ক'লা ধোঁৱা নিৰ্গত হৈ অকটা গোন্ধ ওলোৱাত কাষৰীয়া লোকসকলে নিশা উজাগৰে থাকিবলগীয়া হোৱা বুলি অভিযোগ উঠিছে। গভীৰ নিশালৈকে আলকতৰা গলাই শিল মিহলি কৰি ক'লা ধোঁৱা, শিলৰ গুড়ি আদিৰে প্ৰদূষণ সৃষ্টি কৰাত স্থানীয় লোকে কোম্পানীটোৰ লোকসকলক অভিযোগ দিয়া সত্ত্বেও ৰাইজৰ অসুবিধাক গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। জনৈক সিং উপাধিৰ মালিকানাধীন গংগাসাগৰ পথ নিৰ্মাণকাৰী কোম্পানীটোক বিদ্যালয়, স্বাস্থ্য কেন্দ্ৰ, অংগনৱাড়ী কেন্দ্ৰ তথা জনবসতি পূৰ্ণ অঞ্চলত প্ৰদূষণ সৃষ্টিকাৰী উক্ত হ'ট মিক্সিং প্লাণ্টটো স্থাপন কৰিবলৈ দি প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডক ভেলেউগুৰি অঞ্চলৰ লোকসকলক বেমাৰী হ'বলৈ ঠেলি দিয়া বুলি অভিযোগ উঠিছে। কুম্ভকৰ্ণ নিদ্ৰাত থকা প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডক কোম্পানীটোৰ হ'ট মিক্সিং প্লাণ্টটোৰ পৰা সৃষ্টি হোৱা প্ৰদূষণৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ ৰাইজে দাবী জনাইছে।

গৌৰীসাগৰ নামদাং শিলসাঁকো নামঘৰত

তিনি পৃষ্ঠাৰ পৰা মুল দুৱাৰৰ তলা ভাঙি চোৰ সোমাই আৰু নামঘৰত থকা তিনিটা দানপাত্ৰৰ তলা ভাঙি লক্ষ্যাধিক টকা লুটি নিয়ে। পুৱা নামঘৰীয়াই দুৱাৰৰ তলা ভঙা দেখি হৈ-চৈ লগোৱাত স্থানীয় ৰাইজ ঘটনাস্থলীত সমবেত হৈ চুৰি হোৱা কাণ্ড পোহৰলৈ আনে। ৰাইজৰ অভিযোগৰ ভিত্তিত স্থানীয় গৌৰীসাগৰ আৰক্ষীয়ে নামঘৰত উপস্থিত হৈ ঘটনাৰ তদন্ত কৰিছে যদিও বাতৰি লিখা পৰলৈকে কোনো চোৰৰ শুংসূত্ৰ উলিয়াবলৈ সক্ষম হোৱা নাই। স্মৰ্তব্য যে আজিৰ পৰা তিনিবছৰ পূৰ্বে নামঘৰৰ মণিকূটৰ তলা ভাঙি এটা সোণৰ মুৰ্তিসহ বহু মূল্যবান সামগ্ৰী চোৰে লৈ গৈছিল। একেদৰে বিগত বৰ্ষতো নামঘৰটোত চোৰ সোমাই নগদ ধন আৰু শৰাই বাতি আদিকে ধৰি বহু মূল্যবান সামগ্ৰী চুৰ কৰিছিল। যোৱা নিশা তৃতীয় বাৰৰ বাবে নামঘৰটোত চুৰি কাণ্ড সংঘটিত হ'ল। তাৎপৰ্যপূৰ্ণ বিষয় হ'ল বিগত সময়বোৰত হোৱা চুৰিকাণ্ডৰ পাছত আৰক্ষীয়ে আজি পৰ্যন্ত চোৰ ধৰিব নোৱাৰাত ৰাইজে এইবাৰ আৰক্ষী থানাত ঘটনা সন্দৰ্ভত এজাহাৰ দিবলৈকে মন কৰা নাই বুলি স্থানীয় ৰাইজে জানিবলৈ দিছে। গৌৰীসাগৰ আৰক্ষী থানাৰ নিচেই কাষতে থকা ঐতিহাসিক নামঘৰটোত ৰাজপথত আৰক্ষীৰ নিয়মিত টহলৰ পাছতো বাৰে বাৰে কেনেকৈ চুৰিকাণ্ড হ'বলৈ পায় তাক লৈকে জনসাধাৰণ উদ্বিগ্ন হৈ পৰা পৰিলক্ষিত হৈছে।

চিৰাঙৰ তুলসীঝোৰাত দুদিনীয়া

তিনি পৃষ্ঠাৰ পৰা গীতৰ। আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে সংখ্যালঘু সমাজৰ পৰা বাল্য বিবাহ ৰোধ কৰা আৰু সমাজৰ পৰা ড্ৰাগছমুক্ত কৰাৰ বাবে আমছুৱে কাম কৰি আহিছে আৰু আগলৈয়ো কৰি যাব বুলি মত ব্যক্ত কৰে। ইয়াৰ পাছতে আমছুৰ সভাপতি ৰেজাউলে আমছুৰ পতাকা উত্তোলন কৰাৰ লগতে আমছুৰ ৪২ খন জিলা সমিতিৰ পতাকা উত্তোলন কৰে জিলা সভাপতিসকলে। পাছত ছহিদক স্মৰণ আৰু দোৱা অনুষ্ঠিত হয়। শিক্ষামূলক আলোচনাচক্ৰৰ অন্তত অসম ভিত্তিত মুকলি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। পৰৱৰ্তী সময়ত চিত্ৰাংকন প্ৰতিযোগিতা, স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠান, অসম ভিত্তিত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আমছুৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আজি প্ৰথম দিনৰ সকলো কাৰ্যসূচী শিক্ষামুলক সজাগতাৰে অনুষ্ঠিত কৰে। দ্বিতীয় দিনৰ কাৰ্যসূচীত কাইলৈ বিভিন্ন ক্ৰীড়া, ন-পুৰণি সতীৰ্থ সন্মিলনৰ পাছত মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত উপস্থিত থাকিব ত্ৰিপুৰাৰ মহাৰাজ প্ৰদ্যুৎ বিক্ৰম মাণিক্য দেৱ বাৰ্মা, বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, আমছুৰ প্ৰতিষ্ঠাপক সভাপতি আব্দুল হাই নাগৰি, আমছুৰ প্ৰাক্তন সভাপতিসকল।

সৰ্বাধিক ৩৭ যুৱ অৰ্বুদপতি আমেৰিকাৰ, দ্বিতীয় স্থানত চীন, তালিকাত আছে ছয় ভাৰতীয়

৪০ বছৰ বয়সৰ পূৰ্বে বিশ্বত ৮৭ ব্যক্তি হ'ল অৰ্বুদপতি

নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ মাৰ্চ ঃ বৰ্তমানৰ বিশ্বত ৪০ বছৰ বা অনূৰ্ধ্ব বয়সৰ ৮৭ জন অৰ্বুদপতি আছে। এইসকল যুৱ অৰ্বুদপতিয়ে নিজৰ চেষ্টাৰ বলত ধনাঢ্য ব্যক্তি হিচাপে বিশ্বত পৰিচিত হৈছে। বিগত এবছৰত বিশ্বত যুৱ অৰ্বুদপতিৰ সংখ্যা আঠজন বৃদ্ধি পালে আৰু পাঁচ বছৰত যুৱ অৰ্বুদপতিৰ সংখ্যা বিশ্বজুৰি দুগুণ বৃদ্ধি পালে। হুৰুন আৰু হাইউইন ৰেল্থৰ দ্বাৰা চলোৱা শেহতীয়া এক সমীক্ষাৰ তথ্য অনুসৰি সাম্প্ৰতিক বিশ্বৰ ৮৭ জন অৰ্বুদপতিৰ বয়স হৈছে ৪০ বা অনূৰ্ধ্ব বছৰৰ। নিজাববীয়া প্ৰচেষ্টাৰে অৰ্বুদপতি স্বীকৃত হোৱা ৪০ বছৰ বা ইয়াৰ অনূৰ্ধ্ব বয়সৰ লোকৰ মাজত আছে সৰ্বাধিক ৩৭ জন মাৰ্কিন অৰ্বুদপতি। আনহাতে, চীনত আছে বিশ্বৰ দ্বিতীয় সৰ্বাধিক সংখ্যক যুৱ অৰ্বুদপতি। তালিকাখনত উল্লেখ কৰা মতে, চীনৰ ২৫ জন যুৱ অৰ্বুদপতিৰ বয়স হৈছে ৪০ বা ইয়াৰ অনূৰ্ধ্ব বছৰৰ। আনহাতে, ব্ৰিটেইনত আছে ৪০ বা ইয়াৰ অনূৰ্ধ্ব বয়সৰ আঠজন অৰ্বুদপতি।

এবছৰত আমেৰিকাত ছজন আৰু ব্ৰিটেইনত পাঁচজন যুৱ অৰ্বুদপতি বৃদ্ধি পালে। ইয়াৰ বিপৰীতে চীনত বিগত এবছৰত পাঁচজন যুৱ অৰ্বুদপতিৰ সংখ্যা হ্ৰাস পালে। ভাৰতত সম্প্ৰতি ৪০ বছৰ বা অনূৰ্ধ্ব বয়সৰ ছজন অৰ্বুদপতি আছে আৰু এই তালিকাত ভাৰতৰ স্থান হৈছে চতুৰ্থ। বিগত এবছৰত ভাৰতত দুজন যুৱ অৰ্বুদপতি বৃদ্ধি পালে। বিগত এবছৰ ১.৯০ লাখ কোটি টকাৰ সম্পত্তি হেৰুওৱাৰ পাছত ফে'চবুকৰ প্ৰতিষ্ঠাপক ৩৭ বছৰীয়া মাৰ্ক জুকাৰবাৰ্গে এই তালিকাত ৫.৮০ লাখ কোটি টকাৰ সম্পত্তিৰে শীৰ্ষ স্থানত আছে। আনহাতে, টিকটকৰ প্ৰতিষ্ঠাপক ৩৯ বছৰীয়া জাংগ য়িমিংগে ৪.১২ লাখ কোটি টকা সম্পত্তিৰে তালিকাত দ্বিতীয় স্থানত আছে।

তলাবন্ধত ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠিত কৰা পাৰ্টিৰ অভিযোগত ২০ জনক জৰিমনা

নিউজ ব্যুৰ', লণ্ডন, ৩০ মাৰ্চ ঃ কৰ'না প্ৰতিৰোধৰ বাবে ব্ৰিটেইনত তলাবন্ধ অব্যাহত থকাৰ সময়ত চৰকাৰী বাসগৃহত পাৰ্টিৰ আয়োজন কৰি বিপাঙত পৰিল ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছন। তলাবন্ধত স্বয়ং প্ৰধানমন্ত্ৰীৰ উপস্থিতিত ডাউনিং ষ্ট্ৰীটত পাৰ্টিৰ আয়োজন কৰাৰ অভিযোগত লণ্ডন আৰক্ষীয়ে ২০ জন লোকক জৰিমনা বিহিলে। অৱশ্যে এই তালিকাত জনছনৰ নাম আছে নে নাই সেয়া এতিয়াও স্পষ্ট হোৱা নাই। স্মৰ্তব্য যে তলাবন্ধৰ সময়ত জনছনে নিজৰ চৰকাৰী বাসগৃহত সুৰাৰ পাৰ্টিৰ আয়োজন কৰি ক'ভিড বিধি উলংঘন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল। 'দ্য নিউ য়ৰ্ক টাইমছ'ৰ বাতৰি অনুসৰি এই ঘটনাৰ তদন্তৰ পাছত মঙলবাৰে মেট্ৰ'পলিটান আৰক্ষীয়ে জনছনৰ বাসভৱনৰ পাৰ্টিত উপস্থিত থকা ২০ জন লোকক জৰিমনা বিহিলে।

চৰ খোৱাৰ পাছত ক্ৰিছৰ কমেডী অনুষ্ঠানৰ টিকটৰ ১০ গুণ মূল্যবৃদ্ধি

নিউজ ব্যুৰ', লছ এঞ্জেলছ, ৩০ মাৰ্চ ঃ অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানৰ মঞ্চত অস্কাৰজয়ী অভিনেতা উইল স্মিথৰ পূৰ্ণহতীয়া চৰ খোৱাৰ পাছত ভাগ্য সুপ্ৰসন্ন হ'ল জনপ্ৰিয় কমেডিয়ান ক্ৰিছ ৰকৰ। দেওবাৰৰ নিশাৰ পৰা ক্ৰিছৰ আগন্তুক কমেডি অনুষ্ঠানৰ টিকটৰ বিক্ৰী প্ৰায় ১০ গুণ বৃদ্ধি পালে। 'ষ্টেণ্ড আপ' কৌতুক শিল্পী হিচাপে পৰিচিত ক্ৰিছৰ কমেডী অনুষ্ঠানৰ টিকটৰ মূল্য পূৰ্বে আছিল ভাৰতীয় মুদ্ৰাত প্ৰায় ৩৫০০ টকা। কিন্তু যোৱা দেওবাৰে নিশা অস্কাৰ অনুষ্ঠানত অভিনেতা স্মিথে ক্ৰিছক চৰ মৰাৰ পাছত কৌতুক অভিনেতাজনৰ পৰৱৰ্তী অনুষ্ঠানৰ টিকটৰ মূল্য ২৬,০০০ৰ পৰা ৩১,০০০ টকালৈকে বৃদ্ধি পালে। উল্লেখ্য যে বুধ, বৃহস্পতি আৰু শুকুৰবাৰে ক্ৰিছে কমেডী অনুষ্ঠান পৰিবেশন কৰিব। স্মৰ্তব্য যে অস্কাৰ বঁটা প্ৰদান অনুষ্ঠানত ক্ৰিছে অভিনেতা স্মিথৰ পত্নী জাডা পিংকেট স্মিথৰ চুলি সৰা ৰোগক লৈ অপমানজনক ৰসিকতা কৰাত ক্ষুব্ধ স্মিথে মঞ্চলৈ গৈ ক্ৰিছক পূৰ্ণহতীয়া চৰ শোধাইছিল। এই ঘটনাক লৈ বিশ্বজুৰি ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। অৱশ্যে এক কথাত স্মিথৰ চৰ খাই লাভহে হ'ল কৌতুক অভিনেতা ক্ৰিছৰ।



পদ্মশ্ৰী স্বামী শিবানন্দৰ বয়স বিতৰ্কৰ অৱসান

নিউজ ব্যুৰ' বাৰানসী, ৩০ মাৰ্চ ঃ পদ্মশ্ৰী স্বামী শিবানন্দৰ বয়সক লৈ উদ্ভৱ হোৱা বিতৰ্কৰ অৱসান ঘটালে বাংলাদেশ চৰকাৰে। বাংলাদেশ চৰকাৰৰ তথ্য অনুসৰি, ১৮৯৬ৰ আঠ আগষ্টত বাংলাদেশৰ ছিলেটৰ হবিগঞ্জ উপ-জিলাৰ বাহুবল গাঁৱত জন্মগ্ৰহণ কৰিছিল শিবানন্দই। চলিত বৰ্ষৰ আগষ্টত ১২৭ বছৰ বয়সত ভৰি দিব স্বামী শিবানন্দই। বাংলাদেশত জন্মগ্ৰহণ কৰা স্বামী শিবানন্দৰ স্থায়ী ঠিকনা হৈছে বাৰানসীৰ দুৰ্গাকুণ্ডৰ কবিৰ নগৰ। উল্লেখ্য যে ১২৬ বছৰ বয়সতো যোগাসনৰ প্ৰচাৰ আৰু চৰ্চাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে স্বামী শিবানন্দই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও 'মন কী বাত' অনুষ্ঠানত স্বামী শিবানন্দৰ ভূয়সী প্ৰশংসা কৰিছিল। ১২৬ বছৰ বয়সতো চক্ৰাসন, শীৰ্ষাসনৰ দৰে কঠিন যোগাসনৰ নিয়মীয়া চৰ্চা কৰি আহিছে স্বামী শিবানন্দই।

সংসদত সংখ্যাগৰিষ্ঠতা হেৰুৱালে ইমৰানে, পদত্যাগৰ বিকল্প নাই প্ৰধানমন্ত্ৰীৰ

নিউজ ব্যুৰ' ইছলামাবাদ, ৩০ মাৰ্চ ঃ প্ৰধানমন্ত্ৰীৰ আসন ৰক্ষা কৰাটো সহজ নহ'ব ইমৰান খানৰ বাবে। বিদেশী ধনৰ পৃষ্ঠপোষকতাত চৰকাৰ পতনৰ ষড়যন্ত্ৰ চলোৱা বুলি বিৰোধীক কঠোৰভাৱে সমালোচনা কৰি অহা পাক প্ৰধানমন্ত্ৰী ইমৰানৰ বাবে এতিয়া পদত্যাগৰ বিকল্প পথ নাই। যোৱা নিশা ইমৰানৰ দল পাকিস্তান তেহৰিক ই ইনছাফ (পি টি আই)ৰ অন্যতম সহযোগী মুত্তাহিদা কৌমি ম'ভমেণ্ট পাকিস্তান (এম কিউ এম-পি) দলে বিৰোধী দল পাকিস্তান পিপ'লছ পাৰ্টিৰ স'তে হাত মিলালে। ফলত নিশাটোৰ

ভিতৰতে গভীৰ সংকটৰ সন্মুখীন হ'ল ইমৰানৰ পি টি আই দলে। ৰাজনৈতিক মহলৰ মতে এম কিউ এম পিয়ে বিৰোধী পক্ষত যোগ দিয়াৰ পাছত অহা তিনি এপ্ৰিলৰ আস্থা ভোট জয় কৰাটো ইমৰানৰ বাবে কঠিন হ'ব। এম কিউ এম পিয়ে বিৰোধী পক্ষত থিয় দিয়াৰ ফলত পাকিস্তানৰ ৰাষ্ট্ৰীয় সংসদত বিৰোধীৰ সদস্যৰ সংখ্যা ১৭৭ জনলৈ বৃদ্ধি পোৱাৰ বিপৰীতে ইমৰান প্ৰশাসনৰ সদস্যৰ সংখ্যা ১৬৪ জনলৈ হ্ৰাস পালে। ৩৪২ সদস্য বিশিষ্ট পাকিস্তানৰ ৰাষ্ট্ৰীয় সদনত ইমৰানে চৰকাৰ অব্যাহত ৰাখিবলৈ হ'লে ১৭২ সদস্যৰ সমৰ্থনৰ প্ৰয়োজন হ'ব। কিন্তু ইতিমধ্যে ইমৰান প্ৰশাসনৰ চৰকাৰে সংসদত সংখ্যাগৰিষ্ঠতা হেৰুৱালে। ৰাজনৈতিক পৰ্যবেক্ষক মহলৰ মতে আস্থা ভোটত জয়লাভ কৰাটো ইমৰানৰ বাবে সহজ নহ'ব আৰু প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰাটোৱে ইমৰানৰ একমাত্ৰ বিকল্প।

ইজৰাইলত পেলেষ্টাইনী সন্ত্ৰাসবাদীৰ গুলিবৰ্ষণত পাঁচ নাগৰিকৰ মৃত্যু

নিউজ ব্যুৰ' জেৰুজালেম, ৩০ মাৰ্চ ঃ ইজৰাইলৰ বনি ব্ৰাক চহৰত সন্ত্ৰাসবাদীয়ে আক্ৰমণ সংঘটিত কৰিলে। পেলেষ্টাইনী সন্ত্ৰাসবাদীয়ে চলোৱা গুলি আক্ৰমণৰ ঘটনাত কমেও পাঁচজন ইজৰাইলী নাগৰিকৰ মৃত্যু হ'ল। 'টাইমছ অৱ ইজৰাইল'ৰ বাতৰি অনুসৰি এখন মটৰ চাইকেলেৰে পথত যাত্ৰা কৰা অৱস্থাত সাধাৰণ নাগৰিকক লক্ষ্য হিচাপে লৈ সন্ত্ৰাসবাদীয়ে গুলিবৰ্ষণ কৰিছিল। আক্ৰমণৰ ঘটনাত এজন সন্ত্ৰাসবাদীৰ মৃত্যু হোৱাৰ লগতে আন এজন সন্ত্ৰাসবাদীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে। আৰক্ষীয়ে দাবী কৰা অনুসৰি সন্ত্ৰাসবাদীকেইজন পেলেষ্টাইনী আছিল।

'কেৰিবেগ'ৰ বাবদ অতিৰিক্ত ধন লোৱা বিগ বাজাৰক ১৫০০ টকাৰ জৰিমনা

নিউজ ব্যুৰ', মুম্বাই, ৩০ মাৰ্চ ঃ বিল প্ৰস্তুতকৰণৰ সময়ত 'কেৰিবেগ'ৰ বাবে মূল্য ধাৰ্য কৰাৰ কাৰণত জৰিমনা ভৰিব লাগিব ফিউচাৰ ৰিটেইল লিমিটেডৰ বিগ বাজাৰে। মহাৰাষ্ট্ৰত এখন জিলা উপভোক্তা বিষয়ক আয়োগে ইতিমধ্যে বিগ বাজাৰক ১৫০০ টকাৰ জৰিমনা বিহিলে। ২০২০ বৰ্ষৰ ১৭ ডিচেম্বৰত অশ্বিনী ধানাভাট নামৰ এগৰাকী মহিলাই ঔৰংগাবাদৰ বিগ বাজাৰৰ পৰা সামগ্ৰী ক্ৰয় কৰিছিল। বিলৰ ধন আদায় দিয়াৰ সময়ত অশ্বিনীৰ পৰা বিগ বাজাৰে কেৰিবেগৰ বাবদ ১৯ টকা অতিৰিক্ত গ্ৰহণ কৰিছিল। অশ্বিনীয়ে দাবী কৰা অনুসৰি বিগ বাজাৰৰ উক্ত বিপণীত বেগৰ বাবদ অতিৰিক্ত ধন আদায়ৰ কথা উল্লেখ কৰা নাছিল। অশ্বিনীয়ে পাছত উপভোক্তা আদালতৰ কাষ চপাত এই অভিযোগৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় উপভোক্তা বিবাদ নিষ্পত্তিকৰণ আয়োগে বিগ বাজাৰক ১৫০০ টকাৰ জৰিমনা বিহি উক্ত ধনখিনি অশ্বিনীক আদায় দিবলৈ নিৰ্দেশ দিয়ে। আয়োগে কয় যে ক্ৰেতাৰ পৰা সামগ্ৰী ক্ৰয়ৰ বাবদ কেৰিবেগৰ বাবে পৃথককৈ ব্যৱসায়ীয়ে ধন ল'ব নোৱাৰে। এই ধৰণৰ কাম বন্ধ কৰিবলৈকো আয়োগে ঔৰংগাবাদৰ বিগ বাজাৰ প্ৰতিষ্ঠানক নিৰ্দেশ দিছে।

তলাবন্ধত আৰ্থিক ক্ষতিৰ শংকাত চীনৰ কাৰ্যালয়তে ২০ হেজাৰ কৰ্মচাৰীক শয্যাৰ ব্যৱস্থা

নিউজ ব্যুৰ' বেইজিং, ৩০ মাৰ্চ ঃ চীনত কৰ'নাৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। যোৱা সোমবাৰে দেশখনৰ বিত্তীয় চহৰ হিচাপে পৰিচিত ছাংহাইৰ অৰ্ধে অঞ্চল ক'ভিড সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত তলাবন্ধ কৰা হৈছিল। তলাবন্ধৰ ফলত চীনৰ অৰ্থনীতিৰ ক্ষতি হ'ব বুলি শংকা কৰি ছাংহাইৰ প্ৰতিষ্ঠানসমূহে কৰ্মচাৰীসকলক কাৰ্যালয়তে বসবাস আৰু খাদ্য গ্ৰহণৰ ব্যৱস্থা কৰি দিছে। প্ৰকাশিত বাতৰি

অনুসৰি ছাংহাইৰ লুজিয়াছুই জিলাত কমেও ২০ হেজাৰ কৰ্মচাৰীয়ে সম্প্ৰতি নিজৰ কাৰ্যালয় আৰু কাৰখানাত বসবাস কৰিছে। আৰ্থিক কাম-কাজ অব্যাহত ৰাখিবলৈ ২০ হেজাৰ শ্ৰমিক-কৰ্মচাৰীক কৰ্মক্ষেত্ৰতে খাদ্য গ্ৰহণ আৰু নিদ্ৰাগ্ৰহণৰ ব্যৱস্থা কৰ্তৃপক্ষই কৰি দিছে। তলাবন্ধ ঘোষণাৰ পূৰ্বেই প্ৰতিষ্ঠানসমূহে কৰ্মচাৰীসকলক কৰ্মক্ষেত্ৰত থাকি কাম-কাজ অব্যাহত ৰাখিবলৈ নিৰ্দেশ দিছিল। লুজিয়াছুইত ২৮৫টা কাৰ্যালয়ৰ বিশাল ভৱন আছে আৰু এই অঞ্চলত যোৱা বছৰৰ ২৯২ ট্ৰিলিয়ন ডলাৰৰ বাণিজ্যিক লেনদেন সম্পন্ন হৈছিল। তলাবন্ধ ঘোষণাৰ পাছতো লুজিয়াছুইত নিজ নিজ কৰ্মক্ষেত্ৰত সম্প্ৰতি এইদৰে ব্যস্ত হৈ আছে স্থানীয় কৰ্মচাৰীসকল। কৰ্মক্ষেত্ৰত দৈনন্দিন কাম-কাজ সম্পন্ন কৰাৰ লগতে কৰ্মীসকলে খাদ্য গ্ৰহণ আৰু নিদ্ৰাগ্ৰহণো কৰিছে।

পাঁচদিনতে এশ কোটি টকাৰ ব্যৱসায় 'আৰ আৰ আৰ'ৰ



নিউজ ব্যুৰ', চেন্নাই, ৩০ মাৰ্চ ঃ দক্ষিণ ভাৰতীয় ছবিৰ বাণিজ্যিক সফলতাই আকৌ এবাৰ বলিউডক প্ৰত্যাহ্বান জনালে। মুক্তি লাভৰ পৰা মাত্ৰ পাঁচদিনৰ ভিতৰতে বিশ্বজুৰি ৫৫০ কোটি টকাৰ ব্যৱসায় কৰিলে দক্ষিণ ভাৰতীয় ছবি 'আৰ আৰ আৰ'-এ। ইফালে, এছ এছ ৰাজামৌলি পৰিচালিত এইখন ছবিয়ে ভাৰতৰ বক্স অফিচতো ইতিমধ্যে এশ কোটি টকাৰ ব্যৱসায় কৰিলে। মুক্তিৰ পৰা মাত্ৰ পাঁচদিনৰ পাছতে এশ কোটিৰ ক্লাবত স্থান লাভ কৰিলে ৰাজামৌলিৰ ছবিখনে। ভাৰতৰ লগতে আমেৰিকা আৰু ইউৰোপৰ চিত্ৰগৃহতো চলচ্চিত্ৰপ্ৰেমীৰ বিশেষ সঁহাৰি লাভ কৰিছে 'আৰ আৰ আৰ'-এ।

জম্মু-কাশ্মীৰত সংঘৰ্ষত প্ৰাক্তন সাংবাদিকসহ নিহত দুই সন্ত্ৰাসবাদী

নিউজ ব্যুৰ', শ্ৰীনগৰ, ৩০ মাৰ্চ ঃ জম্মু-কাশ্মীৰৰ শ্ৰীনগৰ জিলাত সংঘটিত হোৱা এক সংঘৰ্ষৰ ঘটনাত ধৰাশায়ী হ'ল দুজন সন্ত্ৰাসবাদী। মৃত দুই সন্ত্ৰাসবাদীৰ মাজত আছে এজন প্ৰাক্তন সাংবাদিক। উক্ত প্ৰাক্তন সাংবাদিকজনৰ নামৰ ৰয়িছ আহমেদ ভাট। ভাটে 'ভেলীনিউজ ছাৰ্ভিচ' নামৰ এটা অনলাইন নিউজ প'ৰ্টেল পৰিচালনা কৰিছিল। যোৱা বছৰৰ আগষ্টত ভাটে সন্ত্ৰাসবাদী সংগঠনত যোগদান কৰিছিল। আনহাতে, নিৰাপত্তা বাহিনীৰে হোৱা সংঘৰ্ষত মৃত্যু হোৱা আনজন সন্ত্ৰাসবাদীৰ নাম হৈছে হিলাল আহমেদ ৰাহ। ৰাহ অনন্তনাগ জিলাৰ বিজবেহাৰাৰ বাসিন্দা।

অভিযান্ত্ৰিক পাঠ্যক্ৰম অধ্যয়নৰ বাবে দ্বাদশত গণিত-পদাৰ্থ বিজ্ঞান বাধ্যতামূলক

নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ মাৰ্চ ঃ স্নাতক পৰ্যায়ত অভিযান্ত্ৰিক পাঠ্যক্ৰম অধ্যয়ন কৰিবলৈ হ'লে দ্বাদশত শিক্ষাৰ্থীয়ে গণিত আৰু পদাৰ্থ বিজ্ঞান বিষয় অধ্যয়ন কৰাটো বাধ্যতামূলক। এই নিৰ্দেশনা জাৰি কৰিলে অল ইণ্ডিয়ান কাউন্সিল ফ'ৰ টেকনিকেল এডুকেচন (এ আই চি টি ই)-এ। এ আই চি টি ইয়ে এক নিৰ্দেশনাত উল্লেখ কৰা অনুসৰি স্নাতক পৰ্যায়ত কম্পিউটাৰ ছায়েন্স এণ্ড ইঞ্জিনিয়াৰিং, ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং, টেক্সটাইল ইঞ্জিনিয়াৰিংসহ ২৯টা স্বীকৃত ইঞ্জিনিয়াৰিং তথা প্ৰযুক্তি বিষয়ৰ স্নাতক পাঠ্যক্ৰমৰ কমেও ১৮টাৰ ক্ষেত্ৰত নামভৰ্তিৰ বাবে শিক্ষাৰ্থীয়ে দ্বাদশ শ্ৰেণীত গণিত আৰু পদাৰ্থ বিজ্ঞান অধ্যয়ন কৰিব লাগিব। তদুপৰি আন ১৫টা পাঠ্যক্ৰমত নামভৰ্তি কৰাৰ ক্ষেত্ৰতো শিক্ষাৰ্থীয়ে দ্বাদশত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু গণিত অধ্যয়ন কৰিব লাগিব। এজন শিক্ষাৰ্থীয়ে দ্বাদশত গণিত অধ্যয়ন নকৰি ৰসায়ন আৰু পদাৰ্থ বিজ্ঞান অধ্যয়ন কৰিলে কৃষি প্ৰযুক্তি কৌশল, বায়'টেকন'ল'জি, ফাৰ্মাচিউটিকেল ইঞ্জিনিয়াৰিং আৰু প্ৰিণ্টিং ইঞ্জিনিয়াৰিং পাঠ্যক্ৰমত নামভৰ্তিৰ সুবিধা লাভ কৰিব। আৰ্কিটেকচাৰ, পেকেজিং টেকন'ল'জি আৰু ফেশ্বন টেকন'ল'জি পাঠ্যক্ৰমত নামভৰ্তিৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই বুলি এ আই চি টি ইয়ে জানিবলৈ দিয়ে।

মহাকাশত সৰ্বাধিক দিন অতিবাহিত কৰি ধৰালৈ উভতিবলৈ সাজু মাৰ্ক

নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ মাৰ্চ ঃ আমেৰিকাৰ এজন মহাকাশচাৰীয়ে মহাকাশত সৰ্বাধিক দিন অতিবাহিত কৰাৰ এক নতুন অভিলেখ ৰচনা কৰিলে। মহাকাশচাৰী মাৰ্ক ভেণ্ডে হেয়ে ৩৫৫ দিন মহাকাশত বাস কৰাৰ পাছত পৃথিৱীলৈ উভতি আহিবলৈ সাজু হৈছে। ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ চলোৱাৰ পাছৰে পৰা আমেৰিকাই ৰাছিয়াৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞা আৰোপ কৰিছে। কিন্তু ইয়াৰ মাজতে মহাকাশৰ এক ভিডিঅ'ত প্ৰত্যক্ষ হ'ল নাছাৰ মহাকাশচাৰী আৰু ৰাছিয়াৰ মহাকাশচাৰীৰ আলিংগনৰ এক দৃশ্য। দৰাচলতে নাছাৰ মহাকাশযাত্ৰী মাৰ্কে ৩৫৫ দিন আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত অতিবাহিত কৰাৰ পাছত ধৰালৈ প্ৰত্যাৱৰ্তন কৰিছে। আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰ ত্যাগৰ পূৰ্বে মাৰ্কে উক্ত কেন্দ্ৰত থকা ৰুছ মহাকাশচাৰীক আলিংগন কৰি বিদায় লয়। নাছাই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ইউক্ৰেইনত ৰাছিয়াই সংঘটিত কৰা যুদ্ধই আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰক কেতিয়াও প্ৰভাৱিত নকৰে। উল্লেখ্য যে মাৰ্কে মহাকাশত সৰ্বাধিক ৩৫৫ দিন অতিবাহিত কৰি মহাকাশ বিজ্ঞানত নতুন ইতিহাস ৰচিলে। মাৰ্কৰ লগতে ফ্লাইট ইঞ্জিনিয়াৰ ডবৰ'ভ আৰু ষ্টেচন কমাণ্ডাৰ এণ্টন ছকাপ্লেৰ'ভো আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰৰ পৰা পৃথিৱীলৈ উভতি আহিব।

বিশ্বজুৰি পুনৰ বৃদ্ধি কৰ'নাৰ সংক্ৰমণ ঃ চীনৰ পাছত ফ্ৰান্স, ইটালি, জাৰ্মানী, ব্ৰিটেইনতো নতুন সংক্ৰমণ

নিউজ ব্যুৰ', লণ্ডন, ৩০ মাৰ্চ ঃ আকৌ এবাৰ বিশ্বত ক'ভিড-১৯ ভাইৰাছৰ সংক্ৰমণ বৃদ্ধি পালে। প্ৰায় এমাহ ধৰি বিশ্বত ক'ভিডৰ সংক্ৰমণ নিয়ন্ত্ৰণত থকাৰ পাছত সম্প্ৰতি বিশ্বৰ কে'বাখনো দেশত ক'ভিডৰ পুনৰ সংক্ৰমণ বৃদ্ধি পাইছে। এছিয়াৰ পৰা আৰম্ভ কৰি পশ্চিম বিশ্বৰ দেশলৈকে ক'ভিডৰ নতুন সংক্ৰমণ চিনাক্ত কৰা হৈছে। ইউৰোপ আৰু চীনত ক'ভিডৰ অ'মিক্ৰন প্ৰজাতিৰ বি এ.২ ৰূপৰ ব্যাপক সংক্ৰমণ উদ্বেগৰ কাৰণত পৰিণত হৈছে। মাৰ্চত চীনত কৰ'নাৰ সৰ্বকালৰ সৰ্বাধিক সংক্ৰমণ চিনাক্ত কৰা হ'ল। দেশখনৰ ছাংহাইকে ধৰি কে'বাখনো চহৰত ক'ভিডৰ নতুন সংক্ৰমণে ত্ৰাসৰ সৃষ্টি কৰিছে। প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ ইতিমধ্যে তলাবন্ধ ঘোষণা কৰিছে। চীনৰ লগতে মাৰ্চত ফ্ৰান্স, ইটালি, জাৰ্মানী, ব্ৰিটেইন, দক্ষিণ কোৰিয়াতো ক'ভিডৰ নতুন সংক্ৰমণ ধৰা পৰিলে। একে সময়তে হংকঙতো ক'ভিডৰ নতুন সংক্ৰমণে উদ্বেগ বৃদ্ধি কৰিছে। ছাংহাইত এতিয়ালৈকে ৫,৯৮২ জন লোকৰ শৰীৰত অ'মিক্ৰনৰ পৰিৱৰ্তিত ৰূপৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। ২৬ নিযুত বাসিন্দাৰ চহৰখন সম্প্ৰতি তলাবন্ধ হৈ আছে। কৰ'নাৰ নতুন সংক্ৰমণৰ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰি বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে সকীয়নি দি কৈছে যে জনসাধাৰণৰ অসাৱধানতাই পুনৰ বিশ্বত ক'ভিডৰ সংক্ৰমণ অধিক মাৰাত্মক কৰি তুলিব পাৰে।

সুস্থ হৈছে দেশ ঃ ২৪ ঘণ্টাত ১,২৩৩ জন আক্ৰান্ত, মৃত্যু ৩১ জনৰ

নিউজ ব্যুৰ' নতুন দিল্লী, ৩০ মাৰ্চ ঃ লাহে লাহে সুস্থ হ'বলৈ ধৰিছে ক'ভিড আক্ৰান্ত ভাৰত। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিডত আক্ৰান্ত হ'ল ১,২৩৩ জন লোক। বৰ্তমানে ভাৰতত ১৪,৭০৪ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, বিগত ২৪ ঘণ্টাত কৰ'নাই পুনৰ প্ৰাণ কাঢ়িলে ৩১ জন লোকৰ। বৰ্তমানলৈকে ভাৰতত মুঠ পাঁচ লাখ ২১ হেজাৰ ১০১ জন লোকৰ কৰ'নাত মৃত্যু হ'ল।

বয়সন্ধিৰ সময়ত ইণ্টাৰনেটৰ আসক্তিত হ'ব পাৰে সৰ্বনাশ, দাবী গৱেষকৰ

নিউজ ব্যুৰ', নিউ য়ৰ্ক, ৩০ মাৰ্চ ঃ বয়সন্ধিৰ সময়ত কিশোৰ-কিশোৰীসকলে নানা ধৰণৰ মানসিক সমস্যাৰ সন্মুখীন হয়। এনে বয়সত জীৱন সন্দৰ্ভত নেতিবাচক চিন্তা মনলৈ অহাও অস্বাভাৱিক নহয়। মনোবিজ্ঞানীসকলৰ মতে, বয়সন্ধিৰ সময়ত একাংশ কিশোৰ-কিশোৰী অতি খঙাল, অস্থিৰ মনৰ হোৱাৰ লগতে চঞ্চল স্বভাৱৰ হৈ উঠে। শেহতীয়া গৱেষণাৰ তথ্য অনুসৰি, বয়সন্ধিৰ সময়ত কিশোৰ-কিশোৰীৰ মাজত ইণ্টাৰনেট অত্যধিক ব্যৱহাৰ কৰাৰ সমস্যাই দেখা দিব পাৰে। সাম্প্ৰতিক বিশ্বত কিশোৰ প্ৰজন্মৰ মাজত অতিৰিক্ত ইণ্টাৰনেট আসক্তিৰ প্ৰৱণতা বৃদ্ধি পাইছে বুলি জানিবলৈ দি অক্সফ'ৰ্ড আৰু কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ গৱেষকে কয় যে ইণ্টাৰনেট আসক্তি বয়সন্ধিৰ সময়ত সৰ্বনাশ হ'ব পাৰে। ড° এমি অৰ্বেনৰ নেতৃত্বত চলোৱা এই অধ্যয়নৰ সবিশেষ তথ্য 'নেচাৰ' পত্ৰিকাত প্ৰকাশ পাইছে। বয়সন্ধিৰ সময়ত কিশোৰ-কিশোৰীয়ে অতিৰিক্ত ইণ্টাৰনেট ব্যৱহাৰ কৰিলে ইয়াৰ প্ৰভাৱ শৰীৰ-মনত নেতিবাচক হয় বুলি ড° অৰ্বেনে মত প্ৰকাশ কৰিছে। কিশোৰীৰ ক্ষেত্ৰত ১১-১৩ বছৰ আৰু কিশোৰৰ ক্ষেত্ৰত ১৪-১৫ বছৰ বয়সত ইণ্টাৰনেট আসক্তিয়ে সৰ্বাধিক ক্ষতি কৰিব পাৰে বুলি গৱেষকে অধ্যয়ন চলাই জানিবলৈ দিয়ে। বিশ্ববিদ্যালয় দুখনৰ মনোবিদ, স্নায়ুৰোগ বিশেষজ্ঞ আৰু সমীক্ষক সমন্বিত গৱেষকৰ দলে ১০ৰ পৰা ৮০ বছৰ বয়সীয়া ৮৪ হেজাৰ লোকক সামৰি এই অধ্যয়ন চলাইছিল। এইসকল লোকৰ ১৭,৪০০ জন আছিল ১০-২১ বছৰ বয়সীয়া যুৱ প্ৰজন্ম।

পাকিস্তানত সন্ত্ৰাসবাদীৰ বৃহৎ আক্ৰমণ, ছয় নিৰাপত্তাকৰ্মীৰ মৃত্যু

নিউজ ব্যুৰ', ইছলামাবাদ, ৩০ মাৰ্চ ঃ পাকিস্তানত ইমৰান খানৰ চৰকাৰে সংকটৰ সন্মুখীন হোৱাৰ সময়তে সন্ত্ৰাসবাদীয়ে সংঘটিত কৰিলে এক ভয়াৱহ আক্ৰমণ। দেশখনৰ খাইবাৰ পখটুনখাৱা প্ৰদেশত সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীৰ মুখ্য কাৰ্যালয়ক আক্ৰমণৰ লক্ষ্য হিচাপে ল'লে। সন্ত্ৰাসবাদীৰ বোমা বিস্ফোৰণৰ ঘটনাত কমেও ছজন নিৰাপত্তা কৰ্মীৰ মৃত্যু হোৱাৰ লগতে আন ২২ জন সেনা আহত হৈছে।

বৰপথাৰত অগ্নিকাণ্ডত ভস্মীভূত বাসগৃহ

বৰপথাৰ, ৩০ মার্চ ঃ বৰপথাৰৰ টেঙানিত সংঘটিত অগ্নিকাণ্ডত কমল দাস নামৰ লোকজনৰ এটি বাসগৃহ ভস্মীভূত হয়। বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত টেঙানী দীঘলী মাজগাঁৱত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই এই ঘটনা সংঘটিত হয়। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত সংঘটিত অগ্নিকাণ্ডত দাসৰ বাসগৃহৰ লগতে ঘৰৰ ভিতৰৰ সকলো সা-সামগ্ৰী জুইত জাহ যায়। আনহাতে, বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত সংঘটিত অগ্নিকাণ্ডত নিজৰ সপোনৰ ঘৰখন হেৰুৱাই শোকত ভাগি পৰিছে পৰিয়ালটো।

ৰঙিয়া এপ'ল মিলৰ কৰ্মচাৰীসকলৰ বাবে সুখবৰ ঃ অৱসৰৰ ধন মুকলি

অগ্ৰদূত বাৰ্তা

ৰঙিয়া, ৩০ মার্চ ঃ অসমৰ সমবায় খণ্ডৰ এসময়ৰ অত্যন্ত লাভজনক একমাত্ৰ বস্ত্ৰ উদ্যোগ ৰঙিয়া তুলসীবাৰীৰ এপ'ল মিল বৰ্তমান পাহৰণিৰ গৰ্ভত। চৰকাৰৰ হেমাহি আৰু অমনোযোগিতাৰ ফলত উদ্যোগটো বৰ্তমান ধ্বংসৰ গৰাহত। ৰাজ্যৰ উদ্যোগিক ক্ষেত্ৰখনত এক গৌৰৱোজ্জ্বল অতীতৰ চানেকি এপ'ল মিল। সম্প্ৰতি ধ্বংসপ্ৰাপ্ত এই মিলটোৰ কৰ্মচাৰীসকলে জীয়াই থকাৰ সম্বল হেৰুৱাই দিশহাৰা কোনোবাই দিন হাজিৰা কৰি, কোনোবাই ঠেলা-ৰিক্সা চলাই কোনোমতে সংসাৰ পোহপাল দিছিল যদিও আৰ্থিক দৈন্যৰ বাবে কে'বাগৰাকী শ্ৰমিকে আত্মহননৰ পথো বাছি লৈছিল। পৰৱৰ্তী সময়ত ভবেশ কলিতাই ৰঙিয়াৰ বিধায়ক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মিলটোৰ কৰ্মচাৰীসকলৰ এটি সুৰক্ষিত ভৱিষ্যতৰ বাবে পদক্ষেপ গ্ৰহণ কৰে! বিত্ত বিভাগে আজি এপ'ল মিলৰ কৰ্মচাৰীসকলক অনলাইন ছিলিঙৰ দ্বাৰা স্বেচ্ছামূলক অৱসৰ আঁচনিৰ অধীনত ১২ কোটি টকাৰ অনুমোদন জনাইছে। এই সন্দৰ্ভত অসম ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়াৰ বিধায়ক কলিতাই কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ নেতৃত্বৰ বাবে কৰ্মচাৰীসকলে তেওঁলোকৰ প্ৰাপ্য ধন পাবলৈ সক্ষম হৈছে। তেওঁ কয় যে মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীৰ প্ৰচেষ্টাত এপ'ল মিলৰ কৰ্মচাৰীসকলে অতি কম সময়ৰ ভিতৰতে স্বেচ্ছামূলক অৱসৰৰ ধনৰাশি পাবলৈ সক্ষম হ'ব। উল্লেখ্য যে এপ'ল মিলৰ ৩৯৪ গৰাকী কৰ্মীয়ে স্বেচ্ছামূলক অৱসৰ আঁচনিত ধন পোৱাৰ সম্ভাৱনা আছে।

শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰত বৈজ্ঞানিক সমিতিৰ বৈঠক

ষ্টাফ ৰিপৰ্টাৰ

তেজপুৰ, ৩০ মার্চ ঃ তেজপুৰৰ নপামস্থিত শোণিতপুৰ কৃষি বিজ্ঞান কেন্দ্ৰত জিলাখনৰ বৈজ্ঞানিক উপদেষ্টা সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি অনুষ্ঠিত হয়। কাঁহিকুছিৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° প্ৰমোদ চন্দ্ৰ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত অসম কৃষি বিশ্ববিদ্যালয়ৰ সম্প্ৰসাৰণ শিক্ষা সঞ্চালক ড° প্ৰসন্ন কুমাৰ পাঠক, ভাৰতীয় কৃষি প্ৰযুক্তি প্ৰয়োগ গৱেষণা প্ৰতিষ্ঠানৰ (ষষ্ঠ মণ্ডল) সঞ্চালক ড°ৰাজেশ কুমাৰ, অসম কৃষি বিশ্ববিদ্যালয়ৰ পশু বিজ্ঞান বিভাগৰ সঞ্চালক ড° নিৰঞ্জন কলিতা, আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ লখিমপুৰৰ মুখ্য বিজ্ঞানী ড° প্ৰবাল শইকীয়াই শোণিতপুৰ জিলাৰ কৃষি ক্ষেত্ৰ উন্নয়নৰ ক্ষেত্ৰত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। অফলাইন আৰু অনলাইন দুয়ো ধৰণে অনুষ্ঠিত সভাত শোণিতপুৰৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে লিচু উৎপাদনৰ ক্ষেত্ৰত জিলাখনৰ কৃষকসকলক উৎসাহিত কৰিবলৈ কৃষি বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে প্ৰয়োজনীয় প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। পশু বিজ্ঞান বিভাগৰ সঞ্চালক ড° নিৰঞ্জন কলিতা আৰু জিলা পশু পালন বিষয়া ড° বিনয় কুমাৰ বৰ্মনে গাহৰিৰ আফ্ৰিকান ছ'ৱাইন ফ্লুৰ কাৰণে বায়'ছিকিউৰিটিৰ বাবে পশুপালকসকলৰ মাজত সতৰ্কতা বঢ়াবলৈ পৰামৰ্শ আগবঢ়ায়।

হাজোত নাট্যকাৰ-অভিনেতা হৰেন্দ্ৰ নাথ দাসৰ জীৱন ভিত্তিক তথ্যচিত্ৰৰ মহুৰত

অগ্ৰদূত বাৰ্তা

হাজো, ৩০ মার্চ ঃ অসম নাট্য সন্মিলন হাজো শাখাৰ উদ্যোগত ভ্ৰাম্যমাণ নাট্য জগতত কালাপাহাৰ খ্যাত নাট্যকাৰ, অভিনেতা, প্ৰযোজক আৰু পৰিচালক হৰেন্দ্ৰ নাথ দাস (পালোৱান)ৰ জীৱন ভিত্তিক এখন তথ্যচিত্ৰ নিৰ্মাণৰ আজি মহুৰত সম্পন্ন হয়। এই উদ্দেশ্যে আজি এখন সভা অনুষ্ঠিত হয়। অসম নাট্য সন্মিলন হাজো শাখাৰ সভাপতি বাবুল মজুমদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত অৱসৰী আয়ুক্ত মোহন চন্দ্ৰ মালাকাৰে অভিনেতাজনৰ বৰ্ণিল জীৱন পৰিক্ৰমাৰ ভিত্তিত নিৰ্মাণ হ'ব লগা তথ্যচিত্ৰখন নাট্য জগতখনৰ বাবে শুভ লক্ষণ বুলি কয়। হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক নাট্যকাৰ, অভিনেতা আৰু প্ৰযোজক প্ৰদীপ কলিতাই প্ৰকৃততে জীৱিত কালত শিল্পীসকলক স্বীকৃতি দিয়াটো প্ৰয়োজন বুলি উল্লেখ কৰি এই তথ্যচিত্ৰখন এক যুগান্তকাৰী দলিল হিচাপে চিহ্নিত হ'ব বুলি কয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি অৱসৰী শিক্ষক প্ৰকাশ দাস, সমাজকৰ্মী দীননাথ বৰুৱা, হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দলৈ শিৱ প্ৰসাদ শৰ্মা, সদস্য দ্বীজেন ভৰালী, নাট্যকৰ্মী হিমাংশু শৰ্মা, শংকৰ দাস, সংগীত শিল্পী গণেশ দাসে যাত্ৰা পাৰ্টিৰ অভিনেতা দাসৰ অভিনয়ৰ জীৱন পৰিক্ৰমা সম্পৰ্কে আলোকপাত কৰি এই তথ্যচিত্ৰৰ জৰিয়তে উঠি অহা নৱপ্ৰজন্মই নাট্যক্ষেত্ৰখনত আগুৱাই যোৱাত এক প্ৰেৰণা পাব বুলি কয়। নাট্য সন্মিলন হাজো শাখাৰ প্ৰযোজনা আৰু পৰিকল্পনাত, অভিনেতা, পৰিচালক হিমাংশু শৰ্মাৰ পৰিচালনাত নিৰ্মাণ হ'ব লগা এই তথ্যচিত্ৰখনৰ সহকাৰী পৰিচালক হৈছে বিবেকানন্দ দাস, কথাংশ লটিফুদ্দিন আহমেদৰ আৰু কেমেৰা মেন ৰিয়ান আলীৰ তত্বাৱধানত এই তথ্যচিত্ৰখন নিৰ্মাণ হ'ব। নাট্য সন্মিলন হাজো শাখাৰ সম্পাদক কিচিন দাসে আঁত ধৰা মহুৰত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সাহিত্যিক সমীন কলিতাই আৰু নাৰিকল ভাঙি মহুৰত সম্পন্ন কৰে সাংবাদিক শৈলেন বৈশ্য, কমলাকান্ত দাস আৰু ছাহজাহান ইছলামে। উক্ত অনুষ্ঠানত অভিনেতা ৰত্নাকৰ নায়ক, ভূপেন বিশ্বাসী, ইণ্ডিয়ান নিডোল মেন খ্যাত ভূপেন চন্দ্ৰ দাস আদি উপস্থিত থাকে।

বঙাইগাঁৱত মাউন্ট এভাৰেষ্ট আৰোহী বাচেন্দ্ৰী পাল

অগ্ৰদূত ব্যুৰ'

বঙাইগাঁও, ৩০ মার্চ ঃ বঙাইগাঁও চহৰৰ আৰ্ত ভৱনত আজি দুপৰীয়া ৫০ বছৰ উৰ্ধ্বৰ ১০ জনীয়া মহিলাৰ দল এটা লৈ উপস্থিত হয় পদ্মশ্ৰী মাউন্ট এভাৰেষ্ট আৰোহণ কৰা বাচেন্দ্ৰী পাল। চলিত মাহৰ দ্বিতীয় সপ্তাহত অৰুণাচল প্ৰদেশৰ পাংছুপাছত ৫০ বছৰৰ উৰ্ধ্বৰ মহিলাসকলক লৈ 'ট্ৰান্স হিমালয়ান এক্সপিডিছন' আৰম্ভ কৰাৰ বাবে উত্তৰ- পূৰ্বাঞ্চললৈ অহা পৰ্বতাৰোহী বাচেন্দ্ৰী পালে এই দুঃসাহসিক অভিযান লাডাখৰ ড্ৰাছ-কাৰ্গিল অঞ্চলৰ টাইগাৰ হিলছত অহা জুলাইত সমাপ্ত কৰিব। আজি বঙাইগাঁও চহৰৰ আৰ্ত ভৱনত উপস্থিত থকা এভাৰেষ্ট বিজয়ী বাচেন্দ্ৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে বৃদ্ধ গৃহিণীসকলক স্বাস্থ্যৱান কৰি ৰাখিবলৈ এই পদক্ষেপ লোৱা হৈছে। তেওঁ যেতিয়া পৰ্বতাৰোহণ আৰম্ভ কৰিছিল তেতিয়া লোকে পাহাৰ বগাবলৈ ভয় কৰিছিল আৰু এনেকুৱা দুঃসাহসিক অভিযানৰ বাবে মহিলা ওলাই অহাটো যথেষ্ট ডাঙৰ প্ৰত্যাহ্বান আছিল বুলি ৬৮ বছৰীয়া বাচেন্দ্ৰীয়ে কয়। অসমীয়া গামোচাক আঙুলিয়াই পৰ্বতাৰোহীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ লোকৰ পৰা পোৱা আন্তৰিক মৰম তেওঁ পাহৰিব নোৱাৰে বুলি কয়। কাইলৈ নিজৰ দলৰ স'তে পুৱা চাৰি বজাত বঙাইগাঁৱৰ পৰা তেওঁৰ গন্তব্য স্থানলৈ ৰাওনা হ'ব বুলি সদৰী কৰিছে। আজি বঙাইগাঁও আৰ্ত ভৱনত বঙাইগাঁৱৰ উপায়ুক্ত ডাঃ এমএছ লক্ষ্মীপ্ৰিয়াই পৰ্বতাৰোহী বাচেন্দ্ৰীক আদৰণি জনায়। উল্লেখ যে বাচেন্দ্ৰীয়ে 'ফিট এট প্লাছ উইমেনছ 'ট্ৰান্স হিমালয়ান এক্সপিডিছন' ২০২২ত ৫০ আৰু ৬০ বছৰৰ মহিলাৰ ১০ জনীয়া এটা দলৰ নেতৃত্ব দিছে। অৰুণাচলৰ পাংছুপাছত যোৱা ১২ মাৰ্চত আৰম্ভ কৰা পাহাৰ বগোৱা অভিযান অহা ৩০ জুলাইত লাডাখৰ টাইগাৰ হিলছত অন্ত পৰিব। সুস্থ আৰু স্বাস্থ্যকৰ জীৱনশৈলীৰ বাবে বয়স আৰু লিংগ বাধা হ'ব নোৱাৰে, এই বাৰ্তা সমাজত প্ৰেৰণ কৰাৰ বাবে মহিলাসকলক লৈ এনেকুৱা দুঃসাহসিক অভিযান চলোৱাৰ কথা সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে।

গুজৰাটৰ পৰা অসমলৈ শীঘ্ৰে ১৫ হেজাৰ

এক পৃষ্ঠাৰ পৰা চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰত পশুপালন মন্ত্ৰী অতুল বৰাই কয়, 'অসমে বছৰি ১০ লাখ লিটাৰ গাখীৰ উৎপাদনৰ লক্ষ্য লৈছে। তাৰ বাবে ১৫ হেজাৰ গীৰ গাই অসমলৈ অনা হ'ব। তদুপৰি স্থানীয় গৰুৰ গাখীৰ উৎপাদন বৃদ্ধিৰো ব্যৱস্থা কৰা হৈছে।' প্ৰসংগক্ৰমে মন্ত্ৰীজনে কংগ্ৰেছৰ কাৰ্যকালত অসমত ১৬ খন গোশালা আছিল বুলি উল্লেখ কৰে। ইয়াৰে বেছিভাগে ব্যক্তিগত খণ্ডৰ। এই গোশালাবোৰত গৰুৰ দুৰ্দশাৰ অন্ত নাই বুলি এআইইউডিএফৰ ৰফিকুল ইছলাম, কংগ্ৰেছৰ কমলাক্ষ্য দে পুৰকায়স্থই অভিযোগ কৰে। ৰফিকুল ইছলামে কয়, 'গোশালাবোৰত ব্যাপক কেলেংকাৰি সংঘটিত হৈ আহিছে। যাৰ বাবে তাত গো মাতাৰ দুৰ্দশা বাঢ়িছে। আমাৰ মাৰেই যদি এই অৱস্থা হয়, আনবোৰৰ কি হ'ব?' মন্ত্ৰী বৰাই ইয়াৰ উত্তৰত কয় যে গোশালাৰ গৰুক লৈ এখন এছঅ'পি প্ৰস্তুত কৰা হৈছে আৰু অনুমোদনৰ বাবে গৃহ বিভাগৰ হাতত দাখিলো কৰা হৈছে।

উপায়ুক্তসকলৰ পৰা ধন ব্যয়ৰ তথ্য

এক পৃষ্ঠাৰ পৰা কৰে। শইকীয়াই কয় যে যি উদ্দেশ্যত যুৱক-যুৱতীসকলক ৫০ হেজাৰকৈ টকা আগবঢ়োৱা হৈছিল তাৰ সঠিক ব্যৱহাৰ হৈছে নে নাই চৰকাৰে পুনৰীক্ষণ কৰিব লাগে। ধনৰ ব্যাপক অপচয় হোৱাৰ অভিযোগ তুলি শইকীয়াই কয়, 'অনুৎপাদনশীল কামত চৰকাৰে ধন ব্যয় কৰিব নালাগে। চৰকাৰে যি উদ্দেশ্যত আঁচনিখন আৰম্ভ কৰিছিল তাক আমিও সমৰ্থন জনাইছিলো; কিন্তু বাস্তৱত আঁচনিখনৰ উদ্দেশ্য পূৰণ নহ'ল।' ইয়াৰ পাছত কংগ্ৰেছৰে কমলাক্ষ দে পুৰকায়স্থই কয় যে বহু যুৱক-যুৱতীয়ে আঁচনিখনৰ সম্পূৰ্ণ ধন লাভ নকৰিলে। ধন লাভ কৰাসকলেও কিমান সদ্ব্যৱহাৰ কৰিলে সেয়া সন্দেহৰ আৱৰ্তত। কাৰণ বহুতে মটৰ চাইকেল লোৱা, ম'বাইল ফোন লোৱা আদিতে এই ধন ব্যয় কৰে। পুৰকায়স্থই কয়, 'আঁচনিখনৰ বাবে ছশ কোটি টকা মোকলাই দিয়া হৈছিল। কেৱল নিৰ্বাচনক লক্ষ্য কৰি আঁচনিখন আৰম্ভ কৰাটো স্পষ্ট হৈছে।' কংগ্ৰেছৰ এই অভিযোগৰ উত্তৰত বিত্তমন্ত্ৰী অজন্তা নেওগে কয় যে আঁচনিখনৰ অধীনত বেংক একাউণ্টযোগে ১,৪২,৬৮৫ গৰাকী যুৱক-যুৱতীক পুঁজি মোকলাই দিয়া হৈছে। এই পুঁজিৰ ব্যৱহাৰ কি ধৰণে কৰা হৈছে তাৰ তথ্য দাখিল কৰিবলৈ উপায়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে।

হয় আমাক নিযুক্তি দিয়ক, নহয় আমাক

এক পৃষ্ঠাৰ পৰা সংযোগী ভিআইপি পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পাঁচ শতাধিক লোকে বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। তেওঁলোকে 'হয় আমাক নিযুক্তি দিয়ক, নহয় আমাক গুলীয়াই মাৰক', 'পেঞ্চনৰ ধন সকলো প্ৰতিবন্ধীক অতি শীঘ্ৰে দিয়াৰ ব্যৱস্থা কৰক', 'এপ্ৰিলৰ ভিতৰত খালী হৈ থকা পদসমূহত প্ৰতিবন্ধীক নিযুক্তি দিয়ক', 'মুখ্যমন্ত্ৰী মহোদয় মুখত নহয় কৰ্মৰে প্ৰতিবন্ধীৰ দায়িত্ব পালন কৰক', 'অসম চৰকাৰ হায় হায়', 'আমাৰ দাবী মানিবই লাগিব', 'হিতাধিকাৰী বঢ়াই দিব্যাংগৰ ধন কৰ্তন কৰা নচলিব', 'বিজেপি চৰকাৰৰ মইমতালি নচলিব' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি প্ৰতিবন্ধী সুৰক্ষা সংস্থা অসমৰ সম্পাদক নৃপেন মালাকাৰে কয়, 'প্ৰতিবন্ধীৰ নিযুক্তিৰ ক্ষেত্ৰত কি কাৰণে চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই সেয়া ৰহস্যৰ বিষয়। বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনে শাসনভাৰ লোৱাৰ পাছতে ঘোষণা কৰা অনুসৰি এক লাখ পদত নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন কৰিব বিচাৰিছে। সেই অনুসৰি ২৫ মাৰ্চত প্ৰকাশিত বিজ্ঞাপনৰ ২৬,৪৪৪ টা পদৰ প্ৰতিবন্ধী আইন ২০১৬ অনুসৰি চাৰি শতাংশ হাৰত প্ৰতিবন্ধীসকলে লাভ কৰিবলগীয়া ১০৫৬ টা সংৰক্ষিত পদত বিশেষ নিযুক্তি প্ৰক্ৰিয়া অনুষ্ঠিত কৰি নিযুক্তিৰ ব্যৱস্থা কৰক।' মালাকাৰে লগতে অসম চৰকাৰে সমাজ কল্যাণ বিভাগৰ জৰিয়তে প্ৰদান কৰা দীনদয়াল দিব্যাংগ পেঞ্চনৰ মাহিলি এহেজাৰ টকাৰ পৰিৱৰ্তে তিনি হেজাৰ টকালৈ বৃদ্ধিৰ দাবী জনায়। লগতে বৰ্তমানে লাভ কৰি থকা ১,৬০,৬১২ গৰাকী হিতাধিকাৰীৰ পৰিৱৰ্তে ২০১৭ৰ সাত ফেব্ৰুৱাৰীত চৰকাৰৰ লগত হোৱা সিদ্ধান্ত অনুসৰি প্ৰত্যেকজন প্ৰতিবন্ধীকে এই ধনৰাশি প্ৰাপ্তিৰ নিশ্চিত কৰাৰ উপৰি প্ৰতিবন্ধী ছাত্ৰ-ছাত্ৰীসকলৰ জলপানি সঠিক সময়ত সঠিকভাৱে প্ৰৱৰ্তনৰ ব্যৱস্থা কৰাৰ দাবী জনায়। উল্লেখ্য, বিগত ছটা বছৰে নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত বিভিন্ন সময়ত চৰকাৰৰ স'তে কেঁবালানি আলোচনা হোৱাৰ পাছতো প্ৰতিবন্ধীৰ বাবে কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নহ'ল। আনকি নিজৰ প্ৰাপ্য অধিকাৰ বিচাৰাৰ বাবে ২০১৮ৰ পাঁচ অক্টোবৰত গৃহ বিভাগৰ দ্বাৰা লাঠিচালনাৰ দৰে ঘটনা সংঘটিত কৰি প্ৰতিবন্ধীসকলক আক্ৰমণ কৰে। আজি প্ৰতিবাদত অংশ লৈ প্ৰতিবন্ধী সুৰক্ষা, অসমে প্ৰতিবন্ধীৰ সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰীৰ স'তে আলোচনা হ'ব বুলি প্ৰতিশ্ৰুতি নিদিয়া পৰ্যন্ত প্ৰতিবাদ অব্যাহত ৰাখিব বুলি হুংকাৰ দিয়ে। প্ৰতিবাদকাৰীৰ হুংকাৰৰ পাছতে বিয়লি চাৰি বজাত সমাজ কল্যাণ বিভাগৰ সচিব পাৰ্থপ্ৰতীম মজুমদাৰে আহি তেওঁলোকৰ পৰা স্মাৰকপত্ৰ গ্ৰহণ কৰি দুই এপ্ৰিলত সমাজ কল্যাণ বিভাগৰে আলোচনা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। ইপিনে, এই প্ৰতিশ্ৰুতি সন্দৰ্ভত মালাকাৰে সিদিনাৰ আলোচনাৰ পাছত যদিহে মুখ্যমন্ত্ৰীৰ স'তে আলোচনাৰ পথ নেদেখে তেতিয়া জংগী আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলি কয়। আনকি দিছপুৰ স্তব্ধ কৰাৰো হুংকাৰ দিয়ে মালাকাৰে। প্ৰতিবন্ধী সুৰক্ষা সংস্থা অসমৰ উদ্যোগত অনুষ্ঠিত আজিৰ প্ৰতিবাদী কাৰ্যসূচীত দিব্যাংগ মঞ্চ অসম, দৃষ্টিহীন পৰিষদ অসম, সদৌ বিটিএডি প্ৰতিবন্ধী সুৰক্ষা সংস্থা, মধ্য অসম প্ৰতিবন্ধী সুৰক্ষা সংস্থাকে ধৰি কে'বাটাও সংগঠনৰ প্ৰতিনিধি উপস্থিত থাকে।

অন্তিম অনুশীলন শাসক-বিৰোধী জোঁটৰ

এক পৃষ্ঠাৰ পৰা অনুশীলন কৰে। অসম বিধানসভাৰ বিজেপিৰ বিধায়িনী কক্ষত অনুষ্ঠিত অনুশীলনত মিত্ৰদল অসম গণ পৰিষদ আৰু ইউপিপিএলৰ লগতে বিপিএফৰ বিধায়ককেইজনো উপস্থিত থাকে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভোটদানক লৈ সকলোকে পৰামৰ্শ আগবঢ়ায়। এই অনুশীলনৰ পাছত বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই দুয়োখন আসনত বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিব বুলি দাবী কৰে।

ইপিনে, কংগ্ৰেছেও আজি শেষবাৰৰ বাবে আখৰা কৰে। কংগ্ৰেছৰ বিধায়কসকলৰ লগতে চি পি আই (এম)ৰ মনোৰঞ্জন তালুকদাৰ আৰু ৰাইজৰ দলৰ অখিল গগৈও উপস্থিত থাকে। মুঠ ২৮ জন বিধায়কে এই অনুশীলনত ভাগ লয়। উল্লেখ্য যে এআইইউডিএফে কংগ্ৰেছৰ লগত আলোচনা নকৰাকৈ ৰাজ্যসভা নিৰ্বাচনৰ বাবে নিজাববীয়াকৈ প'লিং এজেণ্ট নিয়োগৰ বিষয়টোক লৈ দল দুটাৰ মাজত কালিৰ পৰা তীব্ৰ সংঘাত অব্যাহত আছে। যদিও এআইইউডিএফে তেওঁলোকৰ ১৫টা ভোট ৰিপুন বৰাকে দিব বুলি আজি ঘোষণা কৰে তথাপি দলটোৰ কোনো এজন প্ৰতিনিধি কংগ্ৰেছ তথা বিৰোধীৰ অনুশীলনত উপস্থিত নাথাকিল। লক্ষ্যণীয়ভাৱে এই অনুশীলনৰ পাছত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে বল এতিয়া এআইইউডিএফৰ ক'ৰ্টত। বৰাই কয়, 'আমাৰ ২৮টা ভোট একগোট হৈ আছে। আজি আমি বেলটৰে আখৰা কৰো আৰু ২৮টা ভোটেই বৈধ হয়। ২৮ টাতকৈ কিমান ভোট বাঢ়িব সেয়া কাইলৈ স্পষ্ট হ'ব। যদিহে ২৮টাতকৈ আমাৰ ভোট নাবাঢ়ে তেতিয়া কোন ষড়যন্ত্ৰত লিপ্ত সেয়া ওলাই পৰিব। মোৰ লগত ফোন ৰেকৰ্ডিঙো আছে। আমি ২৮টা ভোটৰ গ্যাৰাণ্টি লৈছো। আমাৰ এজেণ্টক প্ৰত্যেকে ভোট দেখুৱাব। আমি ভোট চাম। ইউডিএফে আমাক ভোট নেদেখুৱায়। আমি তেওঁলোকক কিয় সন্দেহ নকৰিম? এআই চি চিয়ে কৈছে যে আমাৰ প্ৰাৰ্থী ৰিপুন বৰাৰ লগত আলোচনা কৰি তেওঁলোকে এজেণ্ট দিয়ক। কিন্তু আলোচনা নকৰাকৈয়ে নিজাকৈ এজেণ্ট দিয়ে। সেই কাৰণে আমি কাইলৈ অপেক্ষা কৰিছো।' লক্ষ্যণীয়ভাৱে আজি নিশা এআইইউডিএফৰ এক ভোজমেলত উপস্থিত থাকে ৰিপুন বৰা।

এজেণ্ট নিযুক্তি

কালি এআইইউডিএফে এজেণ্ট নিযুক্তি দিয়াৰ পাছত আজি আন দলকেইটায়ো নিজৰ নিজৰ এজেণ্ট নিযুক্তি দিয়ে। এজেণ্ট নিযুক্তিৰ ক্ষেত্ৰত কংগ্ৰেছৰ স্থিতিয়ে বিশেষ চৰ্চা লাভ কৰিছে। কিয়নো যি সময়ত আন দলকেইটাই নিজৰ বিধায়কক এজেণ্ট নিযুক্তি দিছে সেই সময়ত কংগ্ৰেছৰ এজেণ্ট নিযুক্তি দিয়া হৈছে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক পৃথ্বিৰাজ প্ৰভাকৰ সাথেক। এজেণ্ট নিযুক্তিৰ কৰ্তৃত্ব এ আই চি চিয়ে ৰিপুন বৰাক অৰ্পণ কৰিছিল আৰু তেওঁ সাথেৰ ওপৰতে ভৰসা কৰে।

ইয়াৰ বিপৰীতে বিজেপিয়ে জয়ন্ত মল্ল বৰুৱা, অসম গণ পৰিষদে কেশৱ মহন্ত আৰু ইউপিপিএলে জয়ন্ত বসুমতাৰীক এজেণ্ট নিযুক্তি দিয়ে।

কি আছে অসম-মেঘালয়ৰ

এক পৃষ্ঠাৰ পৰা স'তে থাকিব। মাটি কালি ০.৩০ বৰ্গ কিলোমিটাৰ।

■ হস্তান্তৰিত অঞ্চলৰ সীমা গিজাং নৈৰ সোঁপাৰ আৰু ওম টিৰছুং নদীৰ বাওঁপাৰ সংলগ্ন হ'ব। ইয়াৰ পৰা বাদ যাব অসমৰ অন্তৰ্ভুক্ত হোৱা থুটিয়াপাৰা গাঁও।

■ ব'কলাপাৰা অঞ্চলৰ ব'কলাপাৰ আৰু হাওলা এই দুখন গাঁও মেঘালয়লৈ যাব। মাটি কালি ০.৫৬ বৰ্গ কিলোমিটাৰ।

■ ব'কলাপাৰা অঞ্চলৰ দুখন গাঁও জিমৰিগাঁও আৰু লিংখুং অসমৰ স'তে থাকিব। এই গাঁও দুখনলৈ যোৱাৰ বাট দিবলৈ মেঘালয় চৰকাৰ সন্মত হৈছে। মাটি কালি ১.০১ বৰ্গ কিলোমিটাৰ।

■ খানাপাৰা-পিলিংকাটা অঞ্চলৰ মাইখুলি, পিলিংকাটা আৰু বৰপথাৰ শিলৰ কুৰেৰি অঞ্চলৰ অংশ বিশেষ মেঘালয়ৰ স'তে থাকিব। মাটিকালি ০.৫০ বৰ্গ কিলোমিটাৰ।

■ খানাপাৰা-পিলিংকাটা অঞ্চলৰ ০.৮ বৰ্গ কিলোমিটাৰ অঞ্চলৰ ভিতৰত ০.০৩ বৰ্গ কিলোমিটাৰ জোৰা এএছটিচি ট্ৰানজিত কেম্পৰ পৰা আৰক্ষী চকীলৈ, নামঘৰ আৰু এক নম্বৰ খানাপাৰা গাঁৱৰ অসমীয়া লোক বসতিপূৰ্ণ অঞ্চল আৰু ড্ৰিমলেণ্ড ৰিজ'ৰ্ট অঞ্চল অসমৰ স'তে থাকিব। ০.০৫ বৰ্গ কিলোমিটাৰ জোৰা ব্ৰহ্মপুত্ৰ ৰিয়েলট'ৰ্ছ প্ৰাইভেট লিমিটেডৰ সম্পূৰ্ণ এপাৰ্টমেণ্ট চৌহদ মেঘালয়তে থাকিব।

■ এএছটিচি ট্ৰানজিত শিবিৰৰ পৰা ড্ৰিমলেণ্ড ৰিজ'ৰ্টলৈ বাকী থকা অংশৰ সীমা হ'ব জিএছ ৰোড সংযোগী পথৰ সংলগ্ন। পাটৰকুছি অঞ্চলৰ গাৰো আৰু মেঘালয়ৰ অন্যান্য খিলঞ্জীয়া সম্প্ৰদায়ৰ বসতিপূৰ্ণ অঞ্চল আৰু তেওঁলোকৰ ধৰ্মীয় আৰু সাংস্কৃতিক স্থান যদি কিবা আছে সেয়া মেঘালয়ৰ স'তে বিতং জৰীপত অন্তৰ্ভুক্ত কৰা হ'ব।

■ মাইখুলি অঞ্চলত মোৰামাৰী বিল অসমৰ স'তে থাকিব। এই বিলখন মাইখুলি খেলপথাৰৰ সংলগ্ন। ইপিনে, মাইখুলি সমাধি ক্ষেত্ৰ মেঘালয়ৰ স'তে থাকিব। এইদৰে খানাপাৰা-পিলিংকাটা অঞ্চলত মেঘালয়ে পাব প্ৰায় ০.৫৫ বৰ্গ কিলোমিটাৰ আৰু অসমে পাব প্ৰায় ১.৭৪ বৰ্গ কিলোমিটাৰ।

■ ৰাটাচেৰা অঞ্চলত মালিড'ৰ, ৰাটাচেৰা আৰু ব'ৰ্ডাৰ ওমপাৰ্ডিত মেঘালয়লৈ হস্তান্তৰ কৰা হ'ব। পৰিৱেশ সংৰক্ষণৰ বাবে বৰাইল বন্যপ্ৰাণী উদ্যানৰ স্থিতি অপৰিৱৰ্তিত হৈ থাকিব।

■ বালেশ্বৰ গ্ৰাণ্ট ৰাজহ গাঁও অসমৰ স'তে থাকিব। বালেশ্বৰ নৈৰ উত্তৰপাৰ সংলগ্ন হ'ব হস্তান্তৰিত অঞ্চলৰ সীমা। বালেশ্বৰ নদী আৰু মালিড'ৰ দলঙৰ ওপৰত অসমৰ অধিকাৰ থাকিব। অৱশ্যে অসমে মেঘালয় চৰকাৰক আশ্বস্ত কৰে যে নৈখনক বাণিজ্যিক খননৰ বাবে ব্যৱহাৰ কৰা নহয়।

■ দুই ৰাজ্যই সন্মত হয় যে ১২টা মতপাৰ্থক্য থকা অঞ্চলৰ বাহিৰে ভৱিষ্যতে কোনো নতুন মতপাৰ্থক্য অঞ্চল চিনাক্ত কৰা নহয়।

■ মুঠ ৩৬.৭৯ বৰ্গ কিলোমিটাৰ ছটা বিবদমান অঞ্চলৰ ভিতৰত অসমৰ হাতত থাকিল ১৮.৪৬ বৰ্গ কিলোমিটাৰ আৰু মেঘালয়ৰ হাতত থাকিল ১৮.৩৩ বৰ্গ কিলোমিটাৰ।

মৰগীয়া বানচ তিনি শতাংশ

এক পৃষ্ঠাৰ পৰা প্ৰধানমন্ত্ৰীৰ নৰেন্দ্ৰ মোদীৰ কেবিনেটে। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ তিনি শতাংশ হাৰত বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ফলত বৰ্তমানৰ ৩১ শতাংশৰ পৰা ৩৪ শতাংশলৈ বৃদ্ধি হ'ল মৰগীয়া বানচ।

আজি এই বিষয়ক লৈ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত কৰা হয়। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত বৈঠকত সিদ্ধান্ত লোৱা হয়। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তত ৫০ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ দৰমহা বৃদ্ধি হ'ব। উপকৃত হ'ব ৬৫ লাখ পেঞ্চনপ্ৰাপক।

AFFIDAVIT

I SRI KUSHA GOGOI, permanent residents of NAHOLIA, P.O- NAHOLIA. P.S- DULIAJAN, DIST- DIBRUGARH, Assam, do hereby declared by an affidavit before Notary at DIBRUGAR on 30/03/2022 that KULADHAR GOGOI and KUSHA GOGOI is same and one person, i.e myself.

PRESS RELEASE OF SHORT QUOTATION NOTICE

Sealed quotation affixing court fee stamp of Rs.8.25 (Rupees eight and paise twenty five) only non-refundable are invited from reputed Govt. approved minimum "A" category printing presses registered under Govt. of Assam in Printing & Stationery Department, Dispur, Guwahati-6 now renamed as Information, Public Relations, Printing & Stationery Department, Dispur, Guwahati-6 for printed packages for containing & dispatching of Gamosa and Greetings Card as per specification given below. The quotations complete in all respect will be received up to 2:00 P.M. of 05/04/2022 and will be opened on the same day at 3:00 P.M. in the Office Chamber of the undersigned in presence of the Quotationers or their authorised representatives. The specification of works and terms & conditions for submission of Short Quotation Notice are as follows:

Specification:

Cardboard box (Outer & Sleeve)	Manufactured from a strong Cardboard Min 400 (GSM) Outer Box with Windows, One Inner Sleeve
Cardboard type	Art Board
Packing	All items of the kit (One Gamosa and One Greetings Card) to be securely packed together in one strong cardboard box, to prevent any damage to the content, crushing of the box or goods dispersion. There should be one window area for the visibility of the Gamosa from the outside
Dimensions	Box dimensions should exactly match the contents, all remaining empty spaces to be filled up with bio-degradable material to prevent crushing during transport or damage to the content. Dimension should not be more then L - 31 cm • W - 18 cm • H - 4.5 cm
Printing	Surface printing of the Outer box will be multi-coloured, preferably with Met Pet + Textured UV
Item packaging	All kit content contained in the box to be individually packed to avoid leakage or pollution to any other item contained in the box. Examples: • Greetings Card to be packed and place inside the box • Gamosa should be packed and placed properly inside the sleeve
Quantity	12,000 Nos. (approx.)

- Note: Surface printing is not required while submitting the sample.

Terms & Conditions:

1) Copy of press registration certificate minimum "A" category with up-to-date renewal from Information, Public Relations, Printing & Stationery Department, Dispur, Guwahati-6 with self-attestation.
2) The cost of tender fee is Rs.300.00 (three hundred)only payable in cash (non-refundable).
3) The quotationer shall have to submit Earnest Money of Rs.4,000.00 (Rupees four thousand)only in the form of Demand Draft/ Bankers Cheque drawn in favour of the Director, Printing & Stationery, Assam, Guwahati-21 from any nationalised bank and payable at Guwahati. Quotationers belongs to SC/ ST community may furnish 50% of the Earnest Money along with requisite Caste Certificate.
4) The quotationer has to quote their rate showing the rate of GST separately. If there is discrepancy between words and figures, the amount in words shall prevail.
5) GST Registration Certificate along with GST return submitted, minimum up to the month of December, 2021 with self-attestation.
6) Self-attested photocopy of trade licence with up to date renewal.
7) Self-attested Photocopy of PAN Card.
8) Average annual turnover of at least Rs.20.00 lakh during the last 3 (three) financial years (2018-19, 2019-20, 2020-21) along with Chartered Accountant's Certificate as proof to be submitted.
9) The quotationer should have an experience of executing of similar printing works from any Department of Govt. of Assam. Submitted documentary evidence.
10) The quotationer should never have been blacklisted by any State/ Central Government Department/ PSU in the past for breach of general or specific conditions of contract, fraudulent, unethical or corrupt business practices. The quotationer must submit a self-declaration of not having been blacklisted in the form of an Affidavit (in original).
11) The design sample with the same specification for the cardboard box must be submitted along with the Short Quotation.
12) The decision of Verification Committee for sample specification will be taken into consideration for selection of cardboard box for packaging and dispatching of Gamosa and Greetings Card.
13) **Right to vary quantities**
    The purchaser reserves the right at the time of award of contract to increase or decrease the required quantity of printed materials specified in the schedule of requirements without any change in rates of unit products.
14) **Withdrawal of Quotations**
    Any quotationer may withdraw the quotation up to last date of submission of quotation which is also the time for submission of quotation. Only single quotation shall be submitted by each quotationer.

Director
Printing & Stationery, Assam,
Guwahati-21.

Janasanyog/C/14121/21

Memo No. MCH/HMS/2015/151/Pt-I/289,

SHORT NOTICE INVITING TENDER
30/03/2022

Sealed Tenders affixing Court Fee Stamp Rs.8.25 (Rupees eight point two five paise) only (non-refundable) are invited from intending Firms/reputed supplier for supply of the following accessories in Endoscopy OT, Gastroenterology Deptt., Super Speciality Hospital, GMCH along with the necessary documents (PAN Card, GST registration, Trade License etc.) as per Govt. rules.

The Tenders will be received by the undersigned on or before 06/04/2022 upto 12:00 Noon and will be opened on the same day after 02:00 PM.

Name of the Items:

Sl No.	Items	Qty.
1.	ERCP Stone Extraction Balloon	Per pc.
2.	i) Guide Wire - 0.025	Per pc.
	ii) Guide Wire – 0.035	Per pc.
3.	CRE – Balloon with insufflators pump	Per pc.
4.	Sphrinterotome	Per pc.
5.	Stent Pusher	Per pc.
6.	Billary Brush Cytology	Per pc.

General Terms & Condition:

1. The items must be supplied within 72 hours from the issue of formal order.
2. No advance payment shall be made in any case.
3. The decisions taken by the hospital authority will be final.
4. The rate should be quoted including GST with mentioning the rate of GST.

Superintendent cum Member Secretary
HMS, Gauhati Medical College Hospital
Guwahati-32

Janasanyog/C/14082/21

■ হাহাকাৰ কৃষকৰ ■ নির্বিকাৰ কৃষি বিভাগ ■ ইউৰিয়া বিচাৰি ৰাজপথত নমাৰ হুংকাৰ কৃষকৰ

শোণিতপুৰত ইউৰিয়া সাৰৰ ব্যাপক নাটনি

অগ্রদূত বার্তা

ঠেলামৰা, ৩০ মার্চ ঃ ৰাজ্যৰ আন আন জিলাৰ দৰে শোণিতপুৰ জিলাতো ৰাসায়নিক সাৰ ইউৰিয়াৰ তীব্র নাটনিৰ ফলত কৃষকসকলে হাহাকাৰ কৰিবলগীয়া হৈছে। উল্লেখ্য যে সমগ্র ৰাজ্যতেই ইউৰিয়া কেলেংকাৰিৰ বিৰুদ্ধে মুখ্যমন্ত্রীয়ে তদন্ত ঘোষণা কৰাৰ পাছত কৃষকসকলে স্বস্তিৰ নিশ্বাস পেলাইছিল যদিও বিভিন্ন কাৰণত ব্যৱসায়ীসকলে ২৬৬ টকাৰ দৰত ইউৰিয়া বিক্রীয় অসম্ভৱ বুলি কৈ বিক্রীয় বন্ধ ৰাখিছে। ফলত ৰাসায়নিক সাৰৰ দোকানে দোকানে বড়ো ধানৰ কৃষকৰ লগতে আন আন কৃষকসকলে ইউৰিয়া বিচাৰি হাহাকাৰ কৰিবলগীয়া হৈছে।

আনহাতে, জিলাখনৰ দুই-এখন দোকানত ইউৰিয়া উপলব্ধ যদিও ইউৰিয়াৰ লগত বাধ্যতামূলকভাৱে ছইল বিক্রী কৰি কৃষকক মাধমাৰ শোধাইছে। ঠেলামৰা কৃষি চক্রত দুজনকৈ ব্যৱসায়ীক ইতিমধ্যে কৃষি বিভাগে প্রায় নৱ পৰা ১০ মেট্রিক টনকৈ ইউৰিয়া মোকলাই দিছে যদিও বিভিন্ন অজুহাতত এই দুই ব্যৱসায়ীয়ে আজিলৈকে নিজৰ ব্যৱসায়িক প্রতিষ্ঠানলৈ ইউৰিয়াসমূহ অনা নাই। এই সন্দর্ভত কৃষি চক্রটোৰ চক্র বিষয়া মৃদুপৱন বৰুৱায়ো কৃষি চক্রটোত এই সম্পর্কে কোনো ব্যৱস্থা গ্রহণ নকৰাত প্রতিক্রিয়া প্রকাশ কৰিছে কৃষকসকলে। গুৰুত্বপূর্ণ কথা যে এতিয়ালৈকে ৰাসায়নিক সাৰ ইউৰিয়াৰ স'তে কৃষকসকলক বাধ্যতামূলকভাৱে ছইল ক্রয় কৰা সম্পর্কত ৰাজ্যৰ কৃষি বিভাগে কোনো সিদ্ধান্ত লোৱা নাই যদিও ছইল অবিহনে সাৰ ব্যৱসায়ীসকলে ইউৰিয়া বিক্রী নকৰাৰ কি ৰহস্য লুকাই আছে, ইয়াকে লৈ কৃষকসকলৰ মাজত চর্চাৰ বিষয় হৈ পৰিছে। জিলাখনত ইউৰিয়াৰ এনে নাটনি দূৰ কৰিবলৈ জিলা উপায়ুক্তক এসপ্তাহৰ সময়সীমা বান্ধি দিছে কৃষকসকলে। অন্যথা ইউৰিয়া বিচাৰি কৃষি বিভাগৰ বিৰুদ্ধে ৰাজপথ অৱৰোধ কৰিব বুলি সকীয়নি প্রদান কৰিছে।

তেজপুৰত বিনামূলীয়া পাঠ্যপুথি বিতৰণ, বুধবাৰে।

দৈয়াঙত গাঁও প্রধান নির্বাচনত অনিয়মৰ অভিযোগ

অগ্রদূত বার্তা

ফৰকাটিং, ৩০ মার্চ ঃ চৰকাৰে মহিলা সৱলীকৰণৰ ক্ষেত্রত গুৰুত্বৰ দি অহাৰ সময়তে গোলাঘাট বিধানসভা সমষ্টিৰ দৈয়াং অঞ্চলৰ এগৰাকী শিক্ষিতা মহিলাক গাঁৱৰ গাঁও প্রধান নির্বাচনত অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্রাপ্ত অভিযোগ অনুসৰি, দৈয়াঙৰ পুষ্পবন গাঁৱৰ দিপুমণি গগৈ বৰাক গাঁও প্রধান নির্বাচনত সংশ্লিষ্ট বিভাগে অনিয়ম কৰাৰ অভিযোগ উঠিছে। তথ্য মতে, একেখন গাঁৱৰে দিপুমণি গগৈ বৰা, জ্যোতিক বৰা আৰু নাৰায়ণ বৰা নামৰ ব্যক্তিকেইগৰাকীৰ মাজত এজন গাঁও প্রধান নির্বাচিত নোহোৱাকৈ জিলা উপায়ুক্তলৈ প্রেৰণ কৰে। অৱশ্যে দিপুমণি গগৈ বৰাক স্থানীয় বনাঞ্চলিক বিষয়া আৰু জিলা সীমান্ত দণ্ডাধীশে গাঁওখনৰ মুৰব্বী হিচাপে এখন পৰিচয় পত্র প্রেৰণ কৰি গাঁও প্রধানৰ কার্যপন্থা অব্যাহত ৰাখিবলৈ অনুমতি দিয়ে। ইয়াৰ উপৰি গগৈয়ে ৰতনপুৰ গাঁওবুঢ়া সন্থাৰ স্বাক্ষৰ মর্মে দৈয়াং গাঁওবুঢ়া সন্থাত নাম অন্তর্ভুক্তৰ বাবে আবেদন কৰে যদিও সংশ্লিষ্ট কর্তৃপক্ষেই গুৰুত্ব প্রদান নকৰাৰ অভিযোগ উঠিছে। তথ্য মতে, উক্ত পদটোৰ বাবে স্থানীয় এগৰাকী শাসকীয় দলৰ নেতাক গাঁও প্রধানৰ দায়িত্ব অর্পণ কৰিবলৈ সন্থাই উঠিপৰি লাগিছে বুলি চর্চা অব্যাহত আছে।

চি এফ এল প্রকল্পৰ উদ্যোগত বিত্তীয় স্বাক্ষৰতা সজাগতা সভা

অগ্রদূত বার্তা

নাহৰকটীয়া, ৩০ মার্চ ঃ জয়পুৰ উন্নয়ন খণ্ডৰ শান্তিপুৰ গাঁও পঞ্চায়তৰ অন্তর্গত শান্তিপুৰ গাঁৱত ভাৰতীয় ৰিজার্ভ বেংকৰ চি এফ এল প্রকল্পৰ টিংখাং বিত্তীয় স্বাক্ষৰতা কেন্দ্রৰ উদ্যোগত আৰু অসম ৰাজ্যিক গ্রাম্য জীৱিকা অভিযান জয়পুৰ খণ্ডৰ বেংক সখী কুমল কুর্মী, জীৱিকা সখী মিনাক্ষী কাকতি আৰু কৃষি সখী সবিতা গগৈৰ সহযোগত যোৱা ২৭ মার্চত বিত্তীয় স্বাক্ষৰতাৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত শান্তিপুৰ গাঁও পঞ্চায়তৰ অন্তর্গত শান্তিপুৰ গাঁও আৰু ওমাতাৰা চাহ বাগিচাৰ ১০ টা আত্মসহায়ক গোটৰ ৫৮ গৰাকী সদস্যা উপস্থিত থাকে। সভাত উপস্থিত থকা টিংখাং বিত্তীয় স্বাক্ষৰতা কেন্দ্রৰ কেন্দ্র ব্যৱস্থাপক কপিল হাজৰিকাই সঞ্চয়, ঋণ, বীমাৰ লগতে বেংকৰ বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে ৰাইজৰ আগত ব্যক্ত কৰে। সভাৰ মূল উদ্দেশ্য আছিল ৰাইজৰ মাজত বিত্তীয় স্বাক্ষৰতা প্রদান কৰা আৰু বিত্তীয় অন্তর্ভুক্তিক উৎসাহিত কৰাৰ লগতে হিতাধিকাৰীসকলক সমাজ কল্যাণ আঁচনিৰ দিশত লাভালাভ প্রদান কৰা। সভাত হাজৰিকাৰ লগতে বিত্তীয় স্বাক্ষৰতা কেন্দ্রৰ ক্ষেত্র সমন্বয়ক মল্লিক গগৈ আৰু ডাটা এন্ট্রি অপাৰেটৰ গৌৰৱ আৰন্ধৰা উপস্থিত থাকে।

চিৰাঙৰ বাঙালঝৰাত বিনামূলীয়া স্বাস্থ্য শিবিৰ

অগ্রদূত ব্যুৰ'

বঙাইগাঁও, ৩০ মার্চ ঃ চিৰাং জিলাৰ বিজনী মহকুমাৰ বাঙালঝৰাস্থিত ১০১৩ নম্বৰ বাঙালঝৰা প্রাথমিক বিদ্যালয় প্রাংগণত কালি সেৱা ভাৰতী পূর্বাঞ্চল আৰু ৰাষ্ট্রীয় মেডিকোজ অর্গেনাইজেছনৰ উদ্যোগত ১৯ সংখ্যক ধন্বন্তৰী সেৱা যাত্রা, ২০২২ৰ অধীনত বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰে। সংস্থাটোৱে সমগ্র ভাৰতবর্ষৰ লগতে চিৰাং জিলাত থকা সাধাৰণ ৰাইজক বিভিন্ন ৰোগৰ চিকিৎসাৰ ক্ষেত্রত দেখা দিয়া সমস্যাৰ সন্মুখীন হোৱা অঞ্চলসমূহত চিনাক্ত কৰি ১৯ সংখ্যক ধন্বন্তৰী সেৱা যাত্রা, ২০২২ৰ অধীনত বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়ায়। জিলাখনৰ ভিতৰুৱা আৰু অনগ্রসৰ অঞ্চল বাঙালঝৰাত অনুষ্ঠিত আজিৰ বিনামূলীয়া চিকিৎসা স্বাস্থ্য শিবিৰত বহিঃৰাজ্যৰ পাঁচগৰাকী জ্যেষ্ঠ চিকিৎসকে উপস্থিত থাকি সেৱা আগবঢ়ায়। পাঁচগৰাকী চিকিৎসক হৈছে ৰাষ্ট্রীয় মেডিকোজ অর্গেনাইজেছনৰ পৰিচালন সঞ্চালক গুজৰাটৰ ডাঃ কেটন যোশী, ডাঃ মান পাঞ্চি, ডাঃ ৰাজা যোশী, পশ্চিমবংগৰ ডাঃ ৰীমি বিশ্বাস আৰু উত্তৰ প্রদেশৰ ডাঃ কানশী বশিষ্ঠ। বিনামূলীয়া চিকিৎসা শিবিৰত ৰোগীসকলক পৰীক্ষা কৰি প্রয়োজনীয় ঔষধ প্রদান কৰা হয়। স্বাস্থ্য শিবিৰটোত স্থানীয় তিনি শতাধিক লোকে অংশগ্রহণ কৰে। অনুষ্ঠানত সেৱা ভাৰতী পূর্বাঞ্চলৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উদ্যোক্তা মোহিত নার্জাৰীয়ে জানিবলৈ দিয়া মতে, পৰৱর্তী কার্যসূচী অনুসৰি চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ দাদগিৰিত স্বাস্থ্য সেৱা শিবিৰ অনুষ্ঠিত কৰা হ'ব। ইপিনে, চিকিৎসক দলটোৰ নেতৃত্ব লোৱা ৰাষ্ট্রীয় মেডিকোজ অর্গেনাইজেছনৰ পৰিচালন সঞ্চালক ডাঃ কেটন যোশীয়ে দৰিদ্র দুখীয়া লোকক সংস্থাটোৰ পৰা স্বাস্থ্য সেৱা কৰি অহাৰ কথা উল্লেখ কৰে।

বাগ্‌সাত ২০২২-২৩ৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ উদ্বোধন

অগ্রদূত বার্তা

জালাহ, ৩০ মার্চ ঃ অসমৰ চৰকাৰৰ শিক্ষা বিভাগে নতুন শিক্ষা বর্ষৰ বাবে বিদ্যালয়সমূহৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰি থকাৰ সময়তেই কালি বাগ্‌সা জিলাৰ অঞ্চলীস্থিত জালাহ প্রাথমিক শিক্ষা খণ্ডৰ কার্যালয়ত বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কার্যসূচীৰ আৰম্ভ কৰা হয়। জালাহ প্রাথমিক শিক্ষা খণ্ডৰ শিক্ষা বিষয়া স্বৰজ মহিলাৰীয়ে ৰঙা ফিটা কাটি কিতাপৰ গুদাম উদ্বোধন কৰাৰ পাছত অনুষ্ঠিত বিদ্যালয়সমূহলৈ ছাত্র-ছাত্রীৰ বাবে প্রদান কৰা বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ আৰম্ভ কৰা হয়। অঞ্চলী চৰকাৰী মজলীয়া বিদ্যালয়, ১৩৫/১ নম্বৰ জালাহ প্রাথমিক বিদ্যালয়, ১৫৫২ নম্বৰ খাগ্রাবাৰী প্রাথমিক বিদ্যালয়, দলাজানী প্রাথমিক বিদ্যালয় আৰু ডাঙৰীগাঁও এমই স্কুলকে ধৰি পাঁচখন বিদ্যালয়লৈ বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ উদ্বোধন অনুষ্ঠানত অসম সমগ্র শিক্ষা অভিযান মিছনৰ বাগ্‌সা জিলাৰ আঁচনি বিষয়া মঞ্জু দাস, এমআইএছ জ্যোতির্ময় ভূঞা, খণ্ড সমল ব্যক্তি উমানন্দ বড়ো, গাণনিক বিষয়া হেমাংগ ৰয়, ৰাণা চৌধুৰী, কল্যাণ গোস্বামী, বণজিৎ শর্মা, সমল ব্যক্তি ভূদেৱ গোস্বামী, অৱসৰপ্রাপ্ত প্রধান শিক্ষক নৰেশ্বৰ দাস, প্রাথমিক বিদ্যালয় শিক্ষক সন্থা বানেশ্বৰ বড়ো, চাপাগুৰি ককলাবাৰী আঞ্চলিক ছাত্র সন্থাৰ সভাপতি দ্বীপজ্যোতি দাস, এমই সন্থাৰ শিক্ষক হিৰণ্য দাস, মণ্ডল সমল কেন্দ্রৰ হংস দাস, সত্যজিৎ উজিৰ, বিপিন বসুমতাৰী, ইনোসেন বসুমতাৰীকে আদি কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্রহণ কৰে।

তিতাবৰৰ ৰঙাজান মৰাণত বিহু কর্মশালা উদ্বোধন

অগ্রদূত বার্তা

মেলামাটি, ৩০ মার্চ ঃ তিতাবৰ সমষ্টিৰ অন্তর্গত ৰঙাজান গাঁও পঞ্চায়তৰ ৰঙাজান মৰাণত ছদিনীয়া কার্যসূচীৰে আয়োজন কৰা বিহুনাচ কর্মশালা যোৱা ২৮ মার্চত মৰাণ প্রাথমিক বিদ্যালয়ত উদ্বোধন কৰে তিতাবৰ প্রেছ ক্লাবৰ সভাপতি বিমান শইকীয়াই। জ্যোতিৰূপা ক্রীড়া সাংস্কৃতিক বিকাশ কেন্দ্র আৰু মইনা পাৰিজাতৰ লগতে লখিমী মহিলা সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত বিহুনাচ কর্মশালাত গাঁওখনৰ যুৱক-যুৱতী আৰু বয়োজ্যেষ্ঠ পুৰুষ-মহিলাসকলেও সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হয়। জ্যোতিৰূপা ক্রীড়া সাংস্কৃতিক বিকাশ কেন্দ্র আৰু মইনা পাৰিজাতৰ সভাপতি দিগন্ত বৰা আৰু সম্পাদক সত্যজিৎ গগৈ, কোষাধ্যক্ষ ত্রিলোচন গগৈ, লখিমী মহিলা সমিতিৰ সভানেত্রী ইলি বৰুৱা গগৈ, সম্পাদিকা ৰাখী সন্দিকৈৰ নেতৃত্বত আয়োজন কৰা বিহুনাচ কর্মশালাত প্রশিক্ষণ প্রদান কৰিছে কৰবী গগৈ দলে, দিগন্ত গগৈ, পংকজ জ্যোতি গগৈ (পাপা), পংকজজ্যোতি গগৈ (বাবু), অভিজিৎ বৰাই।

বিশ্বনাথৰ প্রাথমিক বিদ্যালয়ত সামূহিক উৎসৱ পালন

অগ্রদূত বার্তা

বিশ্বনাথ চাৰিআলি, ৩০ মার্চ ঃ প্রাথমিক বিদ্যালয়সমূহৰ কণ কণ ছাত্র-ছাত্রীৰ শাৰীৰিক, মানসিক বিকাশৰ যোগেদি সুস্থ পৰিবেশ গঢ়াৰ উদ্দেশ্য প্রতিবছৰে পালন কৰা হয় সামূহিক উৎসৱ। বিশ্বনাথৰ খৰাশিমলু কেন্দ্রৰ ১০ খন বিদ্যালয়সমূহৰ সামূহিক উৎসৱ ২০২২ পালন কৰা হয়। সাধাৰুপাৰ প্রাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা সামূহিক উৎসৱ অনুষ্ঠানৰ আৰম্ভণিতে সাংস্কৃতিক শোভাযাত্রা উলিওৱা হয়। বিদ্যালয়ৰ সহকাৰী শিক্ষক দীপাংকৰ বায়নে আঁত ধৰা অনুষ্ঠানত জিলা আঁচনি বিষয়া ৰবীন হাজৰিকা, গাঁও উন্নয়ন সমিতিৰ সভাপতি মাণিক বৰুৱা, বিচাৰক প্রদীপ শইকীয়া, ত্রিবেণী কটকীৰ লগতে ১০ খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্রী, ছাত্র-ছাত্রী উপস্থিত আছিল। ক'ভিডকালীন পৰিস্থিতিৰ বাবে দুটা বছৰ অনুষ্ঠিত হোৱা নাছিল এই অনুষ্ঠানটি। কিন্তু এইবাৰ ক'ভিড কিছু শাম কটাৰ বাবে সামূহিক উৎসৱ পালন কৰিবলৈ সক্ষম হৈছে বুলি মণ্ডল সমল কেন্দ্রৰ সমন্বয়ক জয়ন্ত কুমাৰ বৰাই জনায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি দিহানাম, লোক নৃত্য, বিহু নৃত্য, নেপালী, বড়ো, আদিবাসী নৃত্য প্রতিযোগিতা অনুষ্ঠিত হয়।

নামৰূপ সাৰ কাৰখানাত গঠন হ'ল ইণ্ডিপেণ্ডেণ্ট ইউনিয়ন নামেৰে এখন নতুন ইউনিয়ন

নাহৰকটীয়া, ৩০ মার্চ ঃ উত্তৰ- পূর্বাঞ্চলৰ একমাত্র তথা সর্ববৃহৎ সাৰ উদ্যোগ নামৰূপস্থিত ব্ৰহ্মপুত্র ভেলী ফার্টিলাইজাৰ কর্প'ৰেছন লিমিটেড চমুকৈ বি ভি এফ চি এলত নামৰূপ ফার্টিলাইজাৰ হণ্ডিপেণ্ডেণ্ট ইউনিয়ন নামেৰে এখন নতুন ইউনিয়নৰ গঠন হয়। নৱ গঠিত ইউনিয়নখনে ২৭ মার্চৰ সন্ধিয়া ইউনিয়নখন জন্ম হোৱাৰ লক্ষ্য-উদ্দেশ্য আনুষ্ঠানিকভাৱে ঘোষণা কৰে। নতুন ইউনিয়নখনত পৰেশ গগৈক সভাপতি আৰু মৃণাল সন্দিকৈক সাধাৰণ সম্পাদকৰূপে লৈ এক শক্তিশালী সমিতি গঠন কৰা হয়। বি ভি এফ চি এল চিকিৎসালয়ৰ মুখ্য চিকিৎসক ডাঃ অজয় বৰুৱা প্রমুখ্যে কে'বাগৰাকী বিষয়া-কর্মচাৰী উপদেষ্টাৰূপে থাকে নৱ গঠিত ইউনিয়নখনত। কালি সন্ধিয়া ইণ্ডি পেণ্ডেণ্ট ইউনিয়নৰ বিষয়ববীয়াই উদ্যোগটোৰ আলোচনা কক্ষত অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° শিৱ প্রসাদ মাহান্তি আৰু উদ্যোগটোৰ বিষয়াসকলক সাক্ষাৎ কৰি আলোচনাত মিলিত হয়। উদ্যোগটোৰ কর্তৃপক্ষই নতুন ইউনিয়নক আদৰণি জনায়।

গোৱালপাৰাৰ শোলমাৰীত চোৰাং কাঠভর্তি বাহন জব্দ

অগ্রদূত বার্তা

মাটিয়া, ৩০ মার্চ ঃ গোৱালপাৰাত অব্যাহত আছে চোৰাং কাঠৰ সৰবৰাহ। কালি সন্ধিয়া ৬-৩০ বজাত টহলদাৰী বনকর্মীয়ে ১৭ নম্বৰ ৰাষ্ট্রীয় ঘাইপথৰ শোলমাৰীৰ পৰা এ এছ-১৮ চি-৫৫৮৪ নম্বৰৰ চোৰাং কাঠভর্তি বলেৰ' পিক আপ ভান এখন জব্দ কৰে। জব্দকৃত চোৰাং কাঠখিনিৰ বজাৰ মূল্য প্রায় অর্ধ শতাধিক টকা হ'ব বুলি গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই সদৰী কৰিছে।

দলগাঁৱত 'পৰীক্ষা পে চর্চা'

অগ্রদূত বার্তা

দলগাঁও, ৩০ মার্চ ঃ প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে অহা এক এপ্রিলত 'পৰীক্ষা পে চর্চা'ৰ পঞ্চম সংস্কৰণৰ সময়ত সমগ্র বিশ্বৰ শিক্ষার্থী, শিক্ষক আৰু অভিভাৱকৰ স'তে বার্তালাপ কৰিব। প্রধানমন্ত্রী মোদীয়ে শিক্ষার্থী, শিক্ষক, অভিভাৱক আৰু সমাজক একত্রিত কৰি এনে এক পৰিৱেশ গঢ়ি তোলা প্রচেষ্টাৰ দ্বাৰা পৰিচালিত এক আন্দোলন য'ত প্রতিটো শিশুৰ অনন্য স্বকীয়তা উদ্‌যাপন, উৎসাহ আৰু নিজকে সম্পূর্ণৰূপে প্রকাশ কৰিবলৈ অনুমতি দিয়া হয়। অনুষ্ঠান দূৰদর্শন, ৰেডিঅ', আৰু অনলাইন প্লেটফৰ্মত পোনপটীয়াকৈ সম্প্রচাৰ কৰা হ'ব। এই সন্দর্ভত দলগাঁৱৰ কেন্দ্রীয় বিদ্যালয়ৰ অধ্যক্ষ মূল সিং শেখোৱটে কয় যে বিদ্যালয়খন এই কার্যসূচীৰ অংশ হ'বলৈ সাজু। সকলোৱে ক'ভিড-১৯ প্রট'কল অনুসৰণ কৰি প্রজেক্টৰ আৰু টিভিৰ জৰিয়তে বিদ্যালয় চৌহদত এই কার্যসূচী পোনপটীয়াকৈ প্রচাৰ কৰা হ'ব।

শিল্পী সত্যজিৎ বৰাক অসম জ্ঞান ৰত্ন বঁটা প্রদান

অগ্রদূত বার্তা

গৌৰীসাগৰ, ৩০ মার্চ ঃ শিৱসাগৰ নগৰৰ ইতিহাস সমৃদ্ধ এক নম্বৰ টাউন প্রাথমিক বিদ্যালয়ৰ শিক্ষক তথা সুগায়ক সমাজকর্মী সত্যজিৎ বৰাক ২০২২ৰ অসম জ্ঞান ৰত্ন বঁটা প্রদান কৰা হয়। অসম জ্ঞান ৰত্ন সমন্বয় গোষ্ঠীৰ উদ্যোগত কালি বেলতলাস্থিত অমলপ্রভা ভৱনত অনুষ্ঠিত এখন সভাত এই বঁটা প্রদান কৰা হয়। বিশিষ্ট লেখিকা বৈজয়ন্তী গোস্বামী মুখ্য অতিথিৰূপে উপস্থিত থকা সভাখনত শিক্ষক তথা গায়ক সত্যাজিৎ বৰাৰ লগতে বিভিন্ন ক্ষেত্রত নিজৰ কর্মৰাজিৰে জিলিকি ৰোৱা আন বহু কেইগৰাকী বিশিষ্ট ব্যক্তিকো এই বঁটা প্রদান কৰা হয়। গৌৰীসাগৰৰ সমীপৰ ভটীয়াপাৰৰ নিবাসী অসম জ্ঞান ৰত্ন বঁটা প্রাপক সত্যজিৎ বৰাই নিজ বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলক সাংস্কৃতিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্রত লোৱা ভূমিকাৰ বাবেই এই বঁটা প্রদান কৰে।

দুই এপ্রিলত ডিমৌ ব্লক আর্যভট্ট বিজ্ঞান কেন্দ্রৰ উদ্যোগত বিজ্ঞান ভিত্তিক প্রতিযোগিতা

অগ্রদূত বার্তা

ডিমৌ, ৩০ মার্চ ঃ অসম ভিত্তিক বৃহৎ স্বেচ্ছাসেৱী সংগঠন ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্রৰ দ্বাৰা পৰিচালিত ডিমৌ ব্লক আর্যভট্ট বিজ্ঞান কেন্দ্রৰ উদ্যোগত অহা দুই এপ্রিলত ডিমৌৰ সমীপৰ হাৰিপাৰাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত দিনজোৰা কার্যসূচীৰে বিজ্ঞান ভিত্তিক এক বিশেষ প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টমৰ পৰা একাদশ শ্রেণীলৈ অনুষ্ঠিত হ'বলগীয়া বিজ্ঞান ভিত্তিক প্রতিযোগিতাত ডিমৌ উন্নয়ন খণ্ডৰ অন্তর্গত সমূহ বিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে অংশগ্রহণ কৰিব পাৰিব। দিনটোৰ অন্যান্য কার্যসূচীৰ সমান্তৰালকৈ পুৱা ৯-৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া প্রতিযোগিতাসমূহ হৈছে আকস্মিক বক্তৃতা, পোষ্টাৰ অংকন প্রতিযোগিতা, বিজ্ঞান প্রকল্পৰ আর্হি প্রদর্শনী আৰু বৈজ্ঞানিক ধাৰণা প্রতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি বঁটা বিতৰণী সভাত স্থানীয় বহুকেইজন বিশিষ্ট নাগৰিক উপস্থিত থাকি ছাত্র-ছাত্রীসকলক উদ্দেশি বক্তব্য ৰাখিব। প্রতিযোগিতাত অংশগ্রহণ কৰিব বিচৰা ছাত্র-ছাত্রীসকলে ৮১৩৬০৫৫৮৬৬ নতুবা ৭০০২৯৪৫৪৪১ নম্বৰত যোগাযোগ কৰি যোগদান নিশ্চিত কৰিবলৈ আহ্বান জনাইছে আয়োজকসকলে।

দৰং জিলাৰ শালমাৰাত ম্যাদী মাটিত গৃহ নির্মাণত বাধা

অগ্রদূত বার্তা

দুমুনিচকী, ৩০ মার্চ ঃ দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তর্গত শালমাৰা গাঁৱত এটুকুৰা ম্যাদী মাটিত ঘৰ নির্মাণত বাধা প্রদান কৰিছে একাংশ লোকে। প্রাপ্ত তথ্যমতে, শালমাৰা গাঁৱৰ নিবাসী ইব্রাহিম আলীয়ে নিজৰ ম্যাদী মাটিত নতুনকৈ গৃহ নির্মাণ কৰি এখন চৰকাৰী বিদ্যালয়ৰ শিক্ষক আৰু তেওঁৰ পত্নী সানোৱা নিবাসী অংগনৱাড়ী কর্মীৰ পৰিয়ালক ১০ বছৰৰ বাবে ভাড়াত দিবলৈ বিচৰাক কেন্দ্র কৰি একে গাঁৱৰে একাংশ ব্যক্তিয়ে তীব্র বিৰোধ কৰে। বিৰোধ কৰা লোকসকলে শিক্ষকজন অসমীয়া মূলৰ নহয় বৰঞ্চ সন্দেহজনক নাগৰিক বুলি অভিযোগ তুলি তেওঁৰ পৰিয়ালক গাঁওখনত নিগাজিকৈ থাকিব দিব অমান্তি হয়। এই কথাত ক্ষোভিত হৈ মাটিৰ গৰাকী আলীয়ে এগৰাকী চৰকাৰী বিদ্যালয়ৰ চৰকাৰী দৰমহাপ্রাপ্ত শিক্ষক কেনেদৰে সন্দেহজনক নাগৰিক হ'ব পাৰে বুলি প্রশ্ন উত্থাপন কৰি পৰিয়ালটোক থাকিবলৈ শালমাৰা গাঁৱত থকা তেওঁৰ মাটিডৰাত তর্জাৰে ঘৰ সাজি দমকল স্থাপন কৰি থকাৰ ব্যৱস্থা কৰি দিয়ে। ইয়াৰ পাছতে এটা দুর্বৃত্তৰ দলে শিক্ষকজনৰ পত্নী তথা অংগনৱাড়ী কর্মীগৰাকীক অপদস্থ কৰাৰ লগতে ২৪ মার্চৰ নিশা অচিন দুর্বৃত্তই আলীৰে ম্যাদী মাটিত থকা ঘৰটো লণ্ডভণ্ড কৰে। ঘৰৰ চৌহদত থকা দমকলটোও চুৰি কৰি লৈ যায়। এই সমগ্র ঘটনা সন্দর্ভত আলীয়ে ছিপাঝাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এই ঘটনাক লৈ সাধাৰণ ৰাইজৰ মাজত তীব্র প্রতিক্রিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে শিক্ষক আৰু অংগনৱাড়ী কর্মীগৰাকী গাঁওখনৰে এটা পৰিয়ালত বিগত কে'বা বছৰৰ পৰা বর্তমানলৈ ভাড়াতীয়া হিচাপে বাস কৰি আছে। তেনে অৱস্থাত কোনোদিনে কোনো প্রশ্নৰ অৱতাৰণা নকৰা বিশেষ চক্রটোৱে আলীৰ ম্যাদী মাটিত পৰিয়ালটো থাকিব বিচৰাৰ লগে লগে কিয় তীব্র বিৰোধ আৰম্ভ কৰিছে সেয়াহে ৰহস্যৰ আৱৰ্তত।

দুর্বৃত্তই লণ্ডভণ্ড কৰিলে ঘৰ

তামুলপুৰ সাপ্তাহিক বজাৰৰ নৱ নির্মিত বজাৰ গৃহ মুকলি

অগ্রদূত বার্তা

তামুলপুৰ, ৩০ মার্চ ঃ তামুলপুৰ জিলা সদৰস্থিত তামুলপুৰ সাপ্তাহিক বজাৰৰ এটি নৱ নির্মিত বজাৰ গৃহ কালি ব্যৱসায়ীসকলৰ বাবে মুকলি কৰা হয়। তামুলপুৰ উন্নয়ন খণ্ডৰ অন্তর্গত আৰু দুই নম্বৰ তামুলপুৰ ভিচিডিচিৰ অধীনস্থ সাপ্তাহিক বজাৰৰ উত্তৰ দিশত মাছ ব্যৱসায়ীসকলৰ সুবিধার্থে শ্যামা প্রসাদ মুখার্জী গ্রাম্য-নগৰ আঁচনিৰ অধীনত ২৫ লাখ টকা ব্যয়েৰে নির্মিত বজাৰ গৃহটি আজি পুৱা মুকলি কৰে বিটিচিৰ বজাৰ উন্নয়ন বিভাগৰ অধ্যক্ষ তথা গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ এমচিএল পবিত্র কুমাৰ বড়োই। বজাৰ গৃহটো মুকলি কৰি পবিত্র কুমাৰ বড়োই কয় যে বিটিআৰ অঞ্চলত থকা প্রত্যেকখন দৈনিক-সাপ্তাহিক বজাৰত ক্রেতা-বিক্রেতাসকলে যাতে এক স্বচ্ছ আৰু নিকা পৰিৱেশত সামগ্রী কিনা-বেচা কৰিব পাৰে তাৰ বাবে বজাৰসমূহৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি গ্রহণ কৰা হৈছে। তাৰ অংশৰূপে তামুলপুৰ সাপ্তাহিক বজাৰতো বিটিআৰ চৰকাৰে ক্রেতা-বিক্রেতাৰ সুবিধাৰ কাৰণে বজাৰ গৃহ নির্মাণ কৰা হৈছে। এতিয়া ইয়াক ভালদৰে চোৱাচিতাৰ দায়িত্ব ল'ব লাগিব ব্যৱসায়ী তথা বজাৰ মহলদাৰসকলে। ইউপিপিএল নেতা জিতেন মোছাহাৰীয়ে আঁতধৰা বজাৰ গৃহ অনুষ্ঠানত উপস্থিত থাকে বিটিচিৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভা, বাগ্‌সা জিলাৰ প্রকল্প বিষয়া আশ্রাফুল আমিন, তামুলপুৰ ৰাজহ চক্র বিষয়া ওৱাহেদূৰ ৰহমান, তামুলপুৰ খণ্ড উন্নয়ন বিষয়া হিৰন্ময়ী চহৰীয়া, ডিআৰডিএৰ অভিযন্তা বাহাৰুল ইছলাম, আশা প্রদান, তামুলপুৰ টিচিএলচিচিৰ অধ্যক্ষ পবিত্র নার্জাৰী, তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্রাপ্ত বিষয়া ভাস্কৰ দেওঘৰীয়া, তামুলপুৰ ব্লকৰ গাণনিক অনিল মেধী, তামুলপুৰ বজাৰ মহলদাৰ সন্থাৰ লগতে তামুলপুৰ বিজেপি তথা ইউপিপিএলৰ নেতা কর্মীসকল উপস্থিত থাকে।

চাপবিহীন পৰীক্ষা অনুষ্ঠিত কৰিবলৈ পহিলা এপ্রিলত প্রধানমন্ত্রী মোদীৰ 'পৰীক্ষা পে চর্চা'

অগ্রদূত বার্তা

মাটিয়া, ৩০ মার্চ ঃ অহা পহিলা এপ্রিলত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে চাপবিহীন পৰীক্ষা অনুষ্ঠিত কৰাৰ পোষকতাৰে 'পৰীক্ষা পে চর্চা' মত বিনিময় কৰিব বুলি কালি গোৱালপাৰাৰ কেন্দ্রীয় বিদ্যালয়ৰ অধ্যক্ষই এক বিবৃতিযোগে সদৰী কৰে। বিবৃতিটোত উল্লেখ কৰা মতে, কেন্দ্রীয় শিক্ষামন্ত্রী ধর্মেন্দ্র প্রধানে আজি এই বিষয়ে সদৰী কৰি কয় যে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে পহিলা এপ্রিলত ছাত্র-ছাত্রী, শিক্ষক-শিক্ষয়িত্রী আৰু অভিভাৱকসকলৰ মাজত মত বিনিময়ৰ জৰিয়তে পৰীক্ষাত চাপ সৃষ্টি কৰিব পৰা সকলো প্রশ্নৰ উত্তৰ দিব। এই কার্যসূচী পোনপটীয়াকৈ সম্প্রচাৰ হ'ব। বাছনিকৃত ছাত্র-ছাত্রীসকলে প্রতিখন ৰাজ্যৰ ৰাজভৱনত উপস্থিত হৈ ৰাজ্যপালৰ উপস্থিতিত কার্যসূচী উপভোগ কৰিব পাৰিব। কেন্দ্রীয় শিক্ষামন্ত্রীজনে আৰু কয় যে 'পৰীক্ষা পে চর্চা' কার্যসূচীয়ে প্রতিখন ৰাজ্যৰ ছাত্র-ছাত্রী, শিক্ষক-শিক্ষয়িত্রী, অভিভাৱকসকলক উৎসাহ যোগাব। কেন্দ্রীয় মন্ত্রীজনে কয় যে প্রধানমন্ত্রী মোদীৰ নেতৃত্বত আৰম্ভ হোৱা 'পৰীক্ষা যোদ্ধা' হিচাপে 'পৰীক্ষা পে চর্চা' এটা বৃহৎ আন্দোলন গঢ়ি উঠিব আৰু কণ কণ ছাত্র-ছাত্রীসকলৰ বাবে চাপবিহীন পৰীক্ষাৰ এটা পৰিৱেশৰ সৃষ্টি হ'ব। এই সন্দর্ভত প্রধানমন্ত্রীয়ে কে'বাটাও মত বিনিময় অনুষ্ঠান অনুষ্ঠিত কৰা বুলি উল্লেখ কৰে।

শুৱালকুছিত ঐতিহাসিক অশোকাষ্টমীৰ আয়োজন

■ ব্ৰহ্মপুত্ৰত স্নান কৰিব শ্ৰীশ্ৰী মাধৱ গোসাঁইকে ধৰি সাতটা প্ৰভু

অগ্রদূত বার্তা

শুৱালকুছি, ৩০ মার্চ ঃ নামনি অসমৰ সমন্বয়ৰ অন্যতম ধর্মমেলা শুৱালকুছিৰ ঐতিহাসিক অশোকাষ্টমী মহামেলাৰ প্রস্তুতি চলিছে। বস্ত্রনগৰী শুৱালকুছিৰ ব্ৰহ্মপুত্রৰ বালিচাপৰিত আয়োজিত উক্ত মেলা ন আৰু ১০ এপ্রিলত অনুষ্ঠিত হ'ব। প্রতি বছৰৰ চ'তৰ ৰোহিণী নক্ষত্র তিথিত পৱিত্র গংগা নদীৰ জলাধাৰ এই তিথিত মহাবাহু ব্ৰহ্মপুত্র মিলিত হৈ ব্ৰহ্মপুত্রক পাপমুক্ত কৰে বুলি প্রবাদ আছে। সেয়ে উক্ত তিথিত হাজোৰ শ্রীশ্রীহয়গ্রীৱ মাধৱ প্রভুকে ধৰি শ্রীশ্রী কেদাৰনাথ, শ্রীশ্রী অগ্নিবাণেশ্বৰ, শ্রীশ্রী গণেশ বংশৰৰ শ্রীশ্রী ভৃংগেশ্বৰ, বামুন্দীৰ শ্রীশ্রী ধাৰেশ্বৰ আৰু শুৱালকুছি ঈশ্বৰ শ্রীশ্রী সিদ্ধেশ্বৰ দেৱালয় প্রভুক আনি ব্ৰহ্মপুত্রত স্নান কৰায়। তদুপলক্ষে বালিচৰত এক মহামেলাৰ উপৰি হিন্দু ধর্মাৱলম্বী লোকসকলে মৃত আত্মীয়ৰ অস্থি মাংগলিক কার্যৰে বিসর্জন দিয়ে। সদৌ শুৱালকুছিৰ অশোকাষ্টমী মেলা পৰিচালনা সমিতিৰ কার্যসূচী অনুসৰি ন এপ্রিলৰ পুৱা পতাকা উত্তোলন কৰিব পৰিচালনা সমিতিৰ সভাপতি শৈলেন শৰ্মাই। সপ্তবেদী ক্রমে মাধৱ কেদাৰ-অগ্নিবানেশ্বৰ-গণেশ-ভৃংগেশ্বৰ-ধাৰেশ্বৰ আৰু সিদ্ধেশ্বৰ প্রভুৰ বেদীত বন্তি প্রজ্বলন কৰিব স্থানীয় জ্যেষ্ঠ নাগৰিক ক্রমে অনিল কুমাৰ শর্মা, মাধৱ কলিতা, ঘনাকান্ত দাস, কৰুণা ডেকা বীৰেন চন্দ্র দাস, হলিৰাম কলিতা আৰু ৰামেশ্বৰ বৈশ্যই। তাৰ পাছতে অশোকাষ্টমী মেলা অনুষ্ঠিত হ'ব। নিশা শংকৰজ্যোতি নাট্য পৰিষদৰ দ্বাৰা নাট্যভিনয়ৰে পহিলা দিনৰ কার্যসূচী অন্ত পৰিব। ১০ এপ্রিলৰ পুৱাৰে পৰা যাত্রীৰ বাবে মেলা আৰম্ভ হৈ সন্ধিয়া সাত বজাত পতাকা অৱতৰণৰে এই বছৰৰ মেলা সমাপ্ত হ'ব। উল্লেখ্য যে যোৱা দুটা বর্ষ মহামাৰী ক'ভিডৰ বাবে ভক্তপ্রাণ ৰাইজে মৃত আত্মীয়ৰ অস্থি বিসর্জন দিব পৰা নাছিল। লগতে সমাগত বাপতি সাহোন ৰঙালী বিহুৰ বিহুৱান ক্রয়ৰ বাবে এইবেলি অশোকাষ্টমী মেলাত মাত্রাধিক ভক্তৰ সমাগম হোৱাৰ আশা কৰে অশোকাষ্টমী মেলা পৰিচালনা সমিতিৰ সভাপতি শৈলেন শর্মা আৰু সম্পাদকদ্বয় বিনয় কলিতা আৰু দীপেন্দ্র পাটোৱাৰীয়ে।

ৰিপুনকে ভোট দিম, আজি ভূপেন বৰা হাৰিব আৰু ইউডিএফ

এক পৃষ্ঠাৰ পৰা এই সময়ত মনোৰঞ্জন তালুকদাৰ বিশেষ কাৰণত উপস্থিত হ'ব পৰা নাই। অখিল গগৈ আছে। আমি ২৮জন একেলগে আছো।' তদুপৰি তেওঁ ইউডিএফ সম্পৰ্কেও কয়, 'তেওঁলোকে জনাইছে যে আমাক ১৫টা ভোট দিব।' প্ৰাৰ্থী বৰাক বিজয়ী কৰিব বুলি দৃঢ়তা প্ৰদৰ্শন কৰি অখিল গগৈয়ে কয়, 'আমি ৰিপুন বৰাক জিকাম। এই সংকল্প লৈছো। চৰকাৰৰ যিকোনো ষড়যন্ত্ৰ ওফৰাই বিৰোধী প্ৰাৰ্থীক জিকাব লাগিব। আমি ৰিপুন বৰাক জয়যুক্ত কৰিম।'

ইপিনে, প্ৰাৰ্থী ৰিপুন বৰাই কয় যে কাইলৈ হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচন গোটেই ভাৰতত সম্পূৰ্ণৰূপে আদৰ্শ হ'ব। 'এই নিৰ্বাচন গণতন্ত্ৰ বনাম একনায়কত্ববাদ, সাম্প্ৰদায়িকতা বনাম ধৰ্মনিৰপেক্ষতাৰ নিৰ্বাচন।' এইদৰে মন্তব্য কৰি তেওঁ কয় যে ধৰ্মনিৰপেক্ষতা আৰু চৰকাৰী ষড়যন্ত্ৰ ওফৰাই সংবিধান ৰক্ষাৰ বাবে সকলোৰে বিৰোধীকে ভোট দিব।

ইপিনে, ইউডিএফৰ বিধায়ক কৰিমউদ্দিন বৰভূঞাই কয়, 'কাইলৈ ভূপেন বৰা হাৰিব আৰু ৰিপুন বৰা জিকিব। আমি ১৫জন একেলগে আছো। আমাৰ দুই তৰপীয়া হুইপ জাৰি কৰা হৈছে। আমি ৰিপুন বৰাক ভোট দিম।' তেওঁ কয় যে দলৰ মুৰব্বী আজমলে ব্যক্তিগতভাৱে প্ৰতিজন বিধায়কৰ স'তে কথা পাতিছে আৰু কাইলৈ একগোট হৈ ভোট দিবলৈ কৈছে। আনহাতে, স্বচ্ছতা প্ৰদৰ্শন আৰু স্পষ্টতা ৰক্ষাৰ বাবে ইউডিএফৰ বিধায়কসকলৰ ভোটদানৰ বাবে পৃথক বাকচৰ ব্যৱস্থা কৰিবলৈ বিধানসভা সচিবালয়ৰ মুখ্য সচিব তথা ৰিটাৰ্ণিং বিষয়াক লিখিত পত্ৰ দলে প্ৰেৰণ কৰা বুলিও তেওঁ জনায়। ইপিনে, ভূপেন বৰাক অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতিৰ দায়িত্বৰ পৰা অপসাৰণ কৰিবলৈ ইউপিএৰ সভানেত্ৰী ছোনিয়া গান্ধীক ইউডিএফে লিখিত পত্ৰ দিব। বিজেপিৰ এজেণ্ট ভূপেন বৰাক আঁতৰাবলৈ ইউপিএৰ সভানেত্ৰীক পত্ৰ প্ৰেৰণ কৰিব বুলি উল্লেখ কৰি বৰভূঞাই কয় যে বৰাই ইউডিএফৰ ভাবমূৰ্তি ম্লান কৰিব বিচাৰিছে। 'ভূপেন বৰাই উচটনি দিছিল যাতে আমি ভোটদানৰ পৰা বিৰত থাকো। তেওঁৰ এই অপচেষ্টাৰ জালত ভৰি দি আমি সিদ্ধান্ত গ্ৰহণ কৰা অপৰিপক্ক দল নহয়।' এইদৰে বিধায়ক বৰভূঞাই কয়। উল্লেখ্য যে যোৱা নিশা প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে ইউডিএফক কৰা চোকা সমালোচনাৰ পাছত ব্যাপক বিভ্ৰান্তিৰ সৃষ্টি হয়। নিশাই জৰুৰী বৈঠকত মিলিত হয় ইউডিএফ। একেদৰে কংগ্ৰেছতো প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

জ্যেষ্ঠ ভগ্নীৰ মনোভাৱ দেখুৱাবই লাগিব

এক পৃষ্ঠাৰ পৰা কথাবোৰৰ প্ৰতিফলন ঘটিছে। অসমে সদায় উত্তৰ-পূৰ্বাঞ্চলৰ হকে যুঁজ দি আহিছে। আমাৰ উত্তৰ-পূৰ্বাঞ্চলত সুকীয়া সময় মণ্ডলৰ প্ৰয়োজন আছে। আমাক একত্ৰিত কৰা নীতিও লাগে। আমাৰ মাজত সদ্ভাৱ বৃদ্ধি পালেহে এইবোৰ সম্ভৱ হ'ব। সীমান্তৰ বিবাদৰ বাবেই আমাৰ মাজত এক অবিশ্বাসৰ পৰিৱেশ বিৰাজ কৰি থাকে। সেয়েহে আমি বাস্তৱৰ সন্মুখীন হ'ব লাগিব। সেই কথা মেঘালয়েও বুজি পাইছে। চুক্তি স্বাক্ষৰ হোৱাৰ পাছত এক আনন্দৰ পৰিৱেশ সৃষ্টি হৈছে। ইয়াত কোনো হৰা-জিকা নাই। দুয়ো ৰাজ্যই ভাবিছে যে আমি কিবা নহয় কিবা এটা পালো।' তেওঁ কয় যে চুক্তি স্বাক্ষৰৰ পাছত তেওঁ এক সন্তুষ্টিৰ অনুভৱ কৰিছে। সমগ্ৰ দেশজুৰি সংবাদ মাধ্যমে অসম-মেঘালয় চুক্তিক প্ৰশংসা কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে দেশৰ বিভিন্ন সংবাদ মাধ্যমে এই কথা প্ৰকাশ কৰিছে যে কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ দৰে ৰাজ্যতো সীমা বিবাদ নিষ্পত্তিৰ বাবে অসম-মেঘালয় মডেল গ্ৰহণ কৰিব লাগে।

দীৰ্ঘদিনীয়া বিবাদ

'কালি নতুন দিল্লীত অসম-মেঘালয়ৰ মাজত সীমাক লৈ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অবিভক্ত অসমৰ দুখন জিলা খাচিয়া আৰু জয়ন্তীয়া পাহাৰ আৰু গাৰো পাহাৰ জিলাক লৈ মেঘালয় গঠন হৈছিল। ১৯৬৯ত স্বায়ত্তশাসিত মেঘালয় ৰাজ্য এই জিলা দুখনক লৈ গঠন কৰা হৈছিল। উত্তৰ-পূৰ অঞ্চল পুনৰ গঠন আইন ১৯৭১ৰ অধীনত ১৯৭২ৰ ২১ জানুৱাৰীত মেঘালয় ৰাজ্যৰ জন্ম হয়।' এইদৰে মেঘালয়ৰ জন্মৰ ইতিহাস বৰ্ণনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে জন্মৰে পৰা মেঘালয়-অসমে সীমান্ত বিবাদৰ মুখামুখি হৈ আহিছে। এই বিবাদ নিষ্পত্তিৰ বাবে বহু চেষ্টা চলি আহিছে। সময়ে সময়ে সীমাক লৈ বিভিন্ন দাবী উত্থাপন কৰি আহিছে মেঘালয়ে। ইয়াৰ লগে লগে সীমা নিৰ্ণয়ৰ প্ৰচেষ্টাও চলি থাকে যদিও ইয়াৰ কোনো ফলপ্ৰসূ সমাধান হোৱা নাছিল। মুখ্যমন্ত্ৰীয়ে কয় যে সীমা সমস্যাই দুই ৰাজ্যৰ সম্পৰ্ক নিৰন্তৰভাৱে জৰ্জৰিত কৰি আহিছে। ১৯৯৩ত মেঘালয়ে অসমৰ সীমাৰ পৰা ১২টা অঞ্চল দাবী কৰে। ২০২১ৰ আঠ আগষ্টত মেঘালয়ে দাঙি ধৰা ১২টা মতপাৰ্থক্য থকা অঞ্চলকেইটা হৈছে তাৰাবাৰী, গিজাং, হাহিম, লাম্পী, ব'ৰদুৱাৰ, ব'কলাপাৰা, নংৱাহ-মৌতামুৰ (গড়ভাঙা), খানাপাৰা-পিলিংকাটা, ডেছডুমৰি, ব্লক-১ আৰু ব্লক-২, ছিয়াৰ আৰু খাণ্ডুলি তথা ১২ নম্বৰ বিবাদস্থলীটো হৈছে ৰাতাচেৰা। মুখ্যমন্ত্ৰী ড° শৰ্মাই সদনত কয় যে বিভিন্ন সময়ত শান্তিপূৰ্ণ সমাধান বিচাৰি দুই ৰাজ্যৰ মুখ্যমন্ত্ৰী পৰ্যায়ত ২২খন, মুখ্য সচিব পৰ্যায়ত ১৯খন আৰু অন্যান্য বিষয় পৰ্যায়ত ১৩খন বৈঠক অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ পাছত ২০২১ৰ ২৩ জুলাইত অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীদ্বয়ে এক যুগান্তকাৰী সিদ্ধান্ত লয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কম স্পৰ্শকাতৰ ছটা অঞ্চলত প্ৰথম পৰ্যায়ত মতপাৰ্থক্য দূৰ কৰাৰ চেষ্টা কৰা হয়। এইকেইটা হৈছে তাৰাবাৰী, গিজাং, হাহিম, ব'কলাপাৰা, খানাপাৰা-পিলিংকাটা আৰু ৰাতাচেৰা। এইমৰ্মে তিনিখন আঞ্চলিক কমিটী গঠন কৰা হয়, য'ত সৰ্বদলীয় প্ৰতিনিধি থাকে। অসমৰ দিশত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অতুল বৰা আৰু পীযুষ হাজৰিকাৰ নেতৃত্বত তিনিখন কমিটী গঠন কৰা হৈছিল আৰু একেদৰে মেঘালয়ে সমপৰ্যায়ৰ কমিটী গঠন কৰিছিল। ইয়াত স্থানীয় বিধায়কসকলো অন্তৰ্ভুক্ত হয়। এই কমিটীক কমেও পাঁচটা বিবদমান অঞ্চল ভ্ৰমণ কৰি সমস্যা সমাধানৰ দায়িত্ব অৰ্পণ কৰা হয়। কমিটীসমূহে তেওঁলোকৰ বিশ্লেষণৰ সময়ত জুকিয়াই চাবলৈ কেইটামান বিষয় নিৰ্ধাৰণ কৰি দিয়া হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই বিষয়কেইটা হৈছে ঐতিহাসিক প্ৰেক্ষাপট, স্থানীয় জনসংখ্যাৰ খিলঞ্জীয়া পৰিচয়, সীমাৰ সংলগ্নতা, মানুহৰ ইচ্ছা আৰু প্ৰশাসনিক সুবিধা। দুই ৰাজ্যৰ সহমতত এইকেইটা বিষয় নিৰ্ধাৰণ কৰা হৈছিল। মুখ্যমন্ত্ৰীয়ে কয় যে অসম-মেঘালয়ৰ তিনিটা মাণ্ডলিক কমিটীয়ে যৌথ পৰ্যবেক্ষণ কৰি ছটা বিবদমান অঞ্চললৈ গৈ স্থানীয় গাঁওবাসীৰ স'তে তথা বিভিন্ন সম্প্ৰদায়ৰ স'তে কথা-বতৰাই নহয়, ৰাজনৈতিক দল আৰু নাগৰিক সমাজৰ স'তেও আলোচনা কৰে। তেওঁ কয় যে এই মাণ্ডলিক কমিটীৰ প্ৰতিবেদন অনুসৰি মেঘালয়ে দাবী কৰা মেঘালয়ে দাবী কৰা ছটা বিবদমান অঞ্চল ৩৬.৭৯ বৰ্গ কিলোমিটাৰৰ ভিতৰৰ প্ৰায় ১৮.৩৩ বৰ্গ কিলোমিটাৰ মেঘালয়ৰ লগত থাকিব আৰু অসমৰ লগত থাকিব ১৮.৪৬ কিলোমিটাৰ। তেওঁ কয় যে এনে বহু অঞ্চল আছিল যিবোৰ দীৰ্ঘদিন ধৰি মেঘালয়ৰ স'তে আছে। 'বিবদমান বুলি চিনাক্ত কৰা ৰাতাচেৰাৰ বাসিন্দাই দীৰ্ঘদিন ধৰি মেঘালয়ৰ স'তে যুক্ত হৈ আছিল। তেওঁলোকে তাতেই ভোটদান কৰে আৰু চৰকাৰী কাম-কাজ তাৰ পৰাই কৰে। এই অঞ্চলত অসমৰ কোনো প্ৰশাসনিক নিয়ন্ত্ৰণ নাছিল।' মুখ্যমন্ত্ৰীয়ে কয় যে কমিটীৰ চূড়ান্ত প্ৰস্তাৱ অনুসৰি তাৰাবাৰীৰ ৪.৬৯ বৰ্গ কিলোমিটাৰ মেঘালয়লৈ গৈছে। গিজাঙৰ ১৩.৫৩ বৰ্গ কিলোমিটাৰৰ ভিতৰত অসমৰ হাতত থাকিব ১০.৬৩বৰ্গ কিলোমিটাৰ আৰু মেঘালয়লৈ যাব ২.৯০ বৰ্গ কিলোমিটাৰ। হাহিমৰ ৩.৫১ বৰ্গ কিলোমিটাৰৰ ভিতৰত অসমৰ হাতত থাকিব ০.৩০ বৰ্গ কিলোমিটাৰ আৰু মেঘালয়লৈ যাব ৩.২১ বৰ্গ কিলোমিটাৰ। একেদৰে ব'কলাপাৰাৰ ১.৫৭ বৰ্গ কিলোমিটাৰৰ ভিতৰত অসমে পাব ১.০১ বৰ্গ কিলোমিটাৰ আৰু মেঘালয়ে ০.৫৬ বৰ্গ কিলোমিটাৰ। খানাপাৰা পিলিংকাটাৰ ২.২৯ বৰ্গ কিলোমিটাৰৰ ভিতৰত অসমে পাব ১.৭৪ বৰ্গ কিলোমিটাৰ আৰু মেঘালয়ে পাব ০.৫৫ বৰ্গ কিলোমিটাৰ। ৰাতাচেৰাৰ ১১.২০ বৰ্গ কিলোমিটাৰৰ ভিতৰত অসমৰ হ'ব ৪.৭৮ বৰ্গ কিলোমিটাৰ আৰু মেঘালয়ৰ ৬.৪২ বৰ্গ কিলোমিটাৰ। উল্লেখ্য যে তাৰাবাৰী, গিজাং আৰু হাহিম হৈছে বকো সমষ্টিৰ অন্তৰ্গত। ব'কলাপাৰা পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তৰ্গত, খানাপাৰা-পিলিংকাটা দিছপুৰ সমষ্টি আৰু ৰাতাচেৰা কাতিগড়া সমষ্টিৰ অন্তৰ্গত। এইসমূহ তথ্য মুখ্যমন্ত্ৰীয়ে আজি সদনত ব্যাখ্যা কৰে। তেওঁ কয় যে দুয়ো পক্ষই এই কথাত সন্মত হয় যে ভৱিষ্যতে ১২টা বিবদমান অঞ্চলৰ বাহিৰে মতপাৰ্থক্য থকা কোনো অঞ্চল নতুনকৈ সংযোজন কৰা নহ'ব। একে সময়তে দুই ৰাজ্যই স্বাক্ষৰ কৰা বুজাবুজি চুক্তি উক্ত ছটা অঞ্চলৰ ক্ষেত্ৰত সম্পূৰ্ণ চুক্তিৰূপে বিবেচিত হ'ব।

আলাপ-আলোচনা

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে খচৰা, বুজাবুজি চুক্তি প্ৰস্তুতৰ পাছত সৰ্বদলীয় বৈঠকৰ আহ্বান কৰা হয়। বৈঠকত কংগ্ৰেছক বাদে আন সকলো দলে চুক্তিৰ সমৰ্থন কৰে। এই বৈঠকত বিধায়ক অখিল গগৈক আমন্ত্ৰণ কৰা হৈছিল যদিও নাহিল বুলি উল্লেখ কৰি গগৈয়ে বিৰোধিতা কৰে বুলিও মুখ্যমন্ত্ৰীয়ে কোৱাৰ লগে লগে বিধায়ক গগৈয়ে কয় যে সেই দিনা বৈঠক আছিল দুই বজাত আৰু তেওঁ পত্ৰ লাভ কৰিছিল তিনি বজাত, সেয়েহে তেওঁ উপস্থিত থাকিব নোৱাৰিলে। তেওঁ সমৰ্থন কৰা নাছিল বুলি কোৱাত মুখ্যমন্ত্ৰীয়ে এইবাৰ কয়, 'মই বাৰে বাৰে কৈছো যে বিধায়ক গগৈয়ে সমৰ্থন কৰা নাছিল। তেওঁ সমৰ্থন কৰা বুলি মই কোৱা নাই।' মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চুক্তিৰ সন্দৰ্ভত সকলো ৰাজনৈতিক দলৰ উপৰি আছু, এবছু, আৰছুৰ দৰে সীমা বিবাদৰ সমস্যাত সক্ৰিয় হৈ থকা সংগঠনসমূহৰ স'তে আলোচনা কৰা হয়। তেওঁ কয় যে আছুৱে উত্তৰ-পূৰ্বাঞ্চলৰ সমূহীয়া পৰিচয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এই ক্ষেত্ৰতো বিধায়ক গগৈয়ে পুনৰ থিয় হৈ আছুৱে সমৰ্থন দিছিল নেকি সুধিবলৈ ধৰে। মুখ্যমন্ত্ৰীৰ বক্তব্যৰ মাজত এনেদৰে সুধি থকাত এইবাৰ মুখ্যমন্ত্ৰীয়ে কয়, 'মই অসমৰ মুখ্যমন্ত্ৰী। মোক আপুনি এইদৰে জেৰা কৰিব নোৱাৰে।' মুখ্যমন্ত্ৰী ড° শৰ্মাই বিধায়ক গগৈয়ে যাতে ভৱিষ্যতে এইদৰে জেৰা কৰি নাথাকে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে পুনৰ দোহাৰে যে আছুৱে একত্ৰিত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি সমৰ্থন জনায়।

'এই আলোচনাসমূহৰ পাছত বুজাবুজি চুক্তিৰ প্ৰতিলিপি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হয়। প্ৰক্ৰিয়া অনুসৰি ছাৰ্ভে অৱ ইণ্ডিয়াই জৰীপ কৰাৰ পাছত আমাক মাতে। এইমৰ্মে আমি কালি স্বাক্ষৰ কৰো। এইখন ইয়াৰ পাছত সংসদলৈ যাব। কাৰণ এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ সৰ্বময় কৰ্তৃত্ব আছে সংসদৰ। আমি মাত্ৰ এটা কাৰ্যবাহী কামহে কৰিছো। বিধায়িনী কাৰ্যকলাপ কৰিব সংসদে। সংসদে যি সিদ্ধান্ত ল'ব সেয়াই চূড়ান্ত হ'ব।' এইদৰে মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ কয় যে চুক্তিৰ পাছত এই কথা স্পষ্ট হৈ পৰিল যে ১২টা অঞ্চলৰ বিবাদৰ পাছত ১৩ নম্বৰ বিবাদৰ কোনো অৱকাশ নাই। ইয়াৰে ছটাৰ সমাধানো হ'ল। নতুনকৈ কোনো বিতৰ্ক বিবাদ নকৰে বুলি মেঘালয় চৰকাৰে ভাৰত চৰকাৰক তথা অসম চৰকাৰকো অৱগত কৰাৰ বিষয়ে আজি সদনত সদৰী কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই।

অৰুণাচলতো একেই মডেল

মুখ্যমন্ত্ৰীয়ে আজি সদনত জনায় যে অৰুণাচল প্ৰদেশৰ স'তেও বিবাদ নিষ্পত্তিৰ বাবে একেটা মডেল লৈ আগুৱাব বিচাৰিছে। তেওঁ জনোৱা মতে, পূৰ্বতে নেফা থাকোতে অৰুণাচলৰ তিনি হেজাৰ বৰ্গ কিলোমিটাৰ ভূমি অসমৰ ভিতৰলৈ হস্তান্তৰ কৰা হৈছিল। প্ৰয়াত মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ কাৰ্যকালত ১৯৫১ত এই ভূমি হস্তান্তৰ পাছতে বিবাদ আৰম্ভ হৈছিল। '১৯৫১ত আমি যেতিয়া অৰুণাচল প্ৰদেশৰ তিনি হেজাৰ বৰ্গ কিলোমিটাৰ ভূমি অসমলৈ হস্তান্তৰ কৰিলো তেতিয়াৰে পৰা বিবাদ আৰম্ভ হয়। তেওঁলোকে ভূমি দাবী কৰি আছিল। যোৱা ২৪ জানুৱাৰীত অৰুণাচল প্ৰদেশৰ স'তে হোৱা আলোচনাত আমি দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে এক বুজাবুজিত উপনীত হওঁ। দুই ৰাজ্যই সীমা সমস্যাক লৈ এক শান্তিপূৰ্ণ সমাধানৰ দিশে আগবঢ়াৰ সিদ্ধান্ত লওঁ। শেহতীয়াভাৱে অৰুণাচল প্ৰদেশে এক নতুন দাবী উপস্থাপন কৰে। এই মৰ্মে তেওঁলোকে ভূমি দাবীৰ পৰিমাণ ১,১১৯.২৭৯ বৰ্গ কিলোমিটাৰ পৰা ৮৫৯ বৰ্গ কিলোমিটাৰলৈ হ্ৰাস কৰে।' অৰুণাচল প্ৰদেশৰ স'তে অহা এপ্ৰিলত দ্বিতীয়লানি আলোচনা সম্পন্ন হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে সদনত জনোৱা মতে, ১২২খন গাঁৱক লৈ দুই ৰাজ্যৰ মাজত বিবাদ আছে। ২০০৭ত অৰুণাচল প্ৰদেশে স্থানীয় আয়োগক দাখিল কৰা অনুসৰি দুই ৰাজ্যৰ মাজত ১২২খন গাঁৱক লৈ বিবাদ আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সম্প্ৰতি ১২২খন গাঁও কোন সমষ্টিৰ অন্তৰ্গত সেয়া নিৰ্ণয় কৰি দুই ৰাজ্যৰ স্থানীয় বিধায়ক আৰু বিষয়া আদিয়ে ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰিব। অসম-মেঘালয়ৰ ক্ষেত্ৰত কৰাৰ দৰে ইয়াতো কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জিলা উপায়ুক্তই জনোৱা মতে, ১২২খন গাঁৱৰ ভিতৰত বহু গাঁও অৰুণাচলৰ ভিতৰত আছে। অৰুণাচলৰ বহু ভিতৰত থকা এই গাঁওসমূহক লৈ বিবাদ অব্যাহত ৰাখি লাভজনক নহ'ব বুলি তেওঁ কয়। আছু, এৰাইজেচিপি, এবছুৰ লগতে চুবুৰীয়া ৰাজ্যখনৰ সংগঠনসমূহো এই ক্ষেত্ৰ ভিত্তিক অধ্যয়নত থাকিব পাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্থানীয় আলোচনাৰ মৰ্মে যদি সিদ্ধান্তত উপনীত হয় তেন্তে বিশেষ ক'বলগীয়া নাথাকে। 'যদি মিয়া বিবি ৰাজী, তেন্তে কাজি সাজু থাকিবই লাগিব।' স্থানীয় ৰাইজে মত দিলে আমাৰ কৰিবলগীয়া কি আছে বুলি কয় মুখ্যমন্ত্ৰী ড° শৰ্মাই। আমি ইয়াত থাকি খং উঠি কি লাভ আছে বুলিও কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এনে নহয় যে সকলো সমস্যা সমাধান হ'ব, কোনোবা এটা নহ'বও পাৰে। যিদৰে অসম-মেঘালয় সীমান্ত লাম্পীৰ সমস্যা জটিল। 'লাম্পীৰ সমস্যা মই সমাধান কৰিব পৰা নাই, সেয়া মই জানো। পাছত হয়তো কোনোবাই পাৰিব পাৰে। কিন্তু যিখিনি কৰিব পাৰো সেয়া সমাধান নকৰাটো অক্ষমণীয় অপৰাধ।'

অসমে ডাঙৰ ভনী হ'বই লাগিব

'দেশ আমাৰ বাবে ডাঙৰ হ'ব লাগে। বিশ্বগুৰু হ'ব লাগে আমাৰ দেশ। মই কনৰাড চাংমাক ধন্যবাদ জনাইছো। এয়া এক কঠিন সিদ্ধান্ত আছিল। আমি ৰাষ্ট্ৰ নেতাৰ স্পৃহা দেখুৱাব লাগিব। অসমৰ অধিকাৰ, প্ৰাপ্য ত্যাগ নকৰাকৈ আমি সাত ভনীৰ জ্যেষ্ঠ হিচাপে স্পৃহা দেখুৱাব লাগিব।' তেওঁ পুনৰ স্পষ্ট কৰে সম্প্ৰতি যি কৰা হৈছে সেয়া কেৱল কাৰ্যবাহী কৰণীয়। ইয়াত বিধানসভাৰ অনুমতি নালাগে। মুখ্যমন্ত্ৰীয়ে কয় যে সংসদলৈ যেতিয়া এই বিষয়টো বিবেচনাৰ বাবে যাব তেতিয়া সাধাৰণতে বিধানসভাৰ মতামত বিচাৰে। তেতিয়া বিধানসভালৈ সাধাৰণতে আহিব লাগে। 'বিধানসভাৰ তেতিয়া অধিকাৰ থাকিব যে ইয়াক গ্ৰহণ কৰিব নে নস্যাৎ কৰিব। সেই সময়ত আলোচনা হ'ব। আজি হ'ব নালাগে।'

উল্লেখ্য যে বিৰোধীয়ে চুক্তি সন্দৰ্ভত আলোচনা বিচাৰিছিল। বিৰোধী দলপতি দেবব্ৰত শইকীয়াই কয় যে অসম চৰকাৰে কাৰ্যবাহী কাৰ্যকলাপৰ বাবেও বিধানসভাক জনাব লাগিছিল। শইকীয়াই এইদৰে কয় যে ইয়াৰ পূৰ্বতে ১৯৮৭ৰ প্ৰতিবেদন কিয় নস্যাৎ হৈছিল সেয়া বিৰোধীয়ে জানিব বিচাৰে। মুখ্যমন্ত্ৰীয়ে এই প্ৰসংগতে কয় যে কংগ্ৰেছ দলৰ দুজন বিধায়কে মেঘালয়ৰ স'তে হোৱা চুক্তিৰ খচৰাত স্বাক্ষৰ কৰিছিল। মুখ্যমন্ত্ৰীয়ে এইদৰে কয় যে যদিহে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ চন্দ্ৰচূড় কমিটীৰ প্ৰতিবেদন অসমে মানি লয় তেন্তে অৰুণাচলে দাখিল কৰা স্থানীয় কমিটীৰ প্ৰতিবেদন মানি ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে এনেকুৱা হ'লে আমি অৰুণাচলক গোটেইখিনি দি দিব লাগিব। ন্যায়াধীশৰ প্ৰতিবেদন অসমৰ বাবে সম্পূৰ্ণ নেতিবাচক আছিল বুলি উল্লেখ কৰি কয় যে অসমে এই প্ৰতিবেদন মেঘালয়ৰ ক্ষেত্ৰত মানি ল'ব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ন্যায়াধীশে সীমাৰ ক্ষেত্ৰত সিদ্ধান্ত ল'ব নোৱাৰে। দুয়োখন ৰাজ্যই ল'ব পাৰে। 'মই নাভাবো চন্দ্ৰচূড় কমিটীৰ প্ৰতিবেদনক এই সদনে মৰ্যাদা দিব লাগে। স্বাক্ষৰিত চুক্তিত স্থানীয় ৰাইজ সন্তুষ্ট হৈছে। গতিকে মই ইতিহাসলৈ যাবলৈ বিচৰা নাই।' মুখ্যমন্ত্ৰীয়ে কয়।

ইপিনে, বিধায়ক অখিল গগৈয়ে কয় যে পাহাৰীয়া অঞ্চলত নতুনকৈ মধ্যবিত্তই পোখা মেলিছে আৰু তেওঁলোক লাহে লাহে সমতল ভূমি বিচাৰি অসমৰ সাংবিধানিক সীমাৰ ভিতৰত সোমাইছে। অসমৰ সাংবিধানিক সীমাৰ ভিতৰত মাটি দখলৰ কৰাৰ পাছত তেওঁলোকক যদি ক'ত থাকিব বিচাৰে সোধা হয় সেয়া অৰ্থহীন হ'ব বুলি বিধায়কজনে কয়। অসমৰ সাংবিধানিক সীমা অটুট থাকিব লাগিব বুলি তেওঁ দাবী জনায়। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় যে সাংবিধানিক সীমা বুলি সংবিধানত অংকিত নাথাকে। এতিয়া পাহাৰ অঞ্চলত বিধায়কজনে কোৱা মতে নব্য মধ্যবিত্ত শ্ৰেণীৰ জন্ম হৈছে যিসকল তললৈ নামি আহিছে। প্ৰতিদিনেই ভূমি বেদখল কৰিছে। সেয়া এয়া সমস্যা সমাধানৰ উপযুক্ত সময় বুলি মুখ্যমন্ত্ৰীয়ে কয়। এতিয়া কাজিয়া অব্যাহত ৰাখিলে ফলপ্ৰসূ নহ'ব। বিধায়ক ৰকিবুল হুছেইনে কয় যে একত্ৰিত উত্তৰ-পূৰ্বাঞ্চল আৰু সীমা সমস্যা সমাধানত কংগ্ৰেছৰ সমৰ্থন আছে। অৱশ্যে কিদৰে কৰা হৈছে সেয়া চাবলগীয়া বিষয়। কংগ্ৰেছৰ দুজন বিধায়কে চহী কৰাৰ কথা তেওঁ আজি সদনত জানিব পাৰিলে বুলি কয়। বিৰোধীক বিশ্বাসক ল'বলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাই তেওঁ কয় যে গোটেই বিষয়টো কাৰ্যবাহী পৰ্যায়ত থকাৰ সময়তে বিৰোধীক অঞ্চলসমূহলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিব লাগে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'মই বিৰোধী দলপতিক প্ৰতিলিপি অৰ্পণ কৰিলো। এয়া একেবাৰে অৰাজনৈতিক কুচকাৱাজ। আমি যিমানেই দেৰি কৰিম সিমানেই লোকচানৰ সন্মুখীন হ'ম।'

অসমীয়াৰ আইনগত সংজ্ঞা

এক পৃষ্ঠাৰ পৰা ছয় নম্বৰ দফা অনুসৰি আইনগত সংজ্ঞা বৰ্তমানলৈ নিৰূপণ হোৱা নাই। অসমীয়াৰ সংজ্ঞা নিৰূপণৰ প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। সেয়া কৰিবলৈ চৰকাৰে চেষ্টা কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, 'অসমত জন্মগ্ৰহণ কৰি ইয়াৰ ভাষা, সাহিত্যক গ্ৰহণ কৰা সকলোৱে অসমীয়া। বাহিৰৰ পৰা আহি ইয়াত দুই-তিনিটা প্ৰজন্ম কটোৱাসকল অসমীয়া। অসমক নিজৰ বুলি ভবা সকলোৱে অসমীয়া। আবেগিকভাৱে আমি সকলোৱে অসমীয়া। গতিকে অসমীয়াৰ আবেগিক সংজ্ঞাক লৈ সমস্যা নাই। আমাক এতিয়া লাগে ছয় নম্বৰ দফা মতে অসমীয়া। আমি চাব লাগে যে চন নে নৃতাত্ত্বিকভাৱে সংজ্ঞাটো নিৰূপণ কৰিব লাগিব।' অৱশ্যে প্ৰয়াত প্ৰণৱ গগৈৰ প্ৰতিবেদনখন চৰকাৰে পুনৰ বিবেচনা কৰিব নে নাই সেই সন্দৰ্ভত কোনো মন্তব্য মুখ্যমন্ত্ৰীয়ে নকৰিলে। উল্লেখ্য যে অধ্যক্ষ প্ৰয়াত গগৈয়ে তেওঁৰ একক প্ৰচেষ্টাৰে অসমৰ সকলো জাতি-জনগোষ্ঠীৰ সংগঠনৰ লগত আলোচনা মৰ্মে অসমীয়াৰ সংজ্ঞা নিৰূপণৰ চেষ্টা কৰিছিল; কিন্তু সেই সময়ৰ প্ৰয়াত তৰুণ গগৈ নেতৃত্বাধীন অসম চৰকাৰে বিধানসভাত প্ৰয়াত অধ্যক্ষজনৰ প্ৰতিবেদনখনক পোনছাটে নাকচ কৰিছিল।

ইপিনে, মূল প্ৰশ্নটোত এআইইউডিএফৰ বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ)-এ অসম চৰকাৰে অসম চুক্তি কাৰ্যকৰী কৰিব নে অসম চুক্তিৰ ভিত্তিবৰ্ষক উলংঘা কৰা নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিব বুলি প্ৰশ্ন কৰে। ইয়াৰ উত্তৰত চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই কয় যে অসম চুক্তিৰ জৰিয়তে অসম আন্দোলনৰ সামৰণি পৰিছিল। সেই চুক্তি কাৰ্যকৰী কৰিবলৈ অসম চৰকাৰ দায়বদ্ধ। আনহাতে, নাগৰিকত্ব সংশোধনী আইনৰ বিষয়টো অসম চৰকাৰৰ হাতত নাই। আইনখনৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰে।

চিৰাঙত হাতে হাতে মাৰণাস্ত্ৰ

এক পৃষ্ঠাৰ পৰা চকীৰ অধীনৰ মালিভিটা ভিচিডিচিৰ দুটাকৈ স্থানত নিশা অস্ত্ৰধাৰী যুৱকে গুলিচালনাৰে লুটপাট কৰাৰ ফলত জিলাখনৰ ভিতৰুৱা অঞ্চলৰ জনসাধাৰণৰ মাজত আতংক বিৰাজ কৰিছে। প্ৰথমটো ঘটনা সংঘটিত হয় মালিভিটা ভিচিডিচিৰ অধীনৰ দুই নম্বৰ যমুনাগুৰি গাঁৱত। ছজনীয়া মাৰণাস্ত্ৰধাৰী যুৱকৰ দলে উল্লেখিত গাঁৱৰ অবিনাশ মুছাহাৰী নামৰ তামোলৰ ব্যৱসায়ীজনৰ ঘৰত সন্ধিয়া ৭.১৫ বজাত সোমাই পিষ্টলেৰে হত্যাৰ ভাবুকি দি ব্যৱসায়ীজনৰ পৰিয়ালৰ পৰা দুই লাখ টকা লৈ যোৱাৰ লগতে পৰিবাৰৰ পৰা দুযোৰ কাণৰ সোণ লৈ যায়। মুখত ক'লা কাপোৰ, মাস্ক পিন্ধি অহা ছজনীয়া যুৱকৰ দলৰ লগত সকলোৰে লগত অত্যাধুনিক মাৰণাস্ত্ৰ আছিল বুলি মুছাহাৰীয়ে প্ৰকাশ কৰে। মুছাহাৰীয়ে জানিবলৈ দিয়া মতে, ডকাইতৰূপী মাৰণাস্ত্ৰধাৰী যুৱকসকল লুটপাটৰ পুৰ্বে দুজাঁই গুলিও কৰিছিল, কিন্তু সৌভাগ্যক্ৰমে কোনো লোক হতাহত হোৱা নাই। একে নিশা দ্বিতীয়টো ঘটনা সংঘটিত হয় প্ৰথম ঘটনাৰ চাৰি কিলোমিটাৰ নিলগৰ মালিভিটা ইন্দ্ৰপুৰ গাঁৱত। মালিভিটা বজাৰৰ গেলামাল দোকানী কৃষ্ণ লুইটেলৰ ঘৰত তিনিজনীয়া পিষ্টলধাৰী যুৱকে লুইটেলৰ বোৱাৰীক ঢকিয়াই দি ঘৰৰ ভিতৰত দুটাকৈ গুলি ফুটাই মৃত্যুৰ ভাবুকি দি কৃষ্ণ লুইটেলৰ লগতে পুত্ৰ-বোৱাৰীৰ পৰা চাৰি লাখ টকা লৈ যায়। ইয়াৰ উপৰি এমাহৰ ভিতৰত ৫০ লাখ টকা দিবলৈ ধমকি দি যায় অন্যথা হত্যাৰ ভাবুকি দিয়া বুলিও জনায় ভুক্তভোগীয়ে। অস্ত্ৰধাৰী দলটোৰ সদস্যসকলৰ কেইজনমানে ক'লা কাপোৰ বান্ধিছিল আৰু কেইজনমানে মুকলিকৈ আছিল যদিও অন্ধকাৰৰ বাবে চিনিব পৰা নাছিল। ঘটনাৰ পাছতে জিলা আৰক্ষী অধীক্ষক প্ৰাণজিৎ বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধি, বিজনী মহকুমা আৰক্ষী বিষয়া শ্বেখৰজ্যোতি ৰায়সহ আৰক্ষীৰ বৃহৎ দলে অঞ্চলটোত বাহৰ পাতি পৰ্যৱেক্ষণ কৰে। আৰক্ষী অধীক্ষক বৰাই সদৰী কৰা মতে আৰক্ষীয়ে দুয়োটা পৰিয়ালৰ বুজ লোৱাৰ লগতে সমগ্ৰ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাত কোন জড়িত থাকিব পাৰে সেয়া অৱশ্যে তদন্তৰ খাতিৰত প্ৰকাশ নকৰিলে আৰক্ষী অধীক্ষকজনে। ইপিনে, চিৰাং তথা কোকৰাঝাৰ জিলাৰ বিভিন্ন ঠাইত ধনদাবীৰ ঘটনাও কিছুদিনৰ পৰা হৈ থকাৰ কথা পোহৰলৈ আহিছে। যোৱা নিশাৰ ঘটনাৰ পাছতে বিষয়টো বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে মুখ্যমন্ত্ৰী আৰু অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰ জ্যোতি মহন্তক অৱগত কৰে। কঠোৰ হাতেৰে দমনৰ বিষয়ে আৰক্ষীক চৰকাৰৰ ফালৰ পৰা নিৰ্দেশ দিয়া বুলিও জনায়। ঠায়ে ঠায়ে হৈ থকা ধন দাবীৰ বিষয়টো স্বীকাৰ কৰি কয় যে আৰক্ষীয়ে সমগ্ৰ ঘটনা পৰ্যৱেক্ষণত ৰাখিছে। এই ঘটনাৰ পাছতে স্থানীয় লোক আতংকিত হোৱাৰ লগতে নতুন উগ্ৰপন্থী সংগঠনৰ জন্ম হোৱা বুলিও সন্দেহ কৰিছে।

মাটি বিক্ৰীক লৈ বিবাদতে

এক পৃষ্ঠাৰ পৰা অভিযুক্তক কালি গ্ৰেপ্তাৰ কৰে বৰপেটা আৰক্ষীয়ে। বৰপেটা চহৰৰ সমীপৰ আন্দাভাঙাৰ নিজ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰা হয় মহিবুলক। অধিবক্তা ৰিণিমাৰ হত্যাকাণ্ডত ব্যৱহাৰ হোৱা বুলি অভিযোগ উঠা এএছ ১৫ কে ৭৯৮৩ পঞ্জীয়ন নম্বৰৰ এখন এভেঞ্জাৰ মটৰ চাইকেলো মহিবুলৰ বাসগৃহৰ পৰা জব্দ কৰে আৰক্ষীয়ে। আনহাতে, বৰপেটা জিলাৰ পালহাজীৰ পৰা ৰবিয়াল আলী আৰু মাজগাঁৱৰ পৰা মুস্তাফ আলী নামৰ আন দুজন অভিযুক্তকো গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ধৃত ৰবিয়াল আৰু মুস্তাফক লগত লৈ হত্যাকাণ্ডত ব্যৱহৃত অস্ত্ৰৰ সন্ধানত অভিযান চলায় বৰপেটাৰ আৰক্ষীয়ে। ইতিমধ্যে আৰক্ষীয়ে হত্যাকাণ্ডত ব্যৱহৃত এখন ডেগাৰ পানীৰ তলত লুকুৱাই ৰখা অৱস্থাত উদ্ধাৰ কৰিছে। মহিবুল হক ওৰফে মণিৰ নিৰ্দেশত আৰু ৰবিয়াল আলী, মুস্তাফ আলী আদিৰ সহযোগত কোনো পেছাদাৰী ঘাতকে ৰিণিমাক হত্যা কৰাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। অৱশ্যে তদন্তৰ শেহতীয়া অগ্ৰগতি সন্দৰ্ভত এই পৰ্যন্ত কোনো তথ্য সদৰী কৰা নাই বৰপেটা আৰক্ষীয়ে।

উল্লেখ্য যে ধৃত মহিবুল হক ওৰফে মণি ইতিপূৰ্বে একেটা গোচৰত গ্ৰেপ্তাৰ হোৱা ডাঃ মকদম আলীৰ খুলশালি। তাৎপৰ্যপূৰ্ণভাৱে আন দুজন লোকৰ স'তে হত্যাকাণ্ডত ডাঃ মকদম আলী জড়িত বুলি ঘটনা সংঘটিত হোৱাৰ দিনাই সংবাদ মাধ্যমৰ আগত মন্তব্য কৰিছিল ৰিণিমা বেগমৰ জ্যেষ্ঠ ভগ্নী ৰূপজান নেছাই। হত্যাকাণ্ড সংঘটিত হোৱাৰ সময়ত ভগ্নী ৰিণিমাৰ স'তে একেখন গাড়ীতে আছিল জ্যেষ্ঠ ভগ্নী ৰূপজান নেছা। ৰিণিমা বেগম আৰু ডাঃ মকদম আলীৰ মাজত ভূমি সংক্ৰান্তীয় বিবাদ চলি থকা বুলি সদৰী কৰিছিল ৰূপজান নেছাই। হত্যাকাণ্ড সংঘটিত হোৱাৰ পাছত পোহৰলৈ অহা তথ্য অনুসৰি এডোখৰ মাটি ক্ৰয়ৰ বিনিময়ত ৰিণিমাক বৃহৎ পৰিমাণৰ ধন আদায় দিছিল ডাঃ মকদম আলীয়ে। কিন্তু ইয়াৰ পাছতো ৰিণিমাই নিজৰ নামত থকা মাটিখিনি ডাঃ আলীক দীৰ্ঘদিন ধৰি নথি-পত্ৰসহকাৰে গতাই দিয়া নাছিল। হত্যাকাণ্ড সংঘটিত হোৱাৰ দিনটোলৈকে মাটিখিনি ডাঃ আলীৰ নামত পঞ্জীয়ন অথবা হস্তান্তৰ হোৱা নাছিল। অভিযোগ অনুসৰি, ডাঃ আলীৰ স'তে হোৱা মাটি বিক্ৰীৰ চুক্তি বাতিল কৰি একেখিনি মাটি অইন গ্ৰাহকৰ ওচৰত বিক্ৰীৰ পৰিকল্পনা কৰিছিল ৰিণিমাই। ইয়াকে লৈ ডাঃ আলী আৰু ৰিণিমাৰ মাজত বৰপেটা আদালতত মোকৰ্দমাও চলি আছিল। মাটি নাপালে টকাখিনি ঘূৰাই বিচাৰিছিল যদিও ৰিণিমাই ডাঃ আলীক বৃহৎ পৰিমাণৰ ধনৰাশি ঘূৰাই দিবলৈ মান্তি হোৱা নাছিল। ডাঃ আলীয়ে মাটিখিনি তেওঁৰ নামত পঞ্জীয়ন কৰি দিবলৈ অন্যথা ধন ৰাশি ঘূৰাই দিবলৈ বাৰম্বাৰ খাটনি ধৰিছিল ৰিণিমাক। কিন্তু চিকিৎসকজনৰ অনুৰোধ-আবেদনলৈ কোনো সঁহাৰি জনোৱা নাছিল ৰিণিমাই। এনেবোৰ কাৰণত ডাঃ আলী আৰু ৰিণিমা বেগমৰ মাজত সংঘাত তীব্ৰতৰ হৈ উঠিছিল। মাটি আৰু বৃহৎ পৰিমাণৰ ধনৰাশি একোৱেই ঘূৰাই নোপোৱাৰ আশংকাত তীব্ৰ মানসিক অশান্তিত ভুগিছিল ডাঃ আলী। সেইবাবেই খুলশালি মহিবুল হকৰ হতুৱাই ডাঃ মকদম আলীয়ে ৰিণিমা বেগমক হত্যাৰ ষড়যন্ত্ৰ ৰচিছিল বুলি আৰক্ষীৰ তদন্তত সন্দেহ প্ৰকাশ কৰা হৈছে।

অবৈধ কয়লা খননত বিষাক্ত গেছ নিৰ্গত

এক পৃষ্ঠাৰ পৰা অবৈধভাৱে কয়লা খনন কৰি থকা অৱস্থাতে গেছ নিৰ্গত হৈ অসমৰ দুজন শ্ৰমিক নিহত হোৱাৰ লগতে সাতজনকৈ শ্ৰমিক গুৰুতৰভাৱে অসুস্থ হয়। কয়লা আহৰণৰ বাবে কয়লা খননস্থলীত কয়লা খনন কৰাৰ সময়তে হোৱা উক্ত দুৰ্ঘটনাত দুজন লোকে ঘটনাস্থলীতে মৃত্যুক আঁকোৱালি লোৱাৰ উপৰি গোলাঘাট জিলাৰ উৰিয়ামপুৰৰ আৰিফ আহমেদ (৩০), সমীৰ আলী (৩০), নবীৰ হুছেইন (২৪), হবিবুৰ ৰহমান (২৮), ওচমান আলী (২৫), আব্দুল মুতালাব (৩৮) আৰু দিলদাৰ হুছেইন (২৮)ক সংকটজনক অৱস্থাত ডিব্ৰুগড়স্থিত অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে নগালেণ্ডত কোনো নীতি-নিয়ম নামানি একাংশ লোকে কয়লা আহৰণৰ বাবে এনেদৰে খনন অব্যাহত কৰাৰ ফলত এনেধৰণৰ ঘটনা বিগত সময়ত প্ৰায়ে সংঘটিত হৈ আহিছে, ফলত অকালতে বহু শ্ৰমিকে প্ৰাণ হেৰুৱাইছে।

অসমত জিলাভিত্তিক চিনাক্ত হ'ব সংখ্যালঘু

এক পৃষ্ঠাৰ পৰা মুছলমান মানেই সংখ্যালঘু। এতিয়া চিন্তা সলনি হ'ব পাৰে। অসমৰ প্ৰেক্ষাপটত মুছলমানসকল দীঘলীয়া সময়ৰ বাবে সংখ্যালঘু হৈ থকাৰ কথা হয়তো এতিয়া নাহে। সংখ্যালঘুৰ সংজ্ঞা জিলা ভেদে বেলেগ বেলেগ হ'ব লাগে। অসম চৰকাৰে তাকে বিচাৰে। ভাৰত চৰকাৰেও শেহতীয়াকৈ উচ্চতম ন্যায়ালয়ত দাখিল কৰা শপতনামাত সংখ্যালঘুৰ সংজ্ঞা বুজাবলৈ যাওতে জিলা আৰু খণ্ডৰ ওপৰত গুৰুত্ব দিছে। ধৰ্মৰ ভিত্তিত সংখ্যালঘুৰ সংজ্ঞা হ'ব নোৱাৰে বুলিও কৈছে। অৰ্থনৈতিক আৰু সামাজিক স্থিতিক লৈহে সংখ্যালঘুৰ সংজ্ঞা হ'ব লাগে বুলি কৈছে। ভাৰত চৰকাৰে সিদ্ধান্ত লৈছে যে এতিয়া আৰু ধৰ্মীয় সংখ্যালঘুৰ কথা নাহে। জিলা অথবা খণ্ডত যাৰ আৰ্থিক আৰু সামাজিক স্থিতি বেয়া সেইসকলকহে সংখ্যালঘুৰ মৰ্যাদা দিব বিচাৰিছে।' উচ্চতৰ ন্যায়ালয়ৰ ৰায়ৰ ভিত্তিত অসম চৰকাৰে যি বিচাৰিছে সেই বিষয়ে কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ লগতো আলোচনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে বিধানসভাত প্ৰকাশ কৰে। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে ধৰ্মীয় সংখ্যালঘুৰ বিষয়ত কিছুমান অসুবিধা থকা বুলি উল্লেখ কৰি তাৰ উদাহৰণো দাঙি ধৰে। তেওঁ কয় যে চাহ বাগানৰ মানুহ অন্যান্য পিছপৰা শ্ৰেণীৰ লোক। তাৰে খ্ৰীষ্টানসকল আকৌ সংখ্যালঘুৰ ভিতৰত পৰে। তেওঁলোকে আকৌ জনজাতিকৰণো বিচাৰিছে। এই ধৰণৰ জটিলতাবোৰ প্ৰকৃততে আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাৰতৰ সংবিধানত সংখ্যালঘুৰ সংজ্ঞা নাই বুলিও মুখ্যমন্ত্ৰীয়ে বক্তব্যত উল্লেখ কৰে।

এনআৰচিৰ পুনৰীক্ষণৰ দাবীৰে ন্যায়ালয়লৈ

এক পৃষ্ঠাৰ পৰা কৰি সভাপতি শৰ্মাই কয় যে এন আৰ চিত সংঘটিত হোৱা বিত্তীয় অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে বিগত তিনি বছৰে সংগঠনটোৱে মাত মাতি আহিছে; কিন্তু অসম আৰক্ষীৰ বিভিন্ন দুৰ্নীতি নিবাৰক শাখাসমূহত বিভিন্ন ধৰণে গোচৰ তথ্যসহ ৰুজু কৰাৰ পাছতো আজিলৈ কোনো এটা গোচৰতে হাজেলাৰ দুৰ্নীতিৰ সঠিক তদন্ত কৰা নহ'ল। আনহাতে, এন আৰ চিৰ লগত অকল বিত্তীয় খেলিমেলিয়ে নহয়, উন্নীতকৰণত ব্যৱহৃত ছফটৱেৰৰ নামতো বিভিন্ন খেলিমেলি কৰা হৈছিল বুলি তেওঁ অভিযোগ কৰে। এই সম্পৰ্কত এ পি ডব্লিউ-এ চিআইডিত ৰুজু কৰা গোচৰ তদন্ত কৰাৰ সলনি মহানগৰীৰ পল্টনবজাৰ থানালৈ হস্তান্তৰ কৰে। এজন উপ-পৰিদৰ্শকৰ জৰিয়তে গোচৰ তদন্ত কৰিবলৈ দিয়া ঘটনাই অসম আৰক্ষীৰ সদিচ্ছাৰ ওপৰত প্ৰশ্নবোধক চিহ্নৰ সৃষ্টি কৰে বুলিও তেওঁ কয়। ইফালে, এন আৰ চিত সংঘটিত বিভিন্ন বিত্তীয় অনিয়মৰ ওপৰত তথ্যসমৃদ্ধ এজাহাৰ দুৰ্নীতি নিবাৰক শাখাত দুবছৰ পূৰ্বে দাখিল কৰা হৈছিল যদিও এক নিৰ্দিষ্ট সীমাৰ পৰা এই গোচৰ আগনবঢ়ালে। আনকি উক্ত গোচৰত সম্পূৰ্ণ তদন্তৰ বাবে ৰাজ্যৰ গৃহ বিভাগৰ অনুমতি বিচাৰি প্ৰদান কৰা পত্ৰ বিগত নমাহে গৃহ বিভাগৰ মেজত পৰি থকা বুলিও তেওঁ অভিযোগ কৰে। এ পি ডব্লিউৰ নেতাজনে এই সমগ্ৰ ঘটনাৰ পুংখানুপুংখ তদন্তৰ ব্যৱস্থা কৰিবলৈ দাবী জনায়।

আনহাতে, এন আৰ চিৰ পৰা নাম বাদ পৰি ৰোৱা তথা খচৰা এন আৰ চিৰ পৰা নাম বাদ পৰি যোৱা ৪০ লাখ লোকৰ ২৭ লাখ লোকে পৰৱৰ্তী পৰ্যায়ত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন জনোৱাৰ লগতে এন আৰ চি কৰ্তৃপক্ষৰ পৰা তেওঁলোকৰ বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰা হৈছিল। হাজেলাই বিভিন্ন কাৰচাজি, অনিয়মৰ মাজেৰে প্ৰকাশ কৰা এন আৰ চি এ পি ডব্লিউ-এ কেতিয়াও মানি লোৱা নাই আৰু অসম চৰকাৰেও ইয়াক মান্যতা প্ৰদান কৰা নাই বুলি সদৰী কৰি শৰ্মাই কয় যে আধাৰ কাৰ্ডৰ পৰা বঞ্চিত এই ২৭ লাখ লোকক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। এই সন্দৰ্ভত যোৱা ২৪ মাৰ্চত অসম চৰকাৰৰ উদ্যোগত খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত সভাত এই বিষয়ে চৰকাৰক অৱগত কৰা হৈছিল। আনহাতে, আধাৰ কাৰ্ড বঞ্চিত বহু এনে খিলঞ্জীয়া লোকে চৰকাৰৰ পৰা পাবলগীয়া বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত হৈ একপ্ৰকাৰ পণবন্দী হৈ থকা বুলিও তেওঁ অভিযোগ কৰে। সেয়েহে অসমৰ ৰাজনৈতিক ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰা লাখ লাখ অবৈধ বাংলাদেশীয়ে ভোগ কৰি থকা সা-সুবিধাৰ কথা মনত ৰাখি উচ্চতম ন্যায়ালয়ত অসমৰ এই ২৭ লাখ লোকক আধাৰ কাৰ্ড প্ৰদান কৰিবলৈ শপতনামা দাখিল কৰা বুলিও তেওঁ সদৰী কৰে।

চুক্তিৰ পাছতে লাম্পীৰ সীমান্তত দুৰ্বৃত্তই

এক পৃষ্ঠাৰ পৰা সমীপৰ কম্পাডলীত অসম চৰকাৰৰ জৰীপ বিভাগৰ গাঁও নিৰ্ধাৰণৰ দুটাকৈ জৰীপৰ হালধীয়া কংক্ৰিটৰ খুঁটা (এন চি) খুঁটা যোৱা নিশা দুৰ্বৃত্তই উভালি পেলায়। ইয়াকে লৈ পুনৰ উত্তেজনা বিৰাজ কৰে সীমান্ত অঞ্চলত। উল্লেখ্য যে প্ৰায় এসপ্তাহ পূৰ্বে কম্পাডলীত খুঁটাকেইটা পোতা হৈছিল। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ উদ্যোগত অসম-মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সীমান্তক লৈ বুজাবুজিৰ চুক্তিৰ পাছতে এই ঘটনাই উত্তেজনাৰ সৃষ্টি কৰিছে। সীমান্তক লৈ উৎকণ্ঠাৰ সময়ত এনে ঘটনাক লৈ সতৰ্ক হৈ পৰিছে দুই ৰাজ্যৰ আৰক্ষী। অসম-মেঘালয় সীমান্তৱৰ্তী ১২ টাকৈ বিবদমান অঞ্চলৰ প্ৰথম পৰ্যায়ত গৃহমন্ত্ৰীৰ উপস্থিতিত ছয়টাকৈ বিবদমান অঞ্চলৰ চুক্তি স্বাক্ষৰিত হয়। ছয়টা বিবদমান অঞ্চলৰ ভিতৰত কামৰূপ জিলাৰ বকোৰ তিনিটা অঞ্চল আছে। এই অঞ্চলকেইটা ক্ৰমে হাহিম, তাৰাবাৰী আৰু গিজাং। অসমৰ এই বিবদমান অঞ্চল তিনিটাৰ বহু গাঁও মেঘালয়ত চামিল হৈছে।

বকোৰ সীমান্ত মালাং শালবাৰীত অসমীয়াৰ আনন্দ-উল্লাস

গৃহ মন্ত্ৰণালয়ত অসম-মেঘালয় সীমান্তৱৰ্তী ১২ টাকৈ বিবদমান অঞ্চলৰ প্ৰথম পৰ্যায়ত ছটাকৈ বিবদমান অঞ্চলৰ সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত কালি কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত ঐতিহাসিক চুক্তি স্বাক্ষৰিত হয়। ছটাকৈ বিবদমান অঞ্চলৰ ভিতৰত কামৰূপ জিলাৰ বকো সমষ্টিৰ তিনিটা বিবদমান অঞ্চল হাহিম, তাৰাবাৰী আৰু গিজাং অঞ্চল আছে। অসমৰ এই অঞ্চল তিনিটাৰ বহু গাঁও মেঘালয়ত অন্তৰ্ভুক্ত হৈছে। তাৰাবাৰীৰ অধীনৰ মালাং শালবাৰী গাঁওখন মেঘালয়ৰ পৰিৱৰ্তে অসমতে থকাৰ কথা প্ৰচাৰ হয়। ইয়াকে কেন্দ্ৰ কৰি গাঁওখনত থকা অসমক সমৰ্থন কৰি অহা প্ৰায় ৩০টা পৰিয়ালৰ মাজত আনন্দৰ বন্যা বয়। কিশোৰ-কিশোৰী, যুৱক-যুৱতী, জ্যেষ্ঠ-কনিষ্ঠ সকলোৱে আনন্দ-উল্লাস কৰি বাসগৃহৰ পৰা ৰাজপথলৈ ওলাই আহি ইজনে-সিজনক আলিংগন কৰে। বিগত দিন ধৰি যিসকল অসম বিদ্বেষীলোকে অসমৰ সমৰ্থনত থকা গঞাক আতিশয্য চলাই আহিছিল তেওঁলোককো আঁকোৱালি ল'ব বুলি সদৰী কৰে। উল্লেখ্য যে বিগত দিনসমূহত তাৰাবাবাৰীৰ মালাং শালবাৰীত অসম বিদ্বেষীলোকে অসমক সমৰ্থন কৰা অসমীয়াৰ ওপৰত শাৰীৰিক-মানসিক আতিশয্য চলাই আহিছিল। তেওঁলোকে অসমীয়াৰ ঘৰ-দুৱাৰ জ্বলোৱা, মাৰপিট কৰা, হাতে হাতে চুৰি লৈ অসমীয়াৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে। আনকি অসমৰ সুলভ মূল্যৰ দোকানৰ এজেণ্টৰ কেৰাচিন তেল অনিষ্ট সাধন কৰে। তদুপৰি শ শ জোপা তামোল গছ কাটি তহিলং কৰি সন্ত্ৰাস অব্যাহত ৰাখিছিল। যাৰ ফলত গাঁওখনৰ অসমক সমৰ্থন কৰা অসমীয়াসকলে ভয়ত বিতত হৈ ঘৰৰ ভিতৰত আৱদ্ধ থাকিবলগীয়া হৈছিল।

৩২.৫ শতাংশলৈ বৃদ্ধি অসমৰ ঋণ, সদন

এক পৃষ্ঠাৰ পৰা চৰকাৰ সক্ষম হোৱা বুলি দাবী কৰি বিত্তমন্ত্ৰী অজন্তা নেওগে বিৰোধীৰ সমালোচনাৰ প্ৰত্যুত্তৰ দিয়াৰ চেষ্টা কৰে; কিন্তু বিৰোধীয়ে কোনোপধ্যে মন্ত্ৰীৰ উত্তৰত সন্তুষ্ট নহ'ল। প্ৰতিটো বিৰোধী দলে মন্ত্ৰীৰ উত্তৰত তেওঁলোক সন্তুষ্ট নহয় বুলি স্পষ্ট কৰি দিয়ে। ইয়াকে লৈ শাসক-বিৰোধীৰ মাজত দীঘলীয়া যুক্তি-তৰ্কও চলে। বিৰোধী যিদৰে নিজৰ স্থিতিত অটল থাকে একেদৰে বিত্তমন্ত্ৰীয়েও তেওঁৰ যুক্তিত স্থিৰ হৈ ৰয়।

উল্লেখ্য যে ঋণ গ্ৰহণৰ পৰিমাণ বৃদ্ধিত অনুমোদন ল'বলৈ আজি বিত্তমন্ত্ৰী নেওগে বিধানসভাত 'দ্য আছাম ফিছকেল ৰেছপনছিবিলিটি এণ্ড বাজেট মেনেজমেণ্ট (সংশোধন) বিধেয়ক-২০২২' উত্থাপন কৰে। এই বিধেয়কখনৰ বিৰোধিতা কৰি কংগ্ৰেছৰ ভৰত নৰহে কয় যে এনেধৰণৰ প্ৰস্তাৱে অসমক ভয়াৱহ ভৱিষ্যতলৈ ঠেলি দিব। অসম ঋণৰ বোজাত এনেদৰে কোঙা হৈ পৰিব যে থিয় হোৱাৰ কোনো সম্ভাৱনাই নাথাকিব। পাঁচ বছৰ পাছতে অসমৰ দুৰৱস্থা বৰ্তমানৰ শ্ৰীলংকাৰ দৰে হৈ পৰাৰ আশংকা ব্যক্ত কৰে। নৰহে লগতে কয়, 'ঋণৰ পৰিমাণ বৃদ্ধি হোৱাৰ ফলত অসমৰ সুতৰ বোজা বাঢ়িব। জনমূৰি ঋণৰ পৰিমাণ বাঢ়ি যাব। মহাৰাষ্ট্ৰ, গুজৰাটৰ দৰে ৰাজ্যই যদি ২৫ শতাংশ ঋণ লৈ ৰাজ্য চলাব পাৰে আমাৰ কিয় নোৱাৰে? অসম ইতিমধ্যে ধাৰৰ বোজাত সোমাই গৈছে। আজি পঞ্জাৱৰ অৱস্থা কি হৈছে সকলোৱে দেখিছে। পঞ্জাৱে সুত পৰিশোধ কৰিবলৈ ঋণ ল'বলগীয়া হৈছে। পঞ্জাৱৰ মুখ্যমন্ত্ৰীয়ে সকাহ পাবলৈ কেন্দ্ৰৰ পৰা বিশেষ পেকেজ বিচাৰিছে। এইবোৰৰ পৰা অসমে শিক্ষা লোৱা উচিত। চৰকাৰে ঋণ নলৈ খৰচৰ মাত্ৰা হ্ৰাস কৰিব পাৰে।' খৰচৰ মাত্ৰা কিদৰে হ্ৰাস কৰিব পাৰি তাৰো কেইটামান পৰামৰ্শ নৰহে আগবঢ়ায়। তেওঁ কয় যে চৰকাৰে উপায়ুক্ত কাৰ্যালয়বোৰ নতুন পৰিকল্পনাৰে এতিয়াই নিৰ্মাণ নকৰিলেও হ'ব। আৱৰ্ত ভৱনবোৰো নতুনকৈ সাজি উলিওৱাৰ সিদ্ধান্ত বাদ দিব পাৰে। মুখ্যমন্ত্ৰীয়ে হেলিকপ্টাৰৰ ব্যৱহাৰ বন্ধ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে প্ৰাইভেট জেট বিমানত ঘূৰাও বন্ধ কৰিব পাৰে বুলি নৰহে কয়। মুখ্যমন্ত্ৰীৰ বিষয়টো উচ্চাৰণ কৰাৰ সময়ত ইয়াৰ বিৰোধিতা কৰে বিজেপিৰ বিধায়ক অমিয় কুমাৰ ভূঞাই। অৱশ্যে ভূঞাৰ বিৰোধিতাই গুৰুত্ব নাপালে। নৰহৰ পাছত কংগ্ৰেছৰ আন এজন জ্যেষ্ঠ বিধায়ক ৰকিবুল হুছেইনে কয় যে কংগ্ৰেছ চৰকাৰ যোৱাৰ পাছত বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু সেই সময়ৰ বিত্তমন্ত্ৰীয়ে তৰুণ গগৈ চৰকাৰে অসমক ঋণৰ বোজাত বুৰাই থোৱা বুলি মন্তব্য কৰিছিল। সেই কাৰণে চৰকাৰে আৰু ঋণ নল'ব বুলিও কৈছিল; কিন্তু পৰৱৰ্তী সময়ত সেই স্থিতি সম্পূৰ্ণ বিপৰীত হয়। হুছেইনে লগতে কয়, 'এখন ঘৰ চলাবলৈ উপাৰ্জন নথকা অভিভাৱকে ধাৰ লৈ ঘৰ চলাব লাগে। সেই সময়তে যদি সন্তানে গাড়ী কিনে, হেলিকপ্টাৰত উঠে অভিভাৱকে ঘৰ কেনেকৈ চলাব? গতিকে চৰকাৰক অনুৰোধ জনাইছো অনুগ্ৰহ কৰি আপোনালোকে আৰু ঋণ নল'ব। মানুহৰ অৱস্থা চাব নোৱাৰা হৈছে। মূল্যবৃদ্ধিৰ জুইত সকলোৱে দগ্ধ হৈছে। আপোনালোক গাঁৱলৈ যাওক, তাত মানুহ কিমান যন্ত্ৰণাত কটাইছে তাৰ বাস্তৱ উপলব্ধি কৰক। পাকঘৰত মানুহৰ জুই নজ্বলা হৈছে। দোকানবোৰত বিক্ৰী নোহোৱা হৈছে। অবৰ্ণনীয় পৰিস্থিতি। তাৰে ওপৰত যদিও আকৌ চাৰি শতাংশ বেছিকৈ ঋণ লোৱা হয়, অসমৰ মানুহে সেই বোজা বহন কৰিব নোৱাৰিব।' এআইইউডিএফৰ আমিনুল ইছলাম (জ্যেষ্ঠ)য়েও ৩২ শতাংশ ঋণ লোৱাৰ বিৰোধিতা কৰে। অৱশ্যে ৩০ শতাংশলৈ ঋণৰ পৰিমাণ বৃদ্ধিত তেওঁৰ আপত্তি নাই বুলি কয়। কংগ্ৰেছৰ নিলম্বিত বিধায়ক শ্বেৰমান আলী আহমেদে ঋণ লোৱা ধন চৰকাৰে মূলধনী ব্যয়ত ব্যৱহাৰ কৰিব বুলি কৈছে যদিও তাক লৈ সন্দেহ প্ৰকাশ কৰে। সেয়েহে ঋণৰ ধন সম্পূৰ্ণৰূপে মূলধনী ব্যয়ত ব্যৱহাৰ কৰাত চৰকাৰৰ পৰা বিধায়কজনে লিখিত নিশ্চয়তা বিচাৰে।

বিৰোধীৰ এনে বিৰোধিতাৰ উত্তৰত বিত্তমন্ত্ৰী নেওগে কয় যে ক'ভিডৰ সময়ত দেশৰ আন ৰাজ্যবোৰৰ আৰ্থিক প্ৰগতি নিম্নমুখী হোৱাৰ বিপৰীতে অসমৰ যোগাত্মক আছিল। গতিকে অসমৰ আৰ্থিক বিকাশৰ গতিৰ ধাৰাবাহিকতা অব্যাহত আছে। মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ হাৰ ১৪ শতাংশলৈ বৃদ্ধি হৈছে। নেওগে পুনৰ কয়, 'আমি আমাৰ সক্ষমতাৰ ভিত্তিতহে ঋণ ল'বলৈ আগবাঢ়িছো। ভাৰত চৰকাৰেও আমাক অনুমতি দিছে। ঋণৰ এই ধন সম্পূৰ্ণৰূপে মূলধনী ব্যয়ত ব্যৱহাৰ কৰা হ'ব। আমাৰ ৰাজহ সংগ্ৰহৰ পৰিমাণ বাঢ়িছে। যোৱাবাৰ ক'ভিডৰ মাজতো আমাৰ ৰাজহ সংগ্ৰহ ১৩ হেজাৰ কোটি হৈছিল। সেই পৰিমাণ এইবাৰ ২০ হেজাৰ কোটিলৈ বাঢ়িছে।' মন্ত্ৰীৰ এই উত্তৰত সন্তুষ্ট নহৈ ৰকিবুল হুছেইনে প্ৰশ্ন কৰে যে ঋণ লোৱাৰ ফলত বস্তুৰ দাম কমিব নেকি? মন্ত্ৰীয়ে পালমৰা উত্তৰ দিয়া বুলি হুছেইনে মন্তব্য কৰে। মন্ত্ৰী নেওগে উত্তৰত কয় যে মূলধনী ব্যয় মানে সেই ধন উন্নয়নমূলক কামত ব্যয় হ'ব। গতিকে বিধেয়কখনত সকলোৱে অনুমোদন দিব লাগে। কিন্তু কংগ্ৰেছে সন্তুষ্ট নহৈ বিধানসভা ত্যাগ কৰে। কংগ্ৰেছৰ লগত এআইইউডিএফও সদনৰ পৰা ওলাই যায়।

একমাত্ৰ বিৰোধী হিচাপে সদনত উপস্থিত থাকে কেৱল ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ। এই বিতৰ্কত ভাগ লৈ এইবাৰ গগৈয়ে কয় যে চৰকাৰে নিজেই কৈ থৈছে যে ২৫.৩৪ শতাংশতকৈ অধিক ঋণ নলয়। অথচ এতিয়া ল'ব বিচাৰিছে ৩২.৫ শতাংশ। গগৈয়ে লগতে মন্তব্য কৰে যে কেন্দ্ৰই অসমক দিয়া সাহায্যৰ পৰিমাণ হ্ৰাস হৈছে। সেই কাৰণে অসম চৰকাৰে কোনোফালে মিলাব নোৱাৰা হৈছে। কেন্দ্ৰই ঠগোৱাত বিপদত পৰি অসমে ঋণৰ হাৰ বঢ়াব খুজিছে বুলিও তেওঁ মন্তব্য কৰে। গগৈৰ এই মন্তব্যৰ লগে লগে বিজেপিৰ কে'বাজনো বিধায়কে তেওঁৰ বক্তব্যৰ প্ৰতিবাদ জনায়। আনকি কোনো কোনো বিধায়কে গগৈক কথা কোৱাতো বাধা দিয়ে। অকৰ্তৃত্বশীলভাৱে বিজেপিৰ কে'বাজনো বিধায়কে অখিল গগৈৰ অনুভাষ যন্ত্ৰটো বন্ধ কৰি দিবলৈও কয়। সেই সময়ত সদন পৰিচালনাৰ দায়িত্বত থকা উপাধ্যক্ষ ডাঃ নোমল মমিনেও পৰিস্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হয়। কিছুসময় এই হুলস্থূলীয়া পৰিৱেশ বাহাল থাকে। ইয়াৰ মাজতে বিত্তমন্ত্ৰী নেওগ উত্তৰ দিবলৈ থিয় হয়। তেতিয়াহে বিজেপিৰ বিধায়কসকলৰ হুলস্থূল বন্ধ হয়। নেওগে কয়, 'বিগত ২০১৬ৰ পৰা অসমৰ ফিছকেল পলিচি ভাল হৈ আহিছে। ক'ভিডৰ বাবে ৰাজ্যবোৰক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ঋণৰ পৰিমাণ বৃদ্ধিত অনুমোদন দিছে। আমি কেন্দ্ৰৰ পৰা অনুমোদন পোৱাৰ বাবেহে এই বিধেয়কখন বিধানসভাত আনিছো। মই পুনৰবাৰ স্পষ্ট কৰি দিব বিচাৰিছো যে ঋণৰ ধন কঠোৰভাৱে মূলধনী ব্যয়ত ব্যৱহাৰ কৰা হ'ব।' মন্ত্ৰীৰ উত্তৰ অসন্তুষ্টি প্ৰকাশ কৰি গগৈয়েও বিধানসভা ত্যাগ কৰে। ইয়াৰ পাছত সম্পূৰ্ণৰূপে শাসক পক্ষৰ সমৰ্থনত বিধেয়কখন গৃহীত হয়।

- স্বেচ্ছাসেৱী সংগঠন গণকণ্ঠৰ তদন্তৰ দাবীত জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান
- বিজেপি চৰকাৰৰ শাসনকালত মৰিগাঁৱত ওলাল ৩০৭ গৰাকী মহিলা যৌনকৰ্মী

মৰিগাঁৱত যৌনকৰ্মীৰ তালিকাক লৈ ৰহস্যৰ সৃষ্টি

অগ্ৰদূত বাৰ্তা

মৰিগাঁও/জাগীৰোড ৩০ মাৰ্চ ঃ মৰিগাঁও জিলাত ৩০৭ গৰাকী যৌনকৰ্মীক মৰিগাঁৱৰ এক মহিলা স্বেচ্ছাসেৱী সংগঠনে সাহায্য বিতৰণ কৰাক লৈ সৰৱ হৈ পৰিছে মৰিগাঁৱৰ আন এক স্বেচ্ছাসেৱী সংগঠন 'গণকণ্ঠ'। মৰিগাঁও জিলাৰ উপায়ুক্তক প্ৰদান কৰা 'গণকণ্ঠ'ৰ উপদেষ্টা বদন শৰ্মা আৰু সহকাৰী সম্পাদক পাৰ্থ প্ৰতীম বৰদলৈৰ স্বাক্ষৰিত এক স্মাৰক পত্ৰযোগে দাবী জনাই যে যোৱা ২১ মাৰ্চত মৰিগাঁৱৰ এটা মহিলা স্বেচ্ছাসেৱী সংগঠনে মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ বিষয়াৰ উপস্থিতিত জিলাখনৰ ৩০৭ গৰাকী মহিলাৰ নাম যৌনকৰ্মীৰূপে পঞ্জীয়ন কৰি কিছু খাদ্য সামগ্ৰী বিতৰণ কৰে। লগতে সংগঠনটোৱে মহিলাসকলৰ পৰা বেংক পাছবুকৰ ফটো, আধাৰ কাৰ্ড আদি জমা লৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব বুলিও আশ্বাস দিয়ে। সংগঠনটোৱে নিজৰ আৰ্থিক লাভালাভৰ বাবেই উক্ত সাহায্য বিতৰণ অনুষ্ঠানটোত বৃহৎসংখ্যক মহিলাক সমবেত কৰায়।

কিন্তু আশ্চৰ্যজনকভাৱে অনুষ্ঠানটোত সংগঠনটোৱে এখন বেনাৰো লগোৱা নাছিল। যাৰ বাবে সমৱেত মহিলাসকলে নাম পঞ্জীয়ন কৰাৰ পাছতহে বিষয়টো জানিব পাৰি আচৰিত হৈ পৰে। কিয়নো সমৱেত মহিলাসকলক আমন্ত্ৰণ কৰাৰ সময়ত তেনে কোনো কথাই উদ্যোক্তাসকলে জনোৱা নাছিল। স্মাৰকপত্ৰত লগতে উল্লেখ কৰে যে জিলাখনৰ জাগীৰোডৰ শিলভাঙা অঞ্চলৰ এগৰাকী মহিলাৰ নেতৃত্বত ৩৫ গৰাকী মহিলা উক্ত সাহায্য বিতৰণ অনুষ্ঠানত উপস্থিত থাকি নাম পঞ্জীয়ন কৰিছিল। যিটো অঞ্চলত ড্ৰাগছকে আদি কৰি বিভিন্ন অসামাজিক কাম চলি থাকে বুলি সকলোৱে জানে। বৰ্তমান ঘটনাটো পোহৰলৈ অহাত জাগীৰোডৰ সচেতন মহলৰ মাজত তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কি তথ্যৰ আধাৰত সংগঠনটোৱে ইমান বৃহৎসংখ্যক মহিলাক যৌনকৰ্মীৰূপে নাম পঞ্জীয়ন কৰালে, তাক লৈ সমগ্ৰ মৰিগাঁও জিলাখনতে ব্যাপক চৰ্চা চলাৰ লগতে তীব্ৰ প্ৰতিক্ৰিয়াৰো সৃষ্টি হৈছে । বিজেপি চৰকাৰৰ শাসন কালত মৰিগাঁও জিলাত ৩০৭ গৰাকীকৈ যৌনকৰ্মীক সাহায্য প্ৰদান কৰাৰ নামত বৃহৎ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ তুলি 'গণকণ্ঠ'ই ঘটনাটোৰ উচিত তদন্ত কৰি স্বেচ্ছাসেৱী সংগঠনটোৰ দালালৰূপী মহিলাসকলক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

কাছমাৰী-বৰভেটিত বিহুৰ কৰ্মশালাৰ সামৰণি, বুধবাৰে।

দুধনৈত শ্ৰীশ্ৰীমা বনবাসী পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

দুধনৈ, ৩০ মাৰ্চ ঃ গোৱালপাৰা জিলাৰ দুধনৈৰ সমীপৱৰ্তী ফফলৰ ঐতিহ্যমণ্ডিত মা বনবাসী মন্দিৰত অহা পাঁচ এপ্ৰিলৰ পৰা ছয়দিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰীমা বনবাসীৰ বাৰ্ষিক পূজা অনুষ্ঠিত হ'ব। কাৰ্যক্ৰমণিকা অনুসৰি পাঁচ এপ্ৰিলৰ পুৱা ন বজাত স্বচ্ছতা অভিযান উদ্বোধন কৰিব দুধনৈ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দুলাল মহন্তই। ইয়াৰ পাছত ১১ বজাত গছ পুলি ৰোপণ কাৰ্যসূচীৰ ৰূপায়ণ কৰিব সামাজিক বনানীকৰণ গোৱালপাৰা সংমণ্ডলৰ বনাঞ্চলিক বিষয়া মুকুন্দ ৰায়ে। সন্ধিয়া ছয় বজাত মুখ্য তোৰণ উন্মোচন কৰিব দুধনৈ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া স্বগতা অঞ্জুমা সাহিনীয়ে। সন্ধিয়া সাত বতাত প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰাৰ মূৰ্তি স্থাপন আৰু অধিবাস। ছয় এপ্ৰিলৰ পুৱা সাত বজাত প্ৰভু জগন্নাথৰ পূজা আৰম্ভ । আঠ বজাত প্ৰসংগ আৰু ভাগৱত পাঠ, ১১ বজাত যজ্ঞাহুতি, ১২ বজাত পুষ্পাঞ্জলি প্ৰদান, বিয়লি পাঁচ বজাত সম্বৰ্ধনা অনুষ্ঠান আৰু সন্ধিয়া ছয় বজাত সংগীতময় ভাগৱত প্ৰবচন পৰিৱেশন কৰিব ভাগৱত ৰসসিন্ধু ৰিজু পাঠক মহন্তই। সন্ধিয়া ৭.৩০ বাজত নাম-কীৰ্তন পৰিৱেশন কৰা হ'ব। অহা সাত এপ্ৰিলৰ পুৱা ৮.৩০ বজাত শিৱ দেৱতাৰ পূজা দেৱতাৰ পূজা আৰম্ভ, ১০ বজাত মাৰ জল আহৰণ আৰু শোভাযাত্ৰা উদ্বোধন কৰিব গোৱালপাৰা জিলাৰ উপায়ুক্ত মিনাক্ষী দাস নাথে। আনহাতে, দুপৰীয়া ১২ বজাত যজ্ঞাহুতি, দিনৰ ১.৩০ বজাত পুষ্পাঞ্জলি প্ৰদান, ২.৩০ বজাত নাম পৰিৱেশন, সন্ধিয়া ছয় বজাত মন্দিৰ চৌহদত বন্তি প্ৰজ্বলন কৰাৰ পাছত সন্ধিয়া ৭.৩০ বজাত শ্ৰীশ্ৰীমা বনবাসীৰ থাপনা স্থাপন কৰা হ'ব। অনুষ্ঠানত নিশা ন বজাত ওজাপালি পৰিৱেশন কৰা হ'ব। অহা আঠ এপ্ৰিলৰ পুৱা আঠ বজাৰ পৰা শ্ৰীশ্ৰীমা বনবাসীৰ যথাবিহিত পূজা আৰম্ভ, ১০ বজাত নাম পৰিৱেশন, ১২ বজাত ওজাপালি পৰিৱেশন, ২.৩০ বজাত নাম পৰিৱেশন, সন্ধিয়া পাঁচ বজাত সম্বৰ্ধনা অনুষ্ঠান আঠ বজাত ওজাপালি পৰিৱেশন আৰু ১০ বজাত নাট প্ৰদৰ্শন কৰা হ'ব। ন এপ্ৰিলৰ পুৱা আঠ বজাৰ পৰা মা বনবাসীৰ যথাবিহিত পূজা-অৰ্চনা, ১০ বজাত নাম পৰিৱেশন, ১২ বজাত ওজাপালি পৰিৱেশন, আবেলি দুই বজাত গোসাঁই দলক আদৰণি আৰু ২.৩০ বজাত শ্ৰীশ্ৰীমা বনবাসী পূজা পৰিচালনা সমিতিৰ সভাপতি কাৰ্তিক ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব সম্বৰ্ধনা সভা। মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰিব ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা। আনহাতে, বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰী আৰু সাংবাদিক স্নিগ্ধা শিখা বৰা। ইপিনে, ন বজাত ওজাপালিৰ পৰিৱেশনৰ উপৰি নিশা ১০ বজাত যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব। ১০ এপ্ৰিলৰ পুৱা আঠ বজাৰ পৰা যথাবিহিত পূজা-অৰ্চনা ১০ বজাত নাম পৰিৱেশন, ১২ বজাত ওজাপালি পৰিৱেশন, আবেলি চাৰি বজাত দেও অৱনমন, সন্ধিয়া সাত বজাত দেও মেলানী আৰু ৭.৩০ বজাত ওজাপালিৰ দ্বাৰা পূজা সামৰণি গীত পৰিৱেশন কৰা হ'ব।

গোৱালপাৰাত আৰক্ষীৰ গুলিত আহত দুৰ্ধৰ্ষ ডকাইত

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৩০ মাৰ্চঃ গোৱালপাৰাৰ হাবিমুৰাত যোৱা নিশা আৰক্ষীৰ গুলিত গুলিবিদ্ধ হৈ গুৰুতৰভাৱে আহত হয় আব্দুৰ ৰহমান ওৰফে ৰিংকু নামৰ এজন দুৰ্ধৰ্ষ ডকাইত। আৰক্ষী সূত্ৰই সদৰী কৰা মতে চুৰি, ডকাইতি, অপহৰণ, ধৰ্ষণ আদি বিভিন্ন অপৰাধজনিত কাৰ্যৰ লগত জড়িত ৰিংকুৱে যোৱা এক মাৰ্চত ৰাক্ষসিনীৰ প্ৰয়াত কামেশ্বৰ ৰাভাৰ পুত্ৰ বিকাশ ৰাভা (১৬)ক অপহৰণ কৰি নি ভাৰত-বাংলাদেশ সীমান্তত তিনি লাখ টকাত বিক্ৰী কৰিছিল। ইপিনে, ১২ মাৰ্চত এই সন্দৰ্ভত পৰিয়ালে অৱগত হৈ মৰনৈ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৬৪(এ) /৩৭০ ধাৰাত ২৫/২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰি অনুসন্ধান অব্যাহত ৰাখে। লগতে মৰনৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণকাম বৰদলৈয়ে বিশেষ সূত্ৰৰ পমখেদি ভাৰত-বাংলা সীমান্তৰ বাঘমাৰা অঞ্চলৰ জিৰো পইন্টৰ পৰা কালি ৰিংকুক গ্ৰেপ্তাৰ কৰাৰ লগতে বিকাশক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইপিনে, তদন্তৰ সময়ত ৰিংকুৰ এটা অবৈধ পিষ্টল থকা বুলি আৰক্ষী অৱগত হয়। যোৱা নিশা অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাৰ নেতৃত্বত উক্ত পিষ্টলটো উদ্ধাৰ কৰিবলৈ যোৱাৰ সময়তে মৰনৈ আৰু কৃষ্ণাই আৰক্ষী থানাৰ সীমান্ত অঞ্চল হাবিমুৰা পোৱাৰ পাছত ৰিংকুৱে পলায়নৰ চেষ্টা চলাওঁতে আৰক্ষীয়ে গুলিচালনা কৰাত আহত হয়। দুয়োখন ভৰিত কে'বাজাই গুলি লগা ৰিংকুক ততাতৈয়াকৈ গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে নিশাই গুৱাহাটীলৈ প্ৰেৰণ কৰে। এই সন্দৰ্ভত অতিৰিক্ত আৰক্ষী অধীক্ষক ডেকাই কয় যে ৰিংকুৱে কেৱল ৰাক্ষসিনী অঞ্চলতে নহয়, জিলাখনৰ বিভিন্ন ঠাইত বিভিন্নধৰণৰ অপৰাধ সংঘটিত কৰি আহিছিল। ৰিংকুৰ বিৰুদ্ধে মৰনৈৰ উপৰি গোৱালপাৰা, কৃষ্ণাই, আগিয়াকে ধৰি বিভিন্ন থানাত গোচৰ ৰুজু হৈ আছে। গোৱালপাৰাৰ সন্ত্ৰাস হৈ পৰা ৰিংকুক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত সুখী বুলি মন্তব্য কৰে আৰক্ষী বিষয়াজনে। উল্লেখ্য যে বিভিন্ন অপৰাধজনিত ঘটনাত জড়িত থকা ৰিংকুৱে আৰক্ষীৰ গুলিত গুৰুতৰভাৱে আহত হোৱাৰ খবৰ পাই নিশাই ৰাক্ষসিনী অঞ্চলবাসী ৰাইজে ফটকা ফুটাই আনন্দ-উল্লাস কৰে।

কিশোৰক অপহৰণ কৰি নি ভাৰত-বাংলা সীমান্তত বিক্ৰী কৰিছিল তিনি লাখ টকাত

চাৰিদিন পাছত হাবিৰ পৰা উদ্ধাৰ চালক

খাদ্যৰ লগত নিচাযুক্ত দ্ৰব্য খুৱাই লুটি নিলে বলেৰ'

অগ্ৰদূত বাৰ্তা

শ্ৰীৰামপুৰ, ৩০ মাৰ্চ ঃ অসম- বংগ সীমান্ত অঞ্চলত আজিও সক্ৰিয় হৈ আছে আন্তঃৰাষ্ট্ৰীয় গাড়ী চুৰি চক্ৰ। যাত্ৰীৰ বেশত দুৰ্বৃত্তই ইয়াৰ পূৰ্বেও গাড়ী চুৰি কৰাৰ লগতে চালকক হত্যা কৰাৰ পাছত পুনৰ গোসাঁইগাঁৱৰ পৰা এখন বলেৰ'ৰ চালকক অচেতন কৰি হাবিত পেলাই দি লৈ যোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চাৰি দিন পাছত গভীৰ জংঘলৰ পৰা আহত অৱস্থাত বাহনখনৰ চালকজনক উদ্ধাৰ কৰাত পোহৰলৈ আহিছে সমগ্ৰ ঘটনা। ভুক্তভোগীয়ে সদৰী কৰা মতে, গোসাঁইগাঁও থানাৰ অন্তৰ্গত এক নম্বৰ ভোমোৰাবিল গাঁৱৰ নিবাসী আবেদ আলীৰ পুত্ৰ আৰছেদ আলী (৩০)-এ ঋণ-ধাৰ কৰি যোৱা ২৮ ফেব্ৰুৱাৰীত বঙাইগাঁৱৰ এটা শ্ব'ৰূমৰ পৰা এ এছ-১৬-জে-২১১৮ নম্বৰৰ বলেৰ' জেদএলএক্স মডেলৰ গাড়ীখন ক্ৰয় কৰে। গাড়ীখনৰে তেওঁ ভাড়া মাৰি পৰিয়াল চলাই আহিছে। আন দিনৰ দৰে ২৫ মাৰ্চৰ পুৱা আৰছাদে নিজৰ গাড়ীখন লৈ ভাড়া মৰাৰ উদ্দেশ্যে শিমুলটাপু আস্থানত গৈ উপস্থিত হয়। দুপৰীয়া বংগৰ পৰা দুজন যুৱকে এখন চাৰিচকীয়া বাহন লৈ শিমুলটাপুত উপস্থিত হৈ তেওঁৰ বলেৰ'খন চাৰি হেজাৰ টকাত ভাড়া লৈ বংগৰ কোচবিহাৰ জিলাৰ দিনহাটালৈ যায়। দিনহাটাৰ এখন হোটেলত বিয়লি উপস্থিত হৈ যুৱক দুজনে গা-পা ধুই আহাৰ গ্ৰহণ কৰে আৰু পাছদিনা ব্যৱসায় সংক্ৰান্তত গুৱাহাটীলৈ যোৱাৰ কথা কয়। সেই মতে আৰছাদে দিনহাটাত থাকি পাছদিনা পুৱা গুৱাহাটীলৈ ৰাওনা হয়। বিয়লি প্ৰায় পাঁচ বজাত উপস্থিত হয় খানাপাৰাৰ এখন হোটেলত। পূৰ্বতে ৰখা হোটেলৰ ১০৩ নম্বৰ কোঠাত গৈ জিৰণি লোৱাৰ লগতে গা-ধোৱে। গাড়ীখন ভাড়া লোৱা যুৱক দুজন আলুৰ ব্যৱসায় কৰা বুলি তেওঁক সদৰী কৰি টকা আনিবলৈ হোটেলৰ পৰা ওলাই যায়। কিছু সময় পাছত উভতি আহি নিশাৰ আহাৰ খোৱাৰ সিদ্ধান্ত লয়। বিৰিয়ানি খাব বুলি সিদ্ধান্ত কৰি পুনৰ বাহিৰলৈ গৈ বিৰিয়ানি লৈ আহে আৰু তিনিজনে হোটেলৰ কোঠাত আহাৰ গ্ৰহণ কৰে। কিন্তু বিৰিয়ানি খোৱাৰ কিছু সময় পাছতে আৰছাদৰ গভীৰ টোপনি অনুভৱ হোৱাত টোপনি যায় আৰু তাৰ পাছৰ পৰাই তেওঁ একো গম নাপায়। ২৬ মাৰ্চৰ পৰা সন্ধানহীন হৈ পৰে চালকজন। কালি গোৱালপাৰা জিলাৰ দুধনৈৰ গভীৰ হাবিৰ মাজত গছৰ পাতেৰে ঢাকি ৰখা অৱস্থাত আৰছাদৰ জ্ঞান ঘূৰি অহাত তেওঁ কোনোমতে তিনি-চাৰি ঘণ্টা খোজ কাঢ়ি ওলাই আহে আৰু পথৰ কাষত থকা এখন দোকানত উপস্থিত হৈ ঘটনাৰ বিষয়ে দোকানীজনক অৱগত কৰে। দোকানীজনৰ সহায়ত পৰিয়ালক যোগাযোগ কৰি কালি আৰছাদে অসুস্থ অৱস্থাত নিজ ঘৰলৈ উভতি আহে। আজি তেওঁ ঘটনা সন্দৰ্ভত গোসাঁইগাঁও থানাত এজাহাৰ দাখিল কৰে। আন্তঃৰাষ্ট্ৰীয় গাড়ী চোৰ চক্ৰই চালকজনক নিচাযুক্ত দ্ৰব্য খাদ্যত মিহলাই খুওৱাৰ পাছত গাড়ীখন লৈ উধাও হোৱাই নহয়, তেওঁক হাবিত পেলাই দিয়ে। আনহাতে তেওঁৰ শৰীৰত আঘাতৰ চিন স্পষ্ট হৈ আছে। ইপিনে গাড়ীখন ভাড়া লৈ যোৱাৰ সময়ত আৰছাদে গোপনে যুৱক দুজনৰ ফটো ম'বাইলত আৱদ্ধ কৰি ৰাখিছে। আজি গোসাঁইগাঁও থানাত ফটো দুখন দি এজাহাৰ দাখিল কৰে। উল্লেখ্য যে তেওঁৰ বলেৰ'খনৰ উপৰি এডাল সোণৰ চেইন, ম'বাইল আৰু নগদ ছয় হেজাৰ টকা যাত্ৰীৰূপী দুই দুৰ্বৃত্তই কাঢ়ি লৈ যায়।

কৃতী শিক্ষক-সমাজকৰ্মীৰ মৃত্যু

পাটাছাৰকুছি, ৩০ মাৰ্চ ঃ পাটাছাৰকুছিৰ সৰিহ চাকলা নিবাসী তথা পাটাছাৰকুছি ছোৱালী হাইস্কুল বৰ্তমানৰ পাটাছাৰকুছি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক পুলিন বিহাৰী দেৱচৌধুৰীৰ আজি পুৱতি নিশা গুৱাহাটী বি বৰুৱা কেন্সাৰ হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল (৮১) বছৰ । যোৱা কিছুদিন ধৰি তেওঁ গুৱাহাটী বি বৰুৱা কেন্সাৰ হাস্পতালত চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি পুত্ৰৰ লগতে বহুতো আত্মীয়-স্বজন তথা গুণমুগ্ধক ইহসংসাৰত এৰি যায়।

নলীগাঁও অংগনৱাডী কেন্দ্ৰত পোষণ পযেক সজাগতা সভা

অগ্ৰদূত বাৰ্তা

কয়াকুছি, ৩০ মাৰ্চ ঃ বৰপেটা জিলাৰ পাকা বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত ভক্তৰডবা চক্ৰৰ অন্তৰ্গত ২১০ নম্বৰ নলীগাঁও উত্তৰ চোপা অংগনৱাড়ী কেন্দ্ৰত আজি চতুৰ্থ পোষণ পযেক উপলক্ষে এক সজাগতা আৰু প্ৰতিকাৰ সভা অনুষ্ঠিত হয়। উক্ত শিবিৰত কিশোৰী, গৰ্ভৱতী আৰু প্ৰসূতি মাতৃৰ ৰক্তহীনতা পৰীক্ষা আৰু স্বাস্থ্য সম্পৰ্কে বিভিন্ন দিহা-পৰামৰ্শ দিয়া হয়। শিবিৰত থলুৱা শাক-পাচলিৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰা হয় আৰু লগতে ইয়াৰ সমাজ জীৱনৰ ওপৰত গুৰুত্বৰ বিষয়ে অৱগত কৰে। সজাগতা শিবিৰত পাকা বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কমল কুমাৰ শৰ্মা, ভক্তৰডবা উপ-স্বাস্থ্য কেন্দ্ৰৰ এ এন এম ৰমেনা খাতুন, মুখ্য সেৱিকা ক্ৰমে জুৰি দাস, ৰেহেনা হক, খণ্ড সমন্বয়ক ক্ৰমে সৌৰভ কুমাৰ দাস, ননী গোপাল গোস্বামী, ২১০ নম্বৰ নগাঁও অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী হালিমা খাতুন, ৯০ নম্বৰ মধ্য নলীগাঁও অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী ইলিজা খানম, ১৭৫ নম্বৰ মহন বজাৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী মৰ্জিয়ানা খাতুন, ৮৯ নম্বৰ নলীগাঁও অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী মাজেদা খাতুন, আশাকৰ্মী আমিনা খাতুন আদিয়ে অংশগ্ৰহণ কৰে।

গোৱালপাৰাৰ বাপুজীনগৰত ৩৯ সংখ্যক ৰঙালী বিহু সন্মিলনী

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৩০ মাৰ্চ ঃ গোৱালপাৰা চহৰৰ বলদমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অহা ১৪ এপ্ৰিলৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসমৰ বাপতি সাহোন ৩৯ সংখ্যক বাপুজী নগৰ ৰঙালী বিহু সন্মিলনীৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা উদ্‌যাপন সমিতিৰ সভাপতি মনোৰঞ্জন দাসে বিহু পতাকা উত্তোলনৰ পাছত ছহিদ তৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ সম্পাদক অনিৰুদ্ধ দাসে। পাছত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠি হ'ব। খেল-ধেমালি, ১৬ এপ্ৰিলত খেল-ধেমালি আৰু দুপৰীয়া বিষ্ণু সংগীত, বিহুগীত, জ্যোতি সংগীত, ভূপেন্দ্ৰ সংগীত আৰু গোৱালপৰীয়া লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। একেদৰে ১৭ এপ্ৰিলত খেল-ধেমালি আৰু সন্ধিয়া বিহু নৃত্য প্ৰতিযোগিতা আৰু আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৮ এপ্ৰিলত খেল-ধেমালি আৰু সন্ধিয়া স্থানীয় আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া। ১৯ এপ্ৰিলত খেল-ধেমালি, দুপৰীয়া ভেশচন প্ৰতিযোগিতা, আবেলি মুকলি সভা আৰু বঁটা বিতৰণী সভা। সন্ধিয়া বন্তি প্ৰজ্বলন সাংস্কৃতিক সন্ধিয়া আৰু আমন্ত্ৰিত শিল্পীৰ গীতৰ শৰাই অনুষ্ঠিত হ'ব। উল্লেখ্য যে এইবেলিৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ হ'ল কুসুম কৈলাশ আৰু পিংকীৰ গীতৰ শৰাই। ইতিমধ্যে মনোৰঞ্জন দাসক সভাপতি, তপন নাথক কাৰ্যকৰী সভাপতি, অনিৰুদ্ধ দাসক সম্পাদক আৰু বিপুল দত্তক সাংস্কৃতিক সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে।

কমলপুৰৰ দলমাত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

কমলপুৰ, ৩০ মাৰ্চ ঃ কামৰূপ জিলাৰ কমলপুৰৰ নিকটৱৰ্তী দলমাৰ ৰেল লাইনৰ সমীপত আজি এটি মৃতদেহ উদ্ধাৰ হয়। উদ্ধাৰ হোৱা মৃতদেহটো আমিনগাঁও নিবাসী শিবু দে (৫৫)। আমিনগাঁও ২৬ নম্বৰ ৰেলৱে কল'নীৰ শিবু দে নামৰ লোকজন ৰঙিয়াৰ পৰা সন্ধানহীন হৈছিল। গুৱাহাটী মেঘদূত ভৱনৰ কৰ্মচাৰীজনে পোষ্টেল ডাক লৈ ২৪ মাৰ্চত ৰেলযোগে নিউ জলপাইগুৰিলৈ গৈছিল। শুকুৰবাৰে ব্ৰহ্মপুত্ৰ মেইলযোগে মেঘদূত ভৱন অভিমুখে আহি থকাৰ পথত দিনৰ এক মান বজাত সন্ধানহীন হৈছিল। মেঘদূত ভৱনৰ দিপেন ডেকা নামৰ এগৰাকী সহকৰ্মীৰ স'তে ৰঙিয়া ষ্টেছনত নমাৰ পাছৰ পৰাই শিবু দে সন্ধানহীন হৈ আছিল। অৱশেষত লোকজনৰ অৰ্ধগলিত মৃতদেহ যোৱা নিশা জিআৰপিৰ সহযোগত পৰিয়ালৰ লোকে প্ৰত্যক্ষ কৰে। পৰিয়ালৰ সন্দেহ কোনোবাই হত্যা কৰি মৃতদেহতো কমলপুৰৰ দলমাত পেলাই থৈ গৈছে।

ধাৰাপুৰত ৰঙালী বিহুৰ আয়োজন

অগ্ৰদূত বাৰ্তা

আজাৰা, ৩০ মাৰ্চ ঃ আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ ধাৰাপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ এখন সাধাৰণ সভা কালি সন্ধিয়া ধাৰাপুৰ দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। সভাত ধাৰাপুৰ আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ ৬০ সংখ্যক বিহু সাংস্কৃতিক অনুষ্ঠান আৰু সুঁৱৰি উৎসৱ উদ্‌যাপন কৰাৰ বাবে বিশিষ্ট সমাজকৰ্মী দ্বিজেন্দ্ৰ কলিতাক সভাপতি, অশোক ঠাকুৰীয়াক কাৰ্যকৰী সভাপতি, উমেশ কলিতা আৰু কমল কলিতাক উপ-সভাপতি, কৃষ্ণকান্ত দাসক সাধাৰণ সম্পাদক, ভৱেশ কলিতা, গৌতম দাস আৰু জিন্টুমণি শৰ্মাক সম্পাদক, মানৱ কলিতা, দেৱজিৎ কলিতা আৰু নিতু ৰাজবংশীক সাংস্কৃতিক সম্পাদক, যতীন কলিতা আৰু পৰেশ কলিতাক সুঁৱৰি সম্পাদক, ভুবন দাস, পবেন কলিতা আৰু বসন্ত কলিতাক খেল সম্পাদক হিচাপে লৈ এখন কাৰ্যকৰী সমিতি গঠন কৰা হয়।

কোকৰাঝাৰত বিনামূলীয়া পাঠ্যপুথি বিতৰণ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ৩০ মাৰ্চ ঃ নতুন শিক্ষাবৰ্ষ আৰম্ভ হ'বলৈ মাজত মাথোঁ এটা দিন বাকী থকা অৱস্থাত আজিৰে পৰা কোকৰাঝাৰ শিক্ষাখণ্ডত আৰম্ভ হৈছে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচী। উল্লেখ্য যে কোকৰাঝাৰ জিলাত কোকৰাঝাৰ, দোতমা, কচুগাঁও, গোসাঁইগাঁও আৰু পৰ্বতঝোৰা নামৰ পাঁচটা শিক্ষাখণ্ড আছে । ইয়াৰে আজি কোকৰাঝাৰ শিক্ষাখণ্ডৰ অধীনৰ ৬৩৬ খন বিদ্যালয়ত বিনামূলীয়া পাঠ্যপুথি বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে । ৬৩৬ খন বিদ্যালয়ৰ বাবে ১,৯১,৭৩৪ খন পাঠ্যপুথিৰ

প্ৰয়োজন যদিও শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ প্ৰাকমুহূৰ্তত বৰ্তমানলৈকে ১,৭৫,৫৪৭ খন পাঠ্যপুথি লাভ কৰিছে। অৰ্থাৎ কোকৰাঝাৰ শিক্ষাখণ্ডই ১৬,১৪৭ খন পাঠ্যপুথি বৰ্তমানলৈকে লাভ কৰা নাই। হিন্দী মাধ্যমৰ এখনো পাঠ্যপুথি নহাৰ বিপৰীতে উচ্চ প্ৰাথমিকৰ হিন্দী কিতাপো এখনো বৰ্তমানলৈকে শিক্ষাখণ্ডটোত আহি পোৱা নাই। তদুপৰি বাংলা মাধ্যমৰ কে'বাটাও বিষয়ৰ পাঠ্যপুথিও বৰ্তমানলৈকে আহি পোৱা নাই। শিক্ষাখণ্ডটোত কিতাপ যোগানৰ হাৰ প্ৰায় ৯২ শতাংশ আৰু বৰ্তমানেও আঠ শতাংশ কিতাপৰ নাটনি থকাত সমস্যাৰ সৃষ্টি হৈছে । ইপিনে, নতুন শিক্ষাবৰ্ষ আৰম্ভ হোৱাৰ প্ৰাকমুহূৰ্তত আজি বালাগাঁও প্ৰাথমিক বিদ্যালয়ত বিনামুলীয়া পাঠ্যপুথি বিতৰণ কৰে কোকৰাঝাৰ শিক্ষাখণ্ডৰ খণ্ড বিষয়া তথা খণ্ড মিছন সমন্বয়ক প্ৰদীপ কুমাৰ গয়াৰীয়ে। পাঠ্যপুথি বিতৰণী অনুষ্ঠান উপলক্ষে অনুষ্ঠিত সভাত খণ্ড মিছন সমন্বয়ক গয়াৰীয়ে সকলো শিক্ষক- শিক্ষয়িত্ৰীকে নিজ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনাইছে। কিতাপৰ নাটনি সন্দৰ্ভত সাংবাদিকে সোধা এক প্ৰশ্নোত্তৰত দুই এদিনতে সেয়া আহি পাব আৰু সময়মতেই বিতৰণ কৰা হ'ব বুলি মন্তব্য কৰিছে গয়াৰীয়ে। অনুষ্ঠানত ডায়েটৰ প্ৰৱক্তা নয়নমণি বৰা, চিআইটিৰ প্ৰৱক্তা দেৱৰ্ষি ব্ৰহ্ম, বিএমআইচ ফিৰদুছ হুছেইন, বিআৰপি শিপ্ৰা মজুমদাৰ উপস্থিত থাকে ।

হিন্দী-বাংলা মাধ্যমৰ পাঠ্যপুথিৰ অভাৱ

ওদালগুৰিত অসম ভিত্তিত মুকলি বিহু আৰু জনগোষ্ঠীয় সমাৰোহ

বিশেষ সংবাদদাতা

ওদালগুৰি, ৩০ মাৰ্চ ঃ ওদালগুৰি সন্মিলিত যুৱ সমাজৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত অহা ২৮ এপ্ৰিলত আয়োজন কৰা হৈছে এখন সদৌ অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহৰ। ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া উক্ত কাৰ্যসূচীৰ জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত কেঁবাটাও জনগোষ্ঠীয় বিহু দলে অংশগ্ৰহণ কৰিব। ইপিনে, অসম ভিত্তিত আয়োজিত মুকলি বিহু প্ৰতিযোগিতাৰ প্ৰথম শ্ৰেষ্ঠ বিহু দলক নগদ ৫০ হেজাৰ টকাসহ মানপত্ৰ, দ্বিতীয় শ্ৰেষ্ঠ বিহু দলক নগদ ৩০ হেজাৰ টকাসহ মানপত্ৰ আৰু তৃতীয় শ্ৰেষ্ঠ বিহু দলক নগদ ২০ হেজাৰ টকাসহ মানপত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি মুকলি বিহুৰ শ্ৰেষ্ঠ বাবে বিহুৱতীক নগদ ১০ হেজাৰ টকাসহ মানপত্ৰ আৰু শ্ৰেষ্ঠ ঢুলীয়া, শ্ৰেষ্ঠ পেঁপাবাদক আৰু শ্ৰেষ্ঠ বিহুৱাক পাঁচ হেজাৰকৈ টকা প্ৰদান কৰা হ'ব। উক্ত বিহুৰ স'তে সংগতি ৰাখি অলপতে ওদালগুৰি পূৰ্বজ্যোতি যুৱ সমাজৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সাধাৰণ সভাত উদ্‌যাপন সমিত গঠন কৰা হয়। মিনন মোছাহাৰী আৰু গুণজিৎ দাসক ক্ৰমে সভাপতি-সম্পাদকৰূপে লৈ গঠন কৰা সমিতিখনত ৰঞ্জিৎ দাস, ধনজিৎ দাস, হেমচন্দ্ৰ ৰাভা, প্ৰসাদ দাসক উপদেষ্টা, দীপক পাঠক, ৰাজু বায়ন, প্ৰাচুৰ্য দাস, দীপাংকৰ দাস, নিৰ্মল দাসক উপ-সভাপতি, জিতু দাস, গুঞ্জন পাঠক, অঞ্জনজ্যোতি শৰ্মা, বিৰিঞ্চি চৌধুৰীক সহকাৰী সাধাৰণ সম্পাদক, ধনদ্বীপ বৰাক সাংস্কৃতিক সম্পাদক, হেমেন দাস, নিতুল মালিয়া, দীপক দাস, ৰাজু মেধিক সহকাৰী সাংস্কৃতিক সম্পাদক, মিলন দাস নৰজিৎ ভড়ালী, দ্বিপজ্যোতি দাস, নিতুমণি ডেকাক প্ৰচাৰ সম্পাদক, অজয় দাস, জ্যোতি দাসক কাৰ্যালয় সম্পাদক, ৰূপকোঁৱৰ ডেকা, পাপ্পু সোণাৰী, অলকেশ পাঠক, অনিমেষ দাস, নৰজ্যোতি চৌধুৰী, পবিত্ৰ বৰ্মণ, নিৰ্মল পাঠক, সুৰজিৎ বিশ্বাস, বুদ্ধিৰাম বড়ো আৰু পাৰ্থসাৰথি দাসক কাৰ্যনিৰ্বাহক সদস্যসহ সমিতিখন গঠন কৰা হয়। ইফালে, পৰহি ওদালগুৰি টাউন স্প'ৰ্টছ ক্লাবৰ কাৰ্যালয়টো বিহু উদ্‌যাপন সমিতিৰ অস্থায়ী কাৰ্যালয়ৰূপে উদ্বোধন কৰে বিহু উদ্‌যাপন সমিতিৰ সভাপতি মিনন মোছাহাৰীয়ে।

নলীগাঁও মণ্ডল সমল কেন্দ্ৰত পৰিচালনা সমিতিৰ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

কয়াকুছি, ৩০ মাৰ্চ ঃ বৰপেটা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত নলীগাঁও মণ্ডল সমল কেন্দ্ৰৰ অঞ্চলৰ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যাসকলৰ তিনিদিনীয়া অনাৱাসাৰিক প্ৰশিক্ষণৰ যোৱা ২৮ মাৰ্চত সামৰণি পৰে। সমগ্ৰ শিক্ষা অভিযান মিছনৰ নিৰ্দেশত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰ যোৱা ২৬ মাৰ্চত আৰম্ভ হৈছিল। নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰটো যোৱা ২৬ মাৰ্চত উদ্বোধন কৰে নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক ৰাইজ উদ্দিন আহমেদে। তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰটোত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাৰ সহকাৰী শিক্ষয়িত্ৰী মৰ্জিনা খাতুন আৰু ৫৮৪ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক পৰাণ কলিতাই। প্ৰশিক্ষণৰ প্ৰথম দিনা। উপস্থিত থাকে জিলা আঁচনি বিষয়া ক্ৰমে সীতাংগ ডেকা আৰু নিৰঞ্জন ওজা। সংশ্লিষ্ট বিভাগে নিৰ্ধাৰণ কৰি দৈনিক বিভিন্ন কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত উত্তৰ নলীগাঁও বালিকা প্ৰাথমিক বিদ্যালয়, পশ্চিম নলীগাঁও প্ৰাথমিক বিদ্যালয়, ১৬৩৪ নম্বৰ উত্তৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, নলীগাঁও হাবিবীয়া প্ৰি ছিনিয়ৰ মাদ্ৰাছা, ৫৮৪ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, ৮১২ নম্বৰ নলীগাঁও প্ৰাথমিক বিদ্যালয়, দক্ষিণ দেশভক্ত প্ৰি-ছিনিয়ৰ মাদ্ৰাছা আৰু হেলছা গাঁও প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য/সদস্যাই অংশগ্ৰহণ কৰে। প্ৰতি বিদ্যালয়ৰ পৰা ছয়জনকৈ মুঠ ৫৪জনে প্ৰশিক্ষণ লোৱা শিবিৰটোৰ তদাৰক কৰে মণ্ডল কেন্দ্ৰৰ সমন্বয়ক ৰাহুল আমিনে।

আনহাতে, প্ৰশিক্ষণ শিবিৰটোৰ দায়িত্বশীল ব্যক্তি হিচাপে থাকে নলীগাঁও ছোৱালী এম ই মাদ্ৰাছাৰ প্ৰধান শিক্ষক ৰাইজ উদ্দিন আহমেদ। প্ৰশিক্ষণ শিবিৰটোৰ জৰিয়তে সদস্য-সদস্যাসকলে বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ উন্নত কৰিবলৈ তেওঁলোকৰ ভূমিকা কি, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য/সদস্যাসকলে বিদ্যালয়খন কেনেদৰে পৰিচালনা কৰিব লাগে, ছাত্ৰ-ছাত্ৰীক কেনেদৰে বিদ্যালয়মুখী কৰিব পাৰি, সমাজৰ পৰা কেনে দৰে নিৰক্ষৰতা আঁতৰাই সকলোকে কেনেকৈ শিক্ষিক কৰিব পাৰি, বিদ্যালয়ৰ হিচাপ কেনেদৰে ৰাখিব লাগে, বিদ্যালয়ত শিক্ষক শিক্ষয়িত্ৰীসকলে নিয়মিতভাৱে পাঠদান দিয়ে নে নাই সেইবোৰ কেনেদৰে পৰ্যবেক্ষণ কৰিব লাগে সেইবোৰৰ বিষয়ে সমল ব্যক্তি দুগৰাকীয়ে পৰ্যালোচনা কৰে।

ৰাষ্ট্ৰপতিৰ পদক প্ৰাপ্ত আৰক্ষী বিষয়া বাবুল আলীৰ বিয়োগ



বিশেষ সংবাদদাতা

নগাঁও, ৩০ মাৰ্চ ঃ ৰাষ্ট্ৰপতিৰ পদকপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক বাবুল আলী (৫৬)ৰ আজি পুৱা গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। তেওঁ দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। উল্লেখ্য যে ১৯৯৭ত নগাঁও জিলাত আলফা উগ্ৰপন্থীৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰ বৰ্ষটোৰ সাত ডিচেম্বৰত তেতিয়াৰ নগাঁৱৰ আৰক্ষী অধীক্ষক প্ৰদীপ কুমাৰ নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত পলাশনিত আলফাৰ দ্বাৰা এক ভয়ংকৰ আক্ৰমণৰ বলি হৈছিল। সিদিনা আলফাৰ আক্ৰমণত আৰক্ষী অধীক্ষক প্ৰদীপ কুমাৰ গুৰুতৰভাৱে আহত হৈছিল। সেই সময়ত আৰক্ষী অধীক্ষকজনৰ গাড়ীচালক আছিল আলী। সিদিনা চালক আলীয়ে সাহসিকতাৰে আৰক্ষী অধীক্ষকক নিকটতম চিকিৎসালয়লৈ নি জীৱন ৰক্ষা কৰিছিল। আলীৰ ভৰিতো গুলি লাগিছিল যদিও তেওঁ আৰক্ষী অধীক্ষকৰ গাড়ীখন সুৰক্ষিতভাৱে চিকিৎসালয়লৈ নিছিল। তেওঁক ১৯৯৮ত ৰাষ্ট্ৰপতিয়ে পিপিএমজিৰে পুৰস্কৃত কৰিছিল। আজি অসম আৰক্ষীৰ হৈ নগাঁও আৰক্ষীয়ে নগাঁও আৰক্ষী সংৰক্ষিত অঞ্চলত প্ৰক্ৰিয়া অনুসৰি ছালামীৰ স'তে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই অনুষ্ঠানত কে'বাজনো শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত থাকে।

নলবাৰীত প্ৰধানমন্ত্ৰীৰ পৰীক্ষা চৰ্চা শীৰ্ষক কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

নলবাৰী, ৩০ মাৰ্চ ঃ নলবাৰী জৱাহৰ নৱোদয় বিদ্যালয়ৰ সৌজন্যত আৰু নলবাৰী জিলা প্ৰশাসনৰ সহযোগত অহা পহিলা এপ্ৰিলত দিনৰ ১১ বজাত টিভিৰ জৰিয়তে পোনপটীয়া সম্প্ৰচাৰ হ'বলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'পৰীক্ষা পে চৰ্চা' শীৰ্ষক অনুষ্ঠানৰ ব্যাপক প্ৰচাৰৰ জৰিয়তে ব্যাপক মাত্ৰাত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে জিলা উপায়ুক্তৰ সভাকক্ষত আজি এখন সংবাদমেল অনুষ্ঠিত হয়। উক্ত সংবাদমেলত এই কথা সদৰী কৰে উপায়ুক্ত গীতিমণি ফুকন আৰু জৱাহৰ নৱোদয় বিদ্যালয়, নলবাৰীৰ অধ্যক্ষ অজিত কুমাৰে।

কৃষ্ণাই ব্লক কংগ্ৰেছৰ সভাপতি মহম্মদ আলীৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

কৃষ্ণাই, ৩০ মাৰ্চ ঃ গোৱালপাৰা জিলাৰ কৃষ্ণাই ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী মহম্মদ আলী (৪৭)ৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। উল্লেখ্য যে প্ৰয়াত প্ৰাক্তন বিধায়ক শাদিদ মজুমদাৰৰ দিনত কংগ্ৰেছত যোগদান

১৩ *পৃষ্ঠাত চাওক*

চকা বন্ধৰ অজুহাত দি পাণ ব্যৱসায়ীৰ লুণ্ঠন

লালুকত গুছি পাণৰ দাম বৃদ্ধি

অগ্ৰদূত বাৰ্তা

লালুক, ৩০ মাৰ্চ ঃ দুদিন ধৰি চকা বন্ধৰ প্ৰভাৱ লালুক বজাৰতো পৰা পৰিলক্ষিত হৈছে। চকা বন্ধৰ বাবে কিছুমান অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান বন্ধ থকাৰ অচিলা লৈ একাংশ ব্যৱসায়ীয়ে সাধাৰণ গ্ৰাহকৰ পৰা লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ থলুৱা পাণৰ বজাৰত আজি দুদিন ধৰি দামৰ ক্ষেত্ৰত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰাৰ অভিযোগ উঠিছে। উত্তৰ অসমৰ ভিতৰতে লালুকৰ পাণ বজাৰখন এখন বৃহৎ বজাৰ। এই বজাৰখনলৈ যোৰহাট, গোলাঘাট, নগাঁৱকে ধৰি বিভিন্ন জিলাৰ পৰা প্ৰতিদিনে পুৰাই বৃহৎ পৰিমাণৰ থলুৱা পাণ নৈশ বাছত আহি লালুক বাছ আস্থানত নামে। এই পাণসমূহ জিলাখনৰ বিভিন্ন প্ৰান্তলৈ ৰপ্তানি হোৱাৰ লগতে কাষৰীয়া অৰুণাচল প্ৰদেশলৈও প্ৰাণ ৰপ্তানি হয়। বিশেষ কেইগৰাকীমান ব্যৱসায়ীৰ দখলত থকা পাণৰ বজাৰখন দীৰ্ঘদিন ধৰি তেওঁলোকে চলাই আহিছে। আজি দুদিন ধৰি চকা বন্ধ হোৱাত পূৰ্বতে মজুত থকা পাণসমূহ খুচুৰা ব্যৱসায়ীসকলে পাণৰ যোগন বন্ধ হোৱাৰ অচিলা লৈ এগুছি থলুৱা পাণ ৫০ টকা দৰত বিক্ৰী কৰাৰ বিপৰীতে কুমলীয়া সৰু আকাৰৰ পাণৰ গুছিত ৩০ টকা দৰত বিক্ৰী কৰিছে। এই পাণৰ দাম দুদিন পূৰ্বে গুছিত ১৫ টকা দৰত বিক্ৰী হৈছিল। এই লৈ গ্ৰাহকসকলে নিয়ন্ত্ৰণহীন পাণৰ বজাৰক লৈ ক্ষোভ প্ৰকাশ কৰিছে। লগতে ব্যৱসায়ীসকলে চকা বন্ধৰ অচিলা লৈ গ্ৰাহকসকলক লুণ্ঠন চলোৱা বুলি গ্ৰাহকে অভিযোগ কৰিছে। ৰাইজে এই ক্ষেত্ৰত জিলা প্ৰশাসনক তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ আহ্বান জনোৱাৰ লগতে কোনো বিশেষ কাৰণৰ অচিলা লৈ যাতে ব্যৱসায়ীসকলে ভৱিষ্যতে বজাৰখনত দাম বৃদ্ধি কৰি গ্ৰাহকক লুণ্ঠন চলাব নোৱাৰে তাৰ বাবে কঠোৰ দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে।

সমাজক সঠিক পথত আগুৱাই নিবলৈ শিক্ষাৰ প্ৰয়োজন

শোণিতপুৰৰ পঞ্চায়তত আইন সজাগতা কৰ্মশালাৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ,

তেজপুৰ, ৩০ মাৰ্চ ঃ ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ উদ্যোগত আৰু ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ সহযোগত শোণিতপুৰৰ মুঠ ৪০ খন পঞ্চায়তৰ গাঁও সদস্যসকলক চাৰিখন আইন তৃণমূল পৰ্যায়লৈ কাষ চপাই নিয়াৰ উদ্দেশ্যে যোৱা ২১ মাৰ্চৰ পৰা অনুষ্ঠিত হোৱা কৰ্মশালাৰ কালি সামৰণি পৰে। ২৭মাৰ্চৰ পৰা বালিপৰা উন্নয়ন খণ্ডৰ ঘোঁৰামাৰীত আৰম্ভ হোৱা এই আইন সজাগতা কৰ্মশালাত ঘোঁৰামাৰী, মানশিৰি, চামধৰা, নিজগৰৈমাৰী পঞ্চায়তৰ খণ্ড সদস্যসকলক আৰু মানশিৰি পঞ্চায়তত ৰঙাজান, মানশিৰি, চামধৰা আৰু নিজগৰৈমাৰী পঞ্চায়ত খণ্ড সদস্যাসকলে কৰ্মশালাত অংশ লয়। ইয়াত গাৰ্হস্থ্য হিংসা আইন, যৌতুক নিবাৰক আইন, বিনামূলীয়া আইন সাহায্য আৰু অনৈতিক মানৱ সৰবৰাহ আইন সন্দৰ্ভত শোণিতপুৰ আইন সেৱা প্ৰাধিকৰণৰ সমন্বয়ক চাজিদুৰ ৰহমানে মানশিৰিত আৰু আৰু অধিবক্তা সাধনা দত্তই ঘোঁৰামাৰীত সমল ব্যক্তিৰূপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। দুয়োখন পঞ্চায়তত ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ আঁচনি বিষয়া নিৰ্মল চন্দ্ৰ ডেকা আৰু পাৰদৰ্শী ব্যক্তি জয়ন্ত বৰা উপস্থিত থাকি বক্তব্য আগবঢ়ায়। ইফালে, ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ মাজৰৌমাৰী পঞ্চায়তত কালি সামৰণি পৰা মাজৰৌমাৰী, চপাই, অমিয়পুৰ, ৰাক্ষসমাৰী পঞ্চায়তৰ আইনী কৰ্মশালাত ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া চন্দনজ্যোতি পেগু উপস্থিত

১৩ *পৃষ্ঠাত চাওক*

তিতাবৰ প্ৰাথমিক শিক্ষা খণ্ড বিষয়াৰ বিৰুদ্ধে আছুৰ প্ৰতিবাদ

তিতাবৰ, ৩০ মাৰ্চ ঃ তিতাবৰ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ৫১৫ নম্বৰ কচুখাত আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সেৱক কাৰ্ডঙৰ বিৰুদ্ধে উত্থাপিত বিভিন্ন অভিযোগৰ বিৰুদ্ধে তিতাবৰ শিক্ষা খণ্ড বিষয়াই কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰি ছাত্ৰ সন্থাৰ কৰ্মীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। আজি পুৱা ১১ বজাত তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মীসকলে তিতাবৰ চাৰিআলিৰ শিক্ষা খণ্ড বিষয়াৰ কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচীৰে অভিযুক্ত শিক্ষক সেৱক কাৰ্ডং আৰু শিক্ষা খণ্ড বিষয়াৰ বিৰুদ্ধে বিভিন্ন প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ছাত্ৰ সন্থাৰ কৰ্মীসকলে কাৰ্ডঙে ছাত্ৰ-ছাত্ৰীসকলক অনিয়মিতভাৱে মধ্যাহ্ন ভোজন যোগান ধৰা, বিদ্যালয়খনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইউনিফৰ্ম বিতৰণ নকৰা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰীৰ স্বাক্ষৰ জালিয়াতি কৰি ধন আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰে। প্ৰতিবাদকাৰীসকলে অভিযুক্তৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবী জনাই মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীলৈ স্মাৰকপত্ৰ

১৩ *পৃষ্ঠাত চাওক*

আটছাৰ ফৰকাটিং উপ-শাখাৰ দশম দ্বি-বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ৩০ মাৰ্চ ঃ অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ আটছাৰ ফৰকাটিং উপ-শাখাৰ দশম দ্বি-বাৰ্ষিক অধিবেশন অহা ছয় এপ্ৰিলত ফৰকাটিংস্থিত অমৰজ্যোতি ক্লাবৰ সভাকক্ষত অনুষ্ঠিত হ'ব। প্ৰস্তাৱিত কাৰ্যসূচী অনুসৰি পুৱা সামূহিক চাফাই, পতাকা উত্তোলন, ছহিদ তৰ্পণ, প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ পাছত 'বৰ্তমান সমাজ ব্যৱস্থাত যুৱপ্ৰজন্মৰ কৰণীয়' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিয়লি ভাগত প্ৰতিনিধি সভা, বিষয় বাছনি সভাৰ পাছত সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়িত হ'ব। সেয়েহে উপ-শাখাৰ সভাপতি অকণ গোৱালা আৰু সম্পাদক জগত বাউৰীয়ে অধিবেশন সাফল্যমণ্ডিত কৰিবলৈ সমূহ ৰাইজৰ উপস্থিতি, সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ কামনা কৰিছে।

ঘগ্ৰাপাৰৰ-বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ ২০১ খন বিদ্যালয়ত অনুষ্ঠিত হ'ব গুণোৎসৱ-২০২২

অগ্ৰদূত বাৰ্তা

ঘগ্ৰাপাৰ, ৩০ মাৰ্চ ঃ সমগ্ৰ শিক্ষা, নলবাৰীৰ জিলা আঁচনি বিষয়াদ্বয় বিনীতা ৰাজবংশী আৰু মনোজ শৰ্মাই আজি ঘগ্ৰাপাৰস্থিত বড়িগোগ-বন বিভাগ শিক্ষাখণ্ডত উপস্থিত হৈ আগন্তুক গুণোৎসৱৰ সন্দৰ্ভত যোজনা বৈঠকত ভাগ লয়। বিশেষ প্ৰশিক্ষণ বিভাগৰ বিষয়া বিনীতা ৰাজবংশীয়ে গুণোৎসৱৰ বাবে নিখুঁত প্ৰস্তুতিৰ ওপৰত গুৰুত্ব দি কয় যে শিক্ষকসকলে চৰকাৰী ধনৰ সুপ্ৰয়োগ কৰা উচিত। অইন এজন বিষয়া মনোজ শৰ্মাই বিদ্যালয়ৰ আন্তঃগাঁথনি, স্বচ্চতা আৰু নিয়মানুবৰ্তিতা সন্দৰ্ভত বক্তব্য উপস্থাপন কৰে। শিক্ষা খণ্ডটোৰ সমল ব্যক্তি সুভাষ বৰ্মনে শিকন-ঘাটি ন্যূনতম কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰা বাঞ্ছনীয় বুলি মত পোষণ কৰে। শিক্ষা খণ্ডটোৰ অধীনস্থ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক, খণ্ড গাণনিক, ইউপি, আইইএআৰপি আদিৰ উপস্থিতিত দুপৰীয়া দুই বজাত শিক্ষা খণ্ডটোৰ মসীপৰৱৰ্তী ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী

১৩ *পৃষ্ঠাত চাওক*

মহুৰামুখত শিল্পী মোহিনী ৰাজকুমাৰীৰ ৩৯ সংখ্যক মৃত্যু তিথিত দল-সংগঠনৰ স্মৰণ

খুমটাই, ৩০ মাৰ্চ ঃ অসমীয়া বোলছবি 'জয়মতী'ত ৰাজমাওৰ চৰিত্ৰত অভিনয় কৰা শিল্পী মোহিনী ৰাজকুমাৰীৰ ৩৯ সংখ্যক মৃত্যু দিৱস যোৱা নিশা মহুৰামুখ শাখা সাহিত্য সভাৰ উদ্যোগতক ৰাইজৰ সহযোগত মহুৰামুখত অনুষ্ঠিত হয়। মহুৰামুখৰ শিল্পী মোহিনী ৰাজকুমাৰী সাংস্কৃতিক সংগ্ৰহালয়ত অনুষ্ঠিত শিল্পী ৰাজকুমাৰীৰ মৃত্যু দিৱসৰ অনুষ্ঠানত অসমৰ জনপ্ৰিয় অভিনেত্ৰী, বিহুৰাণী মাধুৰীমা চৌধুৰীয়ে শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি অভিনেত্ৰী চৌধুৰীয়ে কয় যে নতুনত্ব আঁকোৱালি ল'ব লাগিব, কিন্তু আমি কেতিয়াও পুৰণিসকলক পাহৰিব নালাগে। প্ৰয়াত শিল্পীসকলক জন্মদিন আৰু মৃত্যু দিৱসত স্মৰণ কৰাৰ লগতে নতুন প্ৰজন্মই সদায় স্মৰণ কৰিব লাগে। ইয়াৰ উপৰি শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে শিল্পীগৰাকীৰ নাতিনী বীণা ৰাজকুমাৰীয়ে। মহুৰামুখ শাখা সাহিত্য সভাৰ সম্পাদক মুকুল বৰাই আঁত ধৰা অনুষ্ঠানত মহুৰামুখ শাখা সাহিত্য সভাৰ সভাপতি নাৰায়ণ দাস, সংগ্ৰহালয়ৰ প্ৰস্তুতি কমিটীৰ সম্পাদক দীপক দত্তস নীৰেন বৰা, মহুৰামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মণিকাঞ্চন ফুকন, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য আকাশ দত্ত আদিয়ে শিল্পীগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰে। ইফালে, এই অনুষ্ঠানতে অভিনেত্ৰী মাধুৰীমা চৌধুৰীক বিশেষভাৱে মহুৰামুখত বিভিন্ন দল-সংগঠনে অংগবস্ত্ৰৰে সম্বৰ্ধনা জনায়।

সুলভ মূল্যৰ সামগ্ৰীৰ কলা বজাৰ ৰোধ কৰিবলৈ বিশেষ সজাগতা সভা

আলোপতি, ৩০ মাৰ্চ ঃ দৰিদ্ৰ হিতাধিকাৰীসকলক ৰাজ্যৰ যোগান বিভাগে যোগান ধৰা সুলভ মূল্যৰ সামগ্ৰীৰ ক'লা বজাৰ ৰোধ কৰাৰ লগতে সামগ্ৰীসমূহ সঠিক আৰু সময়মতে গ্ৰাহকসকলক যোগান ধৰাৰ ওপৰত আজি এখন সজাগতা সভা অনুষ্ঠিত হয়। বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত বাঘমৰা চৰ সমবায় সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত সজাগতা সভাত বৰপেটা জিলা সমবায় বিভাগৰ পঞ্জীয়ক কাৰ্যালয়ৰ জ্যেষ্ঠ হিচাপ পৰীক্ষক দীপেন বৰা, নৰজিৎ পাটোৱাৰী, কনিষ্ঠ হিচাপ পৰীক্ষক অনন্ত মালাকাৰ, বীৰেন চন্দ্ৰ কলিতাৰ লগতে বহু ব্যক্তি উপস্থিত থাকে। সমবায় সমিতিৰ সম্পাদক ৰিপুণ সৰকাৰে উদ্দেশ্য ব্যাখ্যা কৰা আৰু ফজল হক চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সুলভ মূল্যৰ সামগ্ৰীৰ সঠিক আৰু সময়োপযোগী বিতৰণ, চোৰাং বিক্ৰী ৰোধ, সমবায় সমিতিসমূহৰ নিকাভাব মূৰ্তি বজাই ৰখাৰ লগতে স্বচ্ছতা বৃদ্ধিৰ ওপৰত ভাষণ প্ৰদান কৰে জ্যেষ্ঠ হিচাপে পৰীক্ষক দীপেন বৰাই। সমবায় সমিতিখনে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ ওপৰত প্ৰাক্তন সভাপতি আজমল হক ফকিৰ, নুৰ মহম্মদ আলী, সমাজকৰ্মী তাইজুদ্দিন সৰকাৰ, ছানিয়াৰা খাতুন প্ৰমুখ্যে কে'বাজন ব্যক্তিয়ে ভাষণ প্ৰদান কৰি এইবোৰ সমাধান কৰিবলৈ কৰ্তৃপক্ষক দাবী জনায়। বিভিন্ন প্ৰতিকূল পৰিস্থিতিৰ মাজতো গ্ৰাহকসকলক নিয়মীয়াকৈ চাউল যোগান ধৰি অহাত সমবায় সমিতিৰ কৰ্মকৰ্তা আৰু সঞ্চালক মণ্ডলীক প্ৰশংসা কৰে একাংশ লোকে।

গোলাঘাটত বিজেপিৰ মহিলা মৰ্চাৰ বুথ সমিতি

অগ্ৰদূত বাৰ্তা

ফৰকাটিং, ৩০ মাৰ্চ ঃ গোলাঘাট জিলা বিজেপিৰ আঠগাঁও মণ্ডল বিজেপিৰ উদ্যোগত আজি বৰজানত মহিলা বুথ সমিতিখন গঠন কৰে। উল্লেখ্য যে আঠগাঁও মণ্ডল বিজেপিৰ সভানেত্ৰী বিউটি বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত দুই নম্বৰ বৰজান ৱাৰ্ডত জুনুমনি চুতীয়াক সভানেত্ৰী, নিজৰা গগৈ, মিণ্টু বৰাক উপ-সভানেত্ৰী, পাউল হাজৰিকাক সাধাৰণ সম্পাদিকা, ৰুণুমী কলিতা, জয়ন্তী বৰা-গগৈক সম্পাদিকা আৰু ধন্যলতা গগৈ আৰু মঞ্জুমালা সন্দিকৈক প্ৰচাৰ সম্পাদিকা আৰু তিনি নম্বৰ বৰজান ৱাৰ্ডত ৰিতুমনি হাজৰিকাক সভানেত্ৰী, লক্ষী কুৰ্মী, নিতুমনি কুৰ্মীক উপ-সভানেত্ৰী, জুলি বেগমক সাধাৰণ সম্পাদিকা, নাছবিন বেগম, ৰুমা তিৰ্কীক সহ সম্পদিকা, ৰিতালী ভূএঞাক প্ৰচাৰ সম্পাদিকা হিচাপে লৈ দুখন বুথ সমিতি গঠন কৰে। বুথ সমিতি গঠনৰ সভাত আঠগাঁও মণ্ডল বিজেপিৰ সভাপতি বিজয় বৰা, সম্পাদক দিলীপ বৰা, জিলা কাৰ্যকৰী সদস্য বিবেকা ৰাজখোৱা, দিপেন গগৈ, যুৱ মৰ্চাৰ নিপু হাজৰিকা, কল্যাণ জ্যোতি ফুকন, ৱাৰ্ড সদস্য নাৰায়ণ ফুকন, কাৰ্যকৰ্তা যতীন গগৈ, পবিত্ৰ গগৈ, চেনীৰাম দত্ত, মুকুল শইকীয়া, মহেন্দ্ৰ তাঁতী, জোনমনি শইকীয়া, মাতু গগৈ উপস্থিত থাকে। উল্লেখ্য যে সভাত তিনি শতাধিক দলীয় মহিলাকৰ্মী উপস্থিত থাকে।

অপ্ৰাদেশিকীকৃত সংস্কৃত টোল নলবাৰীত কাঁহী-বাটি বজাই প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ৩০ মাৰ্চ ঃ নলবাৰীত আজি সদৌ অসম অপ্ৰাদেশিকীকৃত সংস্কৃত টোল শিক্ষক-কৰ্মচাৰীৰ পদমৰ্যাদাৰ দাবীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সন্থাৰ প্ৰায় দুই শতাধিক শিক্ষক-কৰ্মচাৰীয়ে নলবাৰীৰ কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ সন্মুখত এই প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে সংস্কৃত টোলৰ প্ৰতিবাদী শিক্ষক-কৰ্মচাৰীসকলে নিজৰ পদমৰ্যাদাৰ দাবীত কাঁহী-বাটি বজাই 'মুখ্যমন্ত্ৰী-শিক্ষামন্ত্ৰী হায় হায়', 'সংস্কৃত টোল ৰক্ষা কৰক', 'আমাক ভাত দিয়ক', 'আমাক জীয়াই ৰাখক', 'আমাক শিক্ষকৰ পদমৰ্যাদা দিয়ক' আদি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, টোল শিক্ষকৰ সমস্যা সমাধান নকৰিলে প্ৰতিবাদকাৰীসকলে আত্মজাহৰ হুংকাৰ দিয়ে।

হাজোত নাট্যকাৰ-অভিনেতা হৰেন্দ্ৰ নাথ দাসৰ জীৱন ভিত্তিক তথ্যচিত্ৰৰ মহুৰত

অগ্ৰদূত বাৰ্তা

হাজো, ৩০ মাৰ্চ ঃ অসম নাট্য সন্মিলন হাজো শাখাৰ উদ্যোগত ভ্ৰাম্যমাণ নাট্য জগতত কালাপাহাৰ খ্যাত নাট্যকাৰ, অভিনেতা, প্ৰযোজক আৰু পৰিচালক হৰেন্দ্ৰ নাথ দাস (পালোৱান)ৰ জীৱন ভিত্তিক এখন তথ্যচিত্ৰ নিৰ্মাণৰ আজি মহুৰত সম্পন্ন হয়। এই উদ্দেশ্য আজি এখন সভা অনুষ্ঠিত হয়। অসম নাট্য সন্মিলন হাজো শাখাৰ সভাপতি বাবুল মজুমদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত অৱসৰী আয়ুক্ত মোহন চন্দ্ৰ মালাকাৰে অভিনেতাজনৰ বৰ্ণিল জীৱন পৰিক্ৰমাৰ ভিত্তিত নিৰ্মাণ হ'ব লগা তথ্যচিত্ৰখন নাট্য জগতখনৰ বাবে শুভ লক্ষণ বুলি কয়। হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক নাট্যকাৰ, অভিনেতা আৰু প্ৰযোজক প্ৰদীপ কলিতাই প্ৰকৃততে জীৱিত কালত শিল্পীসকলক স্বীকৃতি দিয়াটো প্ৰয়োজন বুলি উল্লেখ কৰি এই তথ্যচিত্ৰখন এক যুগান্তকাৰী দলিল হিচাপে চিহ্নিত হ'ব বুলি কয়। উক্ত অনুষ্ঠানত উপস্থিত থাকি অৱসৰী শিক্ষক প্ৰকাশ দাস, সমাজকৰ্মী দীননাথ বৰুৱা, হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দলৈ শিৱ প্ৰসাদ শৰ্মা, সদস্য দ্বীজেন ভৰালী, নাট্যকৰ্মী হিমাংশু শৰ্মা, শংকৰ

১৩ *পৃষ্ঠাত চাওক*

জয়া স্মৃতি দিৱস উদযাপন

জয়মতী জীৱনী ভিত্তিক নাট মঞ্চস্থ মথুৰাপুৰত

অগ্ৰদূত বাৰ্তা

শিমলুগুৰি, ৩০ মাৰ্চ ঃ মথুৰাপুৰ ১০১ নম্বৰ গ্ৰাণ্ট নামনি কৃষিপাম গাঁৱত মহাসতী জয়মতী স্মৃতি দিৱস যোৱা ২৮ মাৰ্চত দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে উদ্‌যাপন সমিতিৰ সভাপতি ক্ষীৰোদ বৰগোহাঁয়ে পতাকা উত্তোলনৰ পাছতে স্মৃতি তৰ্পণ কৰে সম্পাদক বিবেক বৰুৱাই। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লিলৈ সমাজকৰ্মী জিতেন ৰাজকোঁৱৰৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সাংস্কৃতিক কৰ্মী তথা শিক্ষয়িত্ৰী দীপা গগৈ সন্দিকৈ, অনাতাঁৰ শিল্পী সুশীল লাহন, প্ৰধান শিক্ষক দীপাংকৰ চেতিয়াই অংশগ্ৰহণ কৰি মহাসতী জয়মতীৰ ত্যাগ, সাহস আৰু দেশপ্ৰেমক শ্ৰদ্ধাৰে স্মৰণ কৰে। উক্ত অনুষ্ঠানতে কুইজ প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। সন্ধিয়ালৈ মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী মঞ্জু ৰাজকোঁৱৰ বৰুৱাই নাট মঞ্চ উদ্বোধন কৰাৰ পাছতেই পৰিচালক ভূপেন চেতিয়াৰ পৰিচালনাৰে মহাসতী জয়মতীৰ জীৱনীভিত্তিক এখন পূৰ্ণাংগ নাট স্থানীয় শিল্পীসকলে মঞ্চস্থ কৰে। স্থানীয় নবীন শিল্পীসকলে অভিনয় কৰা নাটখনে উপস্থিত সহস্ৰাধিক দৰ্শকক মোহিত কৰিবলৈ সক্ষম হয়। নিশালৈ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানো অনুষ্ঠিত হয়।

বিজয়গাঁৱত বিষুৱা পালনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ৩০ মাৰ্চ ঃ বিভিন্ন জাতি-জনগোষ্ঠীয়ে বিহুটিক বিভিন্ন নামেৰে পালন কৰাৰ দৰে কোচ ৰাজবংশী জনগোষ্ঠীয়ে বিষুৱা হিচাপে পালন কৰি আহিছে। এই বিষুৱা উৎসৱ অন্যান্য ঠাইৰ লগতে চিৰাং জিলাৰ বাসুগাঁও চহৰৰ নিকটৱৰ্তী বিজয়গাঁও আঞ্চলিক ৰাইজৰ সহযোগত বিষুৱা উৎসৱ বৰ্ণাঢ্য আৰু সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ইতিমধ্যে বিশিষ্ট সমাজকৰ্মী শম্ভু ৰাজবংশীক মুখ্য পৃষ্ঠপোষক, পিযুজ বৰ্মনক সভাপতি, বানেশ্বৰ ৰায়ক কাৰ্যকৰী সভাপতি, ৰাজু কুমাৰ ৰায় আৰু ৰূপম চন্দ্ৰ ৰায়ক যুটীয়া সম্পাদকৰ উপৰি অঞ্চলৰ ১১ গৰাকী বিশিষ্ট লোকক উপদেষ্টা হিচাপে লৈ বিষুৱা উদ্‌যাপন সমিতিখন গঠন কৰা হয়। মূল সমিতিৰ লগতে সাংস্কৃতিক, খেল, খাদ্য, প্ৰচাৰ আদি উপ-সমিতিসমূহো ইতিমধ্যে গঠন কৰা হৈছে। এদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, স্মৃতি তৰ্পণ বৃক্ষৰোপণ, বিভিন্ন আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা, সন্ধিয়া বন্তি প্ৰজ্বলন, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব। উল্লেখ্য যে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধনী অনুষ্ঠানত কে এ চিৰ মুখ্য কাৰ্যবাহী সদস্য গোকুল বৰ্মন, অধ্যক্ষ হিতেশ্বৰ বৰ্মন, কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়, বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ দে, বিটিচিৰ ১৩ নম্বৰ চিৰাং সমষ্টিৰ পাৰিষদ চাইখং বসুমতাৰী, সমাজকৰ্মী শম্ভু ৰাজবংশী আদি উপস্থিত থাকিব। সাংস্কৃতিক অনুষ্ঠানত কোচ ৰাজবংশী সমাজৰ জনপ্ৰিয় শিল্পী ডিজেন্ড কোচ আৰু কমল ৰায়ৰ উপৰি গুৱাহাটীৰ শিল্পী টিকু মণি আমন্ত্ৰিত শিল্পী হিচাপে গীত পৰিৱেশন কৰিব। বিজয়গাঁৱৰ উপৰি অঞ্চলটিৰ ৰাজাচাৰাং, শাকাতি, কালীপুখুৰী, ছালাকাটি, চন্দ্ৰপাৰা, চৰাইখোলা, জুৰেগাঁও, ঢোলমাৰা, বিদ্যাপুৰ, চিদলী, কাশীকোত্ৰা, কাকাৰাগাঁও, ডাংতল, কুৰ্শাকাটি, লালমাটি, হৰিগাঁও, গুৱাবাৰী আদি ঠাইতো বিহু, বিষুৱা, ৰংজালী বৈশাগু আদি বিভিন্ন নামেৰে পালনৰ আয়োজন কৰে।

মাজুলী মহাবিদ্যালয়লৈ অৱসৰপ্ৰাপ্ত অধ্যাপকৰ গ্ৰন্থদান

অগ্ৰদূত বাৰ্তা

কমলাবাৰী, ৩০ মাৰ্চ ঃ 'গ্ৰন্থদান মহান দান' যোৱা পাঁচটা বছৰে গ্ৰহণ কৰি অহা এই মহৎ পদক্ষেপৰ অংশৰূপে মাজুলীৰ উচ্চ শিক্ষাৰ অন্যতম বাটকটীয়াস্বৰূপ মাজুলী মহাবিদ্যালয়ৰ শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামী গ্ৰন্থাগাৰত কালি এক বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অংশৰূপে মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ভূপেন্দ্ৰ নাথ হাজৰিকাই তেওঁৰ প্ৰয়াত পিতৃ টংকেশ্বৰ হাজৰিকাৰ সোঁৱৰণত গ্ৰন্থাগাৰটোলৈ প্ৰায় ৫০ হেজাৰ টকা মূল্যৰ গ্ৰন্থৰ লগতে এটি আলমাৰি অৰ্পণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতেই মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে সকলোকে স্বাগতম জনায়। গ্ৰন্থদান কাৰ্যসূচী উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই দাতা পৰিয়ালবৰ্গই মহাবিদ্যালয়খনলৈ প্ৰদৰ্শন কৰা মহানুভৱতাক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে ২০১৬ৰ আঠ নৱেম্বৰৰ

১৩ *পৃষ্ঠাত চাওক*

পলাশবাৰীত ৭০ জোপা কদম-শিমলু গছ ৰোপণ

ছয়গাঁও, ৩০ মাৰ্চ ঃ পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত পলাশবাৰী সমষ্টিৰ বংশৰ কন্দলপাৰাত বন প্ৰাধিকাৰী বিষয়া ডিম্পী বৰাৰ নেতৃত্বত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৃক্ষৰোপণৰ পূৰ্বে অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন কলিতাৰ সভাপতিত্বত এখন সজাগতা সভা অনুষ্ঠিত হয়। বন্যমিত্ৰৰ কাযকৰ্তাসকলে বন বিভাগৰ সহযোগত ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ দুয়োপাৰে ৭৫ডাল কদম গছৰ পুলি ৰোপণ কৰে। অনুষ্ঠানতে স্থানীয় কৃষক ৰাইজে উক্ত অঞ্চলত চলি থকা বনৰীয়া ম'হৰ উপদ্ৰৱৰ বিষয়ে বন বিভাগক অৱগত কৰি কৃষক ৰাইজৰ মুখলৈ চাই বনৰীয়া ম'হবোৰ উক্ত স্থানৰ পৰা খেদি পঠিয়াবলৈ বন বিভাগক অনুৰোধ কৰে। বন সংমণ্ডল বিষয়া বৰাই আজিৰে পৰা এক লাখ কদম আৰু শিমলু গছ পুলি ৰোপণ কাৰ্যসূচী আৰম্ভ হোৱা বুলি কয়। অনুষ্ঠানত ডিএফঅ' বৰাৰ উপৰি কুলশীৰ ৰেঞ্জাৰ দ্বিপন ডেকা, বামুণীগাঁৱৰ ৰেঞ্জাৰ উপেন দাস, কুকুৰমাৰাৰ বন বিষয়া ধৰ্মেন্দ্ৰ বৰুৱা প্ৰমুখ্যে কে'বাগৰাকীও বন্য বন্ধু উপস্থিত থাকে।

মহীয়সী নাৰী জয়মতী স্মৃতি দিৱস পালন

অগ্ৰদূত বাৰ্তা

চিনামৰা, ৩০ মাৰ্চ ঃ যোৰহাট জয়া ভৱন প্ৰাংগণত জয়া ৰমণী চ'ৰাৰ উদ্যোগত আৰু তাই আহোম সংস্কৃতি-সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰৰ সহযোগত মহীয়সী নাৰী জয়মতী দিৱসটো দুদিনীয়া কাৰ্যসূচীৰে যোৱা ২৭ আৰু ২৮ মাৰ্চত পালন কৰা হয়। প্ৰথম দিনাৰ কাৰ্যসূচীত পুৱা ন বজাত চেংৰেণত বন্তি প্ৰজ্বলন কৰে তাই আহোম সংস্কৃতি সংৰক্ষণ আৰু শিক্ষা বিকাশ কেন্দ্ৰৰ সভাপতি চাও অৱনি কুমাৰ চেতিয়াই। পতাকা উত্তোলন কৰে জয়া ৰমণী চ'ৰাৰ সভানেত্ৰী নাং মাধৱী ফুকনে। স্মৃতি তৰ্পণ কৰে চাও চিত্তৰঞ্জন বৰুৱাই। ১০-৩০ বজাৰ পৰা আৰম্ভ হোৱা মুকলি অধিবশনত সভাপতিত্ব কৰে জয়া ৰমণী চ'ৰাৰ সভানেত্ৰী নাং মাধৱী ফুকনে। উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক, অসম কৃষি বিশ্ববিদ্যালয় ড° বিপিন খঙীয়াই। নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকে লাহদৈগড় একাডেমীৰ অধ্যক্ষ অজিত সন্দিকৈ।

'জয়মতী' স্মৃতি গ্ৰন্থখন উন্মোচন কৰে কেন্দ্ৰীয় মহাবিদ্যালয় যোৰহাটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° মুনীন্দ্ৰ কোঁৱৰে। ইয়াতে অমিয়া গগৈ কোঁৱৰৰ এখন গ্ৰন্থ 'জয়মতী কোঁৱৰী' উন্মোচন কৰে দেৱী চৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ড° মৌচুমী কোঁৱৰ বৰগোহাঁয়ে। সভাত উপস্থিতসকলে যোৰহাট মহিলা বিশ্ববিদ্যালয়খন মহীয়সী জয়মতী নামকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে জয়া ৰমণী চ'ৰাৰ সদস্যাসকলৰ দ্বাৰা তাই প্ৰাৰ্থনা 'আইচিং লাও' আৰু সমৱেত সংগীত পৰিৱেশনৰ লগতে অনাতাঁৰ শিল্পী ৰশ্মি ৰেখা বৰুৱাই গীত পৰিৱেশন কৰে।

দ্বিতীয় দিনৰ কাৰ্যসূচী 'মহীয়সী জয়মতী কুঁৱৰী' পূৰ্ণাংগ নাট মঞ্চস্থ কৰা হয়। আৰম্ভণিতে জয়মতীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ডিম্বেশ্বৰী দাস যোৰহাট লেখিকা সংস্থাৰ প্ৰাক্তন সভানেত্ৰীয়ে আৰু

১৩ *পৃষ্ঠাত চাওক*

চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য হিচাপে দেখা সপোনত চেঁচাপানী পৰাৰ অভিযোগ

ছ্যুকাফাৰ নামত তেওঁৰ ৰাজধানীতে বিশ্ববিদ্যালয় স্থাপনৰ দাবী

বিশেষ সংবাদদাতা

শিৱসাগৰ, ৩০ মাৰ্চ ঃ চৰাইদেউৰ মৈদামক বিশ্ব ঐতিহ্য হিচাপে দেখা সপোনত চেঁচাপানী পৰাৰ অভিযোগ উত্থাপন কৰিছে চৰাইদেউ মৈদাম সীমা নিৰ্ধাৰণ কমিটীৰ সদস্য তথা অধ্যাপক জিতেন বৰপাত্ৰগোহাঁই আৰু ড০ জাকিৰুল আলমে। এই সন্দৰ্ভত কালি তেওঁলোকে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত কয় যে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰাইদেউ মৈদামসমূহ বিশ্ব ঐতিহ্যত অন্তৰ্ভুক্ত কৰিবলৈ এক প্ৰচেষ্টা অব্যাহত আছে। তেওঁ আন্তৰিকতাৰ বাবে ২০১৯ৰ ১৯ জুলাইত বিধানসভা চলি থাকোতে 'মিডিয়া মেনেজমেণ্ট এণ্ড ৰিচাৰ্জ এছ'চিয়েছন, গুৱাহাটী'ৰ গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত সংবাদ মেলযোগে চৰাইদেউ মৈদাম সংৰক্ষণ আৰু চাওল্যুং ছ্যুকাফাৰ নামত এখন বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ আহ্বান জনাইছিল, সেই মৰ্মে তেওঁ বিত্তীয় মন্ত্ৰীৰূপে দুদিনৰ পাছতে মৈদাম সংৰক্ষণৰ বাবে ২৫ কোটি টকা ধাৰ্য কৰে। ২৪ মাৰ্চত চলিত বৰ্ষৰ বিধানসভাৰ অধিৱেশনত এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে বিধানসভাত ঘোষণা কৰে যে ২০১৪ত ৰাষ্ট্ৰ সংঘৰ ইউনেস্কৰ দ্বাৰা চৰাইদেউ মৈদামসমূহ বিশ্ব ঐতিহ্যৰ সাম্ভাব্যৰ স্থান পাবলৈ সক্ষম হোৱাৰ পাছত বৰ্তমানে প্ৰত্নতত্ত্ব বিভাগে মৈদামসমূহ অন্তৰ্ভুক্ত কৰিবলৈ ড০ কে.চি. নাৰিয়লৰ নেতৃত্বত ডচিয়াৰ (তথ্য)খনৰ প্ৰস্তুতি চলি আছে। প্ৰয়োজন হ'লে পুনৰ বাজেট অনতিপলমে ধাৰ্য কৰিব। মুঠতে তিনিলো প্ৰকাৰে চৰাইদেউ

১৩ *পৃষ্ঠাত চাওক*

হাজোত নাট্যকাৰ-অভিনেতা হৰেন্দ্ৰ নাথ

১২ পৃষ্ঠাৰ পৰা দাস, সংগীত শিল্পী গণেশ দাসে যাত্ৰা পাৰ্টিৰ অভিনেতা দাসৰ অভিনয়ৰ জীৱন পৰিক্ৰমা সম্পৰ্কে আলোকপাত কৰি এই তথ্যচিত্ৰৰ জৰিয়তে উঠি অহা নৱপ্ৰজন্মই নাট্যক্ষেত্ৰখনত আগুৱাই যোৱাত এক প্ৰেৰণা পাব বুলি কয়। নাট্য সন্মিলন হাজো শাখাৰ প্ৰযোজনা আৰু পৰিকল্পনাত, অভিনেতা, পৰিচালক হিমাংশু শৰ্মাৰ পৰিচালনাত নিৰ্মাণ হ'ব লগা এই তথ্যচিত্ৰখনৰ সহকাৰী পৰিচালক হৈছে বিবেকানন্দ দাস, কথাংশ লটিফুদ্দিন আহমেদৰ আৰু কেমেৰা মেন ৰিয়ান আলীৰ তত্ত্বাৱধানত এই তথ্যচিত্ৰখন নিৰ্মাণ হ'ব। নাট্য সন্মিলন হাজো শাখাৰ সম্পাদক কিচিন দাসে আঁত ধৰা মহুৰত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সাহিত্যিক সমীন কলিতাই আৰু নাৰিকল ভাঙি মহুৰত সম্পন্ন কৰে সাংবাদিক শৈলেন বৈশ্য, কমলাকান্ত দাস আৰু ছাহজাহান ইছলামে। উক্ত অনুষ্ঠানত অভিনেতা ৰত্নাকৰ নায়ক, ভূপেন বিশ্বাসী, ইণ্ডিয়ান নিডোল মেন খ্যাত ভূপেন চন্দ্ৰ দাস আদি উপস্থিত থাকে।

মাজুলী মহাবিদ্যালয়লৈ অৱসৰপ্ৰাপ্ত

১২ পৃষ্ঠাৰ পৰা পৰা সময়ে সময়ে আয়োজিত কৰি অহা এনে কাৰ্যসূচীয়ে বৰ্তমান গ্ৰন্থাগাৰটোক ২০ হেজাৰৰো অধিক গ্ৰন্থৰে সমৃদ্ধ কৰাত অৰিহণা যোগাইছে বুলি উল্লেখ কৰে। সভাত বক্তব্য আগবঢ়াই মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়াই মহাবিদ্যালয়ৰ পৰিয়ালে গ্ৰহণ কৰা এই মহান কাৰ্যসূচী বৰ্তমান এক উৎসৱত পৰিণত হোৱা বুলি অভিহিত কৰি ইয়াৰ জৰিয়তে অনাগত সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত অধ্যয়নস্পৃহা অধিক বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে। দাতা পৰিয়ালবৰ্গৰ হৈ বক্তব্য আগবঢ়াই প্ৰাক্তন অধ্যাপক ভূপেন্দ্ৰ নাথ হাজৰিকাই ৬০ দশকতেই মাজুলীত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানখন স্থাপন কৰাত আগভাগ লোৱা মহান ব্যক্তিসকলক সোঁৱৰণ কৰি এনে এক পবিত্ৰ স্থানত নিজ পিতৃৰ নাম যুগমীয়া কৰাৰ গৌৰৱ লাভ কৰাত সন্তোষ প্ৰকাশ কৰে।

সভাত মহাবিদ্যালয়ৰ প্ৰাক্তন শৈক্ষিক সমন্বয়ক ড° নাৰায়ণ চন্দ্ৰ শৰ্মা, প্ৰাক্তন প্ৰশাসনিক সমন্বয়ক ড° আনন্দ হাজৰিকা, প্ৰাক্তন অধ্যাপক অমৃতেশ্বৰ চুতীয়া, নীলমণি পাটিৰ প্ৰমুখ্যে বহু জন বিশিষ্ট লোক উপস্থিত থাকি মহাবিদ্যালয় কৰ্তৃপক্ষৰ এনে মহান পদক্ষেপক বিশেষভাৱে প্ৰশংসা কৰে। দাতা পৰিয়ালৰ হৈ সাদৰী হাজৰিকা, প্ৰণামী বৰা, মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্ত, প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, অধ্যাপক অনিল চন্দ্ৰ হাজৰিকা, অজয় প্ৰসাদ সিংহ, ড° জুলী গগৈ, ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° লীমা দত্ত আদি উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ অন্তত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ সহায়ক দেৱজিত বৰুৱাই সকলোকে শলাগ জ্ঞাপন কৰে।

সমাজক সঠিক পথত আগুৱাই নিবলৈ

১২ পৃষ্ঠাৰ পৰা থাকি মত বিনিময় কৰে। মাজৰৌমাৰী পঞ্চায়তৰ সভানেত্ৰী মৰমী বৈশ্য, আঞ্চলিক পঞ্চায়তৰ মিনতি তাঁতী তীৰ্কি উপস্থিত থকা কৰ্মশালাত পাৰদৰ্শী ব্যক্তিৰূপে উপস্থিত থাকে হিমাংশু শইকীয়া। শইকীয়াই অনৈতিক মানৱ সৰবৰাহ প্ৰতিৰোধ আইন আৰু বিনামূলীয়া আইন সাহায্য শীৰ্ষক বিষয়ত আলোকপাত কৰাৰ লগতে কৰ্মশালাত অংশগ্ৰহণকাৰীসকলৰ স'তে মত বিনিময়ও কৰে। উল্লেখ্য যে কালি সামৰণি পৰা এই কাৰ্যসূচীৰ অংশৰূপে ঘোঁৰামাৰী অনুষ্ঠিত কৰ্মশালাত শোণিতপুৰ জিলা পৰিষদৰ মূখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ, ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ নিৰ্মল ডেকা, আইন সেৱা প্ৰাধিকৰণৰ চাজিদুৰ ৰহমান তথা মানশিৰিত হিমাংশু শইকীয়া আৰু জয়ন্ত বৰা উপস্থিত থাকে। ইপিনে, ইয়াৰ পূৰ্বে ঢেকিয়াজুলিৰ পানবাৰী পঞ্চায়তত অনুষ্ঠিত কৰ্মশালাত অংশ লৈ লোকগীতৰ গৱেষক শিল্পী বসন্ত পাটগিৰীয়ে কয় যে এখন সমাজ সঠিক পথে আগুৱাই নিয়াৰ বাবে শিক্ষাৰ প্ৰয়োজন। শিক্ষিত সমাজ এখনে আইন-কানুনসমূহ সঠিকভাৱে আগুৱাই নিয়ে। পানবাৰী গাঁও পঞ্চায়ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা আইনী সজাগতা কৰ্মশালাত ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ অধীনৰ পানবাৰী, বতাচীপুৰ, গড়মৰা, চেনীমাৰী মুঠ চাৰিখন গাঁও পঞ্চায়তৰ খণ্ড সদস্যাসকল উপস্থিত থাকে। কৰ্মশালাত ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমৰ সঞ্চালক সমীৰণ ব্ৰহ্ম উপস্থিত থাকি পঞ্চায়ত সদস্যসকলৰ স'তে মত বিনিময় কৰাৰ লগতে আইনী সমল ব্যক্তিসকলে অনৈতিক মানৱ সৰবৰাহ, বিনামূলীয়া আইন সাহায্য, গাৰ্হস্থ্য হিংসাৰ পৰা মহিলাৰ সুৰক্ষা আইন-২০০৫, যৌতুক নিবাৰণ আইন বিষয়ে ব্যাখ্যা কৰি গ্ৰামাঞ্চলসমূহৰ সৰ্বসাধাৰণক এই ক্ষেত্ৰত সজাগ কৰি তুলিলে বহু সমস্যা আৰু উৎপীড়ন হ্ৰাস পাব বুলি কৰ্মশালাত অংশ গ্ৰহণ কৰাসকলক এই ক্ষেত্ৰত আন্তৰিকতাৰে কাম কৰি যাবলৈ আহ্বান জনায়।

তিতাবৰ প্ৰাথমিক শিক্ষা খণ্ড বিষয়াৰ

১২ পৃষ্ঠাৰ পৰা প্ৰেৰণ কৰে। বিষয়টোৰ সন্দৰ্ভত পূৰ্বতেও আছুৰ লগতে আটাছু আৰু ঠেঙাল কছাৰী ছাত্ৰ সন্থায়ো বিষয়টো তদন্তৰ দাবী জনোৱাৰ পাছতো অভিযুক্ত শিক্ষকৰ বিৰুদ্ধে কোনো বিভাগীয় ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। ফলত ছাত্ৰ সন্থাৰ কৰ্মীসকলে অভিযুক্ত শিক্ষকজনক ৰক্ষণাবেক্ষণ দিয়া শিক্ষা বিষয়াৰ বিৰুদ্ধে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা বুলি তিতাবৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক ভাস্কৰজ্যোতি হাজৰিকাই কয়। আনহাতে, ছাত্ৰ সন্থাৰ সমগ্ৰ দাবীসমূহক অগ্ৰাহ্য কৰিছে তিতাবৰ শিক্ষা খণ্ডৰ প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে। শিক্ষা বিষয়াই বিদ্যালয়খনৰ অভিযুক্ত শিক্ষকজনৰ বিৰুদ্ধে ছাত্ৰ সন্থাৰ কৰ্মীসকলে যিবোৰ অভিযোগ তুলিছিল সেই অভিযোগসমূহৰ তদন্ত কৰিবৰ বাবে তেওঁলোকে যোৰহাট জিলা মিছন সমন্বয়কৰ জিলা বিষয়াকহে অভিযোগ দিছিল বুলি কয়। শিক্ষা খণ্ড বিষয়াক তেওঁলোকে কেৱল তাৰ প্ৰতিলিপিহে প্ৰেৰণ কৰিছিল। তৎসত্ত্বেও তেওঁ নিজে বিদ্যালয়খনলৈ গৈ চৰজমিন তদন্ত কৰি বিদ্যালয়খনৰ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে পোনপটীয়াকৈ কথা-বতৰা পাতিছিল। কিন্তু কোনো এগৰাকী অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকজনে কোনো অনিয়ম কৰা নাই মুকলিকৈ প্ৰকাশ কৰে বুলি তেওঁ কয়। তেনে ক্ষেত্ৰত শিক্ষা বিষয়াই চৰকাৰৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ নিৰ্দেশ নাপালে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে বুলি কয়। আনহাতে, ছাত্ৰ সন্থাৰ এনে ধৰণৰ অভিযোগসমূহ ভিত্তিহীন আৰু উদ্দেশ্য প্ৰণোদিত বুলি দাবী কৰিছে স্থানীয় জনসাধাৰণে। প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে ছাত্ৰ সন্থাৰ কৰ্মীসকলে প্ৰতিবাদমুখৰ হৈ অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰা বিষয়ত উদ্বেগ প্ৰকাশ কৰি অক্ষয়জ্যোতি শইকীয়াৰ সভাপতিত্বত যোৱা ২৪ মাৰ্চত বিদ্যালয়খনতে স্থানীয় সমাজকৰ্মী, বিদ্যালয়খনৰ অভিভাৱক, পৰিচালনা সমিতিসমূহক একত্ৰিত কৰি এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। ৰাজহুৱা সভাৰ সিদ্ধান্ত অনুসৰি ঐতিহ্যমণ্ডিত বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে আছুৱে অভিযোগ অনা বিষয়সমূহ অসত্য বুলি সভাই মত প্ৰকাশ কৰে। ইয়াৰ উপৰি বিদ্যালয় পৰিচালনা সমিতিৰ যিগৰাকী সভানেত্ৰীৰ চহী জালিয়াতি কৰা বুলি অভিযোগ কৰিছিল সেইগৰাকী সভানেত্ৰীক আত্মপক্ষ সমৰ্থন কৰিবলৈ ৰাজহুৱা সভালৈ নিমন্ত্ৰণ কৰাৰ পাছতো তেওঁ ৰাজহুৱা সভাত উপস্থিত নাথাকিল। ফলস্বৰূপে ৰাজহুৱা সভাই বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী অঞ্জনা কছাৰীক তাৎক্ষণিকভাৱে সভানেত্ৰী পদৰ পৰা অপসাৰণ কৰা হ'ল বুলিও ৰাজহুৱা সভাই সিদ্ধান্ত লোৱা বুলি সংবাদ মাধ্যমক অৱগত কৰিছে। একে সময়তে ৰাজহুৱা সভাৰ কাৰ্যবিৱৰণী আৰু সিদ্ধান্তসমূহ জিলা শিক্ষা বিষয়া, তিতাবৰ মহকুমাৰ মহকুমাধিপতিলৈ প্ৰেৰণ কৰি বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ অক্ষুণ্ণ ৰাখিবলৈও প্ৰশাসনক দাবী জনাইছে।

ছ্যুকাফাৰ নামত তেওঁৰ ৰাজধানীতে

১২ পৃষ্ঠাৰ পৰা মৈদামসমূহ বিশ্ব ঐতিহ্যত অন্তৰ্ভুক্ত হ'ব লাগে। তাৰ বাবে মুখ্যমন্ত্ৰী সাজু হৈ আছে। লগতে ২৭ ছেপ্টেম্বৰ, ২০২১ত আহোমৰ ৪০ টা সংগঠনৰ স'তে হোৱা এখন বৈঠকত, মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে চাও-ল্যুং-ছ্যুকাফাৰ নামত ছ্যুকাফাৰ ৰাজধানীত এখন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব বুলি আৰু বেদখলকৃত মৈদামসমূহ উদ্ধাৰ কৰা হ'ব বুলি আশ্বাস দিয়ে। ইয়াৰ বাবে চৰাইদেউ মৈদামৰ সীমা নিৰ্ধাৰণ কমিটি সদস্যদ্বয় আৰু মৈদাম বিশেষজ্ঞ (প্ৰত্নতত্ত্ব বিভাগ) প্ৰফেচাৰ গোহাঁই আৰু ড০ জাকিৰুল আলমে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছে। কিন্তু দুৰ্ভাগ্যজনকভাৱে বিশ্ব ঐতিহ্য স্বীকৃতিৰ বাবে আবেদন কৰা মাত্ৰ কেইমাহমান অন্তিম সময় থকাৰ পাছতো আবেদনৰ লগত জমা দিব লগা ডচিয়াৰ (Dossier) (প্ৰমাণিক তথ্য) খন কিন্তু ছ্যুকাফাৰ স'তে তাই খামতিলৈকে মুঠ সাতজন ৰজাই চৰাইদেউত মুঠ ১৩৭ বছৰ ৰাজত্ব কৰাৰ পাছতো এওঁলোকৰ এজনৰো নাম অন্তৰ্ভুক্তি নহয়, আনকি গড়গাঁও ৰাজধানীকালত থকা ৰজাসকলৰ বেছিভাগ অন্তৰ্ভুক্ত নহয়। মাত্ৰ ১৪ জন মান ৰজাৰ মৈদামহে স্বীকৃতি কৰি প্ৰশাসন যন্ত্ৰ আগবাঢ়ি আছে। ঐতিহাসিক আৰু প্ৰামাণিক তথ্য মতে, চৰাইদেউ মৈদাম অঞ্চলত প্ৰধান ৰজা ৪১ জনৰ ভিতৰত প্ৰায় ২৯ জন আৰু প্ৰায় ৭৫ গৰাকী চাৰিঙীয়া ৰজা, টিপমীয়া ৰজা আৰু নামৰূপীয়া ৰজাৰ মৈদাম আৰু এই সকলৰ প্ৰায় ৪০০শ গৰাকী ৰাণীৰ মৈদাম অৱস্থিত। মৈদামসমূহৰ অৱস্থিতি আৰু প্ৰামাণিক তথ্য পোৱাৰ পাছতো কিন্তু ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ উভয় প্ৰত্নতত্ত্ব বিভাগেও কিন্তু মৈদামসমূহ চিনাক্তকৰণ আৰু সংৰক্ষণৰ ব্যৱস্থাৰ প্ৰতি নিম্নতম আগ্ৰহো পৰিলক্ষিত হোৱা নাই। চাৰি দশকৰ পূৰ্বতে সাত নম্বৰ দাগত ৫৭৬ বিঘা মাটি যি প্ৰত্নতাত্বিক বিভাগৰ বাবে ধাৰ্য কৰা হ'ল সেইখিনিও মৰি মৰি জী থকাৰ দৰে অৱহেলা কৰি অহা হৈছে। মাত্ৰ এ এছ আই অধীনৰ চাৰিজন ৰজাৰ মৈদাম আৰু ৰাজ্য চৰকাৰৰ প্ৰত্নতত্ত্ব বিভাগৰ শুৱনি দেখাবৰ বাবে ৮০ দশকত হাতেৰে নিৰ্মিত কেইটামান সৰু মৈদাম, মন্দিৰৰ দৰে টোপ সজা ৰজাৰ মৈদাম আৰু গদাধৰ সিংহৰ বুলি সন্দেহ কৰা ডাঙৰ মৈদামটোলৈকেহে দৰ্শনাৰ্থীসকলে চাবলৈ সক্ষম হৈছিল। শেহতীয়া চাৰিমাহতে প্ৰামাণিক তথ্যৰ বাবে খনন কৰাৰ স্বাৰ্থত আৰু আৱণ্টিত ২৫ কোটি ব্যয় দেখুওৱাৰ স্বাৰ্থতহে অৱহেলিত ১৫ টা সৰু-বৰ মৈদাম পৰিষ্কাৰ কৰা হৈছে। লজ্জাজনকভাৱে লাখ লাখ টকা খৰছ কৰি ভোজ-ভাত খাই এই মৈদামসমূহ সংৰক্ষণৰ ওপৰত নাজিৰাত এখন আলোচনাচক্ৰ আয়োজন কৰে, য'ত মাত্ৰ ৪০ জনমান ব্যক্তিৰ সমাহাৰ হৈছিল, তাকো বিভাগীয় কৰ্মচাৰীক বাদ দিলে ৰাইজৰ ফালৰ পৰা মাত্ৰ ২০জনমানহে হ'ব, য'ত বিধানসভাৰ অধ্যক্ষ, মন্ত্ৰী, সাংসদ, বিধায়ক উপস্থিত আছিল। এইখিনি ধন-ব্যয় কৰিবলৈ নে সজাগতা বৃদ্ধি কৰিবলৈ আয়োজন কৰা হৈছিল ? যদি সজাগতা বা মৈদামৰ ওপৰত গৱেষণাৰ বাবে হৈছিল নিশ্চিতৰূপে চৰাইদেউৰ মৈদাম অঞ্চলতে আয়োজন কৰি আমাৰ দৰে স্থানীয় মৈদামৰ সংৰক্ষণৰ লগত জড়িত ব্যক্তিকো আমন্ত্ৰণ কৰিলে হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মা বিধানসভাৰ অধ্যক্ষই দুবাৰকৈ, বিভাগীয় মন্ত্ৰীসকল, মুখ্য সচিব, বিভাগীয় সচিব আৰু আয়ুক্ত আদি সকলোৱে অহৰহ সমৰ্থন দি থকাৰ পাছতো মৈদাম অঞ্চলত কাৰ্যসূচী লৈ থকাৰ পাছতো চৰকাৰৰ ফালৰ পৰা ২০১৯ৰ পৰা ২০২১লৈকে এক জটিল প্ৰক্ৰিয়াৰে সকলো জাতি-জনগোষ্ঠী এক হৈ স্থানীয় ৰাইজৰ ফালৰ কোনোধৰণৰ বাধা আৰোপ নকৰাকৈ সফলৰূপে জৰীপ কৰি প্ৰায় চাৰি হাজাৰ সাতশ (৪,৭০০) বিঘা সাঙুৰি চৰাইদেউ ৰাজধানী আৰু মৈদাম অঞ্চল হিচাপে ঘোষণা কৰা পাছতো কিন্তু প্ৰত্নতত্ত্ব কৰ্তৃপক্ষক মৈদাম অঞ্চল হস্তান্তৰকৰণৰ বাবে আবেদন জনোৱা হোৱা নাই। যাৰ বাবে প্ৰায়বোৰ ৰজা মৈদাম আৰু কুঁৱৰী মৈদাম বিশ্ব ঐতিহ্যৰ স্বীকৃতিৰ বাবে কৰিব লগা আবেদনত স্থান নাপাব। ২৪ মাৰ্চত বিধানসভাত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰা চৰাইদেউ ৰাজধানীত প্ৰথম সাতগৰাকী ৰজা, নিৰ্মাণৰ চাক্ষুষ তথ্য থকা দেওশাল আৰু লাংকুৰি দলো অন্তৰ্ভুক্ত নকৰে। বিশ্ব ঐতিহ্যৰ বাবে বিভাগীয় কৰ্তৃপক্ষই জৰীপ কৰা মৈদাম অঞ্চল চৰকাৰী মাটি বুলি চিথাবহীত উল্লেখ থকাৰ পাছতো কাৰ স্বাৰ্থত বা মেনেজমেণ্টত ছ্যুকাফাৰ স'তে আন ৰজাসকলক অন্তৰ্ভুক্ত নকৰে? মৈদামৰ সীমা নিৰ্ধাৰণ কৰা সমিতিৰ হৈ প্ৰয়াত দিলীপ বুঢ়াগোহাঁই, জিতেন বৰপাত্ৰ, ড০ দয়ানন্দ বৰগোহাঁই আৰু ড০ জাকিৰুল আলমে বিগত তিনিবছৰ ধৰি নিজৰ সময় আৰু ধন ব্যয় কৰি কোনোধৰণৰ সংঘাত নোহোৱাকৈ জৰীপ কাৰ্য সম্পন্ন কৰালে, তাৰ বাবে স্থানীয় বিভিন্ন জাতি-জনগোষ্ঠীক সজাগ আৰু সৈমান কৰাত মিডিয়া মেনেজমেণ্ট আৰু ৰিচাৰ্জ এছ'ছিয়েছন, গুৱাহাটী'য়ে অহৰহ প্ৰচেষ্টা কৰি আহিছে বিভিন্ন সজাগতা সভা, বেনাৰ-পোষ্টাৰ, ব্যক্তিগত আৰু দলীয়ভাৱে আলোচনা আদিৰ দ্বাৰা। প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্যমন্ত্ৰীৰ সপোন পূৰণৰ বাবে সকলো ৰজা আৰু কুঁৱৰী মৈদামৰ স'তে দেওশাল আৰু লাংকুৰি দল অন্তৰ্ভুক্ত কৰি ডচিয়াৰ প্ৰস্তুত কৰিবলৈ আহ্বান কৰা হৈছে। অন্যথা মাত্ৰ ১৫ গৰাকী মান ৰজাৰ মৈদামে চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য অন্তৰ্ভুক্ত কৰাব নোৱাৰে। ই এটা স্ব-বিৰোধী স্থিতি কিয়নো ছ্যুকাফাৰ এৰি প্ৰথম ৰজা কেইজনমানক অন্তৰ্ভুক্ত নকৰিলে প্ৰত্নতত্ত্ব বিভাগে কেনেকৈ জাঁপ মাৰি মাৰি বিশ্বক ইতিহাস বুজাব ? ই সন্দেহজনক হয় । সেয়ে ইউনেস্ক'ই আবেদন অগ্ৰাহ্য কৰাৰ সম্ভাৱনাই বেছি। আনকি ৩০৬ বিঘা মাটিকালি অক্ষত অৱস্থাত থকা কুঁৱৰী মৈদামসমূহ অন্তৰ্ভুক্ত নকৰা কাৰ্যই এক গভীৰ ষড়যন্ত্ৰৰ উমান পোৱা গৈছে। হয়তো মৈদামসমূহ বিশ্ব ঐতিহ্যত অন্তৰ্ভুক্ত হ'লে একাংশ ব্যৱসায়ী আৰু কয়লা মাফিয়াৰ ব্যাঘাত জন্মোৱাৰ ভয়ত এনেদৰে বিভাগৰ স্ব-বিৰোধী স্থিতিয়ে ষড়যন্ত্ৰ কৰি থকাৰ সন্দেহ হৈছে।

কিনকিনীয়া বৰষুণতে যাতায়াতৰ অনুপযোগী অভয়াপুৰীৰ বাট-পথ

অগ্ৰদূত বাৰ্তা

অভয়াপুৰী, ৩০ মাৰ্চ ঃ এজাক কিনকিনীয়া বৰষুণৰ পাছতে যাতায়াতৰ অনুপযোগী হৈ পৰিছে অভয়াপুৰী অঞ্চলৰ কেতবোৰ বাট-পথ বিশেষকৈ অভয়াপুৰী ৰাজীৱ ভৱনৰ পৰা মালেগড় পথৰ ৰৌমাৰী অঞ্চলৰ বাট-পথ। আজি পুৱাৰ ভাগত অহা এজাক কিনকিনীয়া বৰষুণতে ইমানেই কদৰ্যময় হৈ পৰে যে খোজকাঢ়ি অহা-যোৱা কৰাতো কষ্টসাধ্য হৈ পৰিছে। দীৰ্ঘদিন ধৰি মেৰামতি নকৰাৰ ফলতেই পথটো জৰাজীৰ্ণ ৰূপ লৈছে। উল্লেখ্য যে পথছোৱা মেৰামতিৰ দাবীত অঞ্চলটোৰ বাসিন্দাই সময়ে-সময়ে পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে যদিও গুৰুত্ব দিয়া নাই বিভাগীয় কৰ্তৃপক্ষই। ইপিনে, অভয়াপুৰীৰ পৰা মালেগড় হৈ যোগীঘোপালৈ যোৱা পথ, বৰঘোলা-ধৰ্মপুৰ পথ বছৰ-বছৰ ধৰি মেৰামতি নকৰাৰ ফলতেই পথছোৱা ইমানেই জৰাজীৰ্ণ হৈ পৰিছে যে বহু দুৰ্ঘটনাৰ কাৰক হৈ পৰিছে।

টিহুত মহাৰুদ্ৰ যজ্ঞৰ সামৰণি

য'ত সামূহিক উত্তৰণ নিহিত হৈ থাকে তেনে কৰ্মই যজ্ঞ

অগ্ৰদূত বাৰ্তা

টিহু, ৩০ মাৰ্চ ঃ 'যজ্ঞৰ ইতিহাস হেজাৰ হেজাৰ বছৰ পুৰণি। ঋষি-মুনিসকলৰ দিনৰ পৰাই যজ্ঞ চলি আহিছে। আজিৰ সমাজত প্ৰচলিত পূজা-অৰ্চনাৰ পদ্ধতিসমূহো ঋষি-মুনিসকলক অনুকৰণ কৰিয়ে চলি আহিছে। জীৱ-জগতত বাস কৰা আমিবোৰে যে ভগৱানৰ লগত সম্পৰ্কিত হৈ আছো আমি পাহৰি যাওঁ। পৃথিৱীত চলি থকা যজ্ঞবোৰৰ নিৰ্দিষ্ট উদ্দেশ্য আছে। আমি দিয়া আহুতিবিলাক যেনেকৈ যজ্ঞৰ অন্তৰ্ভুক্ত তেনেদৰে আমি কৰা কৰ্মবোৰো যজ্ঞৰ অন্তৰ্ভুক্ত হয় যদিহে ই সামূহিক কল্যাণৰ বাবে কৰা হয়। য'ত সামুহিক উত্তৰণ নিহিত থাকে, ব্যক্তিগত আশা-আকাংক্ষা নাথাকে তেনে কৰ্মই যজ্ঞ। যজ্ঞৰ লগত বিজ্ঞাননো সংপৃক্ত হৈ আছে। যজ্ঞৰ পৰা মেঘৰ সৃষ্টি হয়। মেঘৰ পৰা বৃষ্টি আৰু বৃষ্টিয়ে শস্য অথা অন্ন উৎপাদনত সহায় কৰে। যিকোনো সৃষ্টিমূলক কৰ্মই যজ্ঞ। পঢ়া আৰু পঢ়ুওৱা হ'ল ব্ৰহ্ম যজ্ঞ, জ্যেষ্ঠজনক সেৱা শুশ্ৰূষা কৰাটো হ'ল পিতৃ যজ্ঞ, দেৱতাক পূজা-অৰ্চনা কৰাটো দেৱ যজ্ঞ, জীৱ-জন্তুক ৰক্ষণা-বেক্ষণ দিয়াটো ভূত যজ্ঞ আৰু অতিথি সেৱা কৰাটো নৃ যজ্ঞ। এই পঞ্চ মহাযজ্ঞৰ জৰিয়তে সমাজে গতি লাভ কৰে।' আজি টিহুত তিনিদিনীয়া শ্ৰীশ্ৰী মহাৰুদ্ৰ যজ্ঞৰ সামৰণি উপলক্ষে আয়োজিত ধৰ্মালোচনী সভাত এইদৰে কয় মুখ্য আলোচক নলবাৰী সংস্কৃত মহাবিদ্যালয়ৰ অধ্যাপক আচাৰ্য জয়ন্ত শৰ্মা শাস্ত্ৰীয়ে। যজ্ঞ পৰিচালনা সমিতিৰ সভাপতি ড° সুৰেশ চন্দ্ৰ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত ধৰ্মালোচনী সভাৰ আঁতধৰে যজ্ঞ পৰিচালনা সমিতিৰ সম্পাদক হৰেকৃষ্ণ মেধিয়ে। উল্লেখ্য যে আজি পূৰ্ণাহুতি আৰু শান্তি-পুষ্পাঞ্জলিৰ পাছত ২৮ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত মহাৰুদ্ৰ যজ্ঞৰ সামৰণি পৰে।

নগাঁৱত ফলমূল সংৰক্ষণমূলক প্ৰশিক্ষণ শিবিৰ

বিশেষ সংবাদদাতা

নগাঁও, ৩০ মাৰ্চ ঃ 'নগাঁও জিলাত ২,১০০ হেজাৰ হেক্টৰ মাটিত বিভিন্ন ধৰণৰ শাক-পাচলিৰ লগতে ফলমূলৰ খেতি কৰা হয়। কৃষকসকল প্ৰত্যক্ষ বা পৰোক্ষভাৱে উপকৃত হোৱাৰ লগতে মহিলাসকলো ক্ষুদ্ৰ উদ্যোগত জৰিয়তে ফলমূলৰ পৰা জাম, জেলি, চাও আচাৰ আদি বনাই ঘৰখনৰ চাহিদা পূৰণ কৰাৰ উপৰি এইসমূহ খাদ্য সামগ্ৰী বিক্ৰীৰ দ্বাৰা মহিলাসকল আৰ্থিকভাৱে উপকৃত হ'ব পাৰে।' এই মন্তব্য নগাঁও জিলা কৃষি বিষয়া তৰুণ হাজৰিকাৰ। জিলা কৃষি বিষয়াৰ অন্তৰ্গত 'সমূহীয়া ফলমূল সংৰক্ষণ আৰু প্ৰশিক্ষণ কেন্দ্ৰ' নগাঁৱৰ কাৰ্যালয়ত মহিলা সবলীকৰণ কাৰ্যসূচীৰ অংশৰূপে ১০ জনীয়া এক মহিলা গোটৰ সদস্যা বিনামূলীয়াকৈ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। ২১ মাৰ্চৰ পৰা নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ ১০ গৰাকী উদ্যামী মহিলাসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত মহকুমা কৃষি বিষয়া মুকুল ভাৰতী নাথ, অমিয় সিংহা, ৰঞ্জন ডেকা, মিজানুৰ ৰহমান চৌধুৰী, প্ৰধান প্ৰশিক্ষক বিষ্ণু জিত পাল আৰু কল্যাণ বৰুৱা আদি উপস্থিত থাকে।

মহীয়সী নাৰী জয়মতী স্মৃতি

১২ পৃষ্ঠাৰ পৰা নাটখন উদ্বোধন কৰে বৰভেটা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অনিল বৰুৱাই। টাইচাব, জয়া ৰমণী চ'ৰা আৰু বৰভেটা শাখা সাহিত্য সভাৰ সহযোগত নাটখনৰ মুখ্য পৰিচালক প্ৰশান্ত কুমাৰ দাস আৰু সহৰাপী-পৰিচালক জিনু বৰুৱা বৰা, সহকাৰী পৰিচালক আৰু সংগীত পৰিচালক ইন্দিৰা পাৰ গগৈ, ৰুণু নাম চ'ম কোঁৱৰ আৰু পলী বৰবৰা সহযোগী ৰাজিব গগৈ আৰু ঘনশ্যাম গগৈৰ নেতৃত্বত আৰু জয়া ৰমণী চ'ৰাৰ সদস্যাসকলৰ দ্বাৰা নাটখন মঞ্চস্থ কৰা হয়। নাটখনে দৰ্শকৰ বিপুল সঁহাৰি পাবলৈ সক্ষম হয়।

ঘগ্ৰাপাৰৰ বড়িগোগ-বনভাগ

১২ পৃষ্ঠাৰ পৰা বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এই গাম্ভীৰ্যপূৰ্ণ সভাখন অনুষ্ঠিত হয়। আগন্তুক গুণোৎসৱত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে চিআৰচিচিসকলে পালন কৰিবলগীয়া দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয় বুলি জানিব পৰা গৈছে। সভাখনত শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতা, খণ্ড সমল ব্যক্তি নৱ কুমাৰ দাস আৰু প্ৰাঞ্জল ৰাজবংশীৰ লগতে ব্লক এমআইএছ ক'অৰ্ডিনেটৰ সুশান্ত মল্ল বৰুৱাও উপস্থিত থাকি প্ৰাসংগিক বক্তব্য প্ৰদান কৰে। সমল ব্যক্তি বৰ্মনে সংবাদ মাধ্যমক জানিবলৈ দিয়া অনুসৰি শিক্ষাখণ্ডটোৰ অন্তৰ্ভুক্ত ১৪৫খন নিম্ন বুনিয়াদী, ১৭খন উচ্চ প্ৰাথমিক বিদ্যালয়, ১১খন মজলীয়া বিদ্যালয়, ২৮খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় ২০২২ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব।

কৃষ্ণাই ব্লক কংগ্ৰেছৰ সভাপতি

১২ পৃষ্ঠাৰ পৰা কৰা আলীয়ে বিগত ১৫ বছৰ কাল কংগ্ৰেছৰ মণ্ডল সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে। পৰৱৰ্তী কালত তেওঁ দুধনৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত কৃষ্ণাই ব্লক কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়। কংগ্ৰেছৰ এজন কৰ্মপটু যুৱ নেতা আলীৰ মৃত্যুৰ বাতৰি পায়ে আজি কৃষ্ণাই ব্লক কংগ্ৰেছৰ নেতা-কৰ্মীয়ে তেওঁৰ টুকুৰা ভিমাজুলীত থকা বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জনায়। তেওঁৰ মৃত্যু কংগ্ৰেছৰ বাবে বৃহৎ ক্ষতি বুলি অভিহিত কৰে স্থানীয় কংগ্ৰেছী নেতা-কৰ্মীসকলে। মৃত্যুৰ সময়ত আলীয়ে পত্নীসহ দুই পুত্ৰ আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি যায়। আজি দিনৰ ১১ বজাত টুকুৰা পাজাবান্ধা কবৰ স্থানত তেওঁৰ জানাজাৰ নামাজ সম্পন্ন হয়।

স্মৃতিশক্তি হেৰুৱাই চিকিৎসালয়ত ভৰ্তি যুৱক

গোৱালপাৰাৰ নিচামুক্তি কেন্দ্ৰত ৰোগীক নিৰ্যাতনৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

মাটিয়া, ৩০ মাৰ্চ ঃ গোৱালপাৰা নিচামুক্তি কেন্দ্ৰৰ কৰ্মচাৰীৰ নিৰ্যাতনৰ বলি হৈ স্মৃতি শক্তি হেৰুৱাই সম্প্ৰতি যুৱক এজনে চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি দুমাহ পূৰ্বে গোৱালপাৰা চহৰৰ শাস্ত্ৰীনগৰৰ স্বপন মণ্ডল(২০)ক চহৰৰে দুৰ্গামন্দিৰস্থিত 'ব্লিচিং ফাউণ্ডেছন' নামৰ নিচামুক্তি কেন্দ্ৰত ভৰ্তি কৰে। ইপিনে, নিচামুক্তি কেন্দ্ৰটোত চিকিৎসাৰ বিপৰীতে ৰোগীসকলক অমানৱীয় অত্যাচাৰ চলোৱা বুলি অৱগত হৈ যোৱা ২৬ মাৰ্চত পৰিয়ালৰ লোকে স্বপনক সাক্ষাৎ কৰিবলৈ যায় যদিও কেন্দ্ৰৰ কৰ্মচাৰীসকলে সাক্ষাৎ কৰিবলৈ নিদিলে। কেন্দ্ৰটোৰ এই কাৰ্যত পৰিয়ালৰ লোকৰ সন্দেহ ঘনীভূত হৈ একেবাৰে ঘৰত আনিব বিচাৰে। কিন্তু কেন্দ্ৰৰ কৰ্মচাৰীসকলে পিছদিনা আহিবলৈ দিয়ে। পিছদিনা ৰোগীৰ মাতৃ গীতা মণ্ডল আৰু বায়েক অঞ্জনা মণ্ডলে স্বপনক আনিবলৈ যোৱাত সাত হেজাৰ টকা বিচাৰে। বিচৰা ধৰণে টকা জমা দিয়াৰ পিছত কৰ্মচাৰীসকলে স্বপনক উলিয়াই দিয়ে। কিন্তু স্বপনৰ সৰ্বশৰীৰত প্ৰহাৰৰ চিহ্ন স্পষ্ট হৈ থকা কৰ্মচাৰীসকলক পৰিয়ালৰ লোকে জবাবদিহি কৰে। ইপিনে, প্ৰতিবাদ কৰা বাবেই নিচামুক্তি কেন্দ্ৰৰ কৰ্মচাৰীয়ে ওলোটাই যুৱকজনৰ পৰিয়ালৰ লোকক প্ৰহাৰ কৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এই সন্দৰ্ভত অৱগত হৈ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে ৰোগীৰ শৰীৰত প্ৰহাৰৰ চিহ্ন দেখি তৎক্ষণাত গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰায়। সম্প্ৰতি শৰীৰৰ বিভিন্ন অংশত মাৰধৰ কৰাৰ স্পষ্ট চিন থকা ৰোগীজন গোৱালপাৰা অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে যদিও দুৰ্ভাগ্যজনকভাৱে স্মৃতিশক্তি হেৰুৱাইছে। ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালৰ লোকে থানাত এজাহাৰ দখিল কৰিছে যদিও আৰক্ষীয়ে এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ কৰিছে। ঘটনা সন্দৰ্ভত শীঘ্ৰে তদন্ত কৰি দোষী লোকসকলক কঠোৰ শাস্তি প্ৰদানৰ দাবী জনায় পৰিয়ালৰ লোকে। ইপিনে, আজি ৰোগীজনৰ স্বাস্থ্যৰ বুজ ল'বলৈ বামপন্থী নেতা ননী দাসে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ নিচামুক্তি কেন্দ্ৰৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে চিকিৎসাৰ নামত শাৰীৰিক অত্যাচাৰ চলোৱা নিচামুক্তি কেন্দ্ৰটো বন্ধ কৰি দিয়াৰ লগতে দোষী-কৰ্মচাৰীসকলৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। অৱশ্যে নিচামুক্তি কেন্দ্ৰটোৰ কৰ্তৃপক্ষই এই সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য কৰা নাই।

মাৰ্ঘেৰিটাত ডাম্পাৰৰ দৌৰাত্ম্যত অতিষ্ঠ ৰাইজ

অগ্ৰদূত বাৰ্তা

মাৰ্ঘেৰিটা, ৩০ মাৰ্চ ঃ মাৰ্ঘেৰিটাত ডাম্পাৰৰ দৌৰাত্ম্যত ৰাইজ অতিষ্ঠ হৈছে। নিশাতো দূৰৰে কথা দিনতো পথচাৰী যাতায়াত কৰাৰ বাবে বিপদ সংকুল হৈছে। বিশেষকৈ

ছাত্ৰ মুক্তিৰ স্মাৰকপত্ৰ প্ৰদান

মাৰ্ঘেৰিটা নগৰৰ চেগুনবাৰী আৰু মুখ্য বজাৰত অথালি পথালি ৰখাই থোৱা বাহনে যান-জঁট সৃষ্টি কৰিছে। উদণ্ড চালকৰ দৌৰাত্ম্যত ইতিমধ্যে কে'বাজনো লোকে প্ৰাণ হেৰুৱাইছে। কালি সন্ধিয়া সাত বজাত এনে উদণ্ড চালকৰ পৰা দৈৱক্ৰমে ৰক্ষা পৰে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি পাপু দত্ত। আজি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিয়ে মাৰ্ঘেৰিটা মহকুমাধিপতিক এক স্মাৰকপত্ৰযোগে অভিযোগ কৰে যে অবৈধ শিল-বালি কঢ়িয়াই অনা ডাম্পাৰসমূহে যানবাহন আইন উলংঘা কৰি তীব্ৰবেগত নগৰখনৰ মাজেৰে চলাচল কৰে। চৰকাৰে গাড়ীসমূহৰ গতিবেগ নিয়ন্ত্ৰণ কৰি দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে যদিও আজিকোপতি কাৰ্যকৰী নোহোৱাৰ অভিযোগ উত্থাপন কৰিছে ছাত্ৰ মুক্তিয়ে। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনক এক স্মাৰকপত্ৰ প্ৰদান কৰি এনে উদণ্ড চালকক নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনাইছে। আনহাতে, একেখন স্মাৰকপত্ৰৰ জৰিয়তে ডাম্পাৰসমূহৰ নথি পৰীক্ষণ আৰু চালকসকলৰ অনুজ্ঞাপত্ৰ পৰীক্ষা কৰিবলৈও আহ্বান জনাইছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ মাৰ্ঘেৰিটা আঞ্চলিক সমিতিৰ সভাপতি নিপন গগৈ আৰু যুটীয়া সম্পাদক ৰাজা ভোজেল আৰু প্ৰতিম বৰুৱাই।

হাজোত শ্ৰীশ্ৰী বাসন্তী দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

হাজো, ৩০ মাৰ্চ ঃ হাজোৰ মনাহকুছি শ্ৰীশ্ৰী বাসন্তী দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ উদ্যোগত বিগত বৰ্ষৰ দৰে এইবেলিও অহা সাতৰ পৰা ১১ এপ্ৰিললৈ শ্ৰীশ্ৰী বাসন্তী দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। ইতিমধ্যে দ্বীপেন শৰ্মাক সভাপতি, ৰাজেন শৰ্মাক উপ-সভাপতি, ভাস্কৰজ্যোতি শৰ্মা (ৰিংকু)ক সম্পাদক, ভৱেশ শৰ্মা আৰু সঞ্জীৱ (টুটু)ক সহকাৰী সম্পাদক হিচাপে লৈ উদ্‌যাপন সমিতিখন গঠন কৰা হৈছে। মনাহকুছি ব্ৰাহ্মণ চুবা শিৱ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'ব লগা বাসন্তী দুৰ্গা পূজাৰ কাৰ্যসূচী মতে, সাত এপ্ৰিলৰ সন্ধিয়া অধিবাস। আঠ এপ্ৰিলৰ পুৱা জলযাত্ৰাৰ পাছত ওজাপালি, দেৱীৰ নৱ পত্ৰিকাত প্ৰৱেশ। পাছত আয়তীসকলৰ নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। ভোগ বিতৰণৰ পাছত ওজাপালি আৰু সন্ধিয়া আৰতি। ন এপ্ৰিলৰ পুৱা ওজাপালি, মহা অষ্টমীবিহিত পূজা সমাপন আৰু মহা অষ্টমীৰ স্তৱ পাঠ প্ৰণাম। পাছত ভোগ বিতৰণ। নিশা সন্ধি পূজা আৰু আৰতি। ১০ এপ্ৰিলৰ পুৱা মহানৱমী পূজা, আয়তীসকলৰ নাম প্ৰসংগ আৰু পূৰ্ণাহুতি, মহাশান্তি, পুষ্পাঞ্জলি আৰু স্তৱ পাঠ।

ডিগবৈ-গোলাইত দুৰ্ঘটনাত আহত

ডিগবৈ, ৩০ মাৰ্চ ঃ তিনিচুকীয়া জিলাৰ ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ গোলাইৰ ৩৮ নম্বৰ ঘাইপথত তেল পৰিবাহী টেংকাৰ আৰু মটৰ চাইকেলৰ মাজত এক দুৰ্ঘটনা সংঘটিত হয়। পুৱা প্ৰায় ১০.৩০ বজাত সংঘটিত পথ দুৰ্ঘটনাটোত মটৰ চাইকেল আৰোহীজন গুৰুতৰভাৱে আহত হয়। দুৰ্ঘনা সন্দৰ্ভত প্ৰত্যক্ষদৰ্শীয়ে সদৰী কৰা অনুসৰি তীব্ৰবেগত ডিগবৈ দিশৰ পৰা তিনিচুকীয়া অভিমুখে গৈ থকা এ এছ ১৩ চি ৬৪২৭ নম্বৰৰ তেল পৰিবাহী টেংকাৰখনে বিপৰীত দিশৰ পৰা আহি থকা এএছ ২২ ডি ০৫১০ নম্বৰৰ হোণ্ডা ছাইন মটৰ চাইকেলক প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে। ফলত মটৰ চাইকেল আৰোহীজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় লোকৰ তৎপৰতাত আঘাতপ্ৰাপ্ত মটৰ চাইকেল আৰোহীজনক উদ্ধাৰ কৰি ততাতৈয়াকৈ ডিগবৈ অসামৰিক চিকিৎসালয়লৈ নি প্ৰাথমিক চিকিৎসা কৰা হয় যদিও আঘাত গুৰুতৰ হোৱা বাবে উন্নত চিকিৎসাৰ হেতুকে তাৎক্ষণিকভাৱে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাত পতিত হোৱা মটৰ চাইকেল আৰোহীজন ডিব্ৰুগড়ৰ বিক্ৰম দাস (২৬) বুলি চিনাক্ত কৰা হৈছে। ইপিনে, দুৰ্ঘনা সংঘটিত কৰিয়ে পলায়নৰ চেষ্টা কৰা টেংকাৰখনক স্থানীয় লোকৰ তৎপৰতাত আটক কৰি ডিগবৈ আৰক্ষীক চমজাই দিয়ে।

বিশ্বনাথৰ বাঘমাৰীস্থিত পাৱাৰগ্ৰীডৰ কাণ্ড

ম্যাদী পট্টাৰ ভূমিত জাননী অবিহনে খনন কাৰ্য

অগ্ৰদূত বাৰ্তা

বিশ্বনাথ চাৰিআলি, ৩০ মাৰ্চ ঃ বিশ্বনাথৰ বাঘমাৰীস্থিত পাৱাৰগ্ৰীডৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে। টাৱাৰ নিৰ্মাণৰ নামত আনৰ ম্যাদী পট্টাৰ ভূমিত অবৈধভাৱে খনন কাৰ্য চলোৱাৰ অভিযোগ উঠিছে। খনন কাৰ্যত বাধা দিবলৈ যাওঁতে পাঁচজনকৈ ভূমিৰ গৰাকীক আটক কৰিছে জিনজিয়া আৰক্ষীয়ে। আটকাধীন লোকসকল ক্ৰমে অৰুনাভ শইকীয়া, জিতু শইকীয়া, বকুল ভূঞা, পৃথ্বীৰাজ শইকীয়া আৰু নেত্ৰ কমল হাজৰিকাসহ তপন শইকীয়া। আটকাধীন লোকসকলে ভূমিৰ উচিত মূল্য নোপোৱাৰ বাবে বাধা প্ৰদান কৰিছিল খনন কাৰ্যত। স্থানীয় লোকৰ অভিযোগ-ৰাজ্যত এতিয়া গণতন্ত্ৰ নহয়, ৰাজতন্ত্ৰ চলিছে। প্ৰধানমন্ত্ৰীৰ ভাবুকি দি কাম চলাইছে পাৱাৰগ্ৰীড কৰ্প'ৰেছনে। উচিত মূল্য নিদিয়াকৈ কোনো ধৰণৰ আগজাননী নিদিয়াকৈ, ম্যাদী পট্টাৰ ভূমিত এইদৰে খনন কাৰ্য চলাই আহিছে। আনহাতে, বাতৰি সংগ্ৰহ কৰিব যোৱা সাংবাদিককো বাধা প্ৰদান কৰি দুৰ্ব্যৱহাৰো কৰিছে অৰ্ধসামৰিক বাহিনীয়ে।

মিলনজ্যোতি সংঘৰ বিহুনাচ-ঢোলবাদন কৰ্মশালা

অগ্ৰদূত বাৰ্তা

লখিমপুৰ, ৩০ মাৰ্চ ঃ নৰাগাঁও মিলনজ্যোতি সংঘৰ উদ্যোগত ন-জোন গামোচা বিহুৱা দলৰ সহযোগত বিহুনাচ আৰু ঢোলবাদন কৰ্মশালা আজিৰে পৰা আৰম্ভ হৈছে। অহা ১০ এপ্ৰিললৈ এই কৰ্মশালাৰ সামৰণি পৰিব। আজি অনুষ্ঠান মুকলি কৰে ন-জোন গামোচা বিহুৱা দলে। কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব লখিমপুৰৰ নৃত্য শিল্পী ক্ৰমে সন্ধ্যাৰাণী ফুকন, আনন্দ বৰা, অনুপম কিংকৰ বৰা আৰু ৰমেন দাসে। নৰাগাঁও মিলনজ্যোতি সংঘৰ খেলপথাৰত অনুষ্ঠিত কৰ্মশালাত আগ্ৰহীসকলক ৬০০২৫৫২১৯৮, ৯৬৭৮০৮৯৮৬৪ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা মণ্ডলীয়ে আহ্বান জনাইছে।

ৰঙাপৰাত আম আদমী পাৰ্টিৰ সমষ্টি সমিতি গঠন

বিশেষ সংবাদদাতা

ৰঙাপৰা, ৩০ মাৰ্চ ঃ শোণিতপুৰ জিলাৰ ৰঙাপৰা নগৰৰ কেশৰী সংঘত কালি আম আদমী পাৰ্টিৰ সমষ্টি সমিতিখন গঠন কৰা হয়। বিয়লি অনুষ্ঠিত সাধাৰণ সভাখনত সমষ্টিৰ সমন্বয়ৰ দায়িত্ব দিয়া হয় দীপক কুমাৰ সাহাক আৰু সম্পাদকৰূপে দায়িত্ব দিয়ে মনজিত ৰয়ক। শোণিতপুৰ জিলাৰ আম আদমী পাৰ্টিৰ সম্পাদক হৃদয় বৰাই বৰ্তমান আন ৰাজ্যত আম আদমী পাৰ্টিৰ ফালৰ পৰা গ্ৰহণ কৰা জনকল্যাণমূলক আঁচনিসমূহ সভাত উপস্থিত ৰাইজক অৱগত কৰে। সভাত তেজপুৰ পৌৰসভাৰ সম্বনিকা মমী বৰুৱাই উল্লেখ কৰে যে দেশত বৰ্তমান আম আদমি পাৰ্টিৰ জনপ্ৰিয়তা আৰু ৰাইজে আদৰি লৈছে অনাগত দিনত দেশ তথা ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত জনসাধাৰণে এই দলকে আদৰি ল'ব। সভাত ১৪ জনীয়া সদস্যৰে সমষ্টি সমিতি গঠন কৰা হয়।

অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিত প্ৰতিবাদ

■ প্ৰধানমন্ত্ৰীৰ প্ৰতিকৃতি দাহ যুৱ-ছাত্ৰ পৰিষদৰ

অগ্ৰদূত বাৰ্তা

নলবাৰী, ৩০ মাৰ্চ ঃ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছৰ আকাশলংঘী মূল্যবৃদ্ধিৰ প্ৰতিবাদত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী চহৰ সমিতিয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতিকৃতি দাহ কৰে। যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী চহৰ সমিতিৰ সভাপতি নয়ন শৰ্মা আৰু সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি বৰ্মনৰ নেতৃত্বত ৰূপায়িত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে 'নৰেন্দ্ৰ মোদী হায় হায়, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক, বিদ্যুৎ মাচুল হ্ৰাস কৰক, ৰন্ধন গেছৰ মূল্য নিয়ন্ত্ৰণ কৰক' আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে পহিলা এপ্ৰিলৰ পৰা জীৱনদায়িনী ঔষধ, টোলগেটৰ কৰ বৃদ্ধিৰ লগতে গৃহ নিৰ্মাণৰ সামগ্ৰীৰ দাম বৃদ্ধিৰ জৰিয়তে চৰকাৰে ৰাইজৰ মূৰত ৰামটাঙোন শোধোৱাৰ যি ষড়যন্ত্ৰ কৰিছে তাৰ যুৱ-ছাত্ৰ পৰিষদে তীব্ৰ বিৰোধিতা কৰে। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক কৌশিক বৰ্মনসহ অৰ্ধশতাধিক কৰ্মকৰ্তাই দিনৰ দুই বজাত নলবাৰী চহৰৰ এন টি ৰোডত উক্ত প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে অতিশীঘ্ৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবী জনায়। মূল্যবৃদ্ধি ৰোধ নকৰিলে ইয়াৰ বিৰুদ্ধে অধিক তীব্ৰ গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও সকীয়াই দিয়ে সংগঠনটোৱে।

বাদুংদুপ্পাত ‘লেবাৰাম’ মঞ্চস্থ

অগ্ৰদূত বাৰ্তা

আগিয়া, ৩০ মাৰ্চ ঃ বাদুংদুপ্পা কলা কেন্দ্ৰৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় নাট্য বিদ্যালয় নতুন দিল্লীৰ সহযোগত অনুষ্ঠিত এমহীয়া শিশু নাট কৰ্মশালাৰ আজি সামৰণি পৰে। উক্ত সামৰণি অনুষ্ঠানৰ বিয়লি চাৰি বজাৰ পৰা লেবাৰাম নামৰ নাটখন মঞ্চস্থ কৰা হ'ব। গোৱালপাৰা জিলাৰ অখ্যাত স্বাধীনতা সংগ্ৰামী লেবাৰাম ৰাভাৰ জীৱন শৈলী সম্পৰ্কে আলোকপাত কৰি মদন ৰাভাৰ ৰচনা-পৰিচালনা আৰু উদ্ধৱ ৰাভাৰ সহকাৰী পৰিচালনাত নাটখন মঞ্চস্থ কৰা হয়। উক্ত কৰ্মশালাকত অংশগ্ৰহণ কৰা জিলাখনৰ ভিন্ন প্ৰান্তৰ ২২ গৰাকী শিশুৱে নাটখনত অভিনয় কৰা হয়। শিশুসকলৰ সাৱলীল শৰীৰ সঞ্চালন আৰু সংলাপ নিক্ষেপনত আপ্লুত হয় দৰ্শকসকল। দৰ্শকৰ ভূয়সী প্ৰশংসাই পুনৰ প্ৰতীয়মান কৰি তুলিলে বাদুংদুপ্পাৰ সংগ্ৰামী জীৱনৰ সাৰ্থকতা। বাদুংদুপ্পাৰ পৰিচালক চিনা ৰাভাই আঁত ধৰা অনুষ্ঠানটোত বন্তি প্ৰজ্বলন কৰি নাটখনৰ মঞ্চ উদ্বোধন কৰে গোৱালপাৰাৰ অতিৰিক্ত উপায়ুক্ত মনোজ দাসে।

মৰাণ জাতীয় মহিলা পৰিষদৰ ২৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস সম্পন্ন

অগ্ৰদূত বাৰ্তা

তিনিচুকীয়া, ৩০ মাৰ্চ ঃ মৰাণ জাতীয় মহিলা পৰিষদে আজি ২৮সংখ্যক প্ৰতিষ্ঠা দিৱস তিনিচুকীয়াৰ বৰগুৰিস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰে।

পতাকা উত্তোলন, স্মৃতি তৰ্পণেৰে আৰম্ভ হোৱা অনুষ্ঠানটোত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই উপলক্ষে বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। মৰাণ জাতীয় মহিলা পৰিষদৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদিকা অৰ্চনা গোহাঁইয়ে আঁতধৰা সভাখনত পৌৰোহিত্য কৰে সংগঠনটোৰ সভাপতি দীপা বড়া শইকীয়াই। মুকলি সভাত নিৰ্দিষ্ট বক্তৰূপে উপস্থিত থাকে সংগঠনটোৰ প্ৰাক্তন সভাপতি ক্ৰমে সুভা দহোতীয়া আৰু প্ৰিয়লতা মৰাণ। অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম মটক মহিলা পৰিষদৰ সভানেত্ৰী ৰূপালী গগৈ আৰু সাধাৰণ সম্পাদিকা পূৰবী খনিকৰ, লগতে মৰাণ জনজাতিৰ আটাইকেইটা সংগঠনৰ কেন্দ্ৰীয় সভাপতি সম্পাদকসকল। ইফালে এই সভাখনতেই সংগঠনটোৰ বাৰ্ষিক মুখপত্ৰ ‘ধৰিত্ৰী’ৰ উন্মোচন কৰে মৰাণ সাহিত্য সভাৰ সভাপতি হৰকান্ত মহন্তই।

লখিমপুৰ জৱাহৰ নবোদয় বিদ্যালয়ত ‘পৰীক্ষা পে চৰ্চা’ অংশগ্ৰহণৰ আহ্বান

অগ্ৰদূত বাৰ্তা

বিহপুৰীয়া, ৩০ মাৰ্চ ঃ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা সংসদৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পহিলা এপ্ৰিলৰ পুৱা ১১ বজাত ‘পৰীক্ষা পে চৰ্চা’ শীৰ্ষক অনুষ্ঠানৰ জৰিয়তে দেশৰ ছাত্ৰ-ছাত্ৰীসকলৰে মত বিনিময় কৰিব। বিহপুৰীয়া চৌদ্ধপুনীয়াস্থিত লখিমপুৰ জৱাহৰ নবোদয় বিদ্যালয়ত সেইদিনা প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিলগা অনুষ্ঠানৰ প্ৰদৰ্শনৰ দিহা কৰিছে বিদ্যালয় কৰ্তৃপক্ষই। অনুষ্ঠানত জিলাখনৰ জনসাধাৰণৰ লগতে ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণৰ আহ্বান জনাইছে বিদ্যালয়ৰ অধ্যক্ষ অপূৰ্ব কুমাৰ ৰয়ে।

কোকৰাঝাৰত গাঞ্জাসহ তিনি সৰবৰাহকাৰী গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

কোকৰাঝাৰ, ৩০ মাৰ্চ ঃ কোকৰাঝাৰ আৰক্ষীয়ে আজি জিলাখনৰ কাৰিগাঁৱৰ ২১ নম্বৰ (গ) ঘাইপথৰ পৰা তিনিজন গাঞ্জা সৰবৰাহকাৰীক গাঞ্জাসহ গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰীকেইজন হ'ল মুকেশ কুমাৰ (বিহাৰ), মিঠুন মিঞা (মানকাচৰ), হাছানুৰ ৰহমান (মানকাচৰ)। তেওঁলোকৰ পৰা আৰক্ষীয়ে ৪১ টা পেকেটত ৯৩ কিলোগ্ৰাম গাঞ্জা জব্দ কৰিছে। কাৰিগাঁৱত আৰক্ষীয়ে তালাচী চলাই বি আৰ-১১ ভি-৭৫৫১ নম্বৰৰ স্কৰপিঅ'ৰ পৰা গাঞ্জাখিনি জব্দ কৰে। আগৰতলাৰ পৰা বিহাৰলৈ গৈ থকা অৱস্থাত কাৰিগাঁৱত গাঞ্জাখিনি জব্দ কৰা হয় বুলি আৰক্ষীয়ে কয়।

তেজপুৰ বিশ্ববিদ্যালয়ত ৰাজ্যৰ চাহ সন্দৰ্ভত প্ৰচাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ৩০ মাৰ্চ ঃ তেজপুৰ বিশ্ববিদ্যালয়ৰ চৌহদত আজি এক উচ্চ মান বিশিষ্ট চাহৰ বিষয়ে প্ৰচাৰ চলোৱা হয়। ভাৰতীয় চাহ পৰিষদৰ সহযোগত ৰাজ্যখনত উৎপাদিত উচ্চ মানবিশিষ্ট চাহৰ এক জাতিগত প্ৰচাৰমূলক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই বিশেষ অনুষ্ঠান আয়োজিত হয় অপৰিকল্পিত সূচী নামৰ বহুজাতিক প্ৰদৰ্শনী তথা সূচী পৰিকল্পনাকাৰী কোম্পানীটোৱে। নপামস্থিত তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰাজ্যখনৰ উৎকৃষ্ট চাহৰ সোৱাদৰ এনে প্ৰচাৰ কাৰ্যসূচী প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়। উদ্বোধনী অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ বিভাগৰ ডীন ড° ধনপতি ডেকা, বিশ্ববিদ্যালয়ৰ খাদ্য, অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ অধ্যাপক মনুজ কুমাৰ হাজৰিকা আৰু ভাৰতীয় চাহ পৰিষদৰ সহকাৰী সঞ্চালক অমৃতা চক্ৰৱৰ্তীয়ে অংশ লয়। উল্লেখ্য যে অনুষ্ঠনৰ অংশীদাৰ হিচাপে তেজপুৰ বিশ্ববিদ্যালয়ে ৰাজ্যত উৎপাদিত চাহৰ প্ৰকাৰ, নিৰ্দিষ্ট সুগন্ধি, সোৱাদ আৰু গুণাগুণৰ আধাৰত চাহৰ নিৰ্দিষ্ট বৈশিষ্ট্যৰ বিষয়ে সজাগতা সৃষ্টিৰে যুৱ প্ৰজন্মৰ মাজত অসমৰ চাহক এক উচ্চমানৰ পানীয় হিচাপে সাধাৰণ প্ৰচাৰৰ উদ্দেশ্যৰে এই অভিযানলৈ সহযোগিতা আগবঢ়ায়। অনুষ্ঠানত প্ৰায় আঢ়ৈ হেজাৰ লোকে প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। উল্লেখ্য যে এই প্ৰচাৰসূচী অনুষ্ঠানত ওলোং, চিটিচি, অৰ্থডক্স আৰু সেউজীয়া চাহৰ দৰে বিভিন্ন প্ৰকাৰৰ চাহৰ ওপৰত এক বিশেষ প্ৰদৰ্শনী অনুষ্ঠিত কৰাৰ লগতে পোনপটীয়াভাৱে চাহ শিল্প, চাহৰ সোৱাদ পৰীক্ষা, চাহৰ বিষয়ে সাধাৰণ চৰ্চা, সাংগীতিক প্ৰদৰ্শনী, ক্ৰীড়া আৰু কুইজৰো অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে চাহক এক সতেজতাৰ পানীয় হিচাপে উল্লেখ কৰা আৰু অসমৰ চাহ সম্প্ৰতি বিশ্ববিখ্যাত বুলি অভিহিত অনুষ্ঠানত আফতাব আনছাৰী, খাদ্য অভিযান্ত্ৰিক আদি গৱেষকসকলে চাহৰ সোৱাদ গ্ৰহণ অনুষ্ঠানত অংশ লয়।

জংঘলে আৱৰি ধৰিছে কৃষক নেতাৰ স্মৃতিসৌধ

অগ্ৰদূত বাৰ্তা

আঠখেলীয়া, ৩০ মাৰ্চ ঃ প্ৰাক্তন কৃষিমন্ত্ৰী তথা ৰাজ্যখনৰ কৃষক সমাজৰ পিতৃ স্বৰূপ সোণেশ্বৰ বৰাৰ পূৰ্ণাংগ মূৰ্তি ভাগৰ স্মৃতি সৌধ গোলাঘাটৰ মাজ মজিয়াত ঘাঁহ-বনেৰে আবৰি থকাৰ দৃশ্যই ব্যথিত কৰিছে সচেতন মহলক। গোলাঘাট বিধানসভা সমষ্টিত ১৯৬৬ৰ পৰা অসম আন্দোলনৰ মধ্যভাগলৈকে দেশৰ ৰাজনীতিত চমক সৃষ্টি কৰা ছ'চিয়েলিষ্ট দলৰ অভিসম্বাদী নেতা বৰাই এই সমষ্টিটো প্ৰতিনিধিত্ব কৰিছিল। ৮০ৰ দশকত তেওঁ অসম বিধানসভাত ৰাজ্যৰ কৃষিমন্ত্ৰী হৈ থকাৰ সময়তে দূৰদৰ্শী কাৰ্য দক্ষতাই অসমত জন্ম দিছিল ক্ষুদ্ৰ চাহ খেতিৰ। আজিৰ তাৰিখত এই ক্ষুদ্ৰ চাহ খেতিয়কৰ চাহ খেতিয়ে অসমত আবাদী হৈ থকা লক্ষ লক্ষ বিঘা মাটি চাহ খেতিয়ে আবৰি ধৰিলে। নিতৌ বিঘাৰ পাছত বিঘাকৈ চাহ খেতি সম্প্ৰসাৰিত হৈ হৈ আজি অসমৰ লক্ষ লক্ষ পৰিয়ালৰ লক্ষ লক্ষ যুৱক-যুৱতী এই চাহ খেতিৰ দ্বাৰা উপকৃত হৈছে। অকল্পনীয়ভাৱে বৰ্তমান সময়ত অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কে চাহ শিল্পই ব্ৰিটিছ যুগৰ পৰা অসমত খোপনি পোতা বৃহৎ বৃহৎ চাহকোম্পানীসমূহৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সক্ষম হৈ অসমৰ অৰ্থনীতিত প্ৰভূত অৰিহণা যোগাইছে। উল্লেখ্য যে বিধানসভাৰ মজিয়াত তদানীন্তন একাংশ জনপ্ৰতিনিধিয়ে বৃহৎ বৃহৎ চাহ কোম্পানীৰ স্বামৰ্থ সুৰক্ষাৰ বাবে অসমত ক্ষুদ্ৰ চাহ খেতিৰ প্ৰসংগত নেতিবাচক স্থিতি গ্ৰহণ কৰিছিল যদিও কৃষিমন্ত্ৰ বৰাৰ সৰল স্থিতিয়ে আজিৰ অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ জন্ম দিবলৈ সক্ষম হৈছিল বাবেই আজি তেওঁ কৃষক পিতৃ হিচাবে পৰিচিত। এইজন কৃষক পিতৃৰ স্মৃতি যুগমীয়া কৰিবলৈ গোলাঘাট সদৰ থানাৰ গাতে লগাই নিৰ্মাণ কৰা পূৰ্ণাংগ মূৰ্তিৰ স্মৃতি সৌধ আজি উন্মুক্ত ঘাঁহ-বনৰ মাজত অনাদৃতভাৱে পৰি আছে। আজি হয়তো আমাৰ মাজৰ কাৰ্যদক্ষতাই অসমৰ অৰ্থনীতিৰ গুৰিধৰোতা একাংশ অতি প্ৰভাৱশালী, ধৰ্ণাঢ্য পুঁজিপতিৰ সৃষ্টি কৰি অসমৰ নিবনুৱা সমস্যাটো সমাধানত শাসক পক্ষক প্ৰত্যক্ষভাৱে সহায় কৰিছে। প্ৰয়াত বৰা বৰ্তমানৰ শাসকীয় দলৰ লোক নাছিল বাবেই তেওঁৰ স্মৃতি সৌধ সুৰক্ষাতো এনে অনীহা বুলি ৰাইজে প্ৰশ্ন কৰিছে।

অসম চৰকাৰ

Azadi Ka Amrit Mahotsav

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে
চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে

কামৰূপ জিলা দিৱস উদযাপন

আজি ৩১ মাৰ্চ, ২০২২ তাৰিখে জিলা দিৱসৰ
কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব

তাৰিখঃ ৩১ মাৰ্চ, ১,২ আৰু ৩ এপ্ৰিল, ২০২২

স্থানঃ কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰ, (জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সমীপত)
আমিনগাঁও, কামৰূপ

প্ৰতিটো দিনৰ কাৰ্যসূচীতে আপোনালোকৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হ'ল।

কামৰূপ জিলা প্ৰশাসন, আমিনগাঁও, কামৰূপ

৩১ মাৰ্চ, ২০২২ৰ কাৰ্যসূচী-
- চাইকেল ৰেলী-শিঙিমাৰী চ'কৰ পৰা শুৱালকুছি তোৰণলৈ
- স্বচ্ছ ভাৰত অভিযান-শুৱালকুছি বজাৰ
- গছপুলি ৰোপণ-সকলো চৰকাৰী কাৰ্যালয়ত
- জিলা উপায়ুক্তৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ
- আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন কথাছবি পৰিচালক ৰীমা দাসৰ দ্বাৰা কথাছবি প্ৰদৰ্শনী উদ্বোধন আৰু তেওঁৰ সৈতে অন্তৰংগ আলাপ
- সাংস্কৃতিক সন্ধিয়া

জনসংযোগ/ডি/১৮৪১০/২১

দৈনিক
অগ্রদূত
ক্রীড়াভূমি/ক্রীড়াভূমি

নেহৰু ষ্টেডিয়ামত হ'ব বৰদলৈ ট্ৰফীৰ দুখন ছেমি, ফাইনেল মেচ

অৱশেষত জি এছ এৰ বোধোদয়

গুৱাহাটী, ৩০ মাৰ্চ ঃ চলিত ৬৮ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচখন নেহৰু ষ্টেডিয়ামত আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে গুৱাহাটী ক্ৰীড়া সন্থাই। সেই অনুসৰি অহা পহিলা এপ্ৰিলত বৰদলৈ ট্ৰফীৰ ছেমিফাইনেল দুখন নেহৰু ষ্টেডিয়ামত থকা দুয়োখন খেলপথাৰত একেসময়তে হোৱাৰ বিপৰীতে তিনি এপ্ৰিলত অনুষ্ঠিত হ'ব ফাইনেল। উল্লেখ্য যে পূৰ্বে বৰদলৈ ট্ৰফীৰ এখন ছেমিফাইনেল নেহৰু ষ্টেডিয়ামত হোৱাৰ বিপৰীতে জজ খেলপথাৰত এখন ছেমিফাইনেল আৰু ফাইনেল হোৱাৰ কথা আছিল। কিন্তু এতিয়া সমালোচনাৰ পাছত বোধদয় হ'ল গুৱাহাটী ক্ৰীড়া সন্থাৰ। উল্লেখ্য যে বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ এখন ছেমিফাইনেলত ইউনাইটেড চিৰাং দুৱাৰ এফ চিয়ে খেলিব দিল্লী এফ চিৰ বিৰুদ্ধে। আনহাতে, আনখন ছেমিফাইনেলত শিলচৰৰ ইণ্ডিয়া ক্লাবে খেলিব চি আই এছ এফ বা নগালেণ্ড পুলিচৰ বিৰুদ্ধে।

নৰ্থ ইষ্ট-লাজঙৰ অন্তিম খেল ড্ৰ

অগ্ৰদূত বাৰ্তা

গৰুভাষা, ৩০ মাৰ্চ ঃ চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী থাইকাজোৰাত চলা ৬৮ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ 'ডি' গ্ৰুপৰ অন্তিম দিনা নৰ্থ ইষ্ট ইউনাইটেড এফ চি আৰু ছিলং লাজং এফ চিৰ মাজত অনুষ্ঠিত খেলখন ২-২ গলত ড্ৰ হয়। । স্থানীয় ৰাইন' ক্লাবৰ খেলপথাৰত অনুষ্ঠিত খেলখনত ১২ মিনিটত নৰ্থ ইষ্ট ইউনাইটেডে গ'ল দি বিৰতিলৈকে আগবাঢ়ি থাকে। কিন্তু ৪৬ মিনিটত লাজং এফ চিয়ে গ'লটো পৰিশোধ কৰে। খেলৰ ৬২ মিনিটত লাজং এফ চিয়ে পুনৰ এটা গ'ল দি ২-১ ৰ অগ্ৰগতি লাভ কৰে যদিও ৭৬ মিনিটত নৰ্থ-ইষ্ট ইউনাইটেডে পৰিশোধ কৰি সমতা স্থাপন কৰে। উল্লেখ্য যে এই গ্ৰুপৰ পৰা সৰ্বাধিক সাত পইণ্ট লাভ কৰি ইতিমধ্যে ইউনাইটেড চিৰাং দুৱাৰ এফ চিয়ে ছেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছে। সেয়ে কাৰ্যতঃ আজিৰ খেলখন গুৰুত্বহীন আছিল। আজিৰ খেলখন পৰিচালনা কৰে ইজৰাইল হেমব্ৰমে। লাইনত সহায় কৰে পৱন চন্দ্ৰ ব্ৰহ্ম আৰু হাবিব ৰাৰীয়ে। প্ৰেম নাৰ্জাৰী চতুৰ্থ ৰেফাৰী আছিল।

মাষ্টাৰ গেমছলৈ ভলীবল দল

গুৱাহাটী, ৩০ মাৰ্চ ঃ কেৰালাৰ তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ সংখ্যক নেচনেল মাষ্টাৰ্চ গেমছৰ ভলীবল বিভাগত অংশ গ্ৰহন কৰাৰ বাবে অসমৰ ৫০ আৰু ৪০ বছৰ উৰ্ধ্বৰ পুৰুষৰ দল দুয়োটা ঘোষণা কৰিছে অসম প্ৰবীণ ভলীবল খেলুৱৈ সন্থাৰ সাধাৰণ সম্পাদক ভবেন্দ্ৰ কুমাৰ ডেকাই । ঘোষিত ৫০ বছৰ উৰ্ধ্বৰ খেলুৱৈ সকলৰ নাম হ'ল ঃ গনেশ কুমাৰ, অৰূপ কুমাৰ দাস, নিৰেণ শৰ্মা, উৎপল ভট্ট, প্ৰতাপ তালুকদাৰ, বীৰেণ কুমাৰ শৰ্মা, বলোৰাম ডেকা, পুলক মেধি, প্ৰতুল ভট্যাচাৰ্য । আনহাতে ৪০ বছৰ খেলুৱৈ সকলৰ নাম হৈছে ঃ তপন বৰ্মন, নয়ন তালুকদাৰ, দেৱজিৎ ঠাকুৰীয়া, হেমন্ত গগৈ, নাছিৰুদ্দিন আহমেদ, জিয়াউল হ'ক, মনজিৎ পাঠক, উৎপল দাস, দীপাংঙ্কৰ ডেকা । দল দুয়োটাৰ মুখ্য প্ৰশিক্ষক দীপক কুমাৰ দাস, সহঃ প্ৰশিক্ষক হৰিশ গোস্বামী আৰু মেনেজাৰ নৃপেন্দ্ৰ দাস ।

১৩ ঘণ্টা ৫০ মিনিটত শ্ৰীলংকাৰ পৰা ভাৰতলৈ সাগৰৰে সাঁতুৰি আহি অভিলেখ দুই অসমীয়াৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ অসমৰ দুই গুৰু-শিষ্যই ভাৰত মহাসাগৰ সাঁতুৰি এক নতুন অভিলেখ সৃষ্টি কৰিছে। উল্লেখ্য যে অসমৰ সাঁতোৰ প্ৰশিক্ষক বাবুল গুৰুং আৰু কনিষ্ঠ সন্তৰণবিদ কস্তুৰীয়ে যোৱানিশা এক বজাত শ্ৰীলংকাৰ কলম্বোৰ পৰা এই অভিযান আৰম্ভ কৰি আজি দিনৰ দুই বাজি ৫০ মিনিটত উপস্থিত হয় ভাৰতৰ তামিলনাডুত। এই সাঁতোৰৰ মুঠ দূৰত্ব ১১০ কিলোমিটাৰ। প্ৰশিক্ষক বাবুল গুৰুঙে ১৩ ঘণ্টা ৫০ মিনিটত লক্ষ্যত উপনীত হোৱাৰ বিপৰীতে শিষ্যৈ কনিষ্ঠ সন্তৰণবিদ কস্তুৰীয়ে ১৩ ঘণ্টা ৫৪ মিনিট সময় লয়। উল্লেখ্য যে দেশৰ নৌ সেনা বাহিনী আৰু সৰ্বভাৰতীয় ছুইমিং ফেডাৰেচনে এই সাঁতোৰত সহযোগ কৰিছে। উল্লেখ্য যে, বাবুল গুৰুঙৰে শিষ্য কস্তুৰী গগৈ । অলপতে গুজৰাটৰ পোৰবন্দৰত অনুষ্ঠিত সাগৰীয় সাঁতোৰত দুয়োগৰাকীয়ে লাভ কৰিছিল পদক । এইবাৰ সকলো প্ৰত্যাহ্বান নেওচি গ্ৰীণিজ বুক অৱ ৰল্ড ৰেকৰ্ডৰ বাবে আগবাঢ়িছে সন্তৰণবিদ দুগৰাকী । ভাৰত মহাসাগৰত উত্তৰ পূৰ্বাঞ্চলৰ সন্তৰণবিদৰ এয়া প্ৰথম প্ৰচেষ্টা।

নৱেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'ব আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক ৰেংকিং প্ৰতিযোগিতা

চলিত বৰ্ষত অসমত আঠখন ৰাষ্ট্ৰীয় টেনিছ

গুৱাহাটী, ৩০ মাৰ্চ ঃ সদৌ অসম টেনিছ সন্থাৰ সাংগঠনিক দক্ষতাৰ ওপৰত বিশ্বাস ৰাখি ভাৰতীয় টেনিছ ফেডাৰেছনে চলিত বছৰত মুঠ আঠখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতা গুৱাহাটীত আয়োজনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আনহাতে, অসম টেনিছ সন্থাই চলিতে বৰ্ষতে এখন আন্তৰ্জাতিক প্ৰতিযোগিতাও গুৱাহাটীত আয়োজনৰ দায়িত্ব লাভ কৰিছে বুলি আজি অৱগত কৰে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। অৱশ্যে অসমত হ'বলগা আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখনৰ দিন এতিয়াও আন্তৰ্জাতিক টেনিছ ফেডাৰেছনে ঘোষণা কৰা নাই যদিও ভাৰতীয় টেনিছ ফেডাৰেছনে চলিত বছৰত গুৱাহাটীত আয়োজন কৰিব লগা আঠখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ সূচী নিৰ্ধাৰণ কৰিছে। এই বিষয়ে অৱগত কৰি আজি অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই কয় যে অহা ন মে'ৰ পৰা ১৩ মে'লৈ গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব ১২ আৰু ১৪ বছৰ অনূৰ্ধ্ব শাখাৰ ল'ৰা-ছোৱালীৰ আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা। ইফালে, সদৌ অসম টেনিছ সন্থাই অহা ছয় জুনৰ পৰা ১০ জুনলৈ

গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত ল'ৰা-ছোৱালীৰ ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্ব শাখাৰ আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতা। আনহাতে, অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখন (ল'ৰা-ছোৱালীৰ ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্ব শাখা) অহা চাৰিৰ পৰা আঠ জুলাইলৈ গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব। ইফালে, ১২ আৰু ১৪ বছৰ অনূৰ্ধ্ব শাখাৰ ল'ৰা-ছোৱালীৰ অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখন সদৌ অসম টেনিছ সন্থাই অহা পাঁচৰ পৰা ন ছেপ্টেম্বৰলৈ আয়োজন কৰাৰ সিদ্ধান্ত লৈছে। এই চাৰিখন ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ পাছতে অহা নৱেম্বৰত গুৱাহাটীৰ চচল টেনিছ প্ৰকল্পত অনুষ্ঠিত হ'ব ১৮ বছৰৰ অনূৰ্দ্ধ শাখাৰ ল'ৰা-ছোৱালীৰ আই টি এফ জুনিয়ৰ আন্তৰ্জাতিক ৰেংকিং টেনিছ প্ৰতিযোগিতা। অৱশ্যে অসমত হ'বলগা এইখন আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাৰ দিন এতিয়াও আন্তৰ্জাতিক টেনিছ ফেডাৰেছনে ঘোষণা কৰা নাই বুলি কয় অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই। উল্লেখ্য যে নিয়মানুবৰ্তীতা ৰক্ষা কৰি সফলতাৰে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক প্ৰতিযোগিতা আয়োজন কৰাৰ বাবে অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তক অলপতে ৰাজ্যৰ শ্ৰেষ্ঠ ক্ৰীড়া সংগঠকৰ সন্মান প্ৰদান কৰা হৈছে। কৰ'নাৰ সময়তো দত্তৰ নেতৃত্বতে অসমত হৈছিল প্ৰথমখন ৰাষ্ট্ৰীয় প্ৰতিযোগিতা। সেয়েহে আইটা আৰু আই টি এফে দক্ষতাৰ স্বীকৃতি হিচাপে এইবছৰ অসমত অভিলেখ সংখ্যক প্ৰতিযোগিতা আয়োজনৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে অসম টেনিছ সন্থাই ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক প্ৰতিযোগিতা আয়োজন কৰাৰ লগতে সফলতাৰে ৰাজ্যিক প্ৰতিযোগিতাও আয়োজন কৰি আছে।

আজি সামৰণি পৰিব সৰ্বভাৰতীয় পি এছ পি বি টেনিছ

মহিলাৰ এককৰ চেম্পিয়ন ৰিয়া

গুৱাহাটী, ৩০ মাৰ্চ ঃ আই অ' চি এলৰ ৰিয়া ভাটিয়াই চলিত ৪০ সংখ্যক সৰ্বভাৰতীয় পি এছ পি বি টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ খিতাপ লাভ কৰিছে। স্মৰ্তব্য যে গুৱাহাটীৰ চচলত থকা অসম টেনিছ সন্থাৰ টেনিছ প্ৰকল্পত চলি থকা প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা মহিলাৰ একক শাখাৰ ফাইনেলত ৰিয়াই আই অ' চি এলৰে নিধি চিলুমুলাক পৰাস্ত কৰে। ইফালে, আজি প্ৰতিযোগিতাৰ পুৰুষৰ একক আৰু ডাবলছ শাখাৰ ছেমিফাইনেল মেচসমূহ অনুষ্ঠিত হয়। কাইলৈ হ'ব ফাইনেল। উল্লেখ্য যে ইতিমধ্যে হৈ যোৱা পুৰুষৰ দলীয় শাখাৰ খেলত অ' এন জি চিয়ে ২-০ ৰ ব্যৱধানত আই অ' চি এলক পৰাস্ত কৰি খিতাপ লাভ কৰিছে। উল্লেখ্য যে অ' এন জি চিৰ হৈ খেলিছিল যুকি ভামব্ৰি আৰু বিষ্ণু বৰ্দ্ধনে। কিন্তু আজি ভাৰতীয় টেনিছ দুই তাৰকা নিজৰ নিজৰ একক শাখাৰ ছেমিফাইনেলত পৰাস্ত হয় আই অ' চি এলৰ ৰাম কুমাৰ আৰু অ' এন জি চিৰ ৰনজিতৰ বিৰুদ্ধে। কিন্তু ডাবলছৰ ফাইনেলত বিষ্ণু বৰ্দ্ধন আৰু ৰনজিতৰ লগতে ৰামকুমাৰ আৰু চিৰাগ যুটি ফাইনেলত প্ৰৱেশ কৰিছে। ইফালে, প্ৰতিযোগিতাৰ প্ৰবীন শাখাৰ দলীয় ফাইনেল মেচ খন অইল আৰু এইছ পি চি এলৰ মাজত অনুষ্ঠিত হয় আৰু অইল ইণ্ডিয়াই ২-০ ৰ ব্যৱধানত জয়ী হৈ খিতাপ দখল কৰে। আনহাতে, প্ৰবীন শাখাৰ দলীয় তৃতীয় স্থানৰ মেচত বি পি চি এল দলে ৰাক অভাৰ দিয়ে এন আৰ এলক। উল্লেখ্য যে চলিত ৪০ সংখ্যক সৰ্বভাৰতীয় পি এছ পি বি টেনিছ প্ৰতিযোগিতাৰ কাইলৈ অন্তিম দিন।

শক্তি উত্তোলনলৈ অসমৰ ২৬ জনীয়া দল ঘোষণা সন্থাৰ

গুৱাহাটী, ৩০ মাৰ্চ ঃ অহা পাঁচৰ পৰা আঠ এপ্ৰিললৈ মহাৰাষ্ট্ৰৰ নাগপুৰত হ'বলগীয়া ৰাষ্ট্ৰীয় শক্তিউত্তোলন প্ৰতিযোগিতাৰ বাবে অসম দলটো ঘোষণা কৰা হৈছে। উল্লেখ্য যে অসম শক্তিউত্তোলক সন্থাৰ সাধাৰণ সম্পাদক অজয় চেতিয়াই জনোৱা অনুসৰি ৰাষ্ট্ৰীয় শক্তিউত্তোলন প্ৰতিযোগিতাত অসমৰ এটা ২৬ জনীয়া দলে অংশ ল'ব। দলটিৰ খেলুৱৈসকল হৈছে ক্ৰমে -পল্লৱ কোঁচ , ৰিকি গগৈ , প্ৰাঞ্জল প্ৰতিম শৰ্মা , অম্লান বৰুৱা , প্ৰাঞ্জল ডেকা, ভৰাৰ্নব শইকীয়া, ৰিচাব ঘোষ , জয়প্ৰকাশ ফুকন ,জ্যোতিষ্মন ভাগৱতী , হৰি দাস, অভিনাচ দাস ,বিদ্যুত বৰা, প্ৰাঞ্জল বৰা , যোগেন দাস , গৌতম হাজৰিকা, ষ্টেলিন ইংতি, ৰিয়া বড়ো ,সুপৰ্ণা বৰ্মন ,চয়নিকা দলে ,শিখাকিৰণ বায়ন ,ৰুঞ্জাপ্ৰিয় পাঠক ,গাৰ্গী শৰ্মা, শালিনী গগৈ আৰু দীপা বৰুৱা। দলটিৰ মেনেজাৰ আৰু প্ৰশিক্ষক হিচাপে যাব ক্ৰমে অনন্ত গগৈ আৰু দেৱব্ৰত শৰ্মা।

বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা

ছেমিফাইনেলত দিল্লী এফ চি

অগ্ৰদূত বাৰ্তা

বাইহাটা চাৰিআলি, ৩০ মাৰ্চ ঃ চলিত ৬৮ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ফুটবল টুৰ্ণামেণ্টত তৃতীয়টো দল হিচাপে দিল্লী এফ চিয়ে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ নিকতৱৰ্তী কৰৰাত চলি থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত পঞ্চম খন খেলত ওদালগুৰিৰ দৈমালু ক্লাবক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি দিল্লী এফ চি বিজয়ী হয়। কৰৰা ইয়ুথ এথলেটিকছ ক্লাবৰ সহযোগত কৰৰা মিনি ষ্টেডিয়ামত অনুষ্ঠিত খেলত আজি দৈমালু ক্লাৱ ওডালগুৰি আৰু দিল্লী এফ চিৰ মাজত চলা খেল খন যথেষ্ট উত্তেজনা পুৰ্ণ হয়। প্ৰথমাৰ্ধত কোনো এটা দলে গ'ল দিব নোৱাৰিলে যদিও দ্বিতীয়াৰ্ধত দিল্লী এফ চিয়ে দৈমালু ক্লাবক এটা গ'ল দিয়ে। টুৰ্ণামেণ্টৰ 'বি' গ্ৰুপৰ কৰৰাত অনুষ্ঠিত প্ৰতিযোগিতা আটাইকেইখন খেলতে বিজয়ী হোৱাত দিল্লী এফ চিয়ে ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। কাইলৈ অন্তিমখন খেল অসম ৰাইফলচ, চিলং আৰু অসম পুলিচ ব্লুজৰ মাজত অনুষ্ঠিত হ'ব। অৱশ্যে এই মেচৰ ফলাফল গুৰুত্বহীন।

ঐতিহ্যমণ্ডিত এ টি পি এ শ্বিল্ড ফুটবল প্ৰতিযোগিতা আৰম্ভ

উদ্বোধনী খেলত চৰাইবাহী উপক্ৰীড়া সন্থাৰ জয়

ষ্টাফ ৰিপৰ্টাৰ

যোৰহাট, ৩০ মাৰ্চ ঃ ঐতিহ্যমণ্ডিত এ টি পি এ শিল্ড ফুটবল প্ৰতিযোগিতা আজিৰে পৰা বৰ্ণাধ্য কাৰ্যসূচীৰে যোৰহাট ষ্টেডিয়ামত আৰম্ভ হৈছে । শতবৰ্ষত উপনীত হোৱা যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ফ্লাড লাইটৰ পোহৰত ৫৭ সংখ্যক এই প্ৰতিযোগিতাখনি আৰম্ভ হৈছে । আজি সন্ধিয়া এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত প্ৰতিযোগিতাখন উদ্বোধন কৰে প্ৰবীণ ক্ৰীড়া সাংবাদিক, সংগঠক ড০ তপন দত্তই । বীৰেন বৰাই আঁত ধৰা অনুষ্ঠানত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰী, উপ সভাপতি ললিত বৰা, সাধাৰণ সম্পাদক জুল খাউণ্ড প্ৰমুখ্যে বিষয়ববীয়া সকল উপস্থিত থাকে। এই প্ৰতিযোগিতা অহা ১০ এপ্ৰিললৈকে অনুষ্ঠিত হ'ব । এই প্ৰতিযোগিতাৰ লগতেই অহা দুই এপ্ৰিলত যোৰহাট জিলা ক্ৰীয়া সন্থাৰ শতবৰ্ষ উদযাপনৰ বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভনি হ'ব। আজিৰ উদ্ধোধনী খেলত চৰাইবাহী উপক্ৰীড়া সন্থাই এন আৰ এল ফুটবল একাডেমীক ২-১ গলত পৰাস্ত কৰে । তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনৰ প্ৰথমাৰ্ধৰ অধিকাংশ সময় এন আৰ এল ফুটবল একাডেমী দখলত থাকে যদিও গল কৰাৰ কেবাটাও সুবৰ্ণ সুযোগ হেৰুৱায়। প্ৰথমাৰ্ধ গল শূন্যভাৱে সমাপ্ত হোৱাৰ পাছত দ্বিতীয়াৰ্ধৰ ৭১ মিনিটত এটা আত্মঘাটী গলেৰে চৰাইবাহীয়ে অগ্ৰগতি লাভ কৰে । কিন্তু খেলৰ ৮২ মিনিটত লক্ষীন্দ্ৰ সোনোৱালৰ জৰিয়তে এন আৰ এল ফুটবল একাডেমীয়ে সমতা স্থাপন কৰে । অৱশ্যে ৮৭ মিনিটত ইনচেন্ট চাওৱাৰ জৰিয়তে বিজয়সুচক গল কৰিবলৈ সক্ষম হয় । খেল পৰিচালনা কৰে পৱন পাঠকে । লাইনত বিমান সন্দিকৈ আৰু সুমন্ত দত্ত । চতুৰ্থ ৰেফাৰী ৰঞ্জিত দত্ত।

ফেডাৰেছন কাপত অসমৰ প্ৰেৰণাৰ ব্ৰঞ্জ

গুৱাহাটী, ৩০ মাৰ্চ ঃ ভাৰতীয় পেঞ্চাক চিলাট মহাসংঘৰ পঞ্চম ফেডাৰেচন কাপত অসমৰ প্ৰেৰণা হাজৰিকাই সুন্দৰ খেল প্ৰদৰ্শন কৰি টেণ্ডিং আৰু টাংগাল শাখাত দুটাকৈ ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে । উল্লেখ্য যে পঞ্জাবৰ লাভলী প্ৰফেচনেল বিশ্ববিদ্যালয়ত অনুষ্ঠিত হৈছিল এই প্ৰতিযোগিতা । গোলাঘাট জিলাৰ চুঙাজান অঞ্চলৰ নৰমিলনপুৰৰ প্ৰেৰণাই এই দুটা পদকৰ জড়িয়তে অসমক পুনৰবাৰ জিলিকাই তুলিবলৈ সক্ষম হয় । উল্লেখ্য যে অনাগত দিনত প্ৰেৰণাই উক্ত বিশ্ববিদ্যালয়ৰ হৈ খেলাৰ বাবে বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিভাগে প্ৰস্তাৱ আগবঢ়াইছে আৰু প্ৰশিক্ষণৰ সুব্যৱস্থা কৰাৰ লগতে সকলো খৰচ বহনৰ দায়িত্ব গ্ৰহণ কৰিছে । প্ৰশিক্ষক মাষ্টাৰ গগন চন্দ্ৰ বড়ো আৰু প্ৰেৰণাৰ পিতৃ-মাতৃ ক্ৰমে ভদ্ৰ হাজৰিকা আৰু মামনি হাজৰিকালৈ অসম পেঞ্চাক চোলাট এছক্সচিয়েচনৰ লগতে বিভিন্নজনে অভিনন্দন জ্ঞাপন কৰিছে।

কাটাৰ বিশ্বকাপলৈ পৰ্তুগালৰ যোগ্যতা, উল্লাসিত ৰোনাল্ডো।

চাৰি এপ্ৰিলৰ পৰা নেহৰু ষ্টেডিয়ামত চিচিচিচিৰ ক্ৰিকেট

গুৱাহাটী, ৩০ মাৰ্চ ঃ অহা চাৰি এপ্ৰিল পৰা গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আৰম্ভ হ'ব ষষ্ঠ বাৰ্ষিক গোলাপ হাজৰিকা আৰু আৰতী হাজৰিকা তথা শৰৎ কলিতা প্ৰাইজমানি সীমিত অভাৰৰ ক্ৰিকেট প্ৰতিযোগিতা। দিছপুৰ চিটি ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰৰ মুখ্য এন আই এছ প্ৰশিক্ষক তথা সম্পাদক গৌতম হাজৰিকাই এই বিষয়ে অৱগত কৰিছে। অহা ১৪ এপ্ৰিলত অন্ত পৰিবলগা এই প্ৰতিযোগিতাৰ আয়োজক চিটি ক্ৰিকেট প্ৰশিক্ষন কেন্দ্ৰৰ ফালৰ পৰা জনোৱা অনুসৰি যোগদানকাৰী দলবোৰৰ মাজত লীগ পৰ্যায়ৰ মেচ ২০ অভাৰৰ আৰু ছেমিফাইনেল তথা ফাইনেল মেচ ৪০ অভাৰৰ হ'ব । টুৰ্ণামেণ্টৰ চেম্পিয়ন দলে এক লাখ আৰু ফাইনেলিষ্ট দলে ৫০ হেজাৰ টকাৰ প্ৰাইজমানি লাভ কৰিব । তদুপৰি সকলো মেচতে মেন অৱ দ্য মেচ আৰু সামৰণিত আন ব্যক্তিগত বঁটা থাকিব।

বৰদলৈ ট্ৰফী ফুটবলৰ গ্ৰুপ 'চি'ৰ অন্তিম খেলত অইলৰ বিৰুদ্ধে দিল্লী চি আই এছ এফৰ জয়লাভ

লটাৰীযোগে আজি নিৰ্ণয় হ'ব চতুৰ্থটো ছেমিফাইনেলিষ্ট দল

অগ্ৰদূত বাৰ্তা, দেওমৰনৈ, ৩০ মাৰ্চ ঃ লোকপ্ৰিয় গোপীনাথ বৰদলৈ সোঁৱৰণী ফুটবলৰ গ্ৰুপ 'চি'ৰ আজি অনুষ্ঠিত অন্তিমখন খেলত দিল্লীৰ চি আই এছ এফ দলে দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল দলক ২-১ গ'লৰ ব্যৱধানত পৰাভূত কৰে। দৰং জিলাৰ ঘিলাকুৰিস্থ জোনজ্যোতি আঞ্চলিক প্ৰগতি সংঘৰ খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজিৰ তীব্ৰ প্ৰতিদন্দ্বিতামূলক খেলৰ ৫৫ মিনিটত চি আই এছ এফ দলৰ ৰাজদ্বীপ সিঙে প্ৰমটো গ'ল দি দলক আগুৱাই নিয়ে। ৭৬ মিনিটত এটা পেনাল্টী শ্বটৰ সহায়ত বিজয়ী দলৰ ৰছিদ খানে আনটো গ'ল দি ব্যৱধান ২-০ লৈ বৃদ্ধি কৰে যদিও ৮৫ মিনিটত বিজিত দলৰ মিলন বসুমতাৰীয়ে এটা গ'ল পৰিশোধ কৰি ফলাফল ২-১ লৈ অৱনমিত কৰে। আজিৰ খেলত নীতি বহিৰ্ভূত আচৰণ প্ৰদৰ্শন কৰাৰ বাবে অইল ইণ্ডিয়া ফুটবল দলৰ মিলন বসুমতাৰীক পৰিচালকে ৰঙা কাৰ্ড প্ৰদৰ্শন কৰাৰ লগতে খেলৰ মাজতে অইলৰ খেলুৱৈ অমল ছেত্ৰী আঘাতপ্ৰাপ্ত হোৱাত খেল পথাৰ এৰিব লগীয়া হয়। উল্লেখ্য যে দৰঙৰ ঘিলাকুৰিত চলি থকা প্ৰতিযোগিতাৰ গ্ৰুপ 'চি'ৰ পৰা ছেমিফাইনেললৈ এটা দল নিৰ্বাচিত হ'ব লাছিল যদিও নগালেণ্ড পুলিচ আৰু চি আই এছ এফে সমান সমান পইণ্ট লাভ কৰাৰ লগতে গ'লৰ সংখ্যাও সমান হোৱাৰ পৰিপ্ৰেক্ষিতত ছেমি ফাইনেলৰ দলটো এতিয়া কাইলৈ আয়োজকে নিৰ্ণয় কৰিব প্ৰতিযোগিতাৰ নিয়ম অনুসৰি লটাৰীযোগে। আজিৰ খেলখন উদ্বোধন কৰে বিশিষ্ট চিকিৎসক, সাহিত্যিক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱে। আনহাতে জিৰণিত ফুটবল পৰিচালক তথা সাংবাদিক মোবাৰক হুছেইন সম্পাদিত তিনি মহীয়া ক্ৰীড়া শীৰ্ষক বাৰ্তালোচনী 'দৰং ক্ৰীড়া বাৰ্তা' উন্মোচন কৰে প্ৰাক্তন ভলীবল খেলুৱৈ সঞ্জীৱ শৰ্মাই।

অসম চৰকাৰ

পৰিবহণ বিভাগ

খৰ-ধৰ কৰক!
জৰিমনাৰ
পৰা হাত সাৰক!

আজি অন্তিম দিন

আজিয়েই আপোনাৰ বাহনৰ আদায় দিবলগীয়া পথ-কৰ পৰিশোধ কৰক!

পথ-কৰ পৰিশোধ নকৰিলে

- ১০,০০০/- টকা জৰিমনা ভৰিব লাগিব।
- নিৰ্দিষ্ট সময় উকলি যোৱাৰ পাছত প্ৰতি দিনৰ জৰিমনা ভৰিব লাগিব।
- বাহনখন জব্দ কৰা হ'ব।

বাণিজ্যিক বাহনৰ দিবলগীয়া বৰ্তমানৰ আৰু বকেয়া পথ-কৰ অনতিপলমে জমা কৰক।

বাক্তিগত বাহন ক্ৰয়ৰ সময়ত যিসকলে ৫ বছৰৰ পথ-কৰ পৰিশোধ কৰিছিল, তেওঁলোকে অৱশিষ্ট ১০ বছৰৰ পথ-কৰ পৰিশোধ কৰক। (পথ-কৰ ম্যাদ উকলাৰ তাৰিখ আপোনাৰ ৰেজিষ্ট্ৰেচন চাৰ্টিফিকেটত লিখা থাকে)

বকেয়া কৰ পৰীক্ষা কৰা আৰু অনলাইনযোগে পৰিশোধ কৰাৰ পদ্ধতিসমূহ

- www.parivahan.gov.in ক্লিক কৰক
- Online services'ত ক্লিক কৰক আৰু ড্ৰপডাউন মেনুৰ পৰা "Vehicle related services" বাছনি কৰক আৰু পৰৱৰ্তী পৃষ্ঠাত "Assam" ক ৰাজ্য হিচাপে বাছনি কৰক।
- আপুনি আপোনাৰ বাহনৰ পঞ্জীয়ন নম্বৰ প্ৰবিষ্ট কৰাৰ পিছত **"Proceed"** ক্লিক কৰক। **"Pay tax"** ক্লিক কৰক আৰু পৰৱৰ্তী পৃষ্ঠাৰ বিৱৰণবোৰ পৰীক্ষা কৰক।
- অ'টিপি সৃষ্টি কৰিবলৈ ম'বাইল নম্বৰ প্ৰবিষ্ট কৰক। "Submit" ক্লিক কৰক।
- উল্লেখিত payment mode (ক্ৰেডিট / ডেবিট কাৰ্ড / ইণ্টাৰনেট বেংকিং / ইউ.পি.আই.)ৰ পৰা যিকোনো এটা বাছনি কৰক আৰু আপোনাৰ পথ-কৰ পৰিশোধ কৰক।

পথ-কৰ পৰিশোধৰ আন পদ্ধতিসমূহ

- জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত PoS মেচিনৰ জৰিয়তে
- নিকটতম CSC (কমন চাৰ্ভিছ চেণ্টাৰ)ত

জৰিমনাৰ পৰা হাত সাৰিবলৈ আপোনাৰ ম্যাদ উকলা যান-বাহনৰ নথিপত্ৰ যেনে ফিটনেছ চাৰ্টিফিকেট, ড্ৰাইভিং লাইচেন্স ইত্যাদি অনতিপলমে নৱীকৰণ কৰক।

জনসংযোগ/ডি/১৮৪২৪/২১

@TransportAssam ☎ 9531107518